উত্তমচন্দ্ৰ বৰুৱাৰ জীৱনী

উত্তমচন্দ্ৰ বৰুৱাৰ জীৱনী

সংগ্ৰাহক
শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা

প্ৰকাশক :
শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱা
প্ৰাক্তন আই. এ. এছ.
আৰু
শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা

সংগ্ৰাহক :
শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা

সংগ্ৰাহক
আৰু

প্ৰথম প্ৰকাশ :
ফেব্ৰুৱাৰী, ১৯৬২

মূল্য : তিন টকা

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

যিখন সমাজৰ কল্যাণ কামনাত উত্তমচন্দ্ৰ বৰুৱাই কালাতিপাত কৰিছিল, সেইখন সমাজৰ হাততে উত্তমচন্দ্ৰ বৰুৱাৰ জীৱন কাহিনী সমৰ্পিত হ'ল।

—প্ৰকাশক

সূচী

বিষয়			পৃষ্ঠা
১। ৺উত্তমচন্দ্র বৰুৱাৰ বিষয়ে যৎকিঞ্চিৎ—	শ্ৰীকালীৰাম বৈশ্য	...	ক
২। সংগ্ৰাহকৰ নিবেদন	শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা	...	১
৩। চমু জীৱনী	৺গোপালকৃষ্ণ দে	...	১১
৪। মোৰ সংক্ষিপ্ত জীৱনী	৺উত্তমচন্দ্ৰ বৰুৱা (স্বয়ং)	...	৩২
৫। Copy of a petition by U. C. Barua to Mr. H. C. Barnes I.C.S. Settlement Officer		...	৯১
৬। Copy of a petition to the Commissioner A.V.D.			৯৪
৭। Copy of a petition to the Deputy Commissioner Kamrup		...	৯৬
৮। Copy of a report from the Commissioner A.V.D. to the Secretary Board of Revenue, Eastern Bengal & Assam		...	১০০
৯। Extract from Assam Gazette 1. 1. 1914		...	১০৩
১০। Copy and order of a Kabula case		...	১০৩
১১। Copy of a report from the Deputy Commissioner, Kamrup to the Commissioner A.V.D.		...	১০৪
১২। Do		...	১০৬
১৩। Copy of a report from the Commissioner to the Secy. Board of Revenue		...	১০৮
১৪। Copy of a Memorial to the Chief Commissioner of Aasam		...	১১১

	বিষয়		পৃষ্ঠা
১৫।	কলিকাতা হাইকোৰ্টৰ হুকুম এটাৰ নকল	...	১১৫
১৬।	৺ৰজৎচন্দ্ৰ বৰুৱাৰ পেৰা কাকতৰ নকল	...	১১৭
১৭।	কমাৰকুছিয়া বা বৰভাগীয়া বৰুৱাৰ বংশাৱলী	...	১২৬
১৮।	মধুসূদন বুজৰবৰুৱাৰ বংশধৰ সকলৰ শ্ৰাদ্ধৰ তিথিৰ তালিকা		১৩২
১৯।	৺উত্তমচন্দ্ৰ বৰুৱাৰ পদ্যৰ চানেকী	...	১৩৪
২০।	৺উত্তমচন্দ্ৰ বৰুৱাৰ গদ্যৰ চানেকী	...	১৪৮
২১।	চিঠিৰ নকল	...	১৮১

পূৰ্ব্বাভাষ

৺উত্তমচন্দ্ৰ বৰুৱাৰ বিষয়ে যৎকিঞ্চিৎ

স্বনামখ্যাত ৺উত্তমচন্দ্ৰ বৰুৱাৰ ৰোজনামা লিখা অভ্যাসৰ বাবে ইংৰাজ ডায়েৰীষ্ট বা ৰোজনামা লিখক * ছেমুয়েল পেপিজৰ লগত তুলনা কৰিব পাৰি। পেপিজৰ দৰে ৺উত্তমচন্দ্ৰ বৰুৱাৰ ৰোজনামাতো তেওঁৰ ঘৰুৱা জীবনৰ ডাঙৰ সৰু কথাৰ লগতে দেশ-বিদেশৰ সমসাময়িক প্ৰধান ঘটনাৱলীৰ উল্লেখ আৰু আলোচনা দেখা যায়। এই ৰোজনামাখিনি ছপা কৰি ৰাইজৰ হাতত দিব পাৰিলে অসমীয়া সাহিত্যৰ এটি বিশেষ সম্পদ হব বুলি কব পাৰি।

ইংৰাজ মনীষী লৰ্ড মেকলে চাহাবে এঠাইত কৈছে যে মানুহৰ জীৱন চৰিতৰ বিষয়ে যিবিলাকে আলোচনা বিলোচনা কৰে তেওঁলোকৰ একপ্ৰকাৰ মানসিক ৰোগ হয় যাক তেওঁ নাম দিছে Lues Boswelliana. ইয়াৰ অৰ্থ (তেওঁলোকৰ ৰচনাৰ) নায়কৰ অযথা গুণ কীৰ্ত্তন কৰা মনোবিকাৰ। স্বৰ্গীয় উত্তমচন্দ্ৰ বৰুৱাৰ বিষয়ে দুষাৰ লিখিবলৈ গলে Lues Boswelliana ৰোগগ্ৰস্ত হোৱাৰ আমাৰ অলপো ভয় নাই। কাৰণ ৺বৰুৱাদেৱৰ যিখিনি প্ৰাপ্য সেই খিনিকো সম্যকৰূপে প্ৰকাশ কৰাৰ যোগ্যতা আমাৰ নাই।

৺উত্তমচন্দ্ৰ বৰুৱাক আমি দেখা নাই। কিন্তু তেখেতৰ নাম কামৰূপত এসময়ত পাৰিবাৰিক শব্দৰ দৰে আছিল।

---

* Samuel Pepys (1633-1703). He was born above his Father's tailor's shop in Salisbury Court, Fleet Street, London.

তেখেতৰ শৌৰ্য্য, বীৰ্য্য আৰু মহত্বৰ কথা লৰাকালত আমাৰ পিতৃস্থানীয় লোকসকলৰ মুখত আমি সদায় শুনিছিলোঁ। ৺গোপালকৃষ্ণ দে মহাশয়ে বৰুৱাদেৱৰ চিন্তা, চেষ্টা আৰু চৰিত্ৰৰ সকলো ফালে যুক্তিৰে সৈতে কঁহিয়াই দেখুৱাই দিছে।

দে মহাশয় বৰুৱাদেৱৰ এগৰাকী অন্তৰঙ্গ বন্ধু আছিল। সেইদেখি বৰুৱাদেৱক সকলো ফালৰ পৰা জনাৰ তেখেতৰ সুযোগ মিলিছিল। এতেকে দে মহাশয়ে বৰুৱাদেৱৰ বিষয়ে লিখা কথা সম্পূৰ্ণ নিৰ্ভৰযোগ্য। বৰুৱাদেৱৰ নিজৰ আত্মজীৱনী, দে মহাশয়ে লিখা কথা প্ৰচলিত জনশ্ৰুতিৰ পৰা বিচাৰ কৰি চালে, দেখা যায় যে বৰুৱাদেৱ তেখতৰ সময়ৰ আমাৰ এজন শ্ৰেষ্ঠ পুৰুষ আছিল। তেখেতৰ জীৱন-কাহিনীৰ যিখিনি সম্বল এতিয়াও পোৱা যায় আৰু তেখেতক ভালদৰে জনা যি সকল লোক এতিয়াও জীৱিত আছে সেই সকলৰ পৰা তথ্য সংগ্ৰহ কৰি লৈ, সেই সকলোবিলাকক ভিত্তি কৰি, তৎকালীন সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবেশৰ আধাৰত, বৰুৱাদেৱৰ এখন আলোচনাত্মক জীৱনী লিখি উলিয়াব পাৰিলে অসমীয়া ভাষাত যে এখন মূল্যবান জীৱনী-সাহিত্য পোৱা যাব তাত সন্দেহ নাই। এই কামৰ কাৰণে, বৰুৱাদেৱৰ আপোন বংশ-পৰিয়াল আৰু ওচৰ-সম্বন্ধীয় সকলৰ মাজতেই গুণী আৰু জ্ঞানী লোক বহুত আছে। এই প্ৰসঙ্গত এষাৰ কথা কব পৰি যে ৺বৰুৱাদেৱৰ নিচিনা, ভিন্ ভিন্ পন্থা অৱলম্বন কৰি তৰুণ অসমৰ গঢ় লগাওঁতা বহুত গুণী পুৰুষৰ জীৱন-কাহিনী আমাৰ অৱজ্ঞা আৰু অৱহেলাৰ কাৰণে লোপ পাই গল। বিস্মৃতিৰ গৰ্ভত লুপ্ত সেই অজ্ঞাত পুৰুষ সকল হয়তো বিশ্ববিদ্যালয়ৰ কোনো ডিগ্ৰীধাৰী নাছিল; হয়তো তেওঁলোকে ওখ খাপৰ কোনো চৰকাৰী চাকৰি কৰা নাছিল, হয়তো তেওঁলোকে সাহিত্য অনুশীলন কৰি কোনো পুথি-পত্ৰ লেখি থৈ যোৱা নাছিল। কিন্তু সমাজৰ আন আন লাগতিয়াল ক্ষেত্ৰত

তেওঁলোকৰ অৱদান মুঠেই অৱজ্ঞা কৰিব লগীয়া নহয়। আজিৰ জগতৰ সকলো উন্নত জাতিৰ নিজ নিজ জাতীয় জীৱন-মালাত (National Biographies) জাতিৰ সকলো ক্ষেত্ৰৰে কৃতী পুৰুষ সকলৰ জীৱন-চৰিত লিখি সেই সকলক যুগে যুগে জীৱিত কৰি ৰাখিছে। অসমীয়া জাতিৰ তেনে জাতীয় জীৱন-চৰিত নথকাটো দুখৰ কথা।

মাণিকচন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা, ৰজনীকান্ত বৰদলৈ, আনন্দচন্দ্ৰ আগৰৱালা, লম্বোদৰ বৰা, পদ্মনাথ গোহাঁই বৰুৱা, হেমচন্দ্ৰ গোস্বামী, নবীনচন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন প্ৰভৃতি যিসকল অসমীয়াই উণবিংশ শতকৰ শেষ ছোৱা আৰু বিংশ শতকৰ আদি ছোৱাত, নানা ফালৰ পৰা তৰুণ অসমৰ ভেটি বান্ধি থৈ গৈছে, ৺উত্তমচন্দ্ৰ বৰুৱাদেৱ সেইসকলৰ সমসাময়িক আছিল।

বৰুৱাদেৱৰ জন্ম তাৰিখৰ (ইং ১৮৬৯ খৃষ্টাব্দ) অলপ কেই বছৰমান মাথোন অগাপিছাকৈ তেখেতসকলৰ জন্ম হৈছিল। সেই সময়ৰ আমাৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিৰ প্ৰভাৱ উল্লিখিত সকলৰ জীৱনত সমান ভাবে পৰিছিল। সেই পৰিবেশৰ মাজত তেখেত সকলে নিজ নিজ কৰ্ম্মপথত থাকি যি উপায়ে পাৰিছে তৰুণ অসমক গঠন কৰাত সহায় কৰি গৈছে।

বৰুৱাদেৱৰ আত্ম-চৰিতৰ পৰা বুজা যায় যে, জীৱনৰ আদি ছোৱাত তেখেতে দাৰুণ অভাৱ অনাটনৰ মাজেদি যাব লগীয়াত পৰিছিল। কিন্তু সেই কঠোৰ প্ৰতিকূল অৱস্থায়ো তেখেতৰ অন্তৰ্নিহিত মহৎ গুণৰ বীজসমূহ নিষ্পেষণ কৰি নিৰ্ম্মূল কৰিব পৰা নাছিল। বয়স হোৱাৰ লগে লগে তেখেতৰ অন্তৰৰ মহৎ গুণাৱলী কুসুমিত হৈ উঠিছিল। দে মহাশয়ে গীতাৰ ১৮শ অধ্যায়ৰ ৪৩শ শ্লোক উদ্ধৃত কৰি দেখুৱাইছে যে বৰুৱাদেৱৰ গীতোক্ত সকলো ক্ষত্ৰিয় বৃত্তিৰ সম্যক উন্মেষ হৈছিল। গীতাত উল্লেখ কৰা সেই গুণগ্ৰাম কেৱল ক্ষত্ৰিয়-জনোচিত বৃত্তি বুলিলেই

স্বৰূপ কথা কোৱা নহয়—এই বিলাকেই শ্ৰেষ্ঠ মানৱৰ গুণ। সেই কাৰণে সেই গুণাৱলীৰ উৎকৰ্ষ সাধনৰ কাৰণে বৰুৱাদেৱক কেৱল আদৰ্শ ক্ষাত্ৰধৰ্ম্মী পুৰুষ বুলিলেই তেখেতৰ শ্ৰেষ্ঠত্বক খৰ্ব্ব কৰা হয় যেন পাওঁ। সাধনাৰ দ্বাৰা যি সকলে সেই গুণাৱলীক বিকশিত কৰিব পাৰে সেই সকলেই শ্ৰেষ্ঠ মানৱত্বৰ দাবী কৰিব পাৰে।

বৰুৱাদেৱৰ কাৰ্য্যকলাপলৈ লক্ষ্য কৰিলে বুজা যায় যে তেখেত এগৰাকী গীতোল্লিখিত স্থিতপ্ৰজ্ঞ পুৰুষ আছিল। ন্যায়ালয়ৰ কঠোৰ দণ্ডাদেশ মূৰত লৈও তেখেতে কামাখ্যাত বহা উত্তৰ বঙ্গীয় সাহিত্য-সম্মেলনৰ (তেখেতৰ ওপৰত পৰা) গুৰুত্বপূৰ্ণ কাম অবিচলিত চিত্তে সমাধা কৰি যাব পাৰিছিল। মানুহৰ মানসিক শক্তি অতি উচ্চ সোপানলৈ নুঠিলে এনে অনন্য-সাধাৰণ নিৰ্ব্বিকাৰতা কেতিয়াও দেখুৱাব নোৱাৰে। বৰুৱাদেৱৰ ধৈৰ্য্য-শীলতাৰ উদাহৰণে ভাৰতৰ এগৰাকী আইনজীৱী শ্ৰেষ্ঠ পুৰুষৰ কথা মনত পেলাই দিয়ে। সেইজনে উচ্চ আদালতত এদিন এটা গুৰুত্ব-পূৰ্ণ মোকদ্দমা চলাব লগা হৈছিল। মোকদ্দমাৰ ‘শুনানি’ আৰম্ভ হৈছে। তাৰ অলপ পাছতে তেখেতে এখন টেলিগ্ৰাম পালে। বাতৰিটো অতি মৰ্ম্মান্তিক—তেখেতৰ প্ৰিয় পত্নীৰ মৃত্যু সংবাদ। কিন্তু—সেই স্থিতধী পুৰুষে অকণো বিচলিত নহৈ নিৰ্ব্বিকাৰ মনে মোকদ্দমা চলাই যাবলৈ ধৰিলে। মোকদ্দমাত তেওঁৰ পক্ষৰ জয় হ’ল। এইদৰে শুনানি শেষ হোৱাৰ পাছতহে স্তম্ভিত আদালতৰ সকলোকে সেই দুৰ্ব্বিসহ বাতৰিটো শুনালে। মাটিৰ মানুহে—তেনে দৈৱী শক্তি দাবী কৰিব পাৰেনে ?

চৰকাৰী বিষয়া হিচাবে বৰুৱাদেৱ এজন মৌজাদাৰ আছিল। কিন্তু সেই সময়ৰ আন আন মৌজাদাৰৰ পৰা তেখেত সম্পূৰ্ণ পৃথক আছিল। তেখেত যি সামাজিক পৰিবেশত জন্মিছিল, তেখেতৰ তীক্ষ্ণদৰ্শিতাই তাৰ সকলো দোষ গুণ লক্ষ্য কৰিছিল। তাৰ ভিতৰত যিবিলাক হানিজনক সামাজিক প্ৰথা আছিল,

সেইবিলাকক নিবাৰণ কৰিবলৈ যথাসাধ্যে চেষ্টা কৰিছিল। আৰু যিবিলাক সমাজৰ কাৰণে হিতকাৰী আছিল তাৰপৰা তৎকালিক আবৰ্জ্জনা গুচাই সেই বিলাকক আৰু উন্নত কৰিবলৈ যত্নবান হৈছিল। কামৰূপ খণ্ডত এনে কিছুমান বৈশিষ্টপূৰ্ণ সাংস্কৃতিক অনুষ্ঠান আছিল (যি বিলাকৰ সাদৃশ্য আমাৰ আন কোনো ঠাইত দেখা নগৈছিল বা নেযায়) বৰুৱাদেৱৰ সময়ত সি বিলাকত মৃতপ্ৰায় অৱস্থা হৈছিল। তেখেতে বহুত অৰ্থব্যয় আৰু পৰিশ্ৰম কৰি সেইবিলাকক আকৌ সঞ্জীবিত কৰি তুলিছিল। আনকি, ১৯০৫ খৃষ্টাব্দত গুৱাহাটীত বহা অসম কৃষি আৰু শিল্প প্ৰদৰ্শনীত কিছুমান সাংস্কৃতিক অনুষ্ঠানৰ অভিনয় দেখুৱাই সেইবিলাকলৈ ললিত-কলা-বিদ্ সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এই দৃষ্টিকোণৰ পৰা চালে তেখেতক এজন সমাজ-সংস্কাৰক আৰু জাতীয় সংস্কৃতিৰ সক্ৰিয় পৃষ্ঠপোষক বুলিব পাৰি। ৺উত্তমচন্দ্ৰ বৰুৱাৰ দৰে জাতীয় কলা আৰু সংস্কৃতিৰ পৃষ্ঠপোষক লোক নথকাৰ কাৰণেই তেখেতৰ পৰলোকৰ ৪০ বছৰৰ ভিতৰতে কামৰূপ খণ্ডৰ পুৰণিকলীয়া বহুত সাংস্কৃতিক অনুষ্ঠান চিৰকালৰ কাৰণে লুপ্ত হৈ গল।

দহজনক চলাব পৰা শক্তি বৰুৱাদেৱৰ জন্মগত আছিল। কথিত আছে যে স্বয়ং কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ দেৱেই তেখেতক জাত-নেতা (Born-leader) বুলি স্বীকাৰ কৰিছিল। বৰুৱাদেৱ এজন লেখত লব লগা সাহিত্যসেৱীও আছিল। এতিয়া বন্ধ হোৱা "আসাম বান্ধৱ" নামে মাহেকীয়া আলোচনীত তেখেতৰ কেইটামান সাৰুৱা প্ৰবন্ধ ওলাইছিল। নিজৰ সংক্ষিপ্ত আত্মচৰিতখনৰ বাহিৰে তেখেতে আন পুথি লেখিবলৈ সময় নাপালে। কম বয়সতে ইহলোক এৰি যাব লগা নহলে তেখেতৰ কাপৰ পৰা দুই চাৰিখন ভাল পুথি অৱশ্যে ওলাল হেঁতেন। ভট্টদেৱৰ "কথা ভাগৱত" আদি পুথি তেখেতে প্ৰকাশ কৰিবলৈ সঙ্কল্প কৰিছিল। তেখেতে নিয়ম মতে নিজৰ ৰোজনামা (ডায়েৰী) লিখিছিল। সেই ডায়েৰীবিলাকত

তেখেঁতৰ নিজৰ জীৱনৰ ঘটনাৰ উপৰিও সমসাময়িক বহুত জানিব লগীয়া কথা পোৱা গলহেঁতেন। কিন্তু সেই ডায়েৰীবিলাকৰ বহুত এতিয়া নষ্ট হোৱাত তাৰ পৰা পূৰাব নোৱাৰা ডাঙৰ ক্ষতি এটা হৈছে। চিন্তাশীল লোকৰ ডায়েৰী বিলাকো সাহিত্যৰ এটা অঙ্গ। ডায়েৰী লিখাৰ যে এই অনুপ্ৰেৰণা সিও তেখেতৰ সুস্থ সাহিত্য অনুৰাগৰ পৰিচায়ক।

এই সবল অন্তঃকৰণৰ মানুহটিৰো মনৰ এচুকত কিঞ্চিৎ দুৰ্ব্বলতা লুক্কায়িত আছিল। স্বাৰ্থপৰ, পৰনিন্দুক, খলুৱা মানুহ কিছুমানৰ কথাক বিশ্বাস কৰি বহুত জনাবুজা মানুহেও তেখেতক অত্যাচাৰী, উৎপীড়ক আদি আখ্যা দিছিল। এই মিথ্যা প্ৰচাৰৰ দ'বে তেখেতে বিষম মনঃকষ্ট পাইছিল আৰু তেখেতৰ অন্তৰঙ্গ বন্ধু সকলৰ আগত মাজে সময়ে সেইকথা ব্যক্ত কৰি বৰ দুঃখ প্ৰকাশ কৰিছিল। হয়তো, সেই চিন্তাই সময়ত তেখেতক বিক্ষুব্ধ কৰি তুলিছিল। সংসাৰত বিচাৰ-বুদ্ধিহীন তথাকথিত শিক্ষিত আৰু সভ্যভব্য লোক অলেখ আছে—যিবিলাকে সৰ্ব্বসাধাৰণৰ দায়িত্বহীন অসংযত আৰু স্বাৰ্থবুদ্ধি-চালিত মিথ্যা প্ৰচাৰক বিশ্বাস কৰি মহৎ লোকৰ প্ৰতি ভ্ৰান্ত ধাৰণা পোষণ কৰে। হীন স্বাৰ্থ-বুদ্ধিচালিত নীচাশয় বিলাকে বৰুৱাদেৱৰ মহৎ চৰিত্ৰক কলঙ্কিত কৰিবলৈ যি অপচেষ্টা কৰিছিল সি তেখেতৰ সজ চৰিত্ৰক আৰু উজ্জ্বল কৰিহে দেখুৱাইছে।

চৰকাৰী কৰ্ত্তব্য পালন কৰিবলৈ যোৱাত বৰুৱাদেৱ নিম্ন আদালতত অপৰাধী সাব্যস্ত হৈছিল। প্ৰতিহিংসা-পৰায়ণ কিছুমান অসৎলোকৰ মিথ্যা অভিযোগ ক্ৰমে তেখেতে বিচাৰত দণ্ডাদেশ পাইছিল। যিজন জিলাৰ অধিপতি ইংৰাজ বিষয়াৰ হুকুম অনুসাৰে তেখেতে চৰকাৰী কাম কৰিছিল সেইজন ইংৰাজ বিষয়াই বিচাৰকৰ আসনত বহি সেই কামৰ কাৰণেই তেখেতৰ ওপৰত দণ্ড বিধান কৰিছিল। সেই জিলা অধিপতি-জন ইণ্ডিয়ান চিভিল

চাৰ্ভিচৰ (I. C. S.) বিষয়া আছিল। আমাৰ জনসাধাৰণৰ ধাৰণা মতে ইণ্ডিয়ান চিভিল চাৰ্ভিচৰ বিষয়াবিলাক মানৱ প্ৰতিভাৰ চৰম বিকাশ আৰু এক প্ৰকাৰ চমকপ্ৰদ জীৱ। আচল কথা, * ইণ্ডিয়ান চিভিল চাৰ্ভিচৰ বিষয়াবিলাকক ইংৰাজ সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ পৰা আমদানী কৰা হৈছিল। ইংৰাজ সমাজৰ সম্ভ্ৰান্ত শ্ৰেণীৰ পৰা প্ৰায় মানুহেই ইণ্ডিয়ান চিভিল চাৰ্ভিচৰ বিষয়া হবলৈ নাহিছিল। তেওঁলোকে নিজদেশৰ (গ্ৰেটবৃটেনৰ) শাসনকাৰ্য্য, ৰাজনীতিত অংশ গ্ৰহণ বা আন আন অভিজাতোচিত কাৰ্য্যত নিযুক্ত আছিল। এই আই. চি. এচ. অফিচাৰ বিলাকে সাম্ৰাজ্য-বাদী মনোবৃত্তি লৈ ভাৰতবৰ্ষৰ সম্ভ্ৰান্ত শ্ৰেণীকে আদি কৰি সকলো থাপৰ প্ৰজাৰ ওপৰত প্ৰভুত্ব কৰিছিল। আইন আৰু আইনবিজ্ঞানৰ (Jurisprudence) সূক্ষ্মজ্ঞান নোহোৱাকৈয়ে এওঁলোক বিচাৰকৰ আসনত বহিছিল (আজিৰ শিক্ষা আৰু সভ্যতাৰ অগ্ৰগতিৰ দিনতো আইনৰ সূক্ষ্মজ্ঞান নথকা হাকিমে যেনেকৈ বিচাৰকৰ আসন সুশোভিত কৰে)। যি সময়ত বা যি ঠাইত শক্তিশালী আইন ব্যৱসায়ী নাছিল তাত তেতিয়া আইনৰ জ্ঞান থাকিলেও সেই আই. চি. এচ. কৰ্ম্মচাৰী বিলাকে আইনক নিজৰ প্ৰয়োজন মতে অবাধে প্ৰয়োগ কৰিছিল। মণিৰাম দেৱানৰ বিচাৰ প্ৰসঙ্গত যিজন ইংৰাজ বিষয়াই কৈছিল—"আগেয়ে ফাঁচি তাৰ পাচতহে বিচাৰ" সেইজনৰ দৰে উদ্ধত মনোবৃত্তি লৈ আইনৰ অপপ্ৰয়োগ কৰা ইংৰাজ বিষয়াৰ সংখ্যা কম নাছিল। ৺হেমচন্দ্ৰ বৰুৱাৰ এখন ধেমেলীয়া নাটকত

---

* "He (a member of the Indian Civil Service) came from a middle class from which were freely recruited the men entrusted with the governance and the continuance of Britain's overseas Empire. The prejudice of class in his own country had ~~claimed~~ him a share in the government of his own country/was the more exclusive priviledge of the sons of the English gentry who could afford the luxury of a political career." —*D. F. Karaka.*

এযাৰি কথা পঢ়া মনত আছে। নতুন ইংৰাজ বিষয়া এজনে আদালতত মোকদ্দমা বিচাৰ কৰিছে। তেওঁৰ তলত কাম কৰা আইনৰ কথা বুজা অভিজ্ঞ কেৰাণী এজনে চাহাবৰ বিচাৰ পদ্ধতিৰ ক্ৰুটী আঙুলিয়াই দিয়াত তেওঁ কৈছে—"হামাৰ বাপ দাদা আইন তিয়াৰ কৰিছে—হামাৰ ইচ্ছা মাফিক আইন বিচাৰ কৰিব পাৰে, তাতে হামাৰ কি হবে ?" জুদিচিয়েল বিভাগত চাকৰি কৰা হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ এনে চাহাৰী চৰিত্ৰ চিত্ৰন তেখেতৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ফল নিশ্চয়। ঘটনাক্ৰমে যেতিয়া নীচাশয় স্বেচ্ছাচাৰী লোক শাসন ক্ষমতাত অধিষ্ঠিত হয়, সিবিলাকে তেতিয়া নিজৰ অভিপ্ৰায় সিদ্ধিৰ কাৰণে নিৰ্দ্দোষ নিমাখিত প্ৰাণীক নানা প্ৰকাৰে ~~লাঞ্ছনা কৰাটো স্বাভাৱিক কথা। সেই কাৰণেহে পুৰণা কালৰ চিন্তাশীল দাৰ্শনিক পণ্ডিত সকলে এনে সনাতন বাণী প্ৰচাৰ কৰি থৈ গৈছে যে নীচাশয়, স্বেচ্ছাচাৰী, স্বাৰ্থপৰ, মানুহবিলাকৰ হাতলৈ যাতে ৰাষ্ট্ৰৰ শাসনৰ ক্ষমতা নেযায়, সমাজৰ কল্যাণকামী সকলোৱে তাৰ কাৰণে সচেষ্ট হব লাগে।

৺উত্তমচন্দ্ৰ বৰুৱাদেৱ অপৰাধী প্ৰতিপন্ন হৈছিল নিম্ন আদালতৰ ওপৰত উল্লেখ কৰা বিধৰ ইংৰাজ বিচাৰক এজনৰ হাতত। আনন্দৰ বিষয়, উচ্চ ন্যায়ালয়ৰ (হাইকোৰ্টৰ) আইনৰ সূক্ষ্ম বিচাৰত বৰুৱাদেৱ সম্পূৰ্ণ নিৰ্দ্দোষ প্ৰমাণিত হৈছিল। তথাপি শত্ৰুপক্ষই তেখেতৰ বিৰুদ্ধে নানা প্ৰকাৰ মিথ্যা প্ৰচাৰ কৰিবলৈ এৰা নাছিল। আজি বহুদিনৰ ব্যৱধানৰ পাছত বৰুৱাদেৱৰ বিৰুদ্ধে কৰা সকলো মিথ্যা প্ৰচাৰ তেখেতৰ চৰিত্ৰৰ অলঙ্কাৰ স্বৰূপহে হৈ উঠিছে।

বৰুৱাদেৱ এগৰাকী ধৰ্ম্মপ্ৰাণ পুৰুষ আছিল। তেখেতে শয়নে সপোনে বাহিৰে ভিতৰে ভগৱান শ্ৰীকৃষ্ণৰ মূৰ্ত্তিক আগত ৰাখি চলিছিল। তেখেতৰ সকলো চিন্তা, সকলো ধৰ্ম্ম নিত্যকাল ভগৱান নিয়ন্ত্ৰিত আছিল। তেখেতৰ পুত্ৰকন্যা সকলোকো নিজ আদৰ্শৰে ধৰ্ম্মনিষ্ঠ্য কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল।

স্বৰ্গীয় বৰুৱাদেৱক দেখা সৌভাগ্য আমাৰ হোৱা নাছিল; তেখেতৰ কোনো ছবিও আমাৰ চকুত পৰা নাই। তথাপি বৰুৱাদেৱৰ বিষয় ভাবিলে তেখেতৰ সেই সৌম্য মূৰ্ত্তি, মূৰত মথুৰা পাগ, শৰীৰত ঘৰুৱা তাঁতশালত তৈয়াৰ কৰা শুভ্ৰবস্ত্ৰ, মৃদু হাঁহি সুশোভিত শান্ত মুখমণ্ডল আমাৰ মানস চকুৰ আগত প্ৰতিভাত হৈ উঠে। নানাভাবে জনগণৰ মঙ্গল সাধনাই তেখেতৰ জীৱন-ব্ৰত আছিল। তেখেতৰ দৰে মহৎজনক বৰ্ণনা কৰিবলৈ কবিৰ ভাষা আছে—

Their welfare pleased him, and
their care distrest;
To them his heart, his love, his griefs
were given,
But all his serious thoughts had rest
in heaven.

ছিলং ৩।৮।৫৮ ইং

শ্ৰীকালীৰাম বৈশ্য
Retired Secretary,
Text Book Committee,
Assam.



উত্তমচন্দ্র বরুয়া

কনকলতা বরুয়ানী

সংগ্ৰাহকৰ নিবেদন

প্ৰতিদিনে প্ৰতিক্ষণে জগতত কতলোক জন্মে! তাৰে কিছুমান আমি বহুকাল পিচলৈ মনত ৰাখোঁ আৰু তেওঁলোকৰ কাৰ্য্যকলাপৰ সমালোচনা কৰোঁ। আকৌ কিছুমানক মৃত্যুৰ প্ৰায় লগে লগেই আমি পাহৰি যাওঁ। নাইবা তেওঁলোকৰ বিষয়ে পিচলৈ আলাপ আলোচনা নকৰোঁ; কিয় ?

যি সকল লোকে নিজৰ জ্ঞান-গৰিমা, ধন-সম্পত্তি কেৱল নিজে উপভোগ নকৰি জগতৰ হিতকৰ কামত ব্যৱহাৰ কৰি আনন্দ লাভ কৰে, সেই সকল লোকক সমাজে বহুকাল পিচলৈ মনত ৰাখে। আন শ্ৰেণীৰ গুণী বা ধনী লোকক সমাজে সহজে পাহৰি যায়।

৺উত্তমচন্দ্ৰ বৰুৱা লোকান্তৰিত হৱৰ বহুদিন (৪৬ বছৰ) হ'ল। কিন্তু আজিও বহুতে সিদিনাৰ কথাৰ নিচিনাকৈ তেখেতৰ কাৰ্য্যকলাপ মনত কৰে। ইয়াৰ কাৰণ এই যে তেওঁ সৰুৰে পৰা জ্ঞান-পিপাসু আছিল আৰু শ্ৰীমন্তৰ ঘৰত জন্মিও বাল্য আৰু কৈশোৰ জীৱনত অসহনীয় দুখ-কষ্টেৰে লাভ কৰা বিদ্যা-বুদ্ধি সদায় সমাজৰ উন্নতিৰ হকে কামত লগাবৰ চেষ্টা কৰিছিল।

এই জন পুৰুষৰ চৰিত্ৰ ইয়াত সমালোচনা কৰিব খোজা নাই। গুৱাহাটীৰ স্বৰ্গীয় সাহিত্যিক গোপালকৃষ্ণ দে মহাশয়ে লেখা 'উত্তমচন্দ্ৰ বৰুৱাৰ জীৱন কাহিনী' আৰু উত্তমচন্দ্ৰ বৰুৱাই নিজ হাতে লেখা আত্মকাহিনী প্ৰকাশ কৰোঁতে তেখেতৰ কেইটিমান কাৰ্য্যৰ কথা উন্মুকিয়াব খুজিছোঁ মাত্ৰ।

৺গোপালবাবুই লেখিছিল বঙলা ভাষাত; তাকে অসমীয়া কৰি দিয়া হৈছে। নষ্ট সম্পত্তি উদ্ধাৰ আৰু গৃহস্থী ৰক্ষাৰ চেষ্টাত উত্তমচন্দ্ৰ বৰুৱাই ১৮৮৭ চনত স্কুল এৰি ঘৰত বহাৰ লগে লগে সমাজ সংস্কাৰ আৰু গাওঁ সংগঠনৰ কাম হাতত লয়।

এই সময়ত যদিও অসম প্ৰদেশ সম্পূৰ্ণৰূপে বৃটিছ চৰকাৰৰ আয়ত্বাধীন হৈছিল, তথাপি চহৰ-বন্দৰৰ পৰা দূৰৈত থকা ভদ্ৰ-সমাজৰ লোক সকলে (কি হিন্দু , কি মুছলমান) বিলাতী শিক্ষা নাইবা বিলাতী আদব-কায়দা গ্ৰহণ কৰিবলৈ কেৱল অনিচ্ছুকেই নহয়, তেওঁবিলাকে নিজৰ শিক্ষা আৰু সংস্কাৰ এৰি দি ইংৰাজী দাবা-দস্তুৰ লবলৈ ৰীতিমতে পিচ হুঁহকি আছিল।

এনে সময়তে উত্তমচন্দ্ৰ বৰুৱাই গাৱঁত পূৰ্ব্বৰ চলন অনুসাৰে ৰাখা মতা মানুহৰ মূৰৰ পাহকাটা দীঘল চুলি বুজাই বঢ়াই নাইবা বলেৰে কাটাই পেলাইছিল। বাহিৰলৈ গলে, গাত আধুনিক ৰকমৰ চোলা আদি পিন্ধিবও উৎসাহ দিছিল। অহোপুৰুষাৰ্থ কৰি 'কন্যাপণ নিবাৰণী সভা' পাতি পণপ্ৰথা বন্ধ কৰিছিল। 'ৰাইজমেল' পাতি সমাজৰ অকল্যাণকৰ আন বহুত নিয়মৰো পৰিবৰ্ত্তন ঘটাইছিল।

সেই সময়ৰ গণ্যমান্য লোক সকলে বৰযাত্ৰী হওঁতে দোলাত উঠি যোৱা আৰু মান কৰিবলৈ আগ বঢ়োৱা থোক তামোল আৰু গোটা পান দিয়া চলিত দস্তুৰ বহু প্ৰবন্ধে উঠাই দিছিল। বিয়াৰ সময়ত খাৰ-বাৰুদ পুৰি ধনৰ অপচয় বন্ধ কৰিবৰ চেষ্টাতেই সন্তুষ্ট নাথাকি নষ্ট পুখুৰীৰ পুনৰুদ্ধাৰ কৰা, গাৱঁলীয়া আৰু ৰাইজ আলিবোৰ মেৰামত কৰিবলৈ সেই অঞ্চলৰ ৰাইজক সংঘবদ্ধ কৰি তুলিছিল। লগতে এনেবোৰ উমৈহতীয়া কামত সাহায্য পাবলৈ আবেদন-নিবেদন কৰি কৰ্ত্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবও এৰা নাছিল। উত্তমচন্দ্ৰ বৰুৱা আধুনিক সভ্যতাৰ গুণগ্ৰাহী হৈও ভাৰতীয় কৃষ্টি আৰু আদৰ্শৰ (বিশেষকৈ অসমীয়া ঠাঁচৰ) বিশেষ পক্ষপাতী আছিল।

আনুষ্ঠানিক সকলো কামতে তেখেতে অসমীয়াৰ বৈশিষ্ট্য ৰক্ষাৰ চেষ্টা কৰিছিল। অসমীয়া হিচাবে তেওঁ মূৰত পাগুৰি মাৰিছিল। দেশাত্মবোধো তেখেতৰ কম নাছিল। স্বদেশী আন্দোলনৰ পিচত,

জীৱনৰ শেষ দিনলৈ তেখেতে মিলৰ ধুতি নিপিন্ধি ঘৰত বোৱা চুৰীয়া, হাতে কটা কপাহী সূতাৰ চেলেং, পছৰা, খনীয়া আদি কাপোৰ হে ব্যৱহাৰ কৰিছিল।

১৯০৫ ইং চনত গুৱাহাটীত পাতা কৃষি আৰু শিল্প প্ৰদৰ্শনীত আধাৰো বেচি দৰ্শনীয় বস্তু গোটাই দিছিল। নানা তৰহৰ শস্য, গহনা, কাপোৰ, হাতৰ কাম আদিৰ বাহিৰেও, ইয়াত তেখেতে বিশেষ ভাবে অসমীয়াৰ খোৱা-পিন্ধাৰ বিশেষত্ব দেখুৱাবলৈ উঠিপৰি লাগিছিল। এই উদ্দেশ্যে গাৱঁৰ পৰা বয়সীয়াল তিৰোতা মানুহ গোটাই আনি কপাহ আৰু পলুৰ পৰা কাপোৰ হোৱা ক্ৰমটো প্ৰদৰ্শন কৰিছিল। লগতে আখৈৰ, গুৰাৰ, বৰিয়া, নাৰিকলৰ, তিলৰ, লাৰু; চুঙা পিঠা, খোলা চাপৰি পিঠা, পাত পিঠা, টেকেলি পিঠা, নাৰিকল পিঠা, ক্ষীৰ পিঠা, ঘিলা পিঠা (বৰা চাউলৰ গুৰিৰ আৰু ঘিঁউ-তেলত বেলেগে বেলেগে ভাজা), বৰ জিলাপী, সাধাৰণ জিলাপী, নানা বিধৰ সান্দহ-পিঠাগুৰি; নাৰিকলৰ চিৰা, আমটা, আম, কল, ঠেকেৰা, কঠাল আদিৰ শুঠি; জুলীয়া, দানাদাৰ আৰু বিভিন্ন ৰকমৰ ঢিমা মিঠৈ আদি নানা তৰহৰ খোৱা বস্তু কি দৰে কৰা হয় সেই বোৰো দেখুৱাইছিল। সেই সময়ৰ অসমৰ চীফ্ কমিচনাৰ চাৰ বেম্‌ফিল্ড্ ফুলাৰ এই প্ৰদৰ্শনীৰ কামত খুব সন্তুষ্ট হৈ প্ৰথম পুৰস্কাৰ হিচাবে এটি সোণৰ পদক তেখেতক দিছিল।

উত্তমচন্দ্ৰ বৰুৱা ওখ থাপৰ বিহুকৰম বনত (বেত-বাঁহৰ কাম) পাকৈত আছিল। ঘোঁৰাত উঠা, সাঁতোৰা, ডুবমাৰি দ পানীৰ পৰা বস্তু তুলি আনা, ভিতৰুৱা নাইবা * বাহিৰ নদীত নাওৰ গুৰিধৰা আদি কামতো সিদ্ধহস্ত আছিল। ১৯০৯ ইং চনত ৺লক্ষেশ্বৰ শৰ্ম্মা নামে জনৈক ভদ্ৰলোক লোকান্তৰিত হোৱাত উজানবজাৰৰ ভদ্ৰলোক সকলে অশ্বক্ৰান্ত ধামত শৱ-সৎকাৰ

* ব্ৰহ্মপুত্ৰ।

কৰিবৰ প্ৰস্তাব কৰে। কৰ্ম্মবীৰ ৺নবীনচন্দ্ৰ বৰদলৈদেৱে তঁাৰ মাৰি আৰু উত্তমচন্দ্ৰ বৰুৱাই গুৰি ধৰি হেনো শৰবাহী নাও লৈ গৈছিল। বৰদলৈদেৱে প্ৰায়ে এই ঘটনাৰ উল্লেখ কৰিছিল।

উত্তমচন্দ্ৰ বৰুৱা যেনে বিদ্যানুৰাগী আছিল, তেনেদৰে বিদ্যাৰ্থী সকলৰ প্ৰতি বিদ্যোৎসাহীও আছিল। যি কাৰণ বশতঃ মহামানৱ মহাত্মা গান্ধীয়ে প্ৰথম মহাসমৰত ভাৰতৰ ধন-জন সেই সময়ৰ ৰাজশক্তিৰ কামত লগাবৰ চেষ্টা কৰিছিল, হয়তো ঠিক তেনেকুৱা মনোভাব লৈয়েই উত্তমচন্দ্ৰ বৰুৱাই মোৰামাৰি জান খান্দি, ১৮৯৭ ইং চনৰ প্ৰবল ভূঁইকপত নষ্ট হোৱা মাটি উদ্ধাৰ কৰি আৰু ১৯১১ ইং চনত আবৰ যুদ্ধত চৰকাৰক সহায় কৰি দুৰ্ভাগ্যক্ৰমে ৰজা-প্ৰজা উভয়ৰে অপ্ৰীতিভাজন হৈ সৰ্ব্বস্বান্ত হবও পৰাঙ্মুখ হোৱা নাছিল। এই দুই ঘটনা সংক্ৰান্ত চৰকাৰী হুকুম আৰু চিঠি-পত্ৰৰ কিছুমান ৰাইজৰ জ্ঞাতাৰ্থে পৰিশিষ্টত দিয়া হ'ল।

লিখিত চুক্তি নকৰি সেই সময়ৰ চৰকাৰী উচ্চপদস্থ কৰ্ম্মচাৰীৰ মুখৰ কথাত মোৰামাৰি জান খান্দি নষ্ট মাটি উদ্ধাৰ কৰিলে পুৰস্কৃত হব বুলি বিশ্বাস কৰিয়ে চৰকাৰৰ বছৰি তিনি লাখৰো বেচি টকা আয় হোৱা কাম সমাধা কৰি উত্তমচন্দ্ৰ বৰুৱাই পুৰস্কাৰতো নাপালেই, আনকি খৰচৰ টকা পৰ্যন্ত নাপাই সৰ্ব্বস্বান্ত হ'ল। কিন্তু ঠিক একে কাম কৰি (লিখিত চুক্তিত আৱদ্ধ হৈ) পঞ্জাবৰ চাৰ গঙ্গাৰামে হাজাৰ হাজাৰ একৰ মাটিৰ মালিক হৈছিল। মহানুভব চাৰ গঙ্গাৰামে মাত্ৰ খৰচ হোৱা টকা নিজে ৰাখি বাকী মাটিবে জনহিতকৰ কাৰ্য্যৰ বাবে উচিয়ান সম্পত্তি (Trust Property) কৰি দান দিছিল। বৰ পৰিতাপৰ কথা এই সম্পত্তি (বীৰ গঙ্গাৰাম ট্ৰাষ্ট) আজি পশ্চিম পাকিস্তানত পৰি থাকিল।

উত্তমচন্দ্ৰ বৰুৱাই নিয়মিত ভাবে ৰোজনামা লেখিছিল। যি হোৱা কালৰ * ৰোজনামা নাই সেই সময় খিনিৰ নিজে লেখা

* বাল্য আৰু কিশোৰ কালৰ।

আত্মকাহিনী এৰি থৈ গৈছে। এখন সম্পূৰ্ণ জীৱনী ৰচনা কৰিবলৈ ৺গোপাল কৃষ্ণ দে মহাশয়ে ৰোজনামা বোৰ লৈ যায়। কিন্তু সেই কাৰ্য্য সমাধা নহওঁতে দে মহাশয়ৰ আকস্মিক মৃত্যু হোৱাত বেচিৰ ভাগ ৰোজনামাই হৰাল। যি খিনি আমাৰ ওচৰত আছে, সুবিধা পালে সেই খিনি ৰাইজৰ আগত প্ৰকাশ কৰিবৰ ইচ্ছা থাকিল। তেখেতে লেখা ৰোজনামাত বা আত্মকাহিনীত যাৰ বিষয়ে যি লেখিছে সেই বোৰ সেই ভাবে প্ৰকাশ কৰা বাবে গুণগ্ৰাহী ৰাইজে যেন সংগ্ৰাহকৰ দোষ নধৰে; এয়ে মিনতি।

বিহাবাৰী, গৌহাটী }
১৯৬১ ইং আগষ্ট। }

নিবেদক
শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা

উত্তমচন্দ্ৰ বৰুৱাৰ জন্ম দিন-ক্ষণ ঃ—

শকাব্দ ১৭৯১

বঙ্গাব্দ ১২৭৬

খৃষ্টাব্দ ১৮৬৯

সৌৰ আহিন মাহৰ ১লা তাৰিখ, ৪৯ দণ্ড, ১৫ পল, শুক্ৰবাৰ।

পৰিণয় ঃ—

শকাব্দ ১৮১৮

বঙ্গাব্দ ১৩০৩

খৃষ্টাব্দ ১৮৯৬

বহাগ মাহৰ ১৮ তাৰিখ, বুধবাৰ তৃতীয়া তিথি।

লোকান্তৰ ঃ—

খৃষ্টাব্দ ১৯১৫, আগষ্ট মাহৰ ১৭ তাৰিখ।

বঙ্গাব্দ ১৩২২, শাওন মাহৰ ৩১ তাৰিখ।

শুক্লা ষষ্ঠী। দুপৰীয়া ১১টা ১২ মিনিট।

তদীয় পত্নী কনকলতা বৰুৱানীৰ জন্ম দিন-ক্ষণ ঃ—

শকাব্দ ১৮০৭

বঙ্গাব্দ ১২৯২

খৃষ্টাব্দ ১৮৮৬

মাঘ মাহৰ ৭ তাৰিখ, ১৭ দণ্ড, ৫০ পল। শনিবাৰ

লোকান্তৰ ঃ—

খৃষ্টাব্দ ১৯৪৫ নবেম্বৰ মাহৰ ২১ তাৰিখ।

বঙ্গাব্দ ১৩৫২ আঘোন মাহৰ ৫ তাৰিখ

কৃষ্ণা তৃতীয়া।

শকাব্দ......

সন্তান যথাক্রমে ঃ— পুত্ৰ দুই, কন্যা তিনি

১। শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা

২। ৺সুদক্ষিণা লহকৰ

৩। শ্ৰীধীৰেন্দ্ৰচন্দ্ৰ বৰুৱা

৪। শ্ৰীমতী প্ৰিয়ম্বদা চৌধুৰী

৫। শ্ৰীমতী বিজয়াকুমাৰী চৌধুৰী

পূজনীয় মহাত্মা ৺উত্তমচন্দ্ৰ বৰুবাৰ আদ্যশ্ৰাদ্ধ বাসৰীয়
স্মৃতি-কবিতা

(দেহত্যাগ দুপৰীয়া ১১-১২ মিনিট ; ৩১ শাওন সোমবাৰ,
১৩২২।১৭ আঃ ১৯১৫)

তুমি, আছিলা মহান পুৰুষ ৰতন
কোনোবা যোগ ভ্ৰষ্ট।
তুমি, হঠাৎ সিদিনা হলাহে অদৃশ্য,
ই-বৰ অসহ্য কষ্ট॥
দেও বাৰ আবেলি 'হৰি সভা' বুলি
ওলালা মাত্ৰ বন্ধুবে।
তোমাক, দেহৰ অসুখে পীড়িলে আতিকে
ভাবিলে হিয়া বিদৰে॥
তোমাৰ, গম্ভীৰ মূৰতি 'হৰি মন্দিৰ'ত
প্ৰতি সভাতে জিলিকে।
তুমি শেষ মুহূৰ্ত্ততো হাঁহি মাতি থাকি
ত্যজিলা জীবন তিলেকে॥
তুমি শাওন শুকুলা ষষ্ঠী সোমবাৰ
নিৰ্ম্মল দ্বিপৰ বেলা।
তেৰশ বাইশ পঞ্চতীৰ্থ মাজে
বৈকুণ্ঠ প্ৰয়ানী হলা॥
ক'ত ব'ল তব গুপ্ত অভিলাষ
কথা ভাগবত ছপা।
'সনাতন ধৰ্ম্ম সভা' ক'ত ব'ল
সদা প্ৰাণ মন সঁপা ?

আৰু কত তব উচ্চ অভিলাষ
গুপুতে বিলীন হল।
বৃদ্ধা জননীৰ পুত্ৰ কন্যা স্ত্ৰীৰ
শোক স্মৃতিৰূপে ৰল॥
'কন্যাপণ নিবা- -ৰিনী' সভা অৰ্থে
যথেষ্ট যত্ন কৰিলা,
সাধি সমাজৰ অশেষ কল্যাণ
কিয় আজি গুচি গলা?
'কামৰূপ অনু- -সন্ধান সমিতি'
'কামৰূপ ভাণ্ডাৰৰ'।
কত যত্ন কৰি গলা আজি এৰি
হলাহে চকুৰ আঁৰ॥
'আসাম বান্ধৱৰ' প্ৰকৃত বান্ধৱ
আছিলা এজনা তুমি।
হেৰুৱালে এটি সুকৃতি সন্তান
জননী অসম ভূমি॥
তোমাৰ গৃহত সৰ্ব্বদা অৰ্চ্চিত
বিগ্ৰহ পঠিত গ্ৰন্থ।
কৰিলে বসতি ভাগবতগীতা
পৱিত্ৰ তোমাৰ কণ্ঠ॥
পৰমহংস শিৱনাৰায়ণ
পৰম প্ৰসিদ্ধ সিদ্ধ।
দানি মন্ত্ৰ জ্ঞান অধ্যাত্ম-বিজ্ঞান
কৰিলে তব সমৃদ্ধ॥
অচলা ভক্তিত অপূৰ্ব্ব শক্তি
লভি বলীয়ান হলা।
শত বিপদতো 'ঈশ্বৰৰ ইচ্ছা'
বুলি প্ৰফুল্লিত ৰলা॥

উৎসাহী নিৰ্ভীক কৰ্ম্মত কুশল
ধৰ্ম্মত একান্ত ৰতি।
যোৰা দেৱ! তুমি মৰিও অমৰ
কীৰ্ত্তিযস্য সঃ জীৱতি॥
"তপকো কৰাৰা জপকে কৰা ভাই
মৰিব জানিলেই হয়"।
সিদ্ধ সকলৰ ই মহা বাক্যত
যদি কিবা সত্য ৰয়॥
চোৱাহি মানৱ পবিত্ৰ মৃত্যুৰ
এটি সুমহান দৃশ্য।
শিকাহি সকলে মৰিব জানিলে
মৃত্যু ভয় অতি তুচ্ছ॥
সহাস্য বদন সস্ত আলাপন
মৃত্যুৰ ভাবনা নাই।
হঠাতে, হসিত- নিদ্ৰাৰ ছলেৰে
ত্যজিলে জীৱন হায়!
দশো দিগঙ্গনা হসিত বদনা
মৃদুল মলয়া বয়।
শাৰদী সম্ভাবে প্ৰকৃতি ভূষিতা
পক্ষী গণে গীত গায়॥
শিৰত শোভিছে শ্ৰীকৃষ্ণ মূৰতি
চৌপাশে তুলসী ফুল।
সন্ন্যাসী সংসাৰী বন্ধু বান্ধৱৰ
হৰি কীৰ্ত্তনৰ ৰোল॥
লহ লহ কৰি পবিত্ৰ পাৱকে
দহিলে পবিত্ৰ তনু।
দুই কুৰি ছয় বৰষে মিলিল
পঞ্চেপঞ্চ বিধ অনু॥

দেৱ প্ৰেমমূৰ্ত্তি আনন্দে আশীষ
কৰিলে কুশল কামী।
তুমি অবিহনে প্ৰফুল্ল সেৱক
অতি অপ্ৰফুল্ল আমি॥
অৰ্দ্ধাঙ্গিনী তব আতিকে আকুলা
আকুল সকলো ইষ্ট।
আনন্দ ধামৰ সিঁচা শান্তি সুধা
নিবাৰা মনৰ কষ্ট॥
আজি হস্তে তুমি পালা দেব লোক
নোচোৰা দুঃখ শোক।
আশীষা হে দেৱ! তোমাৰ পবিত্ৰ
মৃত্যু অধমৰো হোক।

সেৱকাধম অনভিৰাম লহকৰ।

বিশ্ব-জগতত এটি প্ৰাণীৰো উদ্ভৱ, স্থিতি আৰু লয় অৰ্থশূন্য নহয়। বিধাতৃ-নিৰ্দ্ধাৰিত ৰূপে সকলোৱে পৰিভ্ৰমণ কৰিবই লাগিব। জীৱন নাট্য-মঞ্চত কৰ্ত্তাৰ ইচ্ছা অনুসৰি অভিনয় কৰিবই লাগিব। আমাৰ প্ৰজ্ঞাচক্ষু নাই, পৰ্য্যবেক্ষণ শক্তিও তেনে চোকা নহয়। কাজেই সৃষ্টি-তত্ত্বৰ সূক্ষ্মাংশৰ বিশ্লেষণ আমাৰ সহজ জ্ঞান আৰু সাধাৰণ বুদ্ধিৰে সাধিত নহয়। যদি হ'ল-হেঁতেন, তেন্তে ক্ষুদ্ৰতম ধূলিকণা আৰু দৃষ্টিৰ বহিৰ্ভূত বীজাণুৰ জীৱনগতিও যে সেই একমেবাদ্বিতীয়ম্—মহান-ভূমাৰ ইচ্ছাতেই পৰিচালিত হৈ ধৰিছে, সেইটো স্পষ্ট বুজিব পাৰিলোঁহেঁতেন। সি যি হওক, স্থূল ভাবে যি ধৰিব পাৰোঁ, মুঠতে যি বুজিব পাৰোঁ এনেকুৱা তত্ত্বৰ ভিতৰত প্ৰবেশ কৰিবৰ অধিকাৰ আমাৰ নিচিনা স্থূল বুদ্ধিৰ সকলোৰে আছে। বৈচিত্ৰ্যপূৰ্ণ মানৱ জীৱনৰ গূঢ় তত্ত্বৰ অন্তস্তলত প্ৰবেশ কৰিব নোৱাৰিলেও যি সকলৰ লগত আমাৰ চেনেহৰ সম্বন্ধ, প্ৰেমৰ বন্ধন, ভক্তিৰ যোগ আছে, সেই সকলক বুজিবৰ চেষ্টা কৰা—তেওঁলোকৰ সম্বন্ধে জ্ঞান লাভ কৰা আমাৰ সহজসাধ্য। এই উপায়ৰ দ্বাৰা প্ৰকাৰান্তৰে ব্ৰহ্মজ্ঞানৰেই আলোচনা কৰা হয়—কিয়নো মানুহ ব্ৰহ্মৰেই অংশ আৰু সকলোতকৈ মানুহতেই তেওঁ অধিক প্ৰকট, বিশেষৰূপে ব্যক্ত।

বিশেষতঃ, যি সকলে ইহলোক ত্যাগ কৰি পৰলোকগামী হৈছে, যি সকলৰ কৰ্ম্মৰ সম্বন্ধ আমাৰ লগত প্ৰত্যক্ষভাবে ছিগি গৈছে, কেৱল তেওঁলোকৰ স্মৃতি মাত্ৰেই আমাৰ কাৰণে থাকিল। তেওঁলোকৰ সম্বন্ধে আলোচনা কৰিলে আমাৰ এই লাভ হয় যে, আমি তেওঁবিলাকৰ স্মৃতি জগাই ৰাখি জীৱনৰ বহু সমস্যাৰ সমাধান কৰিব পাৰোঁ আৰু ইহকাল পৰকালৰ লগত ভাবযোগে যোগ ৰক্ষা কৰিব পাৰোঁ। যদি ভগৱানৰ ভিত্তবেদি এই ভাব

সাধন কৰিব পাৰা যায়, তেন্তে ইহকাল পৰকালৰ ব্যৱধান ভাৱতঃ নষ্ট হয়—ভগৱৎ তত্ত্ব পৰিস্ফুট হৈ উঠে। ইহলোক আৰু পৰলোক-বাসীৰ ভিতৰত প্ৰেমযোগ স্থাপিত হয়। এয়ে আমাৰ পৰম লাভ; কিয়নো ইয়াৰ দ্বাৰা আমি শোক জয় কৰিব পাৰোঁহঁক আৰু তেতিয়া আমাৰ মনত একত্বৰ জ্ঞান উদ্ভাসিত হৈ উঠে।

কি ভাবে আত্মীয় বন্ধু-বান্ধব সকলে পৰলোকগত আত্মাৰ জীৱন কথা আলোচনা কৰিব? শ্ৰদ্ধাৰে সৈতে ভাব সংযোগে তেওঁৰ স্নেহৰ কথা, সপ্ৰেম ব্যৱহাৰ, সদয় আচৰণ অৰ্থাৎ যি বোৰেৰে হৃদয় সৰস হয়, প্ৰাণ প্ৰফুল্ল হয়, তেনেকুৱা বিষয় কীৰ্ত্তন হব লাগে। কীৰ্ত্তিকৰ কাৰ্য্যাৱলী—যাৰ দ্বাৰা বংশ গৌৰবান্বিত, কুল পবিত্ৰ আৰু বসুধা ধন্যা, জননী কৃতাৰ্থা হয়, তেনে ঘটনাৱলীৰ স্মৰণ আৰু কীৰ্ত্তনেৰে পৰলোকগত আত্মাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনেৰে নিজ অন্তৰৰ অনাবিল আনন্দ উপভোগ আৰু হৃদয়ৰ উন্নতি সাধন হয়। সকলো পৰলোকগত আত্মা সম্বন্ধে এইভাবে উপৰিউক্ত ৰূপে সকলো বিষয়ৰ স্মৰণ নহলেও যথাসম্ভব প্ৰত্যক্ষ অনুভূত গুণাৱলীৰ অলপ পৰিমাণে কীৰ্ত্তন হলেও আমি উপকৃত হব পাৰোঁ।

এই বাবেই * আজি মোৰ পৰম সুহৃদ অকৃত্ৰিম বন্ধু ৺উত্তমচন্দ্ৰ বৰুৱাৰ জীৱন-কাহিনী তেওঁৰ আত্মীয়, বন্ধু-বান্ধব সকলৰ ওচৰত কীৰ্ত্তন কৰিব ধৰিছোঁ।

ভাবৰ নানা ফাল আছে আৰু ই নানা অৱস্থাত নানা ৰঙত ফুটি উঠে। এজন মানুহেই নানা ভাবৰ ভিতৰেদি কাৰো ওচৰত পুত্ৰ ৰূপে, কাৰো ওচৰত সখা ৰূপে, কাৰো বা পিতা আৰু কাৰো বা স্বামী ৰূপে প্ৰকাশিত হয়। ভাব যে অৱস্থা বিশেষৰ ভিতৰেদি নানা দিকে—নানা ৰঙে ফুটি উঠে, ই তাৰেই এটি দৃষ্টান্ত। মই মোৰ বন্ধুমূৰ্ত্তি যি ভাবে দেখিছোঁ বা যি ভাবে তেওঁৰ জীৱনী আলোচনা কৰিছোঁ, অন্যৰ ওচৰত হয়তো সেইটো অন্য মূৰ্ত্তিত

* আদ্য-শ্ৰাদ্ধ বাসৰত।

ব্যক্ত নাইবা তেওঁৰ জীৱনী অন্যভাবে প্ৰকাশ পাব পাৰে। সি যি হওক, ভাবৰূপী জনাৰ্দ্দনক স্মৰণ কৰি, তেওঁৰ চৰণ-কমল হৃদয়-পদ্মত ধ্যান কৰি নৰোত্তম উত্তমচন্দ্ৰৰ জীৱন-কাহিনী কীৰ্ত্তন কৰিবলৈ প্ৰবৃত্ত হলোঁ।।

ভগবানে গীতাৰ ১৮শ অধ্যায়ৰ ৪৩ শ্লোকত কৈছে :—

"শৌৰ্য্যং তেজো ধৃতিৰ্দাক্ষ্যং যুদ্ধে চাপ্যপলায়নম্।
দানমীশ্বৰ ভাবশ্চ ক্ষাত্ৰ কৰ্ম্ম স্বভাবজম্॥"

(১) **শৌৰ্য্য**=শূৰত্ব, বলবানক প্ৰহাৰ কৰিবৰ পৰাক্ৰম। (২) **তেজ**=প্ৰগল্‌ভা, যাক অপৰে ধৰ্ষণ কৰিব নোৱাৰে। (৩) **ধৃতি**=অতি বিপদতো দেহ আৰু ইন্দ্ৰিয়ৰ অবসাদশূন্য ভাব। ইয়াৰ দ্বাৰা কৰ্ম্ম আৰম্ভ হলে শেষ নোহোৱা পৰ্য্যন্ত অবসাদ শূন্যতা থাকে। (৪) **দক্ষতা**=শীঘ্ৰে কাৰ্য্য নিৰূপণ পটুতা। (৫) **অপলায়ন**=মৰণ নিশ্চয় জানিও যুদ্ধত ভঙ্গ নিদিয়া। (৬) **দান**= অসঙ্কোচে মমত্ব বুদ্ধি ত্যাগ কৰি মুক্তহস্ততা। (৭) **ঈশ্বৰ ভাৱ**= অধীন লোকৰ প্ৰতি প্ৰভুত্ব প্ৰকাশ, দুৰাত্মা সকলক দমন কৰি ৰাখিবৰ শক্তি। এইবোৰ ক্ষত্ৰিয় সকলৰ স্বাভাবিক ধৰ্ম্ম।

কামৰূপৰ কমাৰকুছি গাৱঁৰ বিখ্যাত বুজৰবৰুৱা বংশত উত্তম-চন্দ্ৰই জন্মগ্ৰহণ কৰিছিল। এই বংশ আভিজাত্য আৰু ধন-সম্পদ গৌৰৱত দেশবিখ্যাত। এওঁলোক জাতিত কলিতা বা কুললুপ্ত ক্ষত্ৰিয়। বোধকৰোঁ সেই কাৰণেই তেওঁ ক্ষত্ৰিয়-জনোচিত গুণ সকলেৰে বিভূষিত আছিল।

শৌৰ্য্য :—বাল্যকাল বা যৌৱনত পদাৰ্পণ কৰিবৰ আগৰে পৰা নষ্ট সম্পত্তি উদ্ধাৰৰ বাবে বলবান বিপক্ষৰ লগত তেওঁৰ বিৰুদ্ধে সংঘৰ্ষ উপস্থিত হৈছিল আৰু যি ৰূপে বিপদৰ সম্মুখীন হৈ নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ তেওঁ কঠোৰ সংগ্ৰাম কৰিব লগীয়া হৈছিল, তেওঁৰ বীৰোচিত শৌৰ্য্য আছিল বুলিয়েই উক্ত কঠোৰ সংগ্ৰামত তেওঁ বিজয় মান লাভৰ অধিকাৰী হৈছিল।

সমস্ত জীৱনব্যাপী কঠোৰ জীৱন-যুদ্ধ তেওঁ যি ভাবে চলাইছিল, সেইটো শুনকৰ যথেষ্ট পৰিচায়ক।

তেজঃ—তেওঁ কেনে তেজীয়ান পুৰুষ আছিল সেইটো তেওঁৰ শত্ৰুৱেও শতমুখে স্বীকাৰ কৰিবৰ বাধ্য। তেওঁ করুণহৃদয় আছিল সঁচা, কিন্তু অদমনীয় আছিল। ‘মৃদুণি কুসুমাদপি’ হলেও তেওঁ ‘বজ্ৰাদপি কঠোৰাণি’ আছিল। পৰৰ দুখ মোচন কৰিবৰ সময়ত তেওঁ কুসুমাদপি কোমল, আকৌ দুৰ্দ্দান্ত দুষ্টলোক দমনৰ সময়ত বজ্ৰতকৈও কঠিন আছিল। তেওঁতকৈ প্ৰবলতৰ শক্তিশালীৰ ওচৰতো তেওঁ মস্তক অবনত কৰা নাই।

ধৃতিঃ—কোনো অবস্থাতেই তেওঁক বিষন্ন হোৱা দেখা নাই। যিমান ডাঙৰ বিপদেই উপস্থিত নহওক, তেওঁ সৰ্ব্বদাই অবিচলিত থাকি কৰ্ত্তব্য নিৰ্ণয়ত সক্ষম হৈছিল। যেতিয়া ১৩১৮ চনত আবৰ যুদ্ধৰ সাহায্যাৰ্থে নাওবীয়া আৰু নাও সংগ্ৰহ কৰা ঘটনাত কাৰাবাসৰ হুকুম প্ৰচাৰিত হয়, সেই ঘোৰ উদ্বেগৰ সময়তো উত্তৰ-বঙ্গীয় সাহিত্য সম্মিলনীৰ পঞ্চম অধিবেশনৰ সম্পাদক ৰূপে সম্মিলনীৰ কাৰ্য্যৰ সফলতাৰ বাবে যেনে অক্লান্ত শ্ৰম—অতুলনীয় যত্ন কৰিছিল, সেইটো সাধাৰণৰ ভিতৰততো বিৰলেই, আনকি বিশেষ শক্তিশালীৰ ভিতৰতো কাচিৎহে দেখিবলৈ পোৱা যায়। কাৰাবাসৰ আজ্ঞাতো যেনে অবিচলিত অবস্থা, কাৰামুক্তিৰ আজ্ঞাতো তেনে প্ৰশান্ত ভাব। ‘দুঃখেষু অনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহ’—সৰ্ব্বদাই তেওঁৰ এই ভাব দেখিছোঁ। দুৰন্ত বিসূচিকা ৰোগাক্ৰান্ত হৈ মৃত্যু-শয্যাতো সেই অনিৰ্ব্বচনীয় ধৃতি দেখুৱাইছে।

দক্ষতাঃ—বিপদ উপস্থিত হৈছে, লগে লগে তাৰ পৰা উদ্ধাৰৰ বাবে যি কৰ্ত্তব্য তাৰ উপায় আবিষ্কাৰ কৰি উলিয়াইছে। তেওঁ যি বোৰ নষ্ট সম্পত্তি উদ্ধাৰ কৰিছিল, ১৮৯৭ ইং চনৰ প্ৰবল ভূমিকম্পত সেইবোৰ লাভজনক ভূসম্পত্তিৰ অধিকাংশই গভীৰ বিলত পৰিণত হ’ল। এনে অবস্থাতো মুহ্যমান নহৈ কিৰূপে এইবোৰ পুনৰুদ্ধাৰ

কৰিব পাৰি তাৰে চিন্তাত নিযুক্ত হ'ল। বদ, বৰষুণ ভ্ৰূক্ষেপ নকৰি নৌকা যোগে সেই ঠাইবোৰ পৰ্য্যবেক্ষণ কৰিবলৈ ধৰিলে। ফলত কেনেকৈ পানী নিষ্কাষিত কৰি নিজৰ আৰু প্ৰজামণ্ডলীৰ লক্ষাধিক বিঘা নষ্ট জমি উদ্ধাৰৰ উপায় কৰিব, তেওঁৰ প্ৰজ্ঞা-চকুত যেন ফুটি উঠিল। পূৰ্ত্তবিভাগৰ সৰ্ব্বোচ্চ কৰ্ত্তাই (Chief Engineer) ভূমিকম্পত নষ্ট হোৱা মাটিৰ উপৰিস্থিত পানীৰ লেভেল (level) ব্ৰহ্মপুত্ৰৰ পানীৰ লেভেলতকৈ তলত থকা বুলি ৰিপোৰ্ট লেখি নষ্ট মাটি উদ্ধাৰৰ কাম অসম্ভৱ বুলি এৰি পেলাইছিল। কিন্তু কেই বছৰ মান পিছে অপৰিসীম শাৰীৰিক পৰিশ্ৰম আৰু যথেষ্ট অৰ্থব্যয় কৰি (চৰকাৰৰ সাহায্য ব্যতিৰেকে) সেই নষ্ট মাটি উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। এই কাৰ্য্যৰ দ্বাৰা তেওঁৰ সম্পত্তিৰ কিয়দংশ উদ্ধাৰ হৈছে, কিন্তু প্ৰজামণ্ডলীৰ বহু মাটি পুনঃ লাভ ঘটিছে, আনকি লক্ষাধিক বিঘা চৰকাৰি গৰাবাদী মাটিও আবাদ হৈছে। সমুদায় নষ্টোদ্ধাৰ হোৱা মাটি প্ৰায় ৫০ বৰ্গমাইল হব। দুখৰ বিষয় এই যে এই কামৰ পুৰস্কাৰ দূৰৈৰ কথা, তেওঁৰ নিজৰ হাতৰ পৰা খৰচ হোৱা টকাও চৰকাৰৰ পৰা নাপালে—যি হেতু কোনো কণ্ট্ৰাক্ট (Contract) নকৰি চৰকাৰী বিষয়া সকলৰ মুখৰ কথাতে নিৰ্ভৰ কৰি এই কাম কৰিছিল।

ইংৰাজী ১৯০৫ চনত যেতিয়া গুৱাহাটীত কৃষি আৰু শিল্প প্ৰদৰ্শনী হয়, তেতিয়া উত্তমচন্দ্ৰ বৰুৱাই যি ভাবে যত প্ৰকাৰ দৰ্শনীয় দ্ৰব্য সংগ্ৰহ কৰিছিল তাত সৰ্ব্বসাধাৰণে আৰু চৰকাৰ বাহাদুৰে পৰ্য্যন্ত তেওঁৰ কাৰ্য্যপটুতা আৰু দক্ষতাৰ পৰিচয় পাই মুগ্ধ হৈছিল। বৰুৱাদেৱৰ কাৰ্য্যকুশলতাৰ দ্বাৰা প্ৰদৰ্শনী সাফল্য-মণ্ডিত হোৱা বাবে সেই সময়ৰ চীফ্ কমিচনাৰ চাহাব বাহাদুৰে উত্তমচন্দ্ৰ বৰুৱাক এটি সোণৰ মেডেল পুৰস্কাৰ দিছিল। তেওঁৰ সংগৃহীত দ্ৰব্য প্ৰদৰ্শনী-ক্ষেত্ৰত উপস্থিত নহলে, সেইখন প্ৰদৰ্শনী নামে অভিহিত হব পাৰিলেহেঁতেন নে নাই সন্দেহ। এই

প্ৰদৰ্শনীত প্ৰাচীন অসমীয়া শিল্প-সামগ্ৰীৰ বাহিৰেও অসমীয়া খোৱা-লোৱা আৰু পিন্ধা-উৰা দ্ৰব্যই দৰ্শকমণ্ডলীক বিশেষ আকৃষ্ট কৰিছিল। তদুপৰি গাৱঁৰ পৰা বহু বুঢ়ী বোৱনী (শিপিনী) আনি কপাহ, মুগা ও এৰিৰ পৰা বিভিন্ন অৱস্থাৰে গৈ কেনেকৈ কাপোৰ হয় সেইটো বিশেষ ভাবে প্ৰদৰ্শন কৰিছিল।

অপনয়ন ঃ—মৰণ নিশ্চয় জানিও যুদ্ধত ভঙ্গ নিদিয়া। লোক-হননকাৰী সংগ্ৰামত প্ৰবৃত্ত নহৈ মৃত্যু নিশ্চয় জানিও জীৱন সংগ্ৰামত দৃঢ়, অবিচলিত ভাবে কৰ্ত্তব্য সাধন কৰিব পাৰিলে, তাকেই অপনয়ন বুলিব নোৱাৰি কিয় ? শৰীৰ মনৰ যি শক্তিত লোক-সংহাৰী যুদ্ধত অপনয়ন সম্ভৱপৰ, ঠিক সেই শক্তি নাথাকলে মানুহে জীৱন-সংগ্ৰামত কৰ্ত্তব্য সাধন কৰিব নোৱাৰে। উত্তমচন্দ্ৰ বৰুৱা আমৰণ জীৱন-সংগ্ৰামত যি প্ৰত্যুৎপন্নমতিত্ব, অকুতোভয়, অবিচলিত উৎসাহ, অপৰিসীম ধৈৰ্য্য, অনিৰ্ব্বচনীয় দৃঢ়তা, সাহস আৰু তেজ দেখুৱাই গৈছে সি সকলোৰে অনুকৰণীয় আৰু সেয়ে আচলতে অপনয়ন। বিধাতাৰ ইচ্ছাত যদি কোনো যুদ্ধক্ষেত্ৰলৈ যাব লাগিলহেঁতেন, তেন্তে তেওঁৰ হৃদয় মনৰ শক্তিৰ দ্বাৰা যে অপনয়নৰ আদৰ্শ ৰক্ষা কৰিব পাৰিলে হয় তাত কোনো সন্দেহ নাই।

ইংৰাজী ১৯০৫ চনত বঙ্গ বিভক্ত হোৱাৰ পিচত ভাৰতব্যাপী স্বদেশী আন্দোলন হোৱাৰ পাছৰ পৰা তেওঁ বিদেশী কাপোৰ পিন্ধা নাছিল। আন কি হাতে কটা সূতাৰ ধুতি চাদৰ আদিহে ব্যৱহাৰ কৰিছিল। চহৰৰ বন্ধুবৰ্গই এই মোটা কাপোৰ পিন্ধা বাবে ঠাট্টা কৰিলে কৈছিল "আৰু কেই বছৰমানৰ ভিতৰতে হাতে কটা সূতা, ঘৰত বোৱা কাপোৰৰ মৰ্য্যদা কিমান দূৰ বাঢ়ে আপোনালোকে দেখিব।" কলিকাতা হাইকোৰ্টৰ এড্‌ভোকেট শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই এই কথা উল্লেখ কৰা বহুত সময়ত শুনা যায়।

দান ঃ—গীতাত কৈছে—অসংকোচে মমত্ব বুদ্ধি ত্যাগ কৰি মুক্তহস্ত হোৱা। ঢোল-খোল বজাই দান ঘোষণা কৰিলে মানুহৰ চকুত পৰে। যশৰ স্পৃহাত দান কৰিলে মানৱ সমাজৰ প্ৰশংসা বা বন্দনাত দাতাৰ আনন্দ হয়; কিন্তু ইয়াৰ দ্বাৰা দানৰ সাৰ্থকতা সাধন নহয়। এই বাবেই গীতাত কৈছে, অসংকোচে মমত্ব বুদ্ধি এৰি মুক্তহস্ত হব লাগিব। ভগবানে বৰবৰাদেৱক বাল্যকালৰ পৰাই আৰ্থিক অনটনৰ মাজেদি পৰিচালিত কৰিছে সঁচা; কিন্তু যেতিয়াই সুযোগ উপস্থিত হৈছে নাইবা কৰ্ত্তব্য-বুদ্ধিত তেওঁ মুক্তহস্ত হবলৈ যেতিয়াই প্ৰেৰণা পাইছে, তেতিয়াই তেওঁক মুক্তহস্ত হোৱা দেখা গৈছে। বন্ধুৰ সাহায্যাৰ্থে, বিপন্নৰ উদ্ধাৰৰ হকে, দেশহিতকৰ কাৰ্য্যত, ধৰ্ম্ম-কাৰ্য্যত—য'তে দানৰ প্ৰয়োজন উপলব্ধি কৰিছে, ত'তেই তেওঁ নীৰবে দান কৰিছে। ইয়াকেই বোলে নিঃস্বাৰ্থ দান বা অসংকোচে মমত্ব বুদ্ধি এৰি মুক্তহস্ততা।

ঈশ্বৰভাব ঃ—অধীন মানুহৰ প্ৰতি প্ৰভুত্ব প্ৰকাশ—দুৰাত্মা সকলক দমন কৰিবৰ শক্তি। এই ঈশ্বৰভাব তেওঁত কিমানখিনি বৰ্ত্তমান আছিল সেইটো আপামৰ সাধাৰণ সকলোৱে জানে। আভিজাত্য গৌৰবৰ পৰাও এই ঈশ্বৰভাবৰ উৎপত্তি হয়। "শ্ৰেয়ান্ স্বধৰ্ম্মো বিগুণাং পৰধৰ্ম্মাৎ অনুষ্ঠিতাৎ। স্বভাব নিয়তাং-কৰ্ম্ম কুৰ্ব্বন্নাপ্নোতি কিল্বিষম্॥" (গীতা, ১৮শ অধ্যায় ৪৭ শ্লোক।) অঙ্গহীন স্বধৰ্ম্ম আক সম্যগনুষ্ঠিত পৰধৰ্ম্মতকৈ শ্ৰেষ্ঠ; কিয়নো স্বভাবজ কৰ্ম্ম কৰিলে পাপ নহয়। যদি আমি যথাৰ্থতে উত্তমচন্দ্ৰ বৰবৰাৰ জীৱন কাহিনী আলোচনা কৰি বুজিব পাৰিছোঁ যে তেওঁ ক্ষত্ৰিয় প্ৰকৃতি লৈ জন্ম গ্ৰহণ কৰিছিল আৰু ক্ষাত্ৰ ধৰ্ম্মই তেওঁৰ ধৰ্ম্ম আছিল, তেনেহলে উক্ত ধৰ্ম্মৰ অনুষ্ঠান যদি তেওঁৰ পক্ষে অঙ্গহীনো হয় তথাপি তাত পাপ হোৱা নাই। উপৰিউক্ত ভগৱৎ বাক্যৰ দ্বাৰা আমি ইয়াকে বুজিব পাৰোঁ। উক্ত ধৰ্ম্ম আচৰণ ভিন্ন তেওঁৰ গত্যন্তৰো নাছিল। সিদ্ধি লাভৰ কাৰণে তেওঁৰ সেইটো কৰণীয়

আছিল। কিয়নো "স্বে স্বে কৰ্ম্মণ্যভিৰতঃ সংসিদ্ধিং লভতে নৰঃ।" অৰ্থাৎ নিজ নিজ কৰ্ম্মত নিষ্ঠাবান মানুহে সিদ্ধিলাভ কৰে। এতেকে ই সদোষ হলেও তেওঁৰ পক্ষে অৱশ্য আচৰণীয় আছিল।

লোকান্তৰিত উত্তমচন্দ্ৰ বৰুৱাৰ জীৱন বিশ্লেষণ কৰি আমি দেখোঁ যে মূল প্ৰকৃতিতে ক্ষাত্ৰ ধৰ্ম্মৰ প্ৰাধান্য আছিল। এতেকে প্ৰকৃতিৰ লীলাত তেওঁ আমাৰ ওচৰত বীৰ ভাবত উপস্থিত হৈছিল। মানুহক বুজিব লাগিলে তেওঁৰ মূল প্ৰকৃতি অনুসন্ধান কৰি চাব লাগে আৰু প্ৰকৃতিগত গুণাৱলীৰ গতি আৰু অভিব্যক্তি পৰ্য্যবেক্ষণ কৰিব লাগে। তেনেহলে আমি বৈচিত্ৰ্যপূৰ্ণ, ৰহস্যময় মানব জীৱনৰ কিছু অংশ মাত্ৰ বুজিব পাৰোঁ।

স্বৰ্গীয় উত্তমচন্দ্ৰ বৰুৱাৰ জীৱন আমি সেই ভাবে চাবৰ চেষ্টা কৰি বুজিব পাৰিছোঁ যে, তেওঁ মানুহৰ নিচিনা মানুহ আছিল। তেওঁৰ শক্তি আছিল—তেওঁ শক্তিধৰ পুৰুষ আছিল ; তেওঁ কিমান ডাঙৰ বা মহৎ আছিল, অথবা মহৎলোক সকলৰ ভিতৰত তেওঁৰ কোন স্তৰত স্থান আছিল সেইটো বিচাৰ কৰা বা সিদ্ধান্ত কৰা সম্ভৱ নহয়। স্থান, কাল আৰু পাৰিপাৰ্শ্বিক অৱস্থা বিচাৰ কৰি তেওঁক মহৎ বুলি নোৱাৰি ; তেওঁক প্ৰতিভাশালী পুৰুষ বুলি স্বীকাৰ কৰিবই লাগিব।

বিদ্যালয়ত উত্তমচন্দ্ৰই যথেষ্ট শিক্ষা পোৱা নাছিল। ১২৯১ চনত (ইং ১৮৮৪) কমাৰকুচি গাৱঁত (ছাত্ৰবৃত্তি স্কুল উঠি যোৱাৰ পিচত) পুনঃ উচ্চ প্ৰাইমাৰী স্কুল স্থাপিত হয়। তাতে এবছৰ মাত্ৰ পঢ়ি দ্বিতীয় ভাগত উত্তীৰ্ণ হয়। নানা বিপদত এক বছৰ কাল বহি থাকি এই সময়তে মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্যৰ ওচৰত ৰত্নমালা শিক্ষা কৰে গুৱাহাটিৰ হাইস্কুলত ষষ্ঠ শ্ৰেণীত ভৰ্ত্তি হয় আৰু পিচ বছৰ ডবল প্ৰমোচন পাই চতুৰ্থ শ্ৰেণীলৈ উঠে। তৃতীয় শ্ৰেণীত কিছু দিন পঢ়াৰ পাচত পাৰিবাৰিক নানাৰূপ প্ৰতিকূল অৱস্থাৰ বাবে বিদ্যালয় ত্যাগ কৰিবৰ বাধ্য হয়।

বিদ্যাশিক্ষাৰ নানাৰূপ প্ৰতিকূল অৱস্থা স্বত্বেও তেওঁ বঙ্গ ভাষাৰ প্ৰসিদ্ধ গ্ৰন্থকাৰ সকলৰ প্ৰায় সমুদয় গ্ৰন্থই পঢ়িছিল। অসমীয়া পুথিবোৰবো তেওঁ সুন্দৰৰূপে চৰ্চ্চা কৰিছিল। তেওঁৰ অধ্যয়ন তৃষ্ণা বৰ বলবতী আছিল। (তেতিয়াৰ দিনত হাইস্কুলৰ উচ্চতম শ্ৰেণীটোক প্ৰথম আৰু নিম্নতম শ্ৰেণীটোক অষ্টম শ্ৰেণী বোলা হৈছিল। আজি-কালি শ্ৰেণীৰ ক্ৰম বিপৰীত হৈ উচ্চতম শ্ৰেণীটোক দশমমান আৰু নিম্নতম শ্ৰেণীটোক তৃতীয়মান বোলা হয়।)

সাহিত্য চৰ্চ্চাত তেওঁ বহু সময় নিয়াইছিল বুলিয়েই তেওঁ এজন বিশিষ্ট সাহিত্যিক হব পাৰিছিল। 'আসাম বান্ধব'ত প্ৰকাশিত 'ভট্টদেব', 'শঙ্কৰ ও ৰামানুজ' প্ৰভৃতি প্ৰবন্ধত তেওঁৰ গৱেষণাৰ যথেষ্ট প্ৰমাণ পোৱা যায়। দুখৰ বিষয় শেষোক্ত প্ৰবন্ধটো তেওঁ সম্পূৰ্ণ কৰি যাব নোৱাৰিলে; অলপ বাকী বৈ গল। মৃত্যুৰ আগদিনা ৰাতিপুৱা প্ৰবন্ধটোৰ সংশোধন কৰি থকা দেখিছিলোঁ। বঙ্গ সাহিত্য পৰিষদৰ গৌহাটি শাখাৰ তেওঁ এজন সভ্য আছিল। ১৯১৫ চনৰ ১৭ আগষ্টত তেওঁৰ মৃত্যু উপলক্ষে উক্ত সভাৰ ৭ম বৰ্ষীয় ২য় অধিবেশনত যি প্ৰস্তাবটি গৃহীত হয় তাতে তেওঁৰ সাহিত্য চৰ্চ্চাৰ পৰিচয় পোৱা যায়। প্ৰস্তাবটিৰ অসমীয়া ভাঙনি এই :—

"আমাৰ সাহিত্য পৰিষদৰ সভ্য উৎসাহী সাহিত্যানুৰাগী ৺উত্তমচন্দ্ৰ বৰুৱা—যি জনাই আমাৰ সভাৰ লগত যোগ ৰাখি প্ৰাচীন পুথিৰ বিবৰণাদি সংগ্ৰহ কৰি সভাত পাঠ কৰিছিল, তেখেতৰ অকাল-মৃত্যুত সাহিত্য পৰিষদৰ শাখাই শোক প্ৰকাশ কৰে।"

কামৰূপ অনুসন্ধান সমিতিৰো তেওঁ এজন বিশিষ্ট উৎসাহী সভ্য আছিল। এই সমিতি তেওঁৰ পৰা বহু আশা কৰিছিল কিন্তু তেওঁৰ অকাল-মৃত্যুত এই আশা সফল নহল। তেওঁ ইংৰাজী

ভাষাৰ কিতাপ-পত্ৰাদিৰ অৰ্থ বুজিব পাৰিছিল আৰু সাধাৰণভাবে ইংৰাজী ভাষা লেখিবও পাৰিছিল। অধ্যবসায়ৰ বলত অসমীয়া, বঙলা, সংস্কৃত আৰু ইংৰাজী ভাষাৰ পৰা তেওঁ যথেষ্ট জ্ঞানাৰ্জ্জন কৰিছিল।

সংসাৰ ক্ষেত্ৰত তেওঁ কি প্ৰকাৰ উদ্বেগ অশান্তি ভোগ কৰিছিল তাৰ আভাষ পূৰ্ব্বেই কিঞ্চিৎ দিয়া হৈছে। তেওঁ সকলো উদ্বেগ, অসুখ, অশান্তি অগ্ৰাহ্য কৰি সাংসাৰিক কৰ্ত্তব্য সাধন কৰিছিল। দেশহিতকৰ সকলো বিষয়েৰে সৈতে তেওঁ সম্বন্ধ ৰাখিছিল। আসাম এচোছিয়েচনৰ তেওঁ এজন অকৃত্ৰিম উৎসাহী সভ্য আছিল। তেখেতে কামৰূপ ভাণ্ডাৰৰো মেৰুদণ্ড স্বৰূপ আছিল। কমাৰকুছি গাৱঁলীয়া কো-অপাৰেটিভ বেঙ্ক আৰু সেই গাৱঁৰ স্কুলৰ চেয়াৰমেনো আছিল। কামৰূপৰ কন্যা-পণ প্ৰথা বন্ধ কৰিবলৈ 'কন্যা-পণ নিবাৰণী সভা' পাতি প্ৰাণপণে যত্ন কৰিছিল। বিবাহাদি কাৰ্য্যত মান বাবদ থোক তামোল, গোটা পান, মূল্যবান কাপোৰ আদি লোৱা, খাৰ-বাৰুদ পোৱা, বৰযাত্ৰী সকল দোলাত উঠি যোৱা প্ৰথা এৰি দিবলৈ 'ৰাইজমেল' পাতি যত্ন কৰিছিল। ১৮৯৭ ইং চনৰ প্ৰবল ভূমিকম্পত নষ্ট হোৱা মাটি উদ্ধাৰৰ অৰ্থে মোৱামাৰী জান খান্দা কামতো তেওঁ যথেষ্ট শ্ৰম, বুদ্ধি, শক্তি নিয়োগ আৰু ধন ব্যয় কৰিছিল। সৰ্ব্বসাধাৰণ আৰু চৰকাৰে ইয়াৰ সুফল ভোগ কৰিছে, তেখেতৰো কিছু নষ্ট সম্পত্তি উদ্ধাৰ হৈছে। কিন্তু তেওঁৰ অৰ্থ ব্যয় প্ৰভৃতিৰ দ্বাৰা সি ক্ষতি পূৰণৰ একোৱেই নহল। কোনেও যে সেই ক্ষতিপূৰণত আগ নাবাঢ়িল সেই কথা আগেয়ে কৈছোঁ। গড়কাপ্তানি বা পূৰ্ত্তবিভাগৰ (P. W. D.) প্ৰধান কৰ্ত্তাই এই কাম অসম্ভব বোলা স্বত্বেও তেওঁ পিচহোঁহকা নাই, বৰং নিজ ক্ষমতাৰ বলে কৃতকাৰ্য্য হৈ কাৰ্য্যদক্ষতাৰ আদৰ্শ থৈ গৈছে।

তহচীল ভাঙি পুনঃ মৌজাদাৰী প্ৰথা প্ৰবৰ্ত্তন কৰাত তেওঁ

পৈত্ৰিক মৌজা উপৰ বৰভাগৰ মৌজাদাৰ নিযুক্ত হৈছিল। এই কামতো তেওঁ নিপুণতা আৰু কৰ্ম্মনিষ্ঠা দেখুৱাই গৈছে। গত আবৰ অভিযানৰ (১৯১১ ইং) সময়ত বনুৱা মানুহ আৰু নাও সংগ্ৰহ কৰিবলৈ কামৰূপৰ ডিপুটি কমিচনাৰে তেওঁক আদেশ দিয়াত, সেই আদেশ অনুযায়ী কৃতকাৰ্য্যতাৰে সৈতে সেই কাম সম্পন্ন কৰে। এই নাও আৰু বনুৱা মানুহ সংগ্ৰহ কৰা কাৰ্য্যত জনসাধাৰণৰ মাজত বৰ ভয়ৰ সঞ্চাৰ হয়। প্ৰায় এশ বছৰে যুদ্ধ-বিগ্ৰহ নেদেখা বাইজে ৰাজ-আদেশত অজানা ঠাইলৈ যুদ্ধৰ কামত যাবলগা হোৱাতো নিতান্ত অপ্ৰীতিকৰ কথা। ৰজাৰ সাহায্যাৰ্থে আৰু সুপ্ত অসমীয়াক জগাই তুলিবলৈ তেওঁ এই অপ্ৰীতিকৰ কামতো পৰাঙ্মুখ হোৱা নাছিল; কিয়নো তেওঁ এই কাম কৰ্ত্তব্য বুলিহে বুজিছিল—কাৰণ বিপদত ৰজাক সহায় কৰাটো ধৰ্ম্ম আৰু কৰ্ত্তব্য। এই উপলক্ষে অসন্তুষ্ট হৈ ৰাইজৰ পক্ষৰ পৰা নানাৰূপ কল্পিত দুৰ্নাম ৰটিছিল। আনকি কিছুমান প্ৰজাক তেখেতে অন্যায় আচৰণ কৰা বুলি তেওঁৰ বিৰুদ্ধে ফৌজদাৰী আদালতত শতাধিক মোকদ্দমা দাখিল কৰিছিল। সেই সময়ৰ যিজন ডিপুটি কমিচনাৰে বৰুৱা ডাঙৰীয়াক বলেৰে নাও-মানুহ সংগ্ৰহ কৰিবলৈ দিছিল, সেইজন ডিপুটি কমিচনাৰেই উক্ত মোকদ্দমাবোৰৰ দুটা মোকদ্দমা নিজে বিচাৰ কৰি তেওঁক কাৰাদণ্ডৰ আদেশ দিয়ে। কিন্তু সৌভাগ্যক্ৰমে কলিকতাৰ কাউন্সেল মিঃ চি, আৰ, দাস আৰু এড্‌ভোকেট মিঃ এন, সি, বৰদলৈৰ সাহায্যত সেই মোকদ্দমাত হাইকোৰ্টত সম্পূৰ্ণ নিৰ্দ্দোষ প্ৰতিপন্ন হয় আৰু অভিযোগৰ কাৰণ বোৰ মিছা বুলি সাব্যস্ত হয়। এই ঘটনাত যে তেওঁৰ যথেষ্ট অৰ্থব্যয়, মানসিক অশান্তি আৰু অকীৰ্ত্তি হৈছিল সেইটো কোৱাই বাহুল্য। যদিও তেওঁ সমুদয় কষ্ট সহ্য কৰিবলৈ সক্ষম হৈছিল, এই ঘটনাত তেখেতৰ জীৱিকাৰ উপায় মৌজাদাৰী পদৰ পৰাও পদচ্যুত হয়। ৰজাৰ সাহায্যৰ বাবে যি কাম আৰু কোনো

মৌজাদাৰে কৰিবলৈ আগ নাবাঢ়িল, আনকি যি কাম চৰকাৰৰ পদস্থ কৰ্ম্মচাৰী সকলেও কৰি দিবলৈ সক্ষম নহল, উত্তমচন্দ্ৰ বৰুৱাই নেই কাম সুসম্পন্ন কৰি দুখ ভোগৰ অধিকাৰী হৈছিল, আৰ্থিক ক্ষতি বৰণ কৰিছিল, অৱশেষত জীৱিকাৰ উপায় স্বৰূপ মৌজাদাৰী পদৰ পৰাও বঞ্চিত হৈছিল।

কিন্তু চীফ্ কমিচনাৰ বাহাদুৰ চাৰ আৰ্চডেল আৰ্ল চাহাবে সমস্ত ঘটনা অবগত হৈ তেওঁক পুনঃ মৌজাত প্ৰতিষ্ঠা কৰিবৰ হুকুম দিয়ে। (হাইকোৰ্টৰ হুকুম আৰু তাৰ অসমীয়া ভাঙনি পৰিশিষ্টত দিয়া হ'ল)। কিন্তু স্থানীয় কৰ্তৃপক্ষই নিজা মৌজা নিদি আন মৌজা যাচা দেখি বৰুৱাদেৱে সেই কথা পুনঃ চীফ্ কমিচনাৰ চাহাবৰ কৰ্ণগোচৰ কৰে। সম্প্ৰতি তেওঁৰ মৃত্যুৰ তিনি দিন মানৰ আগতে বেতনা মৌজা দিবৰ অভিপ্ৰায় জনাই ডিপুটি কমিচনাৰে তেওঁৰ মতামত বিচাৰিছিল। কিন্তু নিয়তি বশে তেওঁ অমৰ ধামলৈ গ'ল— তেওঁৰ আৰু মৌজাৰ চিন্তা কৰিব নালাগিল। সমুদয় সাংসাৰিক আশা-আকাঙ্খা চিৰ-কাললৈ শেষ হৈ গ'ল। সমুদয় ঘটনাতেই দৃঢ়চিত্ত আৰু স্থিৰভাবে মানসিক প্ৰশান্তি ৰক্ষা কৰিবৰ ক্ষমতা ঈশ্বৰে তেওঁক দিছিল।

উপৰি উক্ত আবৰ সংক্ৰান্ত মোকদ্দমাত ডিপুটি কমিচনাৰে যেতিয়া কাৰাদণ্ডৰ আদেশ প্ৰচাৰ কৰিলে, তেতিয়া বেলা শেষ হোৱা বাবে জজৰ ওচৰত আপীলৰ বাবে কাগজ-পত্ৰৰ নকল লোৱাত আৰু জজ ইয়াত নথকাত সিদিনাই তেখেতক জামিনত খালাচ কৰিব পৰা নগল। পিচত অৱশ্যে জামিনত খালাচ হৈছিল। পুলিচে যেতিয়া তেওঁক হাজতলৈ নিব ধৰিছিল সেই সময়ত মই উপস্থিত হৈ সান্ত্বনা দিবলৈ গৈছিলো। কিন্তু তেওঁৰ সেই প্ৰশান্ত চিন্তা-বিৰহিত ভাব দেখি আৰু মোক এইদৰে কোৱা দেখি স্তম্ভিত হৈছিলোঁ। "গোপালবাবু, মই ভালদৰে জানোঁ যে মই নিৰ্দোষ, নিৰপৰাধী। মোৰ দণ্ডাদেশ হ'ল। ভগবান আছে, অৱশ্যে ইয়াৰ সুবিচাৰ

হব। কি আৰু কম, ঈশ্বৰৰ ইচ্ছাই পূৰ্ণ হওক। ইয়াৰ বাবে মই তিলাৰ্দ্ধও দুঃখিত বা ভীত নহওঁ—আপোনালোকেও কোনো চিন্তা নকৰিব।" স্তম্ভিত হবৰ কথা নহয় জানো বাৰু? মনৰ কি শক্তি!

কথা-প্ৰসঙ্গত এদিন তেওঁ মোক কৈছিল, "মানুহে মোক দুৰ্দ্দান্ত বোলে বোলক, তাত মোৰ কোনো দুখ নাই। কিন্তু শিক্ষিত আৰু বিবেচক মানুহে যে বিনা অনুসন্ধানে সাধাৰণ অশিক্ষিত মানুহৰ সহযোগ কৰি বিনা কথাত মোৰ দুৰ্ণাম ৰটাই, সেয়ে হে মোৰ দুখ।"

"মোৰ উপৰত নানাভাবে শতাধিক ফৌজদাৰী মোকদ্দমা হৈছে। এটাৰ বাহিৰে সকলো বোৰতে মই নিৰ্দ্দোষ প্ৰতিপন্ন হৈছোঁ। অৱশ্যে যিটোত মই দোষী সাব্যস্ত হৈছোঁ, কাৰাদণ্ড ভোগ কৰিছোঁ, সেইটোত মই দোষী সত্য; কিন্তু যি ৰূপে মোক দোষী সাব্যস্ত কৰি দণ্ড দিছিল সেই ভাবে মই দোষী নহয়।" ঘটনাটি সংক্ষেপে কওঁ:—সংসাৰত প্ৰথম প্ৰবেশ কালত, বোধ হয় ১৭ কি ১৮ বছৰ বয়সৰ জনৈক ভদ্ৰলোকে তেওঁৰ সম্পত্তি-ভুক্ত উৎপন্ন শস্যাদি লৈ যাব ধৰিছিল। সেই ভদ্ৰলোক জনে উক্ত সম্পত্তি উত্তমচন্দ্ৰ বৰুৱাৰ শৈশৱ অৱস্থাত তেখেতৰ বৈমাত্ৰেয় ককায়েকৰ পৰা কিনিছিল। উত্তমচন্দ্ৰ বৰুৱাই পিচলৈ এই সম্পত্তি উদ্ধাৰ কৰিবলৈ আদালতৰ আশ্ৰয় লৈছিল আৰু তেওঁৰ বিশ্বাস হৈছিল যে সন্তোষজনক কাৰণ ব্যতীত এই বিলাক মাটি তেওঁৰ নাবালক অৱস্থাত অন্যৰ হস্তগত হৈছে—কাজেই খৰিদ্দাৰ ভদ্ৰলোক জনক তেওঁ এই মাটিবাৰী দখল কৰিব দিবৰ ইচ্ছা নকৰিছিল।. এই উদ্দেশ্যে বৰুৱাই নিযুক্ত কৰা মানুহে সম্পত্তি দখল কৰাত খৰিদ্দাৰক বাধা দিয়ে। ভদ্ৰলোক জনৰ ওপৰত কোনো প্ৰকাৰৰ অভদ্ৰ আচৰণ বা অত্যাচাৰ নকৰিবলৈ মানুহ বোৰক কোৱা-মেলাও আছিল। বৰুৱাৰ উদ্দেশ্য

আছিল ভয় দেখুৱাই মাটিৰ দখল উচ্ছেদ কৰা। দৈৱ-দুৰ্ব্বিপাকত সিদিনা আছিল বিজয়া দশমী। তেওঁ ঘৰৰ পূজা বিসৰ্জ্জনান্তে ঘটনা-স্থলত উপস্থিত হোৱাৰ পূৰ্ব্বেই তেওঁ নিযুক্ত কৰা মানুহ বোৰৰ নিৰ্ব্বুদ্ধিতাত খৰিদ্দাৰ ভদ্ৰলোক জনৰ প্ৰতি শাৰীৰিক অত্যাচাৰ হয়। এই উপলক্ষে মোকদ্দমা হৈ উত্তমচন্দ্ৰ বৰুৱা দণ্ডিত হয়। এই ঘটনাত যিমান দূৰ সতৰ্কতা অবলম্বন কৰা উচিত আছিল— যাতে ভদ্ৰলোক জনৰ প্ৰতি অত্যাচাৰ নহয়, সেইটো সম্পূৰ্ণৰূপে কৰা হোৱা নাছিল বুলি তেওঁ যথাৰ্থতে অনুতপ্ত হৈছিল। এই বাবে যে দণ্ড পাইছিল সেইটো তেওঁৰ কল্যাণৰ নিমিত্তে বুলি মানি লৈ ভগবানক ধন্যবাদ দিছিল। এই মোকদ্দমাৰ বাহিৰে তেওঁ আন কোনো মোকদ্দমাত দোষী প্ৰতিপন্ন হোৱা নাছিল। অপৰক অযথা বিব্ৰত কৰিবলৈ তেওঁ কাৰো ওপৰত কোনো ফৌজদাৰী অভিযোগ উপস্থিত কৰা নাই। কাজেই ভালকৈ উপলব্ধি কৰিব পাৰি যে তেওঁ কেতিয়াও কোনো দুখী, দৰিদ্ৰ নাইবা সাধাৰণ শ্ৰেণীৰ প্ৰকৃত বিৰুদ্ধাচাৰী নাছিল। কেবল স্বাৰ্থপৰ মানুহে দুৰ্দ্দান্ত বুলি তেওঁৰ দুৰ্নাম ৰটাইছিল। ইয়াৰ এটা সূক্ষ্ম কাৰণো আছিল। উত্তমচন্দ্ৰ বৰুৱাৰ ঈশ্বৰ-ভাব আছিল বুলি আগতে কোৱা হৈছে। ইয়াৰ উৎপত্তি হৈছে আভিজাত্যাভিমানৰ পৰা। তেওঁ এক শ্ৰেণীৰ মানুহৰ অপ্ৰিয় আছিল। বিশেষকৈ তেওঁ নিৰ্ভীক, স্পষ্টবাদী আৰু অন্যায়ৰ তীব্ৰ প্ৰতিবাদকাৰী আছিল। এই শ্ৰেণীৰ লোকেই সেই আবৰ অভিযান সম্পৰ্কে ৰটা ঘটনাৱলীৰ আশ্ৰয় কৰি তেওঁক বিপন্ন কৰিবৰ চেষ্টা কৰিছে আৰু সুবিধা পালেই তেওঁৰ শত্ৰুতা সাধন কৰিবৰ চেষ্টা কৰিছে। কিন্তু ভগবানৰ ইচ্ছাত তেওঁক পৰাভূত কৰিব পৰা নাই। ধন্য তেওঁৰ সাহসিকতা আৰু তেজস্বিতা!

আবৰ অভিযান সম্পৰ্কীয় মোকদ্দমাত জামিনত খালাচ হৈ আপীল দাখিল কৰিছে, কিন্তু আপীল নিষ্পত্তি হোৱা নাই, তেনে

সময়তে কামাখ্যাত উত্তৰ-বঙ্গীয় সাহিত্য সম্মিলনৰ পঞ্চম অধিবেশন (১৩১৮ চৈত মাহ। ১৯১২ ইং) হয়। এই সময়ত সম্মিলনৰ কামত নানা ফালৰ পৰা নানা প্ৰতিবন্ধক উপস্থিত হয়—সম্মিলন এক ৰকম অসম্ভৱ হৈ উঠিল। এই সম্মিলন বিশেষকৈ পণ্ডিত শ্ৰীযুত পদ্মনাথ বিদ্যাবিনোদ, তত্ত্ব-সৰস্বতী, এম-এ আৰু শ্ৰীযুক্ত বাবু কালীচৰণ সেন বি-এল গবৰ্ণমেণ্ট প্লীডাৰ মহোদয় দুগৰাকীৰ অপৰিসীম যত্নত সম্ভৱপৰ হৈছিল। বৰুৱা মহাশয়েও ইয়াৰ সাফল্যৰ বাবে যথেষ্ট উৎসাহ দেখুৱাইছিল আৰু অহোপুৰুষাৰ্থ কৰিছিল। তেওঁ তেওঁৰ মনৰ উদ্বেগকৰ অৱস্থাতো সম্মিলনীত প্ৰদৰ্শন কৰিবলৈ সাঁচিপতীয়া পুথি আৰু ওজাপালি প্ৰভৃতি সংগ্ৰহ কৰিছিল। সম্মিলনত যোগ দিয়া বাবে ব্যক্তিগত অনিষ্ট হবৰ আশঙ্কা থাকা স্বত্বেও তেওঁ সম্পাদকীয় ভাৰ গ্ৰহণ কৰি তাৰ কৃতকাৰ্য্যতাৰ বাবে সৰ্ব্ববিধ চেষ্টা কৰিছিল।

অসমৰ সঙ্গীতৰ দুৰৱস্থা দেখি তেওঁ সদায় আমাৰ ওচৰত ক্ষোভ প্ৰকাশ কৰিছিল। তেওঁ কৈছিল, "আমাৰ সঙ্গীত যদি সুশিক্ষিত সঙ্গীতজ্ঞৰ দ্বাৰা তান-লয় যোগে বিশুদ্ধ ভাবে গোৱা হয় তেন্তে তাৰ উপাদেয়তা সম্বন্ধে ভাৰতবৰ্ষৰ যি কোনো সঙ্গীতবিদে সৰ্ব্বান্তকৰণে স্বীকাৰ কৰিব। বৰ্ত্তমানেও যি আছে তাকে যদি ৰেকৰ্ড কৰি থোৱা নহয় তেনেহলে ভবিষ্যতে—কেই বছৰ মান পিছে আমাৰ সঙ্গীত যে কি বস্তু তাৰ পৰিচয় দিয়াই সম্ভৱপৰ নহব।" সঙ্গীতৰ প্ৰতি তেওঁৰ বিশেষ অনুৰাগ আছিল। অসমীয়া নাম-কীৰ্ত্তন, বৰগীত আদিত ভাল দৰে তেওঁৰ দখল আছিল। এই দেশৰ সঙ্গীতৰ বাবে তেওঁ বিশেষৰূপে চিন্তা কৰিছিল আৰু বহুতৰ লগত এই বিষয়ে আলোচনাও কৰিছিল। কিন্তু সময় আৰু অৰ্থাভাৱত এই কাম হাতত লব পাৰা নাছিল। কামাখ্যা ধামত বহা উত্তৰ-বঙ্গ সাহিত্য সম্মিলনত সাহিত্যিক সকলৰ ওচৰত অসমীয়া সঙ্গীতৰ আদৰ্শ উপস্থিত কৰিবৰ মনেৰে কেইজনমানক ভালদৰে শিক্ষা দি

অসমীয়া সঙ্গীত শুনাবৰ চেষ্টাও কৰিছিল ; কিন্তু মোকদ্দমাৰ পাকত পৰি সেই কাম সমাধা কৰিব নোৱাৰিলে।

স্বদেশৰ সঙ্গীত, ৰীতি-নীতি আদিৰ সম্বন্ধে তেওঁৰ ইমান প্ৰেম আছিল যে সেই সম্বন্ধে যত্ন, চেষ্টা বা আলোচনা কৰা সকলে জানে যে তেওঁৰ অন্তৰত স্বদেশ-প্ৰেম কিমান প্ৰবল আছিল। সেই বাবেই কামাখ্যা সম্মিলনীত মোৰ দ্বাৰা লিখিত আৰু পঠিত 'কামৰূপৰ সামাজিক প্ৰথা' নামৰ প্ৰবন্ধটিৰ সমুদয় উপকৰণ তেৱেঁই সংগ্ৰহ কৰি দিছিল। সেই প্ৰবন্ধত প্ৰশংসনীয় কিবা থাকিলে সি তেওঁৰেই প্ৰাপ্য।

তেওঁৰ জীৱনৰ এটি বিশেষ দিক লক্ষ্য কৰি আমি মুগ্ধ হৈছোঁ। সেইটো হৈছে তেওঁৰ ভগৱানত বিশ্বাস বা ধৰ্ম্ম জীৱন। আউনী-আটি সত্ৰাধিকাৰ স্বৰ্গগত প্ৰভুপাদ বৃদ্ধ গোস্বামীৰ ওচৰত তেওঁ দীক্ষিত হৈছিল। আউনীআটিৰ প্ৰভুসকল বংশানুক্ৰমিক গুৰু আৰু এই বংশ দামোদৰ-পন্থী। প্ৰায় ২৫ বছৰ পূৰ্ব্বে ভাৰত-বিখ্যাত পৰমহংস শিৱনাৰায়ণ স্বামী গুৱাহাটীলৈ আহোঁতে বৰুৱাদেৱে স্বামীজীৰ পৰা প্ৰাণায়ামাদি যোগাঙ্গ শিক্ষা কৰিছিল আৰু আজিলৈকে তেওঁ সেই বোৰৰ সাধনা কৰিছে। প্ৰত্যহ নিষ্ঠাৰে সৈতে কিছু সময় সাধনত যাপন কৰিছিল। সময় পালেই তেওঁক আত্মস্থ হৈ সাধন কৰা দেখিছোঁ। হাতত অন্য কাম নথকা অৱস্থাত অকলে থাকিলে হয় তেওঁ কিতাপ পঢ়িছিল অথবা পদ্মাসনত বহি ধ্যান সাধন কৰিছিল। কেইমাহ মান হ'ল তেওঁ ওঁকাৰ অন্তৰ্গত কৃষ্ণমূৰ্ত্তি কিছুমান আনি গুৱাহাটীৰ বাহাত থকা ঠাইত এনে ভাৱে থৈছিল যাতে শয়ন বা উপবেশন কালত ছবিখন চকুত পৰে। এই ছবি তেওঁৰ অন্তৰঙ্গ বন্ধু সকলকো বিলাই দিছিল। শুনিছোঁ যে কমাৰকুছিৰ ঘৰতো চৰাঘৰ, শোৱা আৰু শোৱা কোঠালী, দেৱমন্দিৰ আদিতো সেই ছবি স্থাপন কৰিছিল। তেওঁৰ প্ৰাণত বোধ হয় এনে আকাঙ্খা হৈছিল যে "হে জগদীশ।

শয়নে, ভোজনে, উপবেশনে, সৰ্ব্বক্ষণে তোমাৰ এই মনোমোহা মুৰলীধাৰী, নিৰদ বৰণ, হাস্যময়, বঙ্কিম মূৰ্ত্তি যেন মোৰ প্ৰাণত ফুটি উঠে।”

তেওঁ জগন্নাথ ক্ষেত্ৰ, কাশী, গয়া আদি তীৰ্থস্থানলৈ গৈছিল। সেই সকল স্থানত গৈ তেওঁ প্ৰাণত শান্তি পোৱা বুলি আমাক কৈছিল। গুৱাহাটীৰ সনাতন ধৰ্ম্মসভাৰ তেওঁ এজন অকৃত্ৰিম সভ্য আছিল। যোৱা জন্মাষ্টমীৰ দিনা এই সভাৰ বাৰ্ষিক উৎসবৰ সময়ত প্ৰথম বাৰ্ষিক ৰিপোৰ্টত সম্পাদক শ্ৰীযুক্ত কালীচৰণ সেন বি-এল মহোদয়ে যি মন্তব্য লিপিবদ্ধ কৰিছে তাৰ অসমীয়া ভাঙনি ইয়াত তুলি দিয়া হ'ল।

“শোক প্ৰকাশ:—সভাৰ এজন উৎসাহী সভ্য ৺উত্তমচন্দ্ৰ বৰুৱাৰ অকাল মৃত্যুত সভাই অত্যন্ত খেদ প্ৰকাশ কৰে। তেওঁ সভাৰ এজন বিশিষ্ট সভ্য আছিল আৰু যাতে সভাৰ উন্নতি হয় তাৰ প্ৰতি বিশেষ যত্নবান আছিল। তেওঁৰ মৃত্যুত সভা অত্যন্ত ক্ষতিগ্ৰস্থ হৈছে। সভাৰ সকলো প্ৰকাৰ অনুষ্ঠানতে তেওঁ অতি উৎসাহেৰে যোগ দিছিল আৰু সৰ্ব্বদাই সৎপৰামৰ্শৰ দ্বাৰা উপকৃত কৰিছিল। আজি তেওঁৰ দুঃস্থ পৰিবাৰেৰে সৈতে এই সভাই সমবেদনা প্ৰকাশ কৰিছে। ভগবানে তেওঁৰ আত্মাৰ মঙ্গল কৰক।”

উত্তমচন্দ্ৰ নিষ্ঠাবান আছিল—তেওঁৰ ধৰ্ম্মৰ মিছাভঙ্গী বা কপটতা নাছিল। সেই বাবেই ক্ৰমশঃ তেওঁৰ ভগৱানৰ উপৰত নিৰ্ভৰশীলতা বাঢ়িছিল। তেওঁৰ স্মাৰক লিপিৰ তলত উদ্ধৃতাংশৰ পৰা এই কথা স্পষ্ট বুজিব পাৰি।

“মানৱ জীৱনৰ কৰ্ত্তব্য ধৰ্ম্মানুশীলন বাল্যকালৰ পৰাই হোৱা উচিত। মনীক (তেওঁৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীমান্ প্ৰফুল্লচন্দ্ৰ বৰুৱাক ১৫ বছৰ বয়সতে ১৯১৫ ইং চনৰ হৰিদ্বাৰৰ কুম্ভমেলা চাব এজন সন্ন্যাসীক

লগত যাবলৈ দিছিল) হৰিদ্বাৰলৈ যাবৰ অনুমতি দিয়াত সকলোৱে মোক বেয়া বুলিছে। শ্ৰীমান্ ৰাধিকানন্দ চৌধুৰী (ননীৰ মোমায়েক) ৰাপাই সম্মতি দিয়াত মোৰ আৰু কোনো শঙ্কা নাই। * * জগদীশ্বৰৰ ইচ্ছাতে মানুহৰ যি নিৰ্দ্দিষ্ট আছে তাৰ খণ্ডন নহয়। গতিকে মই কোনো বিষয়ে চিন্তা নকৰি কৰ্ত্তব্যজ্ঞানে ননীক যাব আদেশ দিছোঁ। ননীৰ মাকেও মই অনুমতি দিয়াৰ পূৰ্ব্বেই তাক যাবৰ অনুমতি দিছে। সেই কাৰণে মই সুখী হৈছোঁ। দয়াময়! তোমাৰ ইচ্ছাতেই সকলো কাৰ্য্য সম্পন্ন হয়। আমি কৰ্ত্তা বুলি মোহ বশতঃ সুখ-দুঃখৰ ভাগী হোৱাৰ কোনো অৰ্থ নহয়। তোমাৰ ইচ্ছা পূৰ্ণ হল বুলি যেন সকলো বিষয়তে নিশ্চিন্ত হব পাৰোঁ এয়ে কামনা। ওঁ সৎগুৰু।”

পুত্ৰসকল যাতে ধাৰ্ম্মিক হয় প্ৰাণৰ এই আশাতে তেওঁৰ পুত্ৰ দুটিক তেওঁলোকৰ মাতুল দেৱচৰিত্ৰ ভগৱন্নিষ্ঠ প্ৰেমিক শ্ৰীযুত ৰাধিকানন্দ চৌধুৰীৰ সান্নিধ্যত থৈছিল। ইচ্ছা—পুত্ৰ দুটি মাতুলৰ আদৰ্শ লৈ ধৰ্ম্মপথত অগ্ৰসৰ হয়। ঘৰত নিয়মিত ভাবে দোল, দুৰ্গোৎসব, ৰাস, জন্মাষ্টমী আদি উৎসৱৰ অনুষ্ঠানো কৰিছিল। নানা অশান্তিৰ ভিতৰতো এই বোৰত পৰম শান্তি লাভ কৰে বুলি কথা-প্ৰসঙ্গত বহুদিন তেওঁ মোক কৈছিল। ভক্তি লাভৰ কাৰণে বঙ্গ ভাষাৰ ধৰ্ম্মবিষয়ক বহু গ্ৰন্থ পাঠ কৰিছিল। অসমীয়া নাম-ঘোষা, কীৰ্ত্তন, কথা-ভাগৱত, ভক্তি-প্ৰেমাৱলী আদি বহু পুথি যথাযথ ভাবে অধ্যয়ন কৰিছিল। আন কি এই সকল গ্ৰন্থৰ বহু স্থল তেওঁৰ কণ্ঠস্থ আছিল। ৺অক্ষয়কুমাৰ দত্তাদি বঙ্গৰ লেখকে দেখুৱাবৰ চেষ্টা কৰিছিল যে অসমৰ মহাপুৰুষীয়া ধৰ্ম্মাৱলম্বী সকল নিৰাকাৰবাদী। বৰুৱাদেৱে গ্ৰন্থৰ পৰা সাকাৰ উপাসনাৰ স্বপক্ষে অনেক পদ উদ্ধৃত কৰি সাকাৰ উপাসনাৰ পক্ষ সমৰ্থন কৰি এটি প্ৰবন্ধ লেখিব ধৰিছিল। ইয়াৰ অনেক পদ তেওঁৰ স্মৃতিৰ পৰা সঙ্কলিত।

শ্ৰীমদ্ভগবদগীতা খন তেওঁৰ এনে আয়ত্ব আছিল যে প্ৰায় সমগ্ৰ গ্ৰন্থ খনেই তেওঁৰ কণ্ঠস্থ আছিল। সনাতন ধৰ্ম্ম সভাৰ গত বাৰ্ষিক অধিবেশনত আচাৰ্য্য শ্ৰীযুত লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায় মহাশয়ক সনাতন ধৰ্ম্ম সভাৰ পক্ষৰ পৰা আচাৰ্য্য শ্ৰীযুত পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ মহাশয়ে বেদান্তশাস্ত্ৰী উপাধি দান কৰা সময়ত যি মন্তব্য প্ৰকাশ কৰিছিল তাৰ মৰ্ম্ম ইয়াত উল্লেখ কৰিলোঁ। "শোকৰ বিষয় যে আজি ৺উত্তমচন্দ্ৰ বৰুৱা আৰু ইহলোকত নাই। ধৰ্ম্ম-সভাৰ গীতা পাঠত উত্তম বাবুৰ প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰা আৰু 'শ্ৰীধৰ স্বামী নাইবা অন্য টীকাকাৰে এই দৰে কৈছে অথচ আপুনি এইৰূপ ব্যাখ্যা কিয় কৰিছে?' ইত্যাদি কোৱাৰ বাবে কোনো কোনো পণ্ডিতে পৃষ্ঠ প্ৰদৰ্শন কৰিছে। কিন্তু লক্ষ্মীনাৰায়ণ বাবুৰ ব্যাখ্যাত তেওঁ বৰ আনন্দ পাইছিল আৰু নীৰবে তেওঁ ইয়াৰ ৰসাস্বাদন কৰিছিল। ইয়াৰ পৰা আমি সুন্দৰকৈ হৃদয়ঙ্গম কৰিব পাৰোঁ যে বৰুৱাদেৱে গীতাক প্ৰাণৰ বস্তু কৰি লৈছিল। আৰ্য্য মিশ্যনে প্ৰকাশ কৰা পকেট গীতা অৰ্থব্যয় কৰি তেওঁ অনেকক বিতৰণ কৰিছে। কেবল গীতাই নহয়, যি কিতাপেই তেওঁৰ প্ৰাণস্পৰ্শ কৰিছিল, সেই কিতাপকে তেওঁৰ অন্তৰঙ্গ বন্ধুৰ মাজত বিলাই দিছিল। বহুতকে তেওঁ জ্ঞানগৰ্ভ পুথিবোৰ পঢ়িবলৈ উদগনি দিছিল।

নানাবিধ আপদ বিপদৰ মাজেৰে যিমানেই তেওঁ যাবলৈ ধৰিলে, সিমানেই ভগবানে তেওঁক এই শিক্ষাই দিব ধৰিলে যে তুমি কোনো নোহোৱা, তোমাৰ ইচ্ছাৰ কোনো মূল্য নাই। সেই বাবেই ক্ৰমে ক্ৰমে ভগবানৰ উপৰত বিশ্বাস আৰু নিৰ্ভৰ বাঢ়িবলৈ ধৰিলে। আধ্যাত্মিক জীৱনৰ এয়ে যথাৰ্থ উন্নতি।

যি হওক, এইভাবে জীৱন যাপন কৰি গত ৩১ শাওন ১৩২২ চন সোমবাৰ শুক্লা ষষ্ঠী তিথিৰ অমৃত যোগে (ইং ১৭ আগষ্ট ১৯১৫)

বেলা ১১টা ২২ মিনিটত তেওঁ ইহলোক এৰি গ'ল। মৃত্যুৰ আগলৈকে কোনোৰূপ ভাব-বিকৃতি, চিত্ত-বৈকল্য বা অস্থিৰতা হোৱা নাই। মৃত্যু-শয্যাতো তেওঁ স্থিৰ, অবিচলিত, প্ৰশান্ত ভাব ৰক্ষা কৰিব পাৰিছিল। অলপ হাঁহি-ধেমালিও কৰিছে। যেতিয়া ভেদ-বমিত দুৰ্ব্বল হৈ পৰিল, সেই সময়ত ডাক্তৰে চেলাইন ইন্‌জেক্‌চন দিওঁতে আচৰিত হৈছিল যে তেনে সময়তো তেওঁৰ তেজ অবিকৃত অৱস্থাত আছে। ইন্‌জেক্‌চন দিওঁতেও তেওঁ মুঠেই যন্ত্ৰণাৰ ভাব দেখুৱা নাই বৰং স্থিৰ ভাবেহে আছিল। মৃত্যুৰ পিচতো মুখৰ প্ৰফুল্ল ভাব আৰু ঈষৎ হাঁহি দেখি ব্যাৰিষ্টাৰ মিঃ টি, আৰ, ফুকন প্ৰভৃতি অনেকে কৈছিল যে দেহান্তে মানুহৰ মুখত এনে স্বৰ্গীয় ভাব তেখেতসকলে কেতিয়াও দেখা নাই। দেহান্তে তেওঁৰ যি ফটো তোলা হৈছে সেইখন চাই স্পষ্ট মনত হব যে তেওঁৰ মুখত কি স্নিগ্ধ শান্তি, প্ৰফুল্ল ভাব বৰ্ত্তমান।

কিমান শান্তিত যে তেওঁ পৰলোকত প্ৰবেশ কৰিলে। কথাতে কয় যে জপেই কৰা বা তপেই কৰা, মৰিব জানিলেই হয়। মৃত্যুই মানুহৰ সমস্ত জীৱনৰ কাৰ্য্যৰ শেষ সাক্ষী। যোগীজনোচিত মৃত্যুত, তেওঁ কি আছিল আমি কি বুজা নাই? মৃত্যুতকৈ অধিকতৰ বিশ্বস্ত আৰু প্ৰামাণ্য সাক্ষী কি আছে?

মৃত্যুৰ পূৰ্ব্বক্ষণত তেওঁ গীতাৰ শেষ শ্লোক "যত্ৰ যোগেশ্বৰো কৃষ্ণঃ যত্ৰ পাৰ্থ ধনুৰ্দ্ধৰঃ। তত্ৰ শ্ৰীৰ্বিজয়োভূতি ধ্ৰুৱা নীতিৰ্ম্মতিৰ্ম্মম॥" আবৃত্তি কৰি গভীৰ ভাবে প্ৰণৱ ধ্বনি কৰিছিল। লগতে উচ্চ হাস্য কৰিলে আৰু হিক্কা উপস্থিত হৈ প্ৰাণবায়ু চিৰকাললৈ দেহত্যাগ কৰিলে। দেহান্তে ফুলে-পাতে সজাই নাম কীৰ্ত্তন কৰি কামাখ্যাৰ শ্মশানত শৱ সংকাৰ কৰি ভগবৎ চৰণত তেওঁৰ আত্মাৰ কল্যাণ কামনা কৰি শোকসন্তপ্ত চিত্তে আমি উভতি আহিলোঁ।

আজি এই পবিত্ৰ শ্ৰাদ্ধ-বাসৰত, যি ঘৰত তেওঁৰ জীৱনৰ অনেক স্মৃতি জাগি আছে—তাতে আমি সমবেত হৈ, তেওঁৰ পবিত্ৰ স্মৃতি পবিত্ৰতৰ হওক আৰু তেওঁৰ আত্মাই চিৰ শান্তি লাভ কৰক—ভগৱৎ চৰণত এই প্ৰাৰ্থনা জনাইছোঁ।

শান্তিঃ শান্তিঃ শান্তিঃ

"কৃষ্ণাৰ্পণমস্তু"

৩০ভাদ ১৩২২। সোমবাৰ
১৯১৫ ইং

শ্ৰীগোপালকৃষ্ণ দে

ওঁ নমো ভগবতে বাসুদেৱায়

শ্ৰীশ্ৰীকৃষ্ণায় নমঃ।

মোৰ সংক্ষিপ্ত জীৱনী

শকাব্দ ১৭৭১, বঙ্গাব্দ ১২৭৬, খৃষ্টাব্দ ১৮৬৯, সৌৰ আহিন মাহৰ ১লা তাৰিখ শুক্ৰবাৰে কামৰূপ জিলাৰ অন্তৰ্গত উপৰ বৰভাগ মৌজাৰ কমাৰকুছি গাৱঁত মোৰ জন্ম হয়। ৺মধুসূদন বুজৰ-বৰুৱাৰ পুত্ৰ ৺গোৰীচন্দ্ৰ বুজৰবৰুৱা; তৎপুত্ৰ বিজয়চন্দ্ৰ বৰুৱা। আৰু তেওঁৰ একমাত্ৰ বংশধৰ স্বনামখ্যাত ৺ৰজতচন্দ্ৰ বৰুৱাৰ দ্বিতীয় পক্ষৰ মই একমাত্ৰ পুত্ৰ। মোৰ মাতৃৰ মই আৰু মোৰ জ্যেষ্ঠা সহোদৰা এই দুটি মাত্ৰ সন্তান। কিন্তু বিয়াৰ কিছুদিন পিচতেই সন্তানাদি নহওঁতেই সহোদৰাৰ মৃত্যু হয়।

বিখ্যাত চান্দকুছিয়া বুজৰবৰুৱা বংশৰ ৺গোবিন্দমল্ল বৰুৱা মোৰ মাতামহ হয়। তেওঁৰ অগ্ৰজ শ্ৰীযুক্ত শান্তিমল্ল বৰুৱা আজিও বৰ্ত্তমান আছে আৰু এক ভ্ৰাতাৰ পৌত্ৰ শ্ৰীযুক্ত কান্তিমল্ল বৰুৱাও বৰ্ত্তমান আছে। অন্য ভ্ৰাতাসকল নিঃসন্তান। মোৰ স্বীয় মাতুল ৺বলিভদ্ৰমল্ল বৰুৱাৰ বিবাহাদিৰ পূৰ্ব্বেই অকালে মৃত্যু হৈছে। মোৰ মাতামহৰ জীয়াৰীৰ বংশৰ মই আৰু মোৰ মাহীৰ সন্তান শ্ৰীমান্ বৃন্দানাথ পাটোৱাৰী বৰ্ত্তমানে আছে। বৃন্দানাথৰ অন্য তিনি ভায়েকৰ অকালে মৃত্যু হৈছে।

স্বৰ্গীয় পিতৃদেৱৰ প্ৰথম পক্ষৰ পুত্ৰ-কন্যা কেইবাটিও আছিল। কিন্তু এতিয়া কেৱল একমাত্ৰ পুত্ৰ শ্ৰীযুক্ত গোপালচন্দ্ৰ বৰুৱা বৰ্ত্তমান আছে। জ্যেষ্ঠা কন্যা নিঃসন্তান অৱস্থাত বৰ্ত্তমান আছে। অন্য দুই পুত্ৰৰ ভিতৰত ৺অমৃতচন্দ্ৰ বৰুৱাৰ পকোৱা গাৱঁত বিয়া হৈছিল—বিয়াৰ অলপ দিন পিচতে তেওঁৰ মৃত্যু হয়। তেওঁৰ

বিধবা স্ত্ৰী এতিয়াও বৰ্ত্তমান আছে। অন্য পুত্ৰ ৺ললিতচন্দ্ৰ বিয়াৰ পূৰ্ব্বে মৃত্যুমুখে পতিত হয়। সৰ্ব্ব জ্যেষ্ঠা কন্যা পদ্মাৱতী বৰুৱানীক চান্দকুছিত বিয়া দিছিল। তেওঁৰ দুটি মাত্ৰ পুত্ৰ বিবাহাদি সম্পাদন কৰি অলপ দিন পিচতে অকালে কালপ্ৰাপ্ত হয়। এতিয়া তেওঁৰ দুটি মাত্ৰ কন্যাৰ দৌহিত্ৰ সকল আছে। কন্যা দুটিও (বৰুণ ও ৰশ্মি) বৰ্ত্তমান আছে। পিতাৰ মধ্যমা কন্যা ৺চণ্ডিকা বাইক হাবদিয়াৰ ৺মধুৰাম চৌধুৰীৰ পুত্ৰ ৺মুকুন্দ-ৰাম চৌধুৰীক অৰ্পণ কৰিছিল। তেওঁৰ কেইবাটিও পুত্ৰ-কন্যাৰ ভিতৰত কেবল এটি মাত্ৰ পুত্ৰ আৰু এটি মাত্ৰ কন্যা বৰ্ত্তমান ৰাখি বিধবা হবৰ দুই তিনি বছৰ বাদে মৃত্যু-মুখে পতিত হয়। পিতাৰ সৰ্ব্ব-কনিষ্ঠা পুত্ৰী ৺বৃন্দা বাইকো চান্দকুছিত বিয়া দিছিল— কিন্তু নিঃসন্তান অৱস্থাতে তেওঁৰ মৃত্যু হয়।

বৰপেটা নিবাসী ৺মহাৰথ চৌধুৰী আৰু ৺দশৰথ চৌধুৰী মুন্‌চেফৰ ভগ্নী ৺দময়ন্তী বৰুৱানী পিতাৰ প্ৰথম পক্ষৰ সহধৰ্ম্মিণী আৰু শ্ৰীযুক্ত গোপালচন্দ্ৰ বৰুৱাৰ গৰ্ভধাৰিণী আছিল। এওঁৰ মৃত্যুৰ পিচত পিতৃদেৱে মোৰ গৰ্ভধাৰিণী শ্ৰীযুক্তা কালীপ্ৰিয়া বৰুৱানীক বিয়া কৰাইছিল।

মোৰ মাতা ঠাকুৰাণীৰ বিয়াৰ ষষ্ঠ বছৰতে পিতৃদেৱ স্বৰ্গী হয় অৰ্থাৎ হতভাগ্য মোৰ জন্মৰ দহ মাহ পিচতে ১৭৯২ শকাব্দ, ১২৭৭ বঙ্গাব্দ, ১৮৭০ খৃষ্টাব্দত আষাৰ মাহৰ কৃষ্ণাষ্টমী তিথি যোগে পিতাৰ পৰলোক প্ৰাপ্তি ঘটে। তেতিয়া মোৰ সহোদৰা ৺তিলোত্তমা চৌধুৰাণীৰ (ব্যক্ত নাম শ্ৰীমতী) বয়স চতুৰ্থ বছৰৰ ভিতৰত আছিল। পিতা বৰ্ত্তমানে দাদাৰ (গোপালচন্দ্ৰ বৰুৱা) পৰিণয় সমাপ্ত হয়। দাদাৰ বয়স তেতিয়া ২০।২১ বছৰ আছিল। মাতা-ঠাকুৰাণী দাদাৰ সমবয়সী।

পিতাৰ মৃত্যুৰ পিচত উত্তৰাধীকাৰ সূত্ৰে দাদা (বৈমাত্ৰেয় অগ্ৰজ) উপৰ বৰভাগ মৌজাৰ মৌজাদাৰী পদত নিযুক্ত হয়।

পিতাৰ মৃত্যুৰ পিছে স্থাবৰ অস্থাবৰ (সেই সময়ৰ মূল্যত) লক্ষাধিক টকাৰ সম্পত্তি আমাৰ নিমিত্তে আছিল। কেৱল দোকানৰ বাকী আদি মিলি ১৬০০ টকাৰ ঋণ আছিল।

ইমান টকাৰ সম্পত্তি আমাৰ নিমিত্তে এৰি যোৱা স্বত্বেও মাতাঠাকুৰাণী দুগ্ধপোষ্য সন্তান দুটিৰে সৈতে অকূলত ভাহিল। কাৰণ সতীয়া মাক আৰু সতীয়া ভাই-ভনী বুলি দাদাই আমাৰ তত্ত্ব-তালাপিৰ প্ৰতি তেনেই অমনোযোগী হ'ল। ইচ্ছাময়ৰ ইচ্ছা আৰু আমাৰ দুৰ্ভাগ্যক্ৰমে এই অৱস্থা ঘটিল। দাদা ঘৰৰ কৰ্ত্তা আৰু বৌঠাকুৰাণী প্ৰধানা কৰ্ত্ৰী। মাতাঠাকুৰাণী দাসীৰ দৰে গৃহকাৰ্য্য সম্পাদন কৰি কোনোমতে সন্তান দুটিৰে সৈতে চাৰিটি ভাত মাত্ৰ খাব পাৰিছিল। ইয়াৰ বাহিৰে অন্য একোকে পোৱা নাছিল। আনকি আমাৰ বা তেওঁৰ পিন্ধা-উৰা কাপোৰ-কানি নাইবা নিত্য-ব্যৱহাৰ্য্য তামোল-পান আদিও নিজে কিনি-কুটি নাইবা খুজি-মাগিহে যোগাৰ কৰিছিল।

চান্দকুছিৰ মাতামহী তেতিয়া বৰ্ত্তমান আছিল। তেওঁ এটি চাকৰৰ দৰমহা বাবদ মাটি দুই পুৰা দিছিল। তাৰেদি এজন চাকৰ ৰাখি আমাৰ পৰিচৰ্য্যা কৰিছিল। জননী অপেক্ষাও স্নেহশীলা পৰলোকগতা সোণাই বাই মাতাঠাকুৰাণীৰ লগত পৰিচাৰিকা আছিল। পিতাৰ মৃত্যুৰ প্ৰায় এক বছৰ পিচতেই চোৰ বদনাম দি তেওঁকো দাদাই ঘৰৰ পৰা বাহিৰ কৰি দিলে মাতাঠাকুৰাণী সম্পূৰ্ণৰূপে নিৰাশ্ৰয়া হ'ল। এইদৰে থাকোঁতে থাকোঁতে মোৰ ৫।৬ বছৰ বয়স হ'ল। আৰু তেতিয়াৰ পৰা মোটামোটি কথা মনত আছে।

সোণাই বাইৰ ভাই নাউভূতা কাকা কমাৰকুছিৰ ঘৰুৱাৰ ভিতৰত সঙ্গতিপন্ন মানুহ আছিল। হাজাৰ দেড় হাজাৰ টকা বাহিৰত ধাৰেও দিছিল। মাটিবাৰী বন্ধক ৰাখি উপযুক্ত হাল-গৰু কৰি চহো কৰিছিল। চুবুৰীয়া গাওঁৰ সকলোৰে তাক খাটিব

কৰিছিল। সেই সূত্ৰে সোণাই বাইকো প্ৰায় সকলো মানুহে খাতিৰ কৰে। আমাৰ দুৰৱস্থাৰ কথা বৰ্ণাই কৈ ওচৰ কাষৰ গাওঁৰ মানুহৰ পৰা তামোল-পান প্ৰভৃতি অন্যান্য খাদ্যদ্ৰব্য সংগ্ৰহ কৰি আনি মাতাঠাকুৰাণীক দিছিল। তেওঁ আমাৰ ঘৰত আহিবৰ হুকুম নাছিল। পাৰিলে বাহিৰৰ পৰা সাক্ষাৎ কৰি নাইবা অন্য কোন মানুহৰ দ্বাৰা সেইবোৰ মাতাঠাকুৰাণীৰ হাতত দিছিল। সেই দুৰ্দ্দিনত সোণাই বাইৰ পৰা যাৰপৰ নাই সহায় পাইছিলোঁ। ঘৰৰ ভাত কেইটিৰ বাহিৰে অন্য খাদ্যদ্ৰব্য নাপালেও সোণাই বাইৰ দ্বাৰা সেই অভাব মোচন হৈছিল।

এই দৰে বেবেজিয়া চলিব দৰে আমি প্ৰতিপালিত হৈ ক্ৰমে ডাঙৰ হব ধৰিলোঁ। মাতাঠাকুৰাণী ঘৰৰ পাচিকা—সেই সূত্ৰে ভাত কেইটি খাব পাওঁ, তাৰ বাহিৰে আমি অন্য কোনো বস্তু ভোগ কৰিব নাপাওঁ। গৰুৰ গাখীৰৰ বাহিৰে দৈনিক মহৰ গাখীৰো ১৫।২০ সেৰ হয়। এনে স্থলতো আমি সদায় গাখীৰৰ ভাগ নাপাওঁ। মাজে সময়ে যেতিয়া অলপ পাওঁ সিও পানী মিহলোৱা আৰু সৰতোলা। বাগানৰ পৰা আম কঠাল আৰু অন্যান্য ফল-মূল যি ঘৰত আহে তাৰে চাকৰহঁতৰ দৰে প্ৰথমতে অলপ ভাগ পাওঁ। কিন্তু চাকৰহঁতেও সদায় যি দৰে খাব পায় (কিয়নো ভৰালত সিহঁতৰ জিম্মাত সকলো বস্তু থাকে) সেই দৰে আমি কদাচিতো নাপাওঁ। সেই সকল কথা স্মৃতি-পথত উদয় হলে বুক ফাটি যায়। আম যদি আনে তেন্তে দাদাই বাছিহে দিয়ে—ভৰালী বা আন মানুহে দিলে কি জানি উৎকৃষ্ট দিয়ে! এই অভিপ্ৰায়ে দাদাই নিজ হাতে বাছি পোকা লাগা নাইবা সোতোৰা পৰা চাই ১।২ গণ্ডা দিয়ে। মাতাঠাকুৰাণী এই বোৰ ব্যৱহাৰ দেখি নিতান্ত শোকাকুলা হয়। কিন্তু নিৰুপায়—এতেকে, সকলো সহ্য কৰি থাকে। মোক খাব যি দৈ দিয়ে, ভৰালীক হাকদিয়া আছে যাতে দাদাৰ অসাক্ষাতে নিদিয়ে। গোসাঁই-

ঘৰৰ প্ৰসঙ্গৰ পৰা গৈ ঘৰৰ পৰা বাতি লৈ আহি দাদাৰ গোসাঁই সেৱা কৰা নহয় মানে অপেক্ষা কৰি থাকোঁ; কিয়নো দাদাৰ অসাক্ষাতে মোক দৈ দিব ভৱালীৰ হুকুম নাই। পিচে তেওঁ আগত থাকি সৰতোলা কিছু মাখা আৰু চৰুৰ তলৰ পৰা কিছু পানী মিহলাই দিয়ে। আমি এনেহে অভাগা হলোঁ যে পানী নোহোৱাকৈ সৰতোলা মাখা দৈও অলপ নাপাওঁ। সি ফালে দাদাৰ কাৰণে সৰনোতোলাকৈ টেকেলীত বেলেগে দুধ জমাই থয়।

· ৰং চাবৰ নিমিত্তে পাটৰ ধুতি চেলেং বা কিংখাপৰ নাইবা গোমচিঙৰ কিমান চোলা ঘৰত আছে। অথচ সামান্য এটি চোলা নাইবা এযোৰ ধুতি-চাদৰ দুৰ্ভাগ্যক্ৰমে মই নাপালোঁ। অথচ তেওঁলোকে এই বোৰ নিত্য ব্যৱহাৰ কৰি ভিজাই-বুৰাইও নষ্ট কৰে। মাতাঠাকুৰাণীয়ে মনু হালগিৰী প্ৰভৃতিক এই দুৰৱস্থাৰ কথা কৈ কেইটামান টকা খুজি আনি ৰং চাবৰ কাৰণে এটি চোলাৰ কাপোৰ গুৱাহাটীৰ পৰা কিনি আনাইছিল। সেই কাপোৰেদি ম'হবাপু আৰু ভাৰা বাপাই এটি চোলা সী দিছিল। পাত সূতা কিছু সংগ্ৰহ কৰি মাতাঠাকুৰাণী নিজে এখন চাদৰ মোক বুই দিছিল। পাতৰ ধুতি সংগ্ৰহ কৰিবৰ সাধ্য কোনোমতে নহল। এই দৰে বাল্য-জীৱন অতিবাহিত হব ধৰিলে।

পিতা বৰ্ত্তমানে কমাৰকুছিত এখন ছাত্ৰবৃত্তি স্কুল আছিল। তাতে পঢ়ি জিনাৰাম বাপু প্ৰভৃতিয়ে বৃত্তিও পাইছিল। মোৰ কিন্তু এনেহে দুৰ্ভাগ্য যে পিতাৰ মৃত্যুৰ পিচত সেই স্কুল কমাৰকুছিৰ পৰা উঠি গ'ল। কিয়নো গাৱঁলীয়া দুষ্ট লৰাবোৰে শিক্ষক আৰু স্কুল-ঘৰত অত্যাচাৰ কৰে আৰু গাৱঁত ইয়াৰ সুবিচাৰ কৰোঁতা কোনো লোক নাই। অতএব কৰ্ত্তৃপক্ষই ইয়াৰ পৰা স্কুল তুলি নিলে। দাদাৰ চৰিত্ৰ সমালোচনা কৰি অনুভৱ কৰোঁ যে মই শিক্ষা লাভ কৰোঁ বুলিয়েই পাকে প্ৰকাৰে স্কুল খন উঠাই

দিয়ালে। পিচত তেওঁৰ সন্তান পঢ়িবৰ যোগ্য হোৱাত বহু চেষ্টা কৰি ১২৯১ চনত (ইং ১৮৮৪) পুনঃ কমাৰকুছিত উচ্চ প্ৰাইমাৰী স্কুল স্থাপন কৰে। ৺পূজ্যপাদ ৰাধাচন্দ্ৰ জেঠাই গাৰঁত* দেশীয় ধৰণে কিছুমান ছাত্ৰ পঢ়াইছিল। মাতা ঠাকুৰাণী মোকো তাতে ভৰ্ত্তি কৰি দিছিল। মই ১০।১২ বছৰ বয়স পৰ্য্যন্ত তাতে শিক্ষা লাভ কৰি কথমপি অক্ষৰ কেইটি চিনিব পাৰ হৈছিলোঁ। মোৰ শিক্ষা লাভ সম্বন্ধে দাদা মহাশয় অলপো মনোযোগী নহল। আমাক যেয়ে অলপ স্নেহ চকুৰে দেখে সিয়ে দাদাৰ চক্ষুশূল। প্ৰবল প্ৰতাপী দাদা মহাশয়ৰ ভয়ত ইচ্ছা স্বত্বেও আমাক কোনো মানুহে প্ৰকাশ্য ভাবে স্নেহ নকৰে কিম্বা স্নেহ কৰিবৰ সুবিধা নাপায়।

ঘৰতো সামান্য কথাৰ অচিলাতে বৌ-ঠাকুৰাণী মাতা ঠাকুৰাণীৰ লগত অকথ্য গালাগালি কৰে। অইন সকলো প্ৰকাৰ অত্যাচাৰ নীৰবে সহ্য কৰিলেও মাতা ঠাকুৰাণী বিনা দোষত গালি-গালাজ সহ্য নকৰে। বৌ-ঠাকুৰাণীকো গালি উল্টাই দিয়ে। গতিকে অতিষ্ঠ অৱস্থাৰ সৃষ্টি হয়। দাদাই কাজিয়া, গালাগালি নিবাৰণ দূৰে থাকক, বৌ-ঠাকুৰাণীৰ পক্ষাৱলম্বন কৰি মাতা ঠাকুৰাণীকহে দোষী কৰে। ফলত বৌ-ঠাকুৰাণী অধিক লাই পায়।

এই দৰে থাকোঁতে সহোদৰাৰ বিয়াৰ সময় উপস্থিত হ'ল। হাৰদিয়াৰ ৺কৃষ্ণৰাম চৌধুৰীৰ পুত্ৰ যাদব চন্দ্ৰ চৌধুৰীৰ লগত সম্বন্ধ স্থিৰ হ'ল। দাদা মহাশয় বিয়াৰ দিন দিম বুলি ২।৩ বছৰ বিয়াৰ খাতি নিদিলে। ইফালে ঋতু সময় উপস্থিত দেখি ধৰ্ম্ম নষ্ট হব বুলি মাতা ঠাকুৰাণীৰ বিয়াৰ কাৰণে আগ্ৰহ উত্তৰোত্তৰ বৃদ্ধি হ'ল। হোৱা কথাও—কাৰণ একেটি মাত্ৰ কন্যা—কন্যা কালতে বিয়া দিবৰ একান্ত ইচ্ছা অযথা নহয়। বাং ১২৮৬ চনৰ ২৫ ফাল্গুনত মাতাঠাকুৰাণীৰ আগ্ৰহাতিশয্যে বিয়াৰ দিন স্থিৰ হ'ল।

* কায়থালী টোল।

উক্ত চনৰ আঘোন মাহত অগ্ৰজৰ মধ্যম পুত্ৰ ৺বলাইচন্দ্ৰই মোৰ লগতে বহি দৈ-গাখীৰ সনা ভাত খাই মুখ ধুব যাওঁতে দাদাই দেখিব পাই মাতা ঠাকুৰাণীয়ে হিংসা কৰি দৈ দিয়া বুলি মাতা ঠাকুৰাণীক যৎপৰোনাস্তি গালাগালি কৰিলে। অকথ্য গালাগালি খাই মাতা ঠাকুৰাণী অত্যন্ত কষ্ট হৈ আৰ ভাত নাৰান্ধে বুলি স্থিৰ কৰিলে। দাদাৰ সন্তানক আনি ভাত খুওৱা আমাৰে অন্যায় হৈছে, এনে অৱস্থাত গৃহস্থৰ ভাত ৰান্ধা বন্ধ কৰি আমি দোষী হোৱা উচিত নহব বুলি মই মাতাঠাকুৰাণীক বুজাই বঢ়াই কৈ এই যাত্ৰা নিৰস্ত কৰিলো।

এক মাহ মানৰ মূৰত পুনঃ মাতা ঠাকুৰাণী আৰু বৌ-ঠাকুৰাণীৰ অকথ্য গালাগালি আৰম্ভ হ'ল। মাতা ঠাকুৰাণী পাক হে কৰে, কিন্তু বৌ-ঠাকুৰাণীয়ে ৰন্ধা-বঢ়া বস্তু নিজ হাতে হিচাব কৰি দিয়ে। ৰান্ধিব দিয়া মাছৰ ডোখৰ কম হোৱাই আৰু সেই মাছ অন্য মানুহক দিয়া বুলি উপলক্ষ্য কৰিয়েই এই বাৰৰ দন্দৰ সূত্ৰপাত। এনেকুৱা দন্দ দেখি মোৰ বৰ ধিক্কাৰ লাগিল আৰু মোৰ পৰামৰ্শ মতে মাতা ঠাকুৰাণী ভাত ৰান্ধা বন্ধ কৰিলে।

এই দৰে দিন গৈ থাকোঁতে মাঘ মাহত ৺কৃষ্ণৰাম চৌধুৰী আহি তেওঁৰ পুত্ৰৰ লগত মোৰ সহোদৰাৰ বিয়াৰ খাতিৰ নিমিত্তে জোৰ কৰি ধৰিলে। মাতা ঠাকুৰাণী গৃহস্থৰ পাক কৰা বন্ধ কৰি গিৰি-ঘৰক কষ্ট দিয়াৰ অজুহাত উপস্থিত কৰি বিয়া দিব নোৱাৰে বুলি দাদাই আপত্তি কৰিলে। পিছে উক্ত চৌধুৰী মহাশয় মাতা ঠাকুৰাণীক প্ৰবোধ বাক্যেৰে সান্তনা দি ভাত-পানী ৰন্ধাই আমাৰ লগত তেওঁ ভোজন কৰিলে। দাদা মহাশয়ও ২৫ ফাল্গুন তাৰিখে বিয়াৰ খাতি দিলে। বিয়ালৈ দহ দিন মান থাকোঁতে হাবদিয়াৰ পৰা দিয়া চৌধুৰী মহাশয়ৰ চিঠিৰ পৰা জানিব পাৰিলোঁ। যে দাদাই তেওঁলোকক চিঠি লেখি বিয়া দিব নোৱাৰে বুলি জনাইছে। আপত্তি এই যে সেই তাৰিখে বিজনী ঘাটক ডিপুটি

কমিশ্যনাৰ চাহাব আহিব। কিন্তু সিদিনা ডিপুটি কমিশ্যনাৰ চাহাব অহা তেনেই মিছা। .

এই সংবাদ পাই মাতা ঠাকুৰাণী বিশেষ ভাবনাত পৰিল। আজি ৩।৪ বছৰে সহোদৰাৰ বিয়া দিব দিব বুলি বিয়াৰ খাতিকে নিদিলে, এতিয়া খাতি দিও বিয়া দিব নোৱাৰা হ'ল। অথচ সহোদৰা ঋতুমতী হবৰ কাল উপস্থিত। ভাবি চিন্তি মাতা ঠাকুৰাণী নিজেই বিয়া দিব বুলি হাবদিয়ালৈ সংবাদ দিলে। খাতি বদল নকৰি আগৰ খাতি মতেই বিয়া দিব বুলিও জনালে।

আমাক মৰম কৰে বুলি স্বৰ্গীয় পিতাৰ প্ৰধানতম আৰু সাহসী কৰ্ম্মচাৰী মনু হালগিৰিক দাদাই অৱসৰ দিছে। তেওঁৰ লগত মই ফকীৰটোলা, দোকোহা আদি গাৱঁৰ পৰা (আমাৰ দুৰবস্থাৰ কথা বৰ্ণাই কৈ) কেইটিমান টকা খুজি আনিলোঁ। মই নিতান্ত লৰা মানুহ, বয়স মাত্ৰ ন বছৰ। ভাগীৰ মহিবাপু আৰু ৺তাৰাবাপাক লগত লৈ নলবাৰীৰ মাৰোৱাৰী জালো বাবুৰ গোলাৰ পৰা প্ৰয়োজনীয় বাচন-বৰ্ত্তন আদি প্ৰায় ৭০৲ টকাৰ মাল বাকী কৰি আনিলোঁ।

দাদাই কিন্তু বিয়াৰ কামত সম্পূৰ্ণ প্ৰতিবন্ধক জন্মালে। গাৱঁৰ মানুহক বিয়াৰ কোনো কাম-কাজ কৰিব নিদিলে। ভাগীৰ ভিতৰত কেৱল ৺তাৰাবাপা, মহিবাপু, ভগীৰথ বাপু, ৺যাদব দাদা আৰু ঘৰুৱাৰ ভিতৰত একমাত্ৰ নাউভূতা কাকাই সহায় কৰিছিল। মাতা ঠাকুৰাণী মোক কলে যে "অন্য বস্তু আমি খুজি মাগি আনিলেও শ্ৰাদ্ধৰ খালিৰ চাউল কেইটা নিজা মাটিৰ ধানৰ হলে ভাল হয়; অতএব দাদাৰক খুজি ধান কেইটামান আনিবৰ চেষ্টা কৰ।" মই লাজতে কোনো কথা ফুটাই কব পৰা নাছিলোঁ, কিন্তু মাতৃদেবীৰ তাগিদাত অগত্যা চ'ৰা ঘৰলৈ গৈ অন্য মানুহৰ সাক্ষাতত একো কব নোৱাৰিলোঁ। পিচে দাদা ভিতৰ ঘৰলৈ যাওঁতে গোঁসাই ঘৰৰ ওচৰত লগ ধৰি ধানৰ কথা কোৱাত এই উত্তৰ দিলে—"বেতিয়া

নাউভূতা গোলামৰ লগত লগ লৈ তোৰ মাৰে বণাকুছিৰ ভড়ালৰ পথা বলেৰে ধান উলিয়াব পাৰে তেতিয়াহে ধান দিম।" সকলো বৃত্তান্ত মাতৃদেবীক কোৱাত তেওঁ উপায় নাপাই কান্দিব ধৰিলে।

যি হওক ইচ্ছাময়ৰ ইচ্ছাতে নিৰ্দ্দিষ্ট দিনত সহোদৰাৰ শুভ-পৰিণয় সম্পন্ন হ'ল। গাওঁৰ মানুহক কিন্তু দাদাই ভোজ খাব নিদিলে। ৰান্ধা ভাত কাউৰ-কুকুৰে খালে। ভাগীৰ ভিতৰত মদন বাপু, জিউনাৰায়ণ দাদা আৰু নাগাৰকুছিৰ ঘৰুৱা মানুহ খিনিৰ বাহিৰে গাৱঁৰ অন্য কোনো মানুহে ভোজ নাখালে। নাগাৰ-কুছিৰ ঘৰুৱাহঁতেই বিয়াৰ সকলো কাম কৰিছিল। উপৰ বৰভাগ মৌজাৰ মৌজাদাৰ প্ৰবল প্ৰতাপান্বিত দাদা মহাশয়ৰ কৃপাতে সকলো ঘটিছে।

মাতাঠাকুৰাণীৰ নিজৰ যি গহনা আছিল তাকে সমানে দুভাগ কৰি এভাগ সহোদৰাক অৰ্পণ কৰিছিল। সেই সময়ৰ মূল্যত গহনাৰ দাম কমেও ৪০০৲ টকা হব। পিতা বৰ্ত্তমানে তেওঁৰ অন্য কন্যা যি ভাবে সম্প্ৰদান কৰিছিল—খুজি মাগি হলেও মাতা ঠাকুৰাণীও তেনে ভাবেই নিজ কন্যা সম্প্ৰদান কৰিছিল।

ভুলক্ৰমে এটি ঘটনাৰ অনুল্লেখ হৈছে। ৺পিতাৰ মৃত্যুৰ প্ৰায় দুই বছৰ পিচত মাতা ঠাকুৰাণী চান্দকুছিৰ মাত্ৰালয়লৈ যাওঁতে (মোৰ মনত নপৰা কালতে) দাদাই নলবাৰী থানাত এজাহাৰ দিছিল যে তেওঁক বঞ্চনা কৰিবৰ উদ্দেশ্যে মাতা ঠাকুৰাণী প্ৰায় ৩৬০০৲ টকাৰ গহনা চান্দকুছিৰ শ্ৰীযুক্ত শান্তিমল্ল বৰুৱাৰ (মোৰ মাতামহৰ ভ্ৰাতা) ঘৰত নি থৈছে। এই কাৰ্য্যৰ পৰামৰ্শ গোপনে মজুমদাৰথেৰ ঘৰত হৈছিল বুলি শুনিছোঁ। অন্য কোনো মানুহে এই কথাৰ ভু নাপায়। কেৱল দণ্ডীৰাম মজুমদাৰে এই কথাৰ গম পাই, ৺চুৰাপাত হালগিৰিৰ আগত আক্ষেপ কৰাত উক্ত হালগিৰি গোপনে চান্দকুছিলৈ গৈ এই কথা মাতা ঠাকুৰাণীৰ কৰ্ণগোচৰ

কৰে। মাতৃদেৱী কাৰবাক থানাত পঠাই অনুসন্ধান কৰাত প্ৰকৃত বৃত্তান্ত জানিব পাৰিছিল—বাস্তবিকে দাদাই সেইদৰে এজাহাৰ দিছিল।

আচলতে ইমান টকাৰ কিয়—তাৰ এক-চতুৰ্থাংশ টকা মূল্যৰ গহনাও মাতা ঠাকুৰাণীৰ হাতত নাছিল। বিয়াৰ কইনা হিচাবে স্বৰ্গীয় পিতাই বিয়াত যি গহনা-পত্ৰ দিছিল সেয়েহে মাতা ঠাকুৰাণীৰ হাতত আছিল। বাকী সমুদয় গৃহকৰ্ত্তা দাদাৰ জিম্মাত আছিল। থানাত এজাহাৰ দিছিল কেৱল আমাক প্ৰবঞ্চনা কৰিবৰ মনেৰে হে।

মাতা ঠাকুৰাণী কমাৰকুছিলৈ আহি এই এজাহাৰ প্ৰতিবাদ কৰি থানাত জনাবৰ উদ্যোগী হ'ল। কিন্তু দাদাৰ বিৰুদ্ধে এজাহাৰ লেখিবৰ গাৰঁৰ কাৰো সাহস নহল। অৱশেষত সানেকুছিৰ বকটৰাম পাটোৱাৰী ভনীয়েকক সাক্ষাৎ কৰিব মদন বাপুৰ ঘৰলৈ আহোঁতে তাৰা বাপাৰ মাকৰ দ্বাৰাই কথাবাৰ্ত্তা হৈ দাদাৰ এজাহাৰৰ প্ৰতিবাদ কৰি এখন এজাহাৰ তেওঁৰ দ্বাৰা লেখাই দিয়ে। এই কাৰ্য্যৰ পাৰিশ্ৰমিক বাবে উক্ত পাটোৱাৰী মাতা ঠাকুৰাণীৰ পৰা ২৫৲ টকা আদায় কৰিছিল।

দাদা মহাশয় আমাক অযথা উৎপীড়ন কৰিও গৃহস্থীৰ যে কিবা উন্নতি কৰিব পাৰিছিল এনে নহয়। বৰঞ্চ বছৰে বছৰে বিক্ৰি কৰি বহু মাটি-বাৰী নষ্ট কৰি পেলালে। ইফালে ৭।৮ হাজাৰ টকাৰ ঋণো হ'ল। কিয়নো তেওঁ মৌজা কিম্বা খাট-খামাৰৰ কাম নিজে একো নাচায়; চাকৰ-নাকৰে যি কৰে সেই। মৌজাৰ খাজানা কি বাকী থাকিল নাইবা খাট-খামাৰৰ ধান-খাজানা কি আদায় হ'ল একোৰে হিচাব-নিকাছ নকৰে। চৰকাৰী খাজানা যি বাকী পৰে তাক ধাৰ কৰি পৰিশোধ কৰে। এই দৰে বছৰে বছৰে টকাৰ সুদ বাঢ়ে আৰু পাওনাদাৰ সকলে তাগিদা কৰিলে এক খণ্ড মাটি বিক্ৰি কৰি দেনা পৰিশোধ কৰে; আৰু কিছু

দেনা বাকী থাকে। বাকী পৰা টকাৰ সুদ বৃদ্ধি হৈ যেনে দেনা তেনেই বৈ যায়, অথচ ক্ৰমে ক্ৰমে খাট-খামাৰো বিক্ৰি হৈ যাবলৈ ধৰিলে।

দাদাই বাং ১২৮৭ চনত (ইং ১৮৮০) কত্ৰাৰ কাইথৰ ভুঁই ৺যজ্ঞসেন চৌধুৰীৰ ওচৰত বিক্ৰি কৰে। এই বছৰ ৺শাৰদীয় দুৰ্গোৎসৱ চাব নৌকাযোগ মই প্ৰথম গুৱাহাটীলৈ যাওঁ। গুৱাহাটীৰ পৰা ফিৰি আহোঁতে বাটতে খবৰ পালোঁ যে সহোদৰা ঋতুমতী হৈছে। দুই এক মাহ পিচতে দাদাৰে লগত ভয়ানক দন্দ লাগি মাই ভাত বান্ধিব এৰিলে আৰু তেতিয়াৰে পৰা আমি পৃথকে পাক কৰি খাওঁ।

বাং ১২৮৮ চনৰ ব'হাগ মাহত (ইং ১৮৮১) মই গুৱাহাটীলৈ গৈ ৺কৃষ্ণৰাম চৌধুৰীৰ বাহাতে থাকোঁ। মাতাঠাকুৰাণী আশা কৰিছিল যে চৌধুৰী মহাশয় মোৰ পঢ়া-শুনাৰ বন্দোবস্ত কৰিব। এই আশা ভ্ৰমাত্মক—গতিকে মই ঘৰলৈ উভতি আহিলোঁ। ইয়াৰ দুই মাহ মানৰ মূৰত নাগাৰকুছিৰ শ্ৰীযুত শম্ভুদত্ত উপাধ্যায় প্ৰভৃতি সমাজ বহি দাদা মহাশয়ক অনুমতি কৰে যে আমাক উপযুক্ত ভৰণ-পোষণ যেন দিয়ে। আমি বাইজৰ অনুগ্ৰহ-প্ৰাৰ্থী হৈ দেশত খুজি খোৱা কথা বৰ অশোভন। পৰিয়ালৰ ভিতৰত মাতা ঠাকুৰাণী, মই, সহোদৰা আৰু মাতামহী প্ৰদত্ত মাটিৰে ৰখা চাকৰ এটা। আমাৰ খোৰাকীৰ বাবে ধান চাৰি ঢোল, তেল /৪, লোন /৩ প্ৰভৃতি নিতান্ত আৱশ্যকীয় দ্ৰব্য খিনি দিবৰ বন্দোবস্ত কৰে। সেই বন্দোবস্ত মতে দুই কি তিনি মাহ কাম কৰি ইমাহৰ বস্তু সিমাহলৈ বাকী পেলাই চুক্তি বন্দ কৰিলে আৰু আমাৰ সেই মানুহৰ ঘৰত খুজি খোৱা অৱস্থাই থাকিল।

সহোদৰাক শান্তি বিয়া দিবলৈ মাতা ঠাকুৰাণী অনুৰোধ কৰাত শান্তি বিয়া দিব নোৱাৰে বুলি দাদা মহাশয় স্পষ্ট জবাব দিলে। বাধ্য হৈ প্ৰথম বিয়াৰ দৰে মাতা ঠাকুৰাণী বহু কষ্টেৰে ১১৮৮ চনৰ

(ইং ১৮৮১) মাঘৰ ১৬ তাৰিখে নিজেই সম্পন্ন কৰিলে। খোৰাকী দিয়া বন্ধ কৰি মানুহক দেখুৱাবলৈ আমাৰ মজিয়াত কিছু ধান থৈ দিলে। সহোদৰাৰ শান্তি বিয়াৰ সময়ত ভাগীৰ মহিবাপু, ৺যাদব দাদা, মদন বাপু আৰু ঘৰুৱাৰ নাউভূতাকাই সহায় কৰিছিল।

এই বাৰ দাদাই যৎপৰোনাস্তি প্ৰতিবন্ধক জন্মাইছিল। আনকি তেওঁৰ বিৰুদ্ধাচৰণৰ বাবে উপৰ বৰভাগ মৌজাত ধুলীয়া এযোৰ নাপালোঁ। বৰিগোগ মৌজাৰ পৰাহে ধুলীয়া সংগ্ৰহ কৰা হৈছিল। এই দৰে মোৰ বাল্য-জীৱন এক ৰকম শেষ হ'ল।

কিশোৰ জীৱন আৰম্ভ

মাতাঠাকুৰাণীৰ ইচ্ছা যে মই গুৱাহাটীত থাকি লেখা-পঢ়া শিকোঁ আৰু কিছু জানা-বুজা হওঁ। সেই উদ্দেশ্যে মুক্তাৰাম নকল-নবীছক মাতি আনি তেওঁৰ বাহাত মোক থাকিব দিবলৈ অনুৰোধ কৰিলে আৰু নকলনবীছো সম্মত হ'ল। সেই উদ্দেশ্যে ৺দয়ানাথ পাটোৱাৰীৰ লগত বাং ১২৮৯ চনৰ (ইং ১৮৮২) আহাৰ মাহত গুৱাহাটীলৈ গৈ নকলনবীছৰ বাহাত আশ্ৰয় ললোঁ। উক্ত নকলনবীছ দাদাৰ গুৱাহাটীৰ কাৰ্য্যকাৰক আছিল। মোক তেওঁৰ বাহাত দেখি, মোক উলিয়াই দিবৰ কাৰণে দাদাই নকল-নবীছক কয়; নকলনবীছ সেই কথাত মান্তি নোহোৱাত দাদাই মুক্তাৰাম নকলনবীছক তেওঁৰ গুৱাহাটীৰ কাৰ্য্যকাৰক গুচাই বাঞ্ছিৎৰাম নকলনবীছক তেওঁৰ কামত মোতায়েন কৰে।

সৌভাগ্যক্ৰমে পৰোপকাৰী স্বৰ্গীয় বেনুধৰ বৰুৱা ডাঙৰীয়া উকীলৰ লগত পৰিচিত হলোঁ। আমাৰ সকলো বৃত্তান্ত শুনি দয়াপৰবশ হৈ মোৰ সহায়কাৰী হম বুলি স্বীকাৰ কৰে। ৺কমলা-কান্ত চিৰস্তাদাৰক আমাৰ অৱস্থাৰ কথা বৰ্ণনা কৰি দাদাৰ লগত মীমাংসা কৰি দিবলৈ অনুৰোধ কৰাত তেওঁ দাদাৰ পক্ষ অৱলম্বন কৰি আমি উচ্ছৃঙ্খল বুলি মত প্ৰকাশ কৰে। শ্ৰীযুত ডুলাল বাবুইও গৰ্গবাবুৰ সূত্ৰে মোৰ পক্ষে উচিত কথা কব নোৱাৰিলে। পৰলোকগত ফটীক চন্দ্ৰ বৰুৱা ই, এ, চি, মহাশয়ে আমাক আপোষ মীমাংসা কৰি দিবৰ বিশেষ যত্ন কৰিছিল। দাদা মহাশয়ক মাতাই নি চালিচৰ দ্বাৰা আমাক আপোষ মীমাংসা কৰিবৰ পৰামৰ্শ দিয়ে আৰু শ্ৰীযুক্ত হৰকান্ত বৰুৱা মুনচেফ্ মহাশয়ক উভয় পক্ষৰ পঞ্চায়ত মনোনীত কৰে আৰু তেওঁৰ লগতে নিজ নিজ পক্ষৰ মানুহ

পঞ্চায়তত দিব কয়। দাদাই শ্ৰীযুক্ত হৰকান্ত বৰুৱা মুনচেফক পঞ্চায়ত মানিব খুখুজি তেওঁৰ পক্ষে শ্ৰীযুক্ত দুলাল বাবু, শ্ৰীযুক্ত সোণাৰাম পেস্কাৰ, শ্ৰীযুত পৃথুৰাম চৌধুৰী, শ্ৰীযুক্ত কমলাকান্ত চিৰস্তাদাৰ আৰু আমাৰ পক্ষে কেৱল ৺বেনুধৰ বাবুক পঞ্চায়ত নিযুক্ত কৰি একৰাৰনামাৰ মুচাবিদা তৈয়াৰ কৰি কাছাৰিত ৺ফটিক চন্দ্ৰ বৰুৱাৰ ওচৰত উপস্থিত কৰে। উক্ত বৰুৱাদেৱে শ্ৰীযুক্ত হৰকান্ত বৰুৱাক চালীছ মানিব নোখোজাৰ কাৰণ সোধাত দাদাই কলে যে মই হৰকান্ত বৰুৱা দেৱৰ বাহৃৰ ওচৰতে থাকোঁ। তেতিয়া মইও দুলাল বাবুক পঞ্চায়ত মানিব আপত্তি কৰিলোঁ। দাদাৰ কথাত বিৰক্ত হৈ ৺ফটীক চন্দ্ৰ বৰুৱাই আমাৰ মীমাংসাৰ কামত আৰু হাত নিদিয়ে বুলি স্পষ্টকৈ কৈ দিছিল।

ইয়াৰ পিচত শ্ৰীযুক্ত ভোলানাথ বৰুৱাই দাদাক মাতি নি কয় "তোমালোকৰ প্ৰাচীন ঘৰ এখন ভাঙিব নালাগে। উত্তমক পঢ়িবৰ কৰণে মাহে দহ টকাকৈ দিবৰ বন্দোবস্ত কৰা, মই উত্তমক স্কুলত নাম লেখাই দিওঁ।" দুৰ্ভাগ্য মোৰ, দাদা ভোলাবাবুৰ কথাত মান্তি নহল।

কোনো ৰকম উপায় নাপাই আৰু বছৰে বছৰে পৈত্ৰিক সম্পত্তি বোৰ নষ্ট হোৱা দেখি ৺বেনুধৰ বাবুৰ পৰামৰ্শ মতে মই পৈত্ৰিক সম্পত্তিৰ নামজাৰীৰ দৰ্খাস্ত দিবৰ উদ্যত হলোঁ। কিন্তু খৰচৰ কাৰণে টকা কৈ? বাহাত খাবৰে খৰচ নাই। নামজাৰী মোকদ্দমাৰ কাৰণে খৰচ কত পাওঁ? পৰ্ব্বতীয়া গোস্বামী সকলৰ পিয়লী দাগচিঠা লেখি যি ২।৪ টকা পাইছিলোঁ, মাতাঠাকুৰাণীও যি দুই চাৰি টকা দিছিল তাৰে কোনো ৰকমে গুৱাহাটীৰ বাহা খৰচ চালাইছিলোঁ। লগত একমাত্ৰ সম্বল প্ৰাচীন কম্বল এখন আৰু পানী খোৱা লোটা এটা—এখন তিয়নী, এখন ধুতি। এটা গাৰু আৰু এখন মহৰী সংগ্ৰহ কৰিব পৰা নাছিলোঁ তেতিয়ালৈ। মাটিতে কম্বল খন পাৰি ৰাতি চাৰিদাঁৰ কাটাওঁ।

শ্ৰীযুক্ত যদুৰাম অধিকাৰী দলিল দি আৰু তেওঁৰ আঙুঠি বন্ধক থৈ ৺মনিৰাম দাৰোগাৰ পৰা পঞ্চাশ টকা কৰ্জ্জা কৰি আনি মোৰ নামজাৰী মোকদ্দমা চলাবৰ খৰচ দিয়ে। তেওঁৰ অনুগ্ৰহতে নকলাদি লৈ নামজাৰীৰ প্ৰাৰ্থনা কৰিলোঁ। ৺বেনুধৰ বৰুৱাই অনুগ্ৰহ কৰি বিনা বাইনাই উকীল হ'ল। মোকদ্দমা ৰুজু কৰিয়েই জ্বৰত পৰি ৺শাৰদীয় পূজাৰ সময়ত ঘৰত ফিৰি আহোঁ।

সেই সময়তে ভাগীবৰ্গইও কটৰা আৰু বুৰিনগৰৰ মাটিত নামজাৰীৰ প্ৰাৰ্থনা কৰে। তেওঁলোকৰ যি বিলাক জমি আমাৰ পিতাৰ ওচৰত বিক্ৰি কৰিছিল সেইবোৰ মাটিও তেওঁলোকৰ দাবীভুক্ত কৰিছিল। দাদাই উভয় নামজাৰীৰে প্ৰতিবাদ কৰে আৰু অনৰ্থক প্ৰায় সহস্ৰাধিক টকা ব্যয় কৰি উকীল, মোক্তাৰ আৰু বাঞ্চিৎ নকলনবীচ আদিৰ উদৰ পূৰণ কৰে। ৺আনন্দি মহৰী এশ টকা ঘুষ খাই চালতামামীৰ সময়ত বাহিৰা মোকদ্দমাত আমাৰ আৰু ভাগীবৰ্গৰ মোকদ্দমা সোমাই দিয়াত, ডিঃ কঃ কেম্বল চাহাবে বিনা বিচাৰে দুয়োটা মোকদ্দমা ডিচ্‌মিচ্‌ কৰে। সেই ১২৮৯ চনৰ (ইং ১৮৮২) চনৰ ফাগুন মাহত আমাৰ মোকদ্দমা ডিচ্‌মিচ্‌ হোৱা খবৰ পাই বিস্মিত আৰু মৰ্ম্মান্তিক কষ্ট পালোঁ। আপীল কৰিবৰো খৰচ নাই; মহা চিন্তাত পৰিলোঁ। মাতৃদেবীৰ হাতত থকা ধন জাৰি-জোকাৰি আনি কোনোমতে আপীল দাখিল কৰিলোঁ।

বাং ১২৯০ (ইং ১৮৮৩) চনৰ শাওণ মাহত আপিল নিষ্পত্তি হয়। স্বৰ্গীয় বেণুধৰবাবুৰ অসাক্ষাততে দুলালবাবুই মোকদ্দমা তুলি দিয়ে। বিপক্ষৰ উকীল স্বৰ্গীয় দীনবাবু আৰু ৰামগোপাল বাবুই আপত্তি কৰে যে "নাবালকৰ নামজাৰী হলে তেওঁৰ মাতা কালীপ্ৰিয়াই সম্পত্তি নষ্ট কৰিব, অতএব ৰক্ষণাবেক্ষণৰ চাৰ্টিফিকেট ললে নামজাৰী হোৱাত আপত্তি নাই।" নামজাৰী হবৰ এই আদেশ শুনি সেই সময়ত যদিও দুখিত হৈছিলোঁ, তথাপি

মঙ্গলময়ৰ ইচ্ছাত এই আদেশ মতে আমাৰ মঙ্গল হে হ'ল। কাৰণ চাৰ্টিফিকেট নোলোৱা হলে মই ১৮ বছৰতে সাবালক হলোঁ হয় আৰু মোৰ ২১ বছৰ বয়সৰ ভিতৰতে দাদাই বিক্ৰি কৰা মাটি বিলাকৰ দাবী কৰিব নোৱাৰি সকলো তামাদি হৈ গ'ল হয়। চাৰ্টিফিকেট লোৱা বাবে ২১ বছৰত হে সাবালক হলোঁ আৰু ২৪ বছৰ বয়স পৰ্য্যন্ত বিক্ৰিত মাটিত দাবী কৰিবৰ ক্ষমতা পালোঁ। চাৰ্টিফিকেট লোৱা নহলে দাদাই হস্তান্তৰ কৰা মাটি-বাৰী বোৰ কেতিয়াও মোৰ হস্তগত কৰিব নোৱাৰিলোঁ হয়। মঙ্গলময় ঈশ্বৰৰ ইচ্ছা আমি বুজি নাপাওঁ গতিকে, ঘটনাবলী আমাৰ মনোমত নহলে আপত্তি কৰোঁ, কিন্তু সেই আপত্তিজনক ঘটনা সময় মতে মঙ্গলৰ হেতু হয়। সেই গতিকে ঈশ্বৰৰ ইচ্ছানুসাৰে যেতিয়াই যি ঘটে অৰ্থাৎ মানুহ যি অৱস্থাতে পতিত হয় তাতে সন্তুষ্ট থাকা উচিত। আমাৰ পক্ষে কি ভাল আৰু কি বেয়া সেইটো আমি সকলো সময়তে স্থিৰ কৰিবৰ অক্ষম।

দাদাই মোক অযথা উৎপীড়ন কৰা স্বত্বেও আমাৰ ঘৰখন ছিন্নভিন্ন হওক এনে ইচ্ছা মই কৰা নাই। কোনোমতে প্ৰাচীন গদি ৰক্ষা হলেই ভাল পাওঁ। আপীলতো ঘাটা শুনি বৰ ভাবনাত পৰিলোঁ। কিয়নো ৬০৲।৭০৲ টকা খৰচ কৰিলেহে ৰক্ষণাবেক্ষণৰ চাৰ্টিফিকেট লব পাৰি আৰু চাৰ্টিফিকেট লৈ নামজাৰী দিলেহে নামজাৰী হব। ইমান টকা কেনেকৈ সংগ্ৰহ কৰিম ভাবি নোপোৱা হলোঁ।

মজুমদাৰ আৰু জগৎ মণ্ডল প্ৰভৃতিয়ে কলে যে যি হবৰ হ'ল এতিয়াও মই দাদাৰ লগত মিলি থাকা উচিত। মোৰতো চিৰকালেই মিলি থাকিবৰ ইচ্ছা। এতিয়া নিৰুপায় হৈ তেওঁলোকৰ পৰামৰ্শমতে দাদাৰ বাঁহাত থাকিলোঁ গৈ। মাতা-ঠাকুৰাণী কিন্তু মোৰ এই কাৰ্য্যত সম্পূৰ্ণ অসম্মত আছিল। উজান-বজাৰৰ ভদ্ৰলোক সকলে যি থিয়েটাৰ পাৰ্টি খুলি আমোদ-প্ৰমোদ

কৰিছিল তাতে অভিনয় চাবলৈ দাদা সদলবলে গৈছিল। মইও তৃতীয় শ্ৰেণীৰ টিকট লৈ অভিনয় চাবৰ বাবে ॥০ আনা পইচা খুজিছিলোঁ। পইচা নাই বুলি কৈ ॥০ আনা পইচাকে মোক নিদিলে—ইমান ঈৰ্ষা। থিয়েটাৰ চাই যে অলপ তৃপ্তি লভিম সেইটোও তেওঁৰ অসহ্য। উজানবজাৰত থাকোঁতে সকলো ভদ্ৰলোকৰে সৈতে পৰিচিত হৈছিলোঁ। ৺বসন্তচন্দ্ৰ বৰুৱাৰ সন্তান বুলি তেওঁলোকে মোক স্নেহৰ চকুৰে চাইছিল বুলি মই টিকট নিকিনাকৈয়ে থিয়েটাৰ চাব সক্ষম হৈছিলোঁ। এই ঘটনাৰ পিচতো ২০।২৫ জন মানুহেৰে সৈতে মৌজাৰ কামত দাদা গুৱাহাটীত খৰচ-পত্ৰ কৰি আছিল—কেৱল মোৰ বাবেহে ॥০ আনা পইচা খৰচ কৰিব নোৱাৰিলে। সকলো মোৰে দৈব!

৺শাৰদীয়া পূজাৰ সময়ত দাদাৰ লগতে ঘৰলৈ আহিলোঁ। এইবাৰ মাতা ঠাকুৰাণীৰ পাগত নাথাই দাদাৰ লগতে থাই-বৈ থাকিলোঁ—এই আশা কৰিলোঁ যে দাদাই যদি আপোষে কিবা মীমাংসা কৰে। এই দৰে আঘোণ মাহ পৰ্য্যন্ত বাট চাই থাকিলোঁ। কিন্তু দাদাই হলে সম্পত্তি বিভাগ কৰিও নিদিয়ে বা এক পৰিবাৰভুক্ত কৰি ৰাখি মোক পঢ়া-শুনাৰ খৰচ-পাতি দিবৰো ব্যৱস্থা নকৰিলে। কোনো প্ৰকাৰ সুবন্দোবস্ত নকৰা দেখি পুনঃ দাদাৰ সঙ্গ এৰি চাৰ্টিফিকেট লোৱাৰ উপায় বিচাৰি গুৱাহাটীলৈ গলোঁ। ইফালে দাদাই ষড়যন্ত্ৰ কৰি আমাৰ চাকৰ বন্ধু কলিতাক ঘৰৰ পৰা উলিয়াই দিলে। আমি কত চেষ্টা কৰিও তাক ফিৰাই আনিব নোৱাৰিলোঁ। সি তাৰ দৰমহা আগেয়ে তুলি নিছিল। দাদাৰ পৰামৰ্শ মতে এতিয়া সি বনো নকৰে, টকাও নিদিয়ে। বন্ধু কলিতাৰ ভায়েক মিহি কলিতাক টকা ফিৰৎ নিদিয়া উপলক্ষে মাতা ঠাকুৰাণী এদিন তাক ছুটা এটা ঠালামুৰা মাৰাত দাদাই তাৰ দ্বাৰা মোৰ আৰু মহী বাপুৰ ওপৰত তাৰ বৰ কাপোৰখন কাঢ়ি নিয়া বুলি আদালতত মোকদ্দমা কৰায়।

মতিৰাম নাজিৰ আৰু জয়া পটোৱাৰীক সাক্ষী নিযুক্ত কৰিছিল। ঈশ্বৰৰ ইচ্ছাত মোকদ্দমা ডিচ্ মিচ্ হোৱাত, মিছি কলিতাই সুদে-সৈতে আমাৰ পাওনা টকা ফিৰৎ দিছিল। বন্ধু কলিতা ওলাই যোৱাত পিচত দাদাৰ অনুগ্ৰহত চাকৰ নোপোৱা হলোঁ। কাতিয়া ওস্তাদৰ ভতিজাক এটাক ১২৲ টকাত বন্দোবস্তিত অনাৰ পিচ দিনাই দাদাই তাক ১৮৲ দিম বুলি লৈ গ'ল। এনেয়ে তেওঁ মৌজাদাৰ, তাতে দেৰা দৰমহা দিয়াত মই কেনেকৈ চাকৰ পাওঁ। ইমান প্ৰতিবন্ধক কৰা স্বত্বেও ঈশ্বৰৰ ইচ্ছাত মাতা ঠাকুৰাণী নিজে ঘৰৰ সাধাৰণ কাম-কাজ কোনো দিনেই কৰিব লাগা হোৱা নাই। যথোপযুক্ত সম্ভ্ৰম ভগবানে বজাই ৰাখিছে।

খৰচৰ টকা সংগ্ৰহ কৰি গুৱাহাটীত খাই বৈ থাকিবৰ অপাৰগ হলোঁ। ঘৰত যি ১০৲।২০৲ টকা আছিল, খাওঁতে-লওঁতে সাংহৈ হৈছে। খালাছি বান্দী পলাই গৈ গুৱাহাটীৰ প্ৰাণেশ্বৰবাবুৰ ঘৰত আছিল গৈ। সেই সূত্ৰে এমাহ মান প্ৰাণেশ্বৰবাবুৰ ঘৰত থাকিলোঁ। মোৰ লগত ৺মণিৰাম মজুমদাৰো আছিল। এওঁ মোৰ পৰম অনুগামী বন্ধু আছিল। যি ভাবে তাত আছিলোঁ, এতিয়া মনত পৰিলে হৃদয় বিদীৰ্ণ হৈ যায়। দয়াময়! সকলো তোমাৰ ইচ্ছাতে ঘটিছে।

চাৰ্টিফিকেটৰ মোকদ্দমাৰ বাবে ৭০৲ টকা হলেই হয়। অন্য উপায়ে সংগ্ৰহ কৰিব নোৱাৰি মোৰ পিন্ধা মণি আৰু মাইৰ কাণৰ সোণা বন্ধক থৈ জিনাৰাম বাপুৰ চেষ্টাত শ্ৰীযুক্ত ভোলানাথ বৰুৱাৰ পৰা এই টকা বিনা সুদে ধাৰে পালোঁ। শ্ৰীযুক্ত শ্ৰীমন্ত সেন মহাশয়ক উকীল নিযুক্ত কৰি মোকদ্দমা দাখিল কৰিলোঁ। ১২৯১ চনৰ (ইং ১৮৮৪) ৪ঠা ব'হাগত চাৰ্টিফিকেটৰ মোকদ্দমা নিষ্পত্তি হয়। এই সময়ত দাদাই চেষ্টা কৰি কমাৰকুছিত উচ্চ প্ৰাইমাৰী স্কুল স্থাপন কৰে। সকলো লৰাই পঢ়া দেখি মোৰো পঢ়িবৰ বৰ ইচ্ছা হয়। আৰু শ্ৰীযুক্ত ধন্নু পণ্ডিতৰ অনুগ্ৰহতে

স্কুলত বিনা মাছুলে নাম লেখোঁ। মোকদ্দমাৰ কাৰণে গুৱাহাটী বাস কৰি আৰু নবীয়া পৰি থাকোঁতে স্কুলত মোৰ নামমাত্ৰ পঢ়া হৈছিল।

ইপিনে চাৰ্টিফিকেট লৈ নামজাৰি প্ৰাৰ্থনা কৰাত ১২৯১ চনৰ (ইং ১৮৮৪) জেঠ মাহত মোৰ নামজাৰীৰ আদেশ হয়। ভাগী-বৰ্গইও আপীল কৰি চানী বিচাৰ কৰোৱাত কটৰা আৰু বুৰীনগৰৰ মাটিত তেওঁলোকৰ নামজাৰী হয়। মাধাৰাম দাদাই নতুনকৈ দোকান দি ধনী হৈছে। আমাৰ ঘৰৰ প্ৰতিপত্তি শূন্য কৰি তেওঁলোকৰ আধিপত্য বিস্তাৰ কৰিবৰ একান্ত ইচ্ছা। কিন্তু ইচ্ছাময়ৰ ইচ্ছাত তেওঁৰ উদ্দেশ্য সিদ্ধ হোৱা নাই। আমাৰ গৃহ-বিবাদত তেওঁ দাদাৰ পক্ষাবলম্বন কৰাৰ উদ্দেশ্য আছিল— যাতে আমাৰ গৃহ-বিবাদত গৃহস্থী নষ্ট হৈ মাটি-বাৰী বিক্ৰি কাৰব লগীয়া হয়। আৰু সেইবোৰ তেওঁ কিনি ৰাখি আধিপত্য বিস্তাৰ কৰিব পাৰে। ১৩০০৲ টকাৰে তেওঁ দাদাৰ পৰা কটৰাৰ ২৬ পুৰা মাটি খৰিদ কৰি ৰাখিছে। অইন ঠাইত তেওঁলোকৰ মাটি নাই, সেই মাটিৰে প্ৰচুৰ ধান উপাৰ্জ্জন কৰি বিক্ৰি কৰে।

ভাগীবৰ্গই নামজাৰী দিছিল মাধাৰাম দাদাৰ উৎসাহ বাক্যত উৎসাহিত হৈ। কিন্তু যেতিয়া নামজাৰী মোকদ্দমা চলে, তেতিয়া তেওঁ দাদাৰে সৈতে আপোষে মীমাংসা কৰি অৰ্থাৎ তেওঁলোকৰ অংশৰ অপূৰক মাটি পূৰক কৰি ভাগীবৰ্গৰ সংশ্ৰৱ ত্যাগ কৰে; কিন্তু অন্য ভাগীবৰ্গৰ চেষ্টাত যেতিয়া নামজাৰী হ'ল তেতিয়া দাদাৰ লগত পুনঃ আপোষ বন্দোবস্ত ভঙ্গ কৰি ভাগীবৰ্গৰ দলভুক্ত হৈ কটৰা, বুৰিনগৰৰ মাটি অতি অন্যায় ৰূপে বাটোৱাৰা কৰি ললে। যি সকল মাটি বিক্ৰি, বন্ধক সূত্ৰে আমাৰ দখলত আছিল তাকতো ভাগ কৰি নিলেই, আনকি কটৰাৰ মান মাটি নামক অপৰ মানুহৰ পৰা খৰিদ কৰি লোৱা একমালি পাটাভুক্ত মাটিও জোৰ কৰি

ভাগ কৰি লৈ আমাৰ বাবে বৰি-বাকৰা চাই এটি ভাগ পাতি হয়।

মাটি নামজাৰী হোৱা সংবাদ পাবৰ ৫।৬ দিন পিচত কলেৰা হৈ স্নেহময়ী সহোদৰাৰ হাবদিয়া গাৰঁত মৃত্যুহোৱা সংবাদ পালোঁ। মাতাঠাকুৰাণীৰ আৰ্ত্তনাদত মইও অধীৰ হৈছিলোঁ। মোৰ নামজাৰী হবৰ পিচৰে পৰা ভাদ মাহ পৰ্য্যন্ত জ্বৰহৈ পৰি থাকি স্কুললৈ যাব অসমৰ্থ হৈছিলোঁ। স্কুলত পঢ়িছোঁ হয়, তেতিয়াহে তলে পূৰণ কৰিব শিকিছোঁ; অথচ প্ৰথম শ্ৰেণীত নাম লেখাই দিলোঁ।

এইবাৰ ভাদ মাহত মৰক (কলেৰা) লাগি কমাৰকুছিত প্ৰায় ৮০ জন মানুহ মৰে। সাঞ্চিৎ দাদাৰ প্ৰথম পুত্ৰ দুলালচন্দ্ৰ, নাউভূতাকা প্ৰভৃতি এই মৰকতে মৰে। ইপিনে আমাৰ আৰু ভাগীবৰ্গৰ নামজাৰী হোৱা দেখি দাদামহাশয়ৰ উত্তমৰ্ণ (পাওনাদাৰ) সকলে দেৱানী আদালতত মোকদ্দমা রুজু কৰিলে। কেম্বল চাহাবে দাদাৰ ঋণৰ সংখ্যা দেখি দাদাক মৌজাদাৰী পদৰ পৰা বৰ্খাস্ত কৰি জন্তীৰাম বৰুৱাক মৌজাদাৰ পাতে। অসম ৰজাৰ আমোলৰ পৰা ক্ৰমাগত উত্তৰাধিকাৰী সূত্ৰে ভোগকৰা মৌজাদাৰী পদৰ পৰা অপসৃত হৈ দাদা মহাশয়ে সেই পদ পুনঃ পাবলৈ কিঞ্চিৎ মাত্ৰও চেষ্টা নকৰিলে। বৰঞ্চ বৌ-ঠাকুৰাণীয়ে মৌজাদাৰী পদ যোৱাত ভাল পোৱা বুলিহে কব ধৰিলে। আনকি এই পদ যাবলৈ কুলদেৱতা ৺শ্যামৰায় ঠাকুৰৰ নিমিত্তে ফুল মানস কৰা বুলিও প্ৰকাশ কৰিলে—এনেহে মূৰ্খামী আৰু দম্ভ!

সৰ্ব্ব প্ৰথমে ৺দেহিৰাম বাবুই দাদামহাশয়ৰ অংশৰ কোট-বন্ধকী খৰিয়াবাৰীৰ আৰু কত্ৰাৰ মাটি লাটবন্দী কৰে। মই মোজাহিম দিয়াত মোৰ অংশ বাদ পৰে। পিচে কাতি মাহত দাদাৰ অংশৰ খৰিয়াবাৰীৰ নিস্পি খেৰাজ ২২ পুৰা মাটি ১৩৭০ টকাত নীলাম বিক্ৰি কৰি ডিক্ৰীদাৰ ৺দেহিৰাম বাবুই খৰিদ কৰে।

ভাগীবৰ্গই বাটোৱাৰা কৰা অংশ মতে কটৰাৰ খেৰাজ মাটি ১০ পুৰাও উক্ত ৩০০৲ টকা মূল্যত খৰিদ কৰে। ইমান টকা বাদ যায়ো ৭।৮ শত টকাৰ ডিক্ৰী পৰিশোধ বাকীয়ে থাকিল।

এতিয়া মোৰ নামজাৰী হোৱা স্বত্বেও দাদাই মোক কোনো মাটি-বাৰী দখল কৰিব নিদিলে। আনকি ওচৰৰ বাৰীৰ পৰা তামোল-পান বা আম-কাঠাল এটাকে খাব নিদিলে। খৰিয়াবাৰী আৰু কটৰাৰ তেওঁৰ অংশৰ মাটি প্ৰকাশ্য নীলামত বিক্ৰি হৈ গৈছে, তাত যি মাটি আছে সি মোৰ অংশৰহে। সেই মোৰ অংশৰ মাটিও দখল কৰিব নিদিয়ে। আমাৰ কোন অবলম্বনো নাই, অথচ মাটিত নামজাৰী হোৱা বুলি আৰু কোনেও সহায় নকৰাও হ'ল। ইপিনে নামজাৰী আৰু চাৰ্টিফিকেটৰ মোকদ্দমাত কৰা ঋণৰ সুদো বৃদ্ধি হৈ যাব ধৰিলে। সেই খিকাৰতে এক খণ্ড মাটি বিক্ৰি কৰি ঋণমুক্ত হবৰ সঙ্কল্প কৰিলোঁ। কিন্তু কি হব? মাটি-বাৰীত মই দখল পোৱা নাই বুলি কোনেও কিনিব আগ নাবাঢ়ে। এনে অৱস্থাত ৺দেহিৰাম বাবুই খৰিয়াবাৰী এক-চেটীয়া কৰিবৰ অভিপ্ৰায়ে কেবল মাত্ৰ ৭০০৲ টকাতে সেই ঠাইৰ মোৰ অংশৰ মাটি তেওঁক বিক্ৰি কৰিবৰ বাধ্য কৰিলে। সেই টকাৰে ঋণ পৰিশোধ কৰি কিছু নিশ্চিন্ত হলোঁ। ইফালে দাদাই সমস্ত মাটি-বাৰীৰে ধান-খাজানা তুলি আনি তেওঁৰ অংশৰ ৰাজস্ব বুলি আধা-টকা মৌজাদাৰ সকলক দিলে। বাকী টকাৰে তেওঁ লোৱা কৰ্জ্জা কিছু পৰিমাণে পৰিশোধ কৰিলে। মৌজাদাৰ সকলে মোৰ বাকী ৰাজস্ব ডিক্ৰি কৰি সেই টকা আদায় কৰিবলৈ মোৰ অংশৰ মাটি নীলাম বিক্ৰি কৰিবৰ উদ্যত হ'ল। মই সম্পূৰ্ণ নিৰুপায়ত পৰিলোঁ।

স্বৰ্গীয় পিতাৰ প্ৰদত্ত আমাৰ কুলদেৱতা শ্ৰীশ্ৰী৺শ্যামৰায়ৰ প্ৰায় ।৬ (ষোল্ল) সেৰ সোণৰ অলঙ্কাৰো দাদাই পাল্লাৰ ওজনেৰে নাম মাত্ৰ মূল্যত বিক্ৰী কৰি তেওঁ লগোৱা ধাৰৰ কিছু পৰিশোধ কৰিলে।

এই দৰে ঋণ পৰিশোধ কৰিও আৰু ৬।৭ হাজাৰ টকাৰ দেনা বাকী থাকিল।

ইচ্ছাময়ৰ ইচ্ছাতে নাম মাত্ৰ পঢ়ি পৰীক্ষা দিয়াত দ্বিতীয় বিভাগত উচ্চ প্ৰাইমাৰী পৰীক্ষাত উৰ্ত্তীণ হলোঁ। কিন্তু অন্য ঠাইত পঢ়িবৰ তো খৰচ নাই। স্কুলত পঢ়াৰ পূৰ্ব্বে কোনো মতে আখৰ জোটাই কোনো মতে পঢ়িব পাৰি; তাৰ অৰ্থ সুবুজিও কুসংস্কাৰ বশতঃ ভাবিছিলোঁ যে বাঙ্গলা লেখা-পঢ়া শিকা অন্ত হৈছে। এতিয়া স্কুলত সোমাই প্ৰকৃত লেখা পঢ়াৰ কিঞ্চিৎ মাত্ৰ চৰ্চ্চা কৰি তাৰ আস্বাদন বুজিব পাৰিলোঁ, কিন্তু দৈব দুৰ্ব্বিপাকত মনোমত শিক্ষালাভ কৰিবৰ কোনো উপায় নাপালোঁ। মাটি-বাৰীত নামজাৰী হৈ বিশেষ লেঠাত হে পৰিলোঁ। তথাপি ঘৰতে বা গুৱাহাটিৰ বাহাত বাহিৰা কিতাপ বিচাৰি আনি নিজে নিজে পঢ়ি কিছু সন্তোষিত হলো।

পিচে স্বৰ্গীয় বেনুধৰ বাবুৰ সহায়ত বাঙ্গলাবাৰী গাৱঁৰ এজন ৰায়তৰ ওপৰত মোৰ অংশৰ খাজানাৰ দাবী কৰি ডিক্ৰী পাওঁ। তাৰ পিচত খৰিয়াবাৰীৰ সমস্ত নিষ্পিখেৰাজ মাটিৰ মুনাফাৰ মোকদ্দমা কৰি প্ৰায় শতাধিক টকা ডিক্ৰি পাওঁ। মৌজাদাৰ সকলে কিন্তু মোৰ ওপৰত ২০০০৲ টকা ডিক্ৰী কৰিছে। শেষত ৺বেনুধৰ বাবুক মাতা ঠাকুৰাণীৰ নামে আম্মোক্তাৰ নিযুক্ত কৰি উত্তৰ গুৱাহাটী নিবাসী ৺মাধৱৰাম শৰ্ম্মা বড়াৰ পৰা ১০০০৲ টকা কৰ্জ্জা লওঁ। এই বছৰতে ১২৯২ চনত (ইং ১৮৮৫) বালিকৰিয়াৰ আৰু মোৰ অংশৰ খৰিয়াবাৰীৰ খেৰাজ মাটি বেচিও কিছু টকা পাওঁ। মাঘ মাহত মোৰ চুড়াকাৰণ কাৰ্য্য সমাপ্ত হ'ল। এই দৰে সংগৃহীত টকাৰে মৌজাদাৰ সকলৰ দেনা পৰিশোধ কৰি ওয়াসিলতাৰ বাবদ দাদাৰ উপৰত ১৭০০৲ টকাৰ দেৱানী গোচৰ দাখিল কৰিলোঁ।

১২৯৩ চনত (ইং ১৮৮৬) উক্ত মোকদ্দমা পৰিচালনাৰ্থে

গুৱাহাটীত থাকোঁ আৰু ইংৰাজী পঢ়িবৰ একান্ত ইচ্ছা হোৱাত কাৰো হাকা-বাধা নুশুনি ভাদ মাহত হাই স্কুলৰ ষষ্ঠ শ্ৰেণীত ভৰ্ত্তি হওঁ। ইংৰাজী স্কুলত ভৰ্ত্তি হবৰ পূৰ্ব্বে তিনি মাহ মান পূজ্যপাদ শ্ৰীযুক্ত ধীৰেশ্বৰ ভট্টাচাৰ্য্য মহাশয়ৰ ওচৰত 'ৰত্নমালাৰ' সন্ধি খণ্ড পঢ়ি শেষ কৰোঁ। মোকদ্দমাৰ বাবে গুৱাহাটিত থাকিবই লাগে। সেইদৰে গুৱাহাটিত এনেয়ে কাল যাপন নকৰি যি পাৰোঁ শিক্ষালাভ কৰিবৰ অভিপ্ৰায়ে ইংৰাজী স্কুলত নাম লেখোঁ। বৰবৰীৰ মাটি বিক্ৰী কৰি যি পালোঁ তাৰ দ্বাৰা স্কুলৰ খৰচ চলালোঁ।

এই সময়তে যৌবন অৱস্থাত পৰা হৈছে। গুৱাহাটীত চৰিত্ৰ-হীন গাঁজাখোৰ চেঙেৰা কেইজন মানৰ সঙ্গ লাভ হৈছে। কোনো আদৰ্শ পুৰুষৰ সঙ্গ নাপাই নিজৰ চৰিত্ৰ গঠন এইদৰে হব লাগিছে। সৎসঙ্গ আৰু সৎশিক্ষা লাভ নহলে যৌবন কালত কোনেও চৰিত্ৰবান হব নোৱাৰে—মোৰো সেই দশাই ঘটিল। গাঁজা খাব শিকিলোঁ। ইন্দ্ৰিয়-পৰায়ণতা বাঢ়িব ধৰিলে আৰু দিনক দিনে নৰকৰ অভিমুখে ধাবমান হলোঁ। গত বছৰত চুড়াকৰণ হোৱাৰ পিচত আৰু দীঘল চুলি নাৰাখি আধুনিক ধৰণে চুলি কাটিব ধৰিছো।

যৌবন কাল

ইংৰাজী স্কুলৰ ষষ্ঠ শ্ৰেণীত নাম লেখা গ'ল কিন্তু পঢ়িবৰ সময় মুঠেই নাই। মামলা মোকদ্দমাৰ তালাপী কৰোঁতে আৰু চৰিত্ৰহীন বন্ধুৰ লগত আমোদ-প্ৰমোদ কৰোঁতে বেচি ভাগ সময় অতিবাহিত হয়। ৺শাৰদীয় পূজাৰ বন্ধৰ পিচতে জ্বৰাক্ৰান্ত হৈ ২০ দিন মান আৰু দৌলৰ সময়ত ঘৰলৈ গৈ ২০ দি মান স্কুল ক্ষতি হ'ল। ঈশ্বৰৰ ইচ্ছাত পৰীক্ষাৰ সময়ত কোনো ৰকমে ডবল প্ৰমোচন পাই ৪ৰ্থ শ্ৰেণীলৈ উন্নীত হলোঁ।

আকৌ শনিৰ দশা আৰম্ভ হ'ল। গত ১২৯২ চনত (ইং ১৮৮৫) দাদা মহাশয় নগাওঁ খাটৰ খাজানা সাধি আনি ৰাজস্ব আদায় নকৰাত খাজানাৰ দায়ত নীলাম হোৱাত শ্ৰীযুত সোণাৰাম উকীলে খৰিদ কৰি ৰাখে। এই বছৰো খাট সমূহৰ খাজানা আদায় কৰি দাদাই এবং প্ৰকাৰ আচৰণ কৰে বুলি সন্দেহ হৈ আৰু মোৰ অংশৰ মাটি এনেয়ে নষ্ট হব বুলি আশঙ্কা কৰি চৰকাৰৰ পৰা উভয়ৰ খাজানা মৌজাদাৰৰ দ্বাৰা ৰায়তৰ পৰা আদায় কৰি ৰাজস্ব শোধাবলৈ ডিপুটি কমিশ্যনাৰ চাহাবৰ ওচৰত আবেদন কৰাত আবেদন মঞ্জুৰ হ'ল। শ্ৰীযুক্ত জীবনেশ্বৰ গোস্বামী হাজো মৌজাৰ মৌজাদাৰে হাবলখা খাটৰ খাজানা ৰায়তৰ পৰা আদায় কৰি প্ৰায় ১৩০০৲ টকা বাকী পৰা বুলি গবৰ্ণমেণ্টক জনালে। পিচে শ্ৰীযুক্ত উদয়চন্দ্ৰ বৰুৱা নাজিৰে সৈতে পৰামৰ্শ কৰি চমুৱা বুৰিনগৰৰ খাজানাৰ বাবে কাৰ্য্যকাৰক সিন্ধুৰাম মজুমদাৰৰ দ্বাৰা পঠোৱা টকা উক্ত হাবলখাৰ বাকী খাজানাৰ বাবদ ক্ৰোক কৰি বনগাওঁ আৰু কটৰাৰ নিম্পি খেৰাজ মাটি নীলাম কৰে। কটৰাৰ মাটিত সকলো ভাগীৰ অংশ আছিল। বনগাওঁৰ মাটি আমাৰ নিজা—অন্ত ভাগীৰ

অংশ নাছিল। শ্ৰীযুত মহেশ্বৰ গোস্বামী এই ছুই গাৱঁৰ প্ৰায় ১৫০ পুৰা নিস্পি খেৰাজ মাটি ৪০০৲ টকাত নীলাম খৰিদ কৰে।

দাদাই এই সংবাদ পাই নিৰুপায় হ'ল—দেনাৰ বাবেও তেওঁ যথেষ্ট ভুগিব ধৰিছে। ঘৰৰ খৰচ-পত্ৰ চলাবও অপাৰগ হৈছে। ইপিনে বাকী খাজানাৰ নিমিত্তে ৰণাকুছিৰ মাটিও সোণাৰাম পেস্কাৰে নীলাম খৰিদ কৰিছে। তেওঁ দিহা হৰুৱাই মোৰ বাহাত উপস্থিত। তেওঁৰ ছুৰৱস্থা দেখি মোৰ হৃদয় নিতান্ত ব্যাকুল হ'ল। সকলো দৈৱ ছুৰ্ব্বিপাক। যি হৈছে হৈছে, এতিয়াও মিল হৈ সংসাৰ চলাব পাৰিলে কি জানি কোনো মতে পিতৃ ভিঠিত ৰক্ষা পৰোঁ; এই অভিপ্ৰায়ে দাদাৰে সৈতে আপোষ কৰি পুনঃ একান্নে থাকিবৰ ইচ্ছা হ'ল। এই কাৰ্য্যত কিন্তু মাতা ঠাকুৰাণী সম্পূৰ্ণ অমত। অমত হবৰ কথাও—কিয়নো দাদা ঘোৰ স্বাৰ্থপৰ আৰু মোৰ ওপৰত সম্পূৰ্ণ ঈৰ্ষাপূৰ্ণ আছিল—যদিও মই গৃহস্থৰ মঙ্গলৰ বাবেহে সদাই চিন্তা কৰিছোঁ।

পুনঃ একান্নবৰ্ত্তী হোৱাত মাতা ঠাকুৰাণীৰ সম্পূৰ্ণ অসম্মতি স্বত্বেও ৺বেনুধৰ বাবুক কত বুঝাই-বঢ়াই কৈ তেওঁৰ দ্বাৰা মীমাংসা-পত্ৰত চহী কৰাইছিলোঁ। মীমাংসা-পত্ৰৰ মৰ্ম্ম এই:—দাদাই গৃহকৰ্ত্তা স্বৰূপে সমস্ত কাৰ্য্যৰে বন্দোবস্ত কৰিব আৰু খাজানা-পত্ৰৰ যথাৰীতি হিচাব-পত্ৰ ৰাখি প্ৰতি তিনি মাহে আমাক দেখুৱাব। গৃহাভ্যন্তৰৰ কৰ্ত্ৰী হব মাতাঠাকুৰাণী। এজমালীৰ যি গহনা-পত্ৰ আছে তাৰ ফৰ্দ্দ কৰি বাকচত বন্ধ কৰি থব আৰু ছুপাত চাবি ছুই পক্ষৰ হাতত থাকিব। দাদাৰ পুত্ৰ শ্ৰীমান্ মহেশ বাপাৰ আৰু মোৰ পঢ়াৰ যি খৰচ লাগে তাক যি উপায়েৰে হওক তেওঁ যোগাব। মাটি-বাৰী বিক্ৰী কৰি ঋণৰ পৰা উদ্ধাৰ হবৰ চেষ্টা কৰিব। তেওঁৰ ত্ৰুটীত কোনো সম্পত্তি নষ্ট হলে তেওঁ দায়ী হব।

এই দৰে লেখা পঢ়া কৰি মাধাৰাম বড়াৰ পৰা ৮০০ টকা কৰ্জ্জ্যা লৈ সোণাৰাম পেস্কাৰৰ পৰা ৰণাকুছিৰ মাটি খালাচ কৰা হ'ল।

মহেশ্বৰ গোস্বামীৰে সৈতে বন্দোবস্ত কৰিলোঁ। যে কটৰাৰ মাটিৰ ভিতৰত উৎকৃষ্টতম ১০ পুৰা মাটি তেওঁক পুৰস্কাৰ বাবদ দিলে আৰু নীলাম খৰিদা টকাৰ সুদ দিলে বনগাওঁ আৰু কটৰাৰ মাটি মাতা ঠাকুৰাণীৰ আৰু বৌ-ঠাকুৰাণীৰ নামে বিক্ৰী দলিল কৰি দিব। এই দৰে তেওঁ আমাক চুক্তি-পত্ৰ লেখি দিলে আৰু খৰিদা বাইনা বাবদ আমি ১০৲ টকা বাইনা দিলোঁ। এক বছৰৰ ঘূৰত শতকৰা মাহিলী ৩৲ হিঃ সুদসহ মূল টকা আদায় কৰাৰ বন্দোবস্ত কিন্তু কটৰাৰ মাটিৰ বাবে যদি ভাগীবৰ্গই মোকদ্দমা উপস্থিত কৰে, তেন্তে সেই মোকদ্দমা নিষ্পত্তি হওঁতে এক বছৰ অতিক্ৰম কৰে যদিও বছৰ অন্তত হোৱা বাবে চুক্তি-পত্ৰৰ ম্যাদ অতীত হব নোৱাৰে।

এইৰূপ বন্দোবস্ত কৰি দাদা ঘৰক আহিল। মই ৺শাৰদীয় পূজা পৰ্য্যন্ত চতুৰ্থ শ্ৰেণীতে পঢ়ি থাকিলোঁ। দুৰ্ভাগ্যক্ৰমে দাদাই খৰচৰ টকা দিব অপাৰগ হ'ল। স্কুল খোলাৰ পৰা ৺পূজা পৰ্য্যন্ত ৮৲ টি মাত্ৰ টকা তেওঁ দি পঠাইছিল। মই মানুহৰ পৰা ধাৰ ঋণ কৰি দিন কাটালোঁ। খৰচৰ টকা নাপালে গুৱাহাটিতে থাকিম কেনেকৈ? স্কুলত পঢ়া মিছা হ'ল। দাদাৰ অক্ষমতাৰ বাবে ইফালে বাকী সম্পত্তি নষ্ট হয় বুলিও ভয়। ৺পূজাৰ বন্ধত ঘৰলৈ আহোঁতে মাতা ঠাকুৰাণী একান্তে থাকিবৰ কোনো মতে সন্মত নহল। আগৰ বাৰৰ দৰে মই দাদাৰ লগতে থাই বৈ থাকিলোঁ।

মীমাংসা-পত্ৰৰ বন্দোবস্ত প্ৰতিপালন কৰিবলৈ দাদা তেনেই অপাৰগ হ'ল। যি যি বিষয় প্ৰতিপালন কৰিবৰ সমৰ্থ আছিল, মোৰ স্বাৰ্থপৰতা বশে তাকো অবহেলা কৰিলে। তথাপি যাতে গৃহস্থী ৰক্ষা পৰে তাৰ বাবে একান্তে থাকি মই যত্ন কৰিব খৰিলোঁ। মোৰ শিক্ষাৰ খৰচ বহন কৰিব নোৱাৰিলেও ঘৰৰ গহনা আদিৰ জিম্মি কৰি আমাক সান্তনা দিব পাৰিলে হয়। তেনে আচৰণ কিন্তু

নকৰিলে। ঘৰৰ সামগ্ৰী তেতিয়াও তেওঁ আমাক দিব অনিচ্ছুক। ৺পিতাৰ ত্যজ্য সম্পত্তিৰ একোকে উপভোগ কৰিব নাপালোঁ। দাদাৰ হাতত থকা গহনা-গাঠুৰি আমাক দেখুৱাবও অনিচ্ছুক। মই সেই সম্পত্তিক তুচ্ছ জ্ঞান কৰিছিলোঁ। কত মূল্যবান ভূসম্পত্তিকে যেতিয়া নষ্ট কৰি পেলালে অলপ কেই হাজাৰ মান টকাৰ গহনানো কোন চাৰ; তথাপি সেই গহনাৰ অংশ আমাক দিলে মাতা ঠাকুৰাণীকে সান্ত্বনা অলপ দিব পাৰিলোঁ হয়। তিকতা মানুহে সাধাৰণতঃ মাটি-বাৰীতকৈও গহনা-গাঠুৰিকে বেচি মূল্যবান সম্পত্তি জ্ঞান কৰে।

খৰচ সংগ্ৰহ কৰোঁতে ৺পূজাৰ পৰা মাঘ পৰ্য্যন্ত গুৱাহাটীত যাব নোৱাৰিলোঁ। অগত্যা ৰণাকুছিৰ ১১ পুৰা মাটি ৰসধৰ মণ্ডলক ১১০০৲ টকাতে বিক্ৰি কৰি আৰু ৺চন্দ্ৰনাথ নাজিৰৰ পৰা ৩০০০৲ টকা কৰ্জ্জা লৈ পূৰ্ব্বৰ ঋণ পৰিশোধ কৰিলোঁ। এই যাত্ৰাত গুৱাহাটীত আহোঁতে মহেশ বাপাও আমাৰ লগতে আহিল। দোল যাত্ৰা পৰ্য্যন্ত দেৰ মাহ স্কুলত পঢ়িলোঁ। দোলৰ সময়ত ঘৰক আহি চৈত মাহ পৰ্য্যন্ত বাকী খাজানা আদায় কৰা কামত ঘৰত থাকিব বাধ্য হলোঁ। এই বোৰ ঘটনা বাং ১২৯৪ চনৰ (ইং ১৮৮৭)। এই চনৰ ফাল্গুন মাহত দাদাৰ কন্যা শ্ৰীমতী মাইচানাক বিয়া দিয়া হ'ল।

চৈত মাহৰ ভিতৰত বাকী খাজানা অদায় কৰি স্কুলৰ শ্ৰেণী পৰীক্ষাত উপস্থিত হলোঁ। ইচ্ছাময়ৰ ইচ্ছা ক্ৰমে তৃতীয় শ্ৰেণীলৈ উন্নীত হলোঁ। কিন্তু হতভাগৰ ভাগ্যক্ৰমে ইমানতে পঢ়া বন্ধ হ'ল। মই গুৱাহাটীত থাকিলে মোৰ পঢ়া খৰচ অথবা ঘৰৰ সম্পত্তি চলাই ৰক্ষা কৰিবৰো দাদা অক্ষম। মই ভাবি চিন্তি স্থিৰ কৰিলোঁ যে মই ঘৰত থাকি সম্পত্তি ৰক্ষণাবেক্ষণৰ চেষ্টা কৰোঁ আৰু দাদাৰ পুত্ৰ মহেশ বাপাক পঢ়াই শুনাই মানুহ কৰিবৰ যত্ন লওঁ। মোৰ ভাগ্যে যি হবলগা হল। কি জানি বা কেনেবাকৈ বংশৰ নাম

ৰক্ষাই পৰে। এই অভিপ্রায়ে মহেশ বাপা ও ৺বলাই বাপাক গুৱাহাটীতে পঢ়িবলৈ দি যথাসাধ্যে খৰছ যোগাই মই ঘৰত ৰহিলোঁ।

ঘৰত নির্দ্দিষ্ট আয় নাই। হাতৰ পৰা ৫০০৲। ৬০০৲ টকা খাজানা দিব লাগে। দৌল-দুর্গোৎসব, ৰাস-জন্মাষ্টমী আদি দেৱকার্য্য আৰু গৃহস্থালীৰ অন্যান্য কার্য্যতো যথেষ্ট খৰচ আৱশ্যক। এই সময়ত ঈশ্বৰে যে কেনেকৈ চলাইছিল একমাত্র তেওঁৱেহে জানে। ১২৯৫ চনৰ (ইং ১৮৮৮) আৰম্ভৰে পৰা পঢ়া বন্ধ হ'ল আৰু ঘৰত থাকি গৃহস্থালীৰ কার্য্য পর্য্যবেক্ষণ কৰিবলৈ ধৰিলোঁ। পূর্ব্বাপেক্ষাও কুসঙ্গীৰ সঙ্গ এতিয়া লাভ হ'ল আৰু ক্রমে ক্রমে সুৰা পানত আসক্তি জন্মিল। জীৱনৰ সোঁত উত্তৰোত্তৰ নৰকৰ পথত অগ্রসৰ হবলৈ ধৰিলে।

এতিয়া ঋণৰ পৰা মুক্ত হোৱা যায় কেনেকৈ ? একো উপায় নেদেখোঁ। ইপিনে এই বছৰত টকা নিদিলে মহেশ্বৰ গোসাঁইৰ লগত কৰা এগ্রিমেণ্ট তামাদি হব। টকা ধাৰৰ চেষ্টাত নৌকা যোগে দাদাৰ লগত বৰপেটালৈ গলোঁ। দাদাৰ মাতুলালয়ত (বৰ্ত্তমানে মোৰ শ্বশুৰালয়) কিছু দিন থাকি কাৰো ওচৰত ঋণ নাপাই ঘৰলৈ প্রত্যাবর্ত্তন কৰিলোঁ। মেল-দৰবাৰ কৰি যি পাওঁ তাৰে গুৱাহাটীৰ আৰু ঘৰৰ খৰচ নচলে। নির্দ্দিষ্ট আয় নাথাকিলে পদে পদে বিপদ। মাহে ৫০৲।৬০ টকাৰ কমে উভয় স্থানৰ খৰচ নচলে।

গল বছৰ খাজানাৰ দায়ত কটৰাৰ খেৰাজ পাট্টা খন নীলাম হৈ যোৱাত দেহিৰাম বৰুৱাই নীলাম খৰিদ কৰি ৯০০৲ টকাত মাধৱাম দাদাৰ ওচৰত বিক্রী কৰিছে। ভাগীবর্গই অন্যায় কৰি আমাৰ দখলী মাটি বিলাক ভাগ কৰি লৈছে আৰু ৰায়তৰ পৰা খাজানা সাধি আনি ইচ্ছামতে অন্য ঠাইত খৰচ কৰিছে। অৱশেষত চৰকাৰী খাজানা দিবৰ সময়ত খাজানা দিবলৈ অক্ষম

হল। এই দৰে ৩।৪ বছৰ থাকি ১১৯৪ চনত (ইং ১৮৮৭) ওপৰত কোৱামতে মাটি নীলাম হয়। তেওঁলোকে এজমালীতে সমুদয় খাজানা আদায় কৰি নিৰপৰাধী মোৰ অংশৰ টকাও ভাগ কৰি খায়। এই দৰে বুৰিনগৰ আৰু কটবাৰ খাজানাও আদায় কৰি খায়।

বহু কৌশল কৰি ১২৯৫ চনত (ইং ১৮৮৮) খাজানা মই কটবাৰ ৰায়তৰ পৰা আদায় কৰিলোঁ। মাধাৰাম দাদাই পিয়ল কৰি খাজানা আদায় কৰিবৰ দিহা কৰিছিল, আমি প্ৰতিবন্ধক জন্মাই সেইটো ব্যৰ্থ কৰিলোঁ। ভাগীবৰ্গৰ লগত এই বন্দোবস্ত কৰা গৈছিল যে ৰায়তৰ পৰা সাধি আনা টকা মোৰ হাতত জমা থাকিব আৰু তেওঁলোকে যি আধি ধান নিছে, হিচাপ কৰি তাৰ খাজানাও মোক দিব। সেই টকাৰে আমি নীলামৰ পৰা মাটি খৰিদ কৰিম। কিন্তু চুকানী মাটিৰ খাজানা প্ৰায় ৩০০৲ টকা মই আদায় কৰি আনিলেও আধি মাটিৰ খাজানা তেওঁলোকে মোক যি দিব লাগে সেইটো কোনোৱে মোক নিদিলে, গতিকে সমুদয় পাট্টাৰ খাজানা সংগ্ৰহ নহল আৰু মাটি নীলাম হোৱাত ৺দেহিৰাম বাবুই কিনি লয়। মোৰ অংশৰ টকা ভাগীবৰ্গই যি আত্মসাৎ কৰিছিল তাৰ পৰিবৰ্ত্তে মই আদায় কৰা টকাও মই নিজে ৰাখিলোঁ। আধি মাটিৰ খাজানা আৰু মাধাৰাম দাদা-হঁতৰ অংশৰ খাজানাৰ টকা পালে মই আদায় কৰা টকাও মই নিশ্চয় দিলোঁ হয়।

এই ১২৯৫ চনতে (ইং ১৮৮৮) বালাৰ মাটি জিনাৰাম বাপুৰ তাত ৭০০৲ টকাত বিক্ৰী কৰি সুদ সমেত মহেশ্বৰ গোস্বামীৰ মূলটকা পৰিশোধ কৰিব খোজাত গোস্বামী মহাশয়ে এক বছৰ অতীত হোৱা বুলি টকা নলৈ আমাক মাটি ফিৰৎ নিদিব বুলি স্পষ্ট জবাব দিলে। ভাগীবৰ্গই তেওঁ খৰিদা মাটিৰ নীলাম বদৰ মোকদ্দমা কৰিছিল আৰু বহুৰ দিনৰ ভিতৰতে মোকদ্দমা নিষ্পত্তি

নোহোৱা দেখি পূৰ্ব্বোল্লিখিত এগ্রিমেণ্ট মতে আমি টকা দিব যোৱা নাছিলোঁ। উক্ত মোকদ্দমা নিষ্পত্তি হৈ নীলাম বদ নোহোৱা হুকুমৰ খবৰ পাই গোস্বামী মহাশয়ক চুক্তিমতে টকা দিবলৈ বালাৰ মাটি জিনাৰাম বাপুক বিক্রী কৰিছিলোঁ। গোসাঁই কিন্তু মোকদ্দমা নিষ্পত্তি হোৱা সংবাদ আমাক নিদি নিজে কটৰাৰ খাজানা আদায় কৰিবলৈ আহোঁতে ভাগীবর্গই প্রতিবন্ধক জন্মায়। মইও ভাগীবর্গৰ লগত তলে তলে যোগদিয়া বুলি ভাবি এগ্রিমেণ্ট অনুযায়ী আমাক মাটি ফিৰৎ দিবলৈ অসম্মত হ'ল। নিৰুপায় হৈ আমি তেওঁৰ ওপৰত মোকদ্দমা কৰিব ওলোৱাত শ্রদ্ধাস্পদ কালীবাবু আৰু ৺বেনুধৰ বৰুৱাই পৰামর্শ দিলে যে আমি মাটি দখল কৰি থকা উচিত, সি পক্ষই মোকদ্দমা দাখিল কৰক। এগ্রিমেণ্ট পত্র মতে টকা লবলৈ আমি তেওঁক ৰেজিষ্ট্রী নোটীছো দিলোঁ। শেষত দুৰ্ভাগ্যক্রমে কালী বাবুই আমাৰ বিপক্ষে গোসাঁইৰ পক্ষাবলম্বন কৰিলে আৰু মই কাৰাবাসত থাকোঁতে কটৰাৰ মাটি চেনীৰাম মহাপেছৰ ওচৰত বিক্রী কৰিলে। বন গাবঁৰ মাটি আজিও তেওঁৰ নামতে আছে। মুঠ কথা আমাৰ দুৰ্ভাগ্য গতিকে এনে হেন সম্পত্তি আমাৰ হস্তচ্যুত হ'ল। সকলো ঈশ্বৰৰ ইচ্ছা।

মোৰ শুভ পৰিণয়ৰ বিবৰণ

ইংৰাজী ১৮৯৬, শকাব্দ ১৮৮৫, বাং ১৩০৩ চনৰ বহাগ মাহৰ ৮ তাৰিখে তৃতীয়া তিথিত বৰপেটা নিবাসী শ্ৰীযুক্ত চিদানন্দ চৌধুৰী মহাশয়ৰ প্ৰিয় কন্যা শ্ৰীমতী কনকলতা বকৰানীৰ (জন্ম—খৃষ্টাব্দ ১৮৮৬, শকাব্দ ২৮০৭, বাং ১২৯২ মাঘৰ ৭ তাৰিখ শনি বাৰে) লগত মঙ্গলময় বিধাতাৰ বিশেষ কৃপাত মোৰ শুভ পৰিণয় সুসম্পন্ন হৈছে। সৰ্ব্বশক্তিমানৰ সমীপে অন্তৰৰ অন্তস্তলৰ পৰা প্ৰাৰ্থনা কৰোঁ যেন তেওঁ আমাক সংসাৰ ধৰ্ম্ম পালন কৰিবৰ সক্ষম কৰে। আমি যেন তেওঁৰ মঙ্গলময় ইচ্ছাৰ বিৰুদ্ধে কিঞ্চিৎমাত্ৰও অগ্ৰসৰ হবৰ চেষ্টা নকৰোঁ আৰু তেওঁৰ নিত্যানন্দময় নিকেতনত উপস্থিত হবলৈ শনৈঃ শনৈঃ পাদ বিক্ষেপ কৰিবলৈ সমৰ্থ হওঁ।

দয়াময়! তুমি কৃপা নকৰিলে মোৰ বৰ্ত্তমান অৱস্থাত কেতিয়াও সহধৰ্ম্মিণী লাভ নঘটিল হয়। সহধৰ্ম্মিণী নোহোৱাকৈ সংসাৰ ক্ষেত্ৰত পবিত্ৰ ভাবে বিচৰণ কৰা কষ্টসাধ্য বুলিয়েই তুমি মোৰ ওপৰত কৃপা দৃষ্টি কৰি আছা অৰ্থাৎ মোক নৰকময় স্থানৰ পৰা উত্তোলন কৰিবৰ অভিপ্ৰায়ে এনেকুৱা কৰিছা। নাথ! তুমি কৃপা নকৰিলে তোমাৰ অমৃতময় কোলাত কেতিয়াও উপনীত হব নোৱাৰিম। তোমাৰ প্ৰলোভনত ভুলাই নাৰাখিলে, ক্ষণস্থায়ী বিষয় বাসনাত মত্ত হৈ থাকিম। ভগৱতী! তুমি মোৰ পৰিণীতা পত্নীকো যথোপযুক্ত শক্তি দিয়া, যাতে আমি অস্খলিত পদে তোমাৰ দুৱাৰত উপস্থিত হব পাৰোঁ, তোমাৰ সাক্ষাৎ লাভ কৰি তোমাৰ আজ্ঞা পালনত যেন সম্পূৰ্ণ সমৰ্থ হওঁ। আমি যেন মনুষ্য জীৱনৰ কৰ্ত্তব্য অৱধাৰণ কৰি তৎপালনত সক্ষম হওঁ, এই মাত্ৰ কামনা। ধন-সম্পত্তি-যৌবন পাই যেন তোমাক নাপাহৰোঁ। সম্পদে বিপদে

অবিচলিত চিত্তে যেন তোমাৰ চৰণ সেৱা কৰিব পাৰোঁ। ওঁ শান্তিঃ ওঁ শান্তিঃ, ওঁ শান্তিঃ।

এই সময়তে যে মোৰ শুভ বিবাহ সম্পন্ন কৰিবৰ সক্ষম হম এনে কল্পনা স্বপ্নতো কৰা নাছিলোঁ, যি হেতু এনে কল্পনা এনে সময়ত নিতান্ত অসঙ্গত। মই কি ভাবে কাল নিয়াৰ ধৰিছোঁ সেইটো সৰ্ব্বান্তৰ্যামী আৰু নিকটতম বন্ধুৰ বাহিৰে অইনে নাজানে।

মই ইংৰাজী ১৮৯২ চনৰ ১৩ জানুৱাৰী (বাং ১২৯৯) চনৰ উত্তৰায়ণ সংক্ৰান্তিৰ দিনা কাৰগাৰৰ পৰা প্ৰত্যাবৰ্ত্তন কৰোঁ। মোৰ প্ৰত্যাবৰ্ত্তনৰ দুই মাহ পূৰ্ব্বে আমাৰ গৃহ বিলাক অগ্নিদগ্ধ হয়। এতেকে ঘৰত উপস্থিত হৈয়ে স্থানাভাবত কেইদিনমান জিনাৰাম বৰুৱাৰ ঘৰত থাকিবলৈ বাধ্য হওঁ। মই কাৰাগাৰাত প্ৰবেশ কৰাৰ দুমাহমান পিচে অৰ্থাৎ ১৮৯১ খৃষ্টব্দৰ মাৰ্চ্চ মাহত আমাৰ সমস্ত মাটি-বাৰী খাজানাৰ দেনাত নীলাম হৈ যায়। মই তেনেই অৱলম্বনশূন্য হলেও একেবাৰে হতাশ হোৱা নাছিলোঁ। সকলো সেই মঙ্গলময় বিধাতাৰ মঙ্গলময় ইচ্ছা।

জিনাৰাম বৰুৱাৰ উৎসাহ আৰু সহায়তে গত বছৰৰ খাজানাৰ দায়ত নীলাম হৈ হস্তচ্যুত হোৱা, কমাৰকুছি, বালা, ক্ষুদ্ৰডিঙ্গডিজি, ক্ষুদ্ৰকুলহাটী, বৰকুলহাটী আদি গাওঁৰ মাটি, উত্তৰ গুৱাহাটী নিবাসী শ্ৰীযুক্ত আত্মাৰাম বৰুৱা নামক নীলাম খৰিদ্দাৰৰ পৰা আগোৰে কিনি লবলৈ সুবিধা পালোঁ। এই সম্পত্তি মাত্ৰ ২০০৲ টকা পৰিমাণ খাজানাৰ টকাতেই কিনিছিল।

১৮৯৩ খৃষ্টাব্দত (বাং ১৩০০ চনৰ আহাৰ মাহাত) শ্ৰীযুক্ত মাধাৰাম দাদাক কটৰা আৰু পিপলীবাৰীৰ মাটি—মোৰ অংশৰ যি ৫০ বিঘা তেওঁ মোৰ অগ্ৰজৰ পৰা মোৰ নাবালক অৱস্থাত কিনি লৈছিল আৰু যি সম্পত্তিৰ বাবে তেওঁলোকৰ লগত মোৰ ভয়ঙ্কৰ বিবাদ হৈছিল—যি মাটিৰ ধান মই জোৰ কৰি (১৮৯০ নবেম্বৰ) বাং ১২৯৭ চনৰ ১২ আঘোনত কাটি আনিবলৈ সমৰ্থ হৈছিলোঁ

সেই সম্পত্তিৰ স্বত্ব তেওঁলোকক ত্যাগ কৰি দিয়াত তেওঁ মোক বিনাসুদে ১০০০৲ টকা এবছৰলৈ ধাৰে দিবৰ বাধ্য হয়। এই টকাৰে মোৰ নাবালক অৱস্থাত অগ্ৰজে নষ্ট কৰা সম্পত্তি উদ্ধাৰৰ বাবে দেওৱানী গোচৰ দাখিল কৰিব পাৰিলোঁ।

প্ৰথমতে শ্ৰীযুক্ত চিত্ৰসেন বৰকাকতী প্ৰভৃতিৰ ওপৰত মোকদ্দমা ৰুজু কৰোঁ। পিচে ২৯ আঘোন, ১৩ ডিচেম্বৰ তাৰিখে সমস্ত মোকদ্দমা ৰুজু কৰিলোঁ। সেই তাৰিখে মোকদ্দমাবোৰ দাখিল কৰিব নোৱাৰিলে তামাদি হৈ আৰু কোনো কালে মোকদ্দমা কৰিব নোৱাৰা হলোঁ হয়। এই তাৰিখতে শ্ৰীযুক্ত ছুলাল বাবুৰ ওপৰতো মোকদ্দমা ৰুজু কৰিবলৈ সমৰ্থ হলোঁ।

হাবলখা আৰু শ্ৰীশ্ৰীশ্যামৰায় দেৱালয়ৰ মাটিৰ খাজানা কিছু খৰচ নকৰিলে কেৱল মাধাৰাম দাদাৰ পৰা লোৱা কৰ্জ্জাৰ টকাৰে সমুদায় মোকদ্দমা দাখিল কৰিব নোৱাৰিলোঁ হেঁতেন। ছুজন খৰিদ্দাৰে মোকদ্দমা ৰুজু কৰাৰ পূৰ্ব্বেই আপোষ ৰফা কৰি মোক কিছু টকা দিছিল। যিৰূপেই হওক ঈশ্বৰৰ বিশেষ কৃপাতেই মই মোৰ ভ্ৰষ্ট সম্পত্তি উদ্ধাৰৰ বাবে যথা সময়তে মোকদ্দমা দাখিল কৰিবলৈ সক্ষম হৈছিলোঁ। চিত্ৰসেন বৰকাকতী প্ৰভৃতিৰ ওপৰত গোচৰ কৰিবৰ পিচতেই পূজ্যপাদ শ্ৰীযুত শ্বশুৰ মহাশয় তেওঁৰ প্ৰিয়তমা ছুহিতা মোত অৰ্পণ কৰিব বুলি পৰম আৰাধ্যাতমা মাতা ঠাকুৰাণীলৈ চিঠি লেখিছিল।

এই চনৰ ভিতৰতে হাবলখা গাওঁৰ ১১৬০ বিঘা মাটি মোৰ নামত ফিৰাই পাওঁ। এই বোৰ মাটি এই সময়ত ফিৰাই নাপালে সমস্ত দেৱানী মোকদ্দমা ৰুজু কৰিব অসমৰ্থ হলোঁ হয়। উক্ত মাটি মই কাৰাগাৰত প্ৰবেশ কৰাৰ পূৰ্ব্বেই খাজানাৰ দায়ত নীলাম হৈছিল আৰু খৰিদ্দাৰ নোলোৱাত দখলকৰা ৰায়তৰ নামে পাট্টা জাৰী কৰিছিল। নীলাম ৰদ হবলৈ মই কাৰাগাৰত প্ৰবেশ কৰাৰ আগতে কমিশ্যনাৰৰ ওচৰত আপীল কৰিছিলোঁ।

চিত্ৰসেন বৰকাকতীহঁতৰ ওপৰত মোকদ্দমা কজু হোৱা অবধি বঙ্গদেশৰ বিখ্যাত ৰাজা ৰাজবল্লভৰ বংশধৰ শ্ৰীযুক্ত বাবু কালীচৰণ সেন মহাশয় মোৰ সম্পূৰ্ণ হিতাকাঙ্খী হল। তেওঁৰ সহায় নোপোৱা হলে ইমান দিন নিৰাপদে কমাবকুছিত অৱস্থান কৰা মোৰ দুঃসাধ্য হল হয়। সকলো সেই কৰুণাময়ৰ ইচ্ছা। মই মোৰ জন্মস্থানত অৱস্থান কৰা তেওঁৰ অভিপ্ৰেত বুলিয়েই এইৰূপ ঘটিছে। নহলে এনে অঘটন সংঘটন হোৱাটো মই স্বপ্নতো কল্পনা কৰিব পাৰা নাই। মাধাৰাম দাদাৰ লগত মীমাংসা হব বুলি, বা কালীবাবু মোৰ মঙ্গলাকাঙ্খী হব বুলি কেতিয়াও আশা কৰা নাছিলোঁ। অথচ এতিয়াৰে পৰা কালীবাবুই মোৰ প্ৰধানতম হিতাকাঙ্খী আৰু আশ্ৰয়দাতা হল। ভগবান! ধন্য তোমাৰ ইচ্ছা। তোমাৰ উদ্দেশ্য বুজিবলৈ আমি তেনেই অসমৰ্থ।

মোকদ্দমা বিলাক দাখিল হোৱাৰ পিচত কেইটিমান আপোছে মীমাংসা কৰি ১৫০০৲ টকা পালোঁ আৰু তাৰদ্বাৰা খাজানাৰ দায়মুক্ত হব পাৰিলোঁ। শ্বশুৰ মহাশয়েও ১০০৲ টকা দি খাজানাৰ লেঠা মাৰাত সহায় কৰিলে। সকলো ইচ্ছাময়ৰ ইচ্ছাতে হৈছে। মোৰ সদায় আশা আছিল যে মোৰ নষ্ট সম্পত্তিবোৰ উদ্ধাৰ হব। ঈশ্বৰৰ ইচ্ছাও মোৰ অনুকূল বুলি বিশ্বাস হৈছিল। আশা দেবীৰ ইচ্ছা ঈশ্বৰৰ ইচ্ছাৰ প্ৰতিকূল হলে এনেকুৱা হাতখালি অৱস্থাত অত টকা সংগ্ৰহ কৰি কেতিয়াও মোকদ্দমা বিলাক সময় মতে দাখিল নহল হয়।

কিন্তু দেখা গল যে ডিপুটি কমিশ্যনাৰ আৰু চবজজ ম্যাকেৰ চাহাবৰ দ্বাৰা মোৰ আশালতা উন্মুলিত হল। ইচ্ছাময়ৰ ইচ্ছাই এইৰূপ ভাবি বিশেষ কাতৰ নহলোঁ। সেই উন্মুলিত আশালতাৰ প্ৰতি হতাশ নহৈ পুনঃ অন্যত্ৰ ৰোপণ কৰি উপযুক্ত সাৰ-পানী সিঁচিবৰ সঙ্কল্প কৰিলোঁ। এই বছৰৰ শাৰদীয় পূজাৰ বন্ধৰ পিচতে হাইকোৰ্টত আপীল দাখিল কৰিবৰ মনেৰে হাবলথা

আৰু ৺শ্যামৰায় দেৱালয়ৰ খাজানা আদায় কৰি খৰচ সংগ্ৰহ কৰিলোঁ। ঈশ্বৰৰ ইচ্ছা এনেহে যে মোৰ হাত-বাকচৰ পৰা সেই টকাৰ ৩৩৫৲ টকা কোনোবাই চুৰ কৰিলে। তেতিয়া যে কি দুৰ্ভাবনাত পৰিলোঁ তাক একমাত্ৰ সৰ্ব্বান্তৰ্যামী হে জানে। মই চতুৰ্দ্দিক অন্ধকাৰ দেখিলেও ঈশ্বৰৰ কৃপাতে তেনেই হতাশ হোৱা নাছিলোঁ। কালীবাবুৰ সহায়তে হওক বা অন্য উপায়ে হওক হাইকোৰ্টত আপীল দাখিল কৰিব পাৰিম বুলি মোৰ দৃঢ় বিশ্বাস আছিল। সেই ভাবেই মনক প্ৰবোধ দিলোঁ।

এই ঘটনাৰ পিচত হাবলখাৰ ৰায়তৰ পৰা আৰু কিছু টকা তুলিলোঁ। পিচে গুৱাহাটীত উপস্থিত হৈ মোৰ দুৰ্দ্দৈবৰ কথা কোৱাত শ্বশুৰ মহাশয় দয়াপৰবশ হৈ ৪০০৲ টকা দিলে। বাকী যি আৱশ্যক হৈছিল কালীবাবুৰ পৰা পাইছিলোঁ। মোৰ আশালতাজুপি ফলৱতী হওক বা বজ্ৰাঘাতত নষ্টই হওক, মই এইদৰে পুনঃ সাৰ-পানী যোগাবলৈ সক্ষম হৈ পৰম-কাৰুণিক পিতা পৰমেশ্বৰক শত ধন্যবাদ দিলো।।

এই বছৰৰ ৰাজস্বৰ বাবে পুনঃ হাবলখাৰ মাটি, নীলামৰ ফৰ্দ্দত দেখা দিলে। মই ভাবি চিন্তি একো স্থিৰ কৰিব নোৱাৰা হলোঁ। ঈশ্বৰৰ কৃপাত কালীবাবুই মোৰ অনুৰোধ ৰক্ষা কৰি মোক উপযুক্ত টকাৰে সাহায্য দি হাবলখা তেওঁৰ নামে খৰিদ কৰি ৰাখিলে। মোকদ্দমাত খৰচ কৰিবলৈ দিয়া টকাৰ বাবে মোৰ গাওঁৰ মাটিবাৰী বন্ধক ৰাখিলে। ১৩০২ চনৰ (খৃষ্টাব্দ ১৮৯৫) বৈহাগ মাহৰ পৰা মই পুনঃ সৰ্ব্বস্বান্ত হলোঁ। মোৰ বুলি দান বিক্ৰী কৰিব পাৰোঁ এনেকুৱা লেছা পৰিমাণ মাটিও নোহোৱা হল। ভবিষ্যতে মোৰ ভাগ্যত কি আছে তাকে চাবৰ উৎসুক হৈ ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰি ব্যাকুল নহলোঁ। আগৰ দৰে অবিচলিত চিত্তে গৃহকৰ্ম্মত মনোযোগ দিবলৈ সক্ষম হলোঁ। মই যে পাগল হোৱা নাই সেই নিমিত্তে পৰমপিতা পৰমেশ্বৰক ধন্যবাদ দিলো। আচলতে

কিন্তু ভাবি চালে মই পগলাৰ বাহিৰে আন একো নহয়—কিয়নো মোৰ দৰে নিঃস্ব মানুহে পাগল নহৈ সুস্থ অৱস্থাত সুখৰ আশা কৰিব নোৱাৰে।

গৃহদাহৰ পিচত অদ্যাবধি এটি ঘৰ সাজি লব পাৰা নাই। কুলদেৱতা শ্যামৰায় বিগ্ৰহ নামমাত্ৰ ঘৰৰ ভিতৰত বৰষুণৰ পানীত ভিজিব ধৰিছে। এই দৃশ্যই আটাইতকৈ হৃদয়-বিদাৰক। ইফালে লেছা পৰিমাণ মাটিতো মোৰ কোনো স্বত্ব সম্পৰ্ক নাই। এনে স্থলতো ভবিষ্যতে মই সম্পত্তিবান হৈ সুখে স্বচ্ছন্দে দিনাতিপাত কৰিবৰ আশা কৰিব ধৰিছোঁ। ধন্য আশা দেৱীৰ মোহিনী শক্তি—যাৰ অভাৱত কোনোৱে তিলমাত্ৰ সময় জীবিত থাকিব পাৰিলে হয় নে নাই সন্দেহ—যাক আশ্ৰয় কৰি মৰুবৎ সংসাৰত সুখান্বেষণ কৰি পৰিশ্ৰান্ত হৈ ফুৰিছে। হে নাথ! তুমি আশা দেৱীক এনে বিশ্ব-বিমোহিনী শক্তি নিদিলে তোমাৰ বিশ্ব-সংসাৰ সঙ্কুচিত হৈ গল হয়। আশা দেৱীক নানা অলঙ্কাৰেৰে বিভূষিতা কৰি মোৰ সম্মুখত উপস্থিত কৰিছা আৰু মই সেই মনোমুগ্ধকৰ সৌন্দৰ্য্যত মুগ্ধ হৈ, তেওঁক অতিক্ৰম কৰিব নোৱাৰি পিচে পিচে লৰিব ধৰিছোঁ। ক্ষুদ্ৰাদপি ক্ষুদ্ৰ মই তেওঁক অতিক্ৰম কৰিম কি সাধ্যে? গতিকে অবলম্বনশূন্য হৈও আশা দেৱীৰ মনোমুগ্ধকৰ ৰূপ কোনো মতেই অতিক্ৰম কৰিব নোৱাৰা হৈছোঁ। দয়াময়! তুমি কি মোক চিৰদিনেই আশা দেৱীৰ পিচে পিচে লৰাইলৈ ফুৰি তোমাক বিচাৰিবৰ সুবিধা নিদিবা? তোমাৰ যি ইচ্ছা তাকেই কৰা। কেৱল এই প্ৰাৰ্থনা মঞ্জুৰ কৰা যে, যেতিয়া যি অৱস্থাত পৰোঁ সেই অৱস্থাতে তোমাৰ ইচ্ছা পূৰ্ণহোৱা বুলি ভাবি সন্তুষ্ট হৈ যেন আনন্দ উপভোগ কৰিব পাৰোঁ। জয় জগদীশ হৰে!

এইদৰে নানাৰূপ চিন্তাযুক্ত হৈ মোকদ্দমা বোৰৰ ওপৰতে মোৰ শুভাশুভ নিৰ্ভৰ কৰি ভাবি শুভদিনৰ প্ৰতীক্ষাত কালাতিপাত কৰিব ধৰিছোঁ। মোৰ বিশ্বাস হৈছিল যে যিহেতু মোৰ বিয়াৰ

প্ৰস্তাব উপস্থিত হৈছে, মোৰ ভাবী সহধৰ্ম্মিণী মই নিজে চাবৰ সুবিধা নাপালেও মোৰ নিকটতম আত্মীয়ৰ দ্বাৰা চোৱা উচিত। মোৰ মাতাঠাকুৰাণী বৰ্ত্তমান আছে যেতিয়া তেওঁকে তেওঁৰ ভাবী পুত্ৰবধূক চাই লব দিয়া উচিত। দেশ-প্ৰচলিত ৰীতিৰ বিৰুদ্ধে হলেও মাতাঠাকুৰাণী নিজে, শ্ৰীযুত শম্ভু দত্ত উপাধ্যায় আৰু মহী বাপুই মোৰ কথা সমৰ্থন কৰিছিল। অন্যান্য আবাল-বৃদ্ধ সকলোৱে এই কথাৰ নিন্দা কৰিছিল যদিও, মই ১৩০২ চনৰ (ইং ১৮৯৫) শাওণ মাহৰ ১২ তাৰিখে নৌকাযোগে সহগামিনী মহিলা সকলৰ লগত মাতৃ দেবীক ৰবপেটালৈ পঠালোঁ। মাতৃদেবী ভাবী পুত্ৰবধূ দৰ্শনান্তে ফিৰি আহি কন্যা তেওঁৰ পছন্দ হোৱা বুলি মত প্ৰকাশ কৰিলে—মই সুখী হলোঁ।

১৯ ভাদৰ দিনা শ্বশুৰ মহাশয় চিঠি লেখি আৰু শ্ৰীযুক্ত শম্ভুদত্ত উপাধ্যায়ৰ মাৰফতে কৈ পঠায় যে অহা আহিন মাহতে বিয়া হব লাগে। মই মোৰ উপস্থিত অবস্থা সবিশেষ বৰ্ণনা কৰি—বিশেষতঃ মোৰ মামলাবোৰ নিষ্পত্তি নোহোৱালৈকে এই বছৰ মই বিয়াৰ উদ্যোগ কৰিবলৈ নিতান্ত অক্ষম বুলি জানালোঁ। মোৰ নিচিনা ভাগ্যহীন আৰু গুণহীন পাত্ৰত তেওঁ দুহিতা অৰ্পণ কৰিবৰ কাৰণে ব্যগ্ৰ হোৱা অযুগুত বুলিও লেখিলোঁ। ইচ্ছাময়ৰ ইচ্ছা যদি সেয়ে হয়, তেতিয়াও মই যাতে পৈত্ৰিক ভেটিত প্ৰতিষ্ঠিত হওঁ, পোনতে তাৰে চিন্তা কৰি যাতে মোৰ মোকদ্দমা বোৰত জয়ী হবলৈ সহায় কৰি পিচতহে কন্যা সম্প্ৰদানৰ বন্দোবস্ত কৰা উচিত।

মোৰ চিঠিৰ উত্তৰত শ্বশুৰ মহাশয় জানিবলৈ দিলে যে তেওঁৰ পিতৃব্য পীতাম্বৰ চৌধুৰীৰ পৰলোক প্ৰাপ্তি হৈছে, ঘৰতো সকলোৱে জ্বৰ। ইত্যাদি কাৰণে তেওঁৰ বহু ব্যয় হব ধৰিছে আৰু নানা ৰকম বিপদত পৰিছে। গতিকে মোক কোনোৰূপ সহায় কৰিবলৈ অক্ষম বা অনিচ্ছুক। কিন্তু এই বছৰতে বিয়া পাতিবই লাগিব, নহলে তেওঁ অন্য পাত্ৰ অন্বেষণ কৰিব এনে কোনো আভাষ

নিদিলে। এতেকে তেওঁ মোৰ মোকদ্দমা বোৰত সহায় কৰিব অনিচ্ছুক জানি দুঃখিত হলেও, মোকদ্দমা নিষ্পত্তি নোহোৱালৈ কন্যা সম্প্ৰদান কৰিবলৈ অপেক্ষা কৰিব বুলি বিশ্বাস কৰিলোঁ। এসময়ত মোক এইদৰে কৈছিল যে মোক কন্যাদান কৰিবৰ প্ৰতিশ্ৰুতি হৈছে যেতিয়া মই গৰীব কিয় সন্ন্যাসী হলেও তেওঁ মোত বাহিৰে অন্যক কন্যা দান নকৰে। মই যদি সন্ন্যাসী হওঁ তেন্তে তেওঁৰ দুহিতাও সন্ন্যাসিনী হব—স্বীকৃত বাক্য পালন কৰিবলৈ তেওঁ কুত্ৰাপি পৰাঙ্মুখ নহয়। উচ্চ বংশজাত শিক্ষিত ভদ্ৰলোকৰ এনে আশ্বাস-বাক্যত মোৰ আস্থা জন্মিছিল, যদিও মোৰ ভাগ্যৰ ব্যৱস্থা অন্যৰূপ। ইয়াৰ পিচত শ্বশুৰ মহাশয়ে মোক এই বছৰতে বিয়া কৰাব টানি ধৰিব বুলি ভাবা নাছিলোঁ। মোৰ যুক্তিযুক্ত আপত্তিবোৰ বিবেচনা কৰি চাই মোকদ্দমা নিষ্পত্তি নোহোৱালৈকে বিয়াৰ উদ্যোগ নকৰি বাট চাব বুলি ভৰসা কৰিলোঁ। এই বছৰতে বিয়া কৰাবলৈ বাধ্য কৰাব জানিলে ৺পূজাৰ পিচতে মই ধান গুড় আদি আৱশ্যকীয় বস্তু সংগ্ৰহত মন দিলোঁ হয়।

চিত্ৰসেন বৰকাকতীহঁতৰ ওপৰত কৰা মোকদ্দমাৰ শুনানীৰ দিন ১৩০২ চনৰ ৬ আঘোনত (ইং ১৮৯৫) ধাৰ্য্য হোৱা শুনি কলিকতালৈ যাব ওলালোঁ। ৺শ্যামৰায় দেবালয়ৰ আৰু বুঢ়িনগৰৰ খাজানা আদায় কৰি ৪০০৲ টকা হাতত ললোঁ। দুই মাহৰ জোখাৰে ঘৰৰ খৰচ-পত্ৰ, চাকৰ-নাকৰৰ দৰমহা আদিৰ যোগান দি শ্ৰীমান দুৰ্গাৰাম মজুমদাৰৰ লগত কলিকতালৈ যোৱা স্থিৰ কৰি গুৱাহাটীলৈ যাত্ৰা কৰিলোঁ। গুৱাহাটীলৈ আহোঁত শ্ৰদ্ধাস্পদ কালীচৰণ সেন বাবুৱে কলে যে এটা মোকদ্দমাৰ দিন ধাৰ্য্য হোৱা বাবে কলিকতালৈ যাবৰ প্ৰয়োজন নাই। অন্যান্য আপীল বিলাকো একে লগে বিচাৰ কৰিবলৈ মহামান্য হাইকোৰ্টে খাৰিজ নিছে। গতিকে এতিয়া কলিকতালৈ যোৱা নিষ্প্ৰয়োজন।

কালীবাবুৰ পৰামৰ্শমতে মই ঘৰলৈ ফিৰি আহিলোঁ। হাবলখা আৰু অন্যান্য ঠাইৰ খাজনা সাধিব ধৰিলোঁ, কিয়নো মাঘৰ শেষ নাইবা ফাগুনৰ আদিতে কলিকতালৈ যাব লাগিব পাৰে বুলি কালীবাবুৱে কৈছিল। গতিকে মাঘ মাহ শেষ নহওঁতেই যাতে হাবলখাৰ খাজনা আদায় হয় তাৰ কাৰণে যত্নশীল হলোঁ। এই সময়তে মাতাঠাকুৰাণীৰ আগ্ৰহ এৰাব নোৱাৰি ৺শ্যামৰায় ঠাকুৰৰ মণিকূট গৃহ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰিলোঁ। গত কাতি মাহৰ পৰাই চালৰ কৰা কাটিবলৈ মানুহ নিযুক্ত কৰিছিলোঁ। ৺পূজাৰ পিচতে দহজন মানুহ বঙ্গিয়ালৈ পঠাই দহ হাজাৰ খেৰ গোটাইছিলোঁ। বঙ্গিয়াৰ তহছীল কাছাৰীৰ মানুহৰ লগত বিবাদ কৰিও এই খেৰ সংগ্ৰহ কৰিছিলোঁ। যোৱা বাৰিষাৰে পৰা কিছু কিছু বাঁহ-কাঠ গোটাইছিলোঁ। ১৩০১ চনৰ মাঘ মাহত (ইং ১৮৯৫) গৃহ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰিলোঁ। আমাৰ ভাগী বংশৰ মানুহে এই কামত যথোপযুক্ত সহায় কৰিছিল। শ্ৰীযুক্ত শাঞ্চিত দাদা, শ্ৰীযুক্ত মাধাৰাম দাদা, শ্ৰীযুক্ত দেহিচন্দ্ৰ দাদা এই তিনি জনে কোনো সহায় কৰা নাই। দেহিচন্দ্ৰ দাদাই ১০০০ খেৰ দিব বুলি কৈ সময়ত মাত্ৰ ২০০ খেৰ দিছিল।

ঘৰ বান্ধা কাম শেষ নহওঁতেই ১৩০২।১৩ মাঘ (২৫।১।১৮৯৬) তাৰিখে শ্বশুৰ মহাশয় মোক চিঠি লেখি সুধিলে যে মই ১৩০৩ চনৰ বৈহাগ মাহত বিয়া পাতিবৰ প্ৰস্তুত আছোঁ নে নাই। যদি নাই তেন্তে তেওঁ কন্যা সম্প্ৰদানৰ অন্য বন্দোবস্ত কৰিব। তেওঁৰ চিঠি পাই মই আচৰিত হলোঁ, কিয়নো আহিন মাহৰ চিঠিত তেনে কোনো আভাস দিয়া নাছিল। সেই দেখি মোৰ এনেকুৱা অৱস্থাত বিয়া পাতিব লাগিব বুলি মই ভবা নাই। ভাবিলেও কৃতকাৰ্য্য হব পাৰিম এনে আশা নাই। মই একেবাৰে নিঃস্ব। উপস্থিত মামলাবোৰৰ কাগজ ছপোৱা খৰচ, ব্যাৰিষ্টাৰৰ বায়না আদি কিদৰে সংগ্ৰহ কৰোঁ তাৰ চিন্তাতেই অস্থিৰ। সৰ্ব্বস্বান্ত হৈ

মোকদ্দমা বিলাক দাখিল কৰি হাইকোৰ্টৰ অৱশিষ্ট খৰচ কেনেকৈ যোগাম তাকে ভাবি-চিন্তি একো স্থিৰ কৰিব পাৰা নাই। এই খৰচ সঙ্কুলান কৰিবলৈ অসমৰ্থ হৈ মোকদ্দমা বোৰ নষ্ট কৰিব লাগিলে পৰিতাপৰ সীমা নাথাকিব। এনেকুৱা অৱস্থাতে শ্বশুৰ মহাশয়ৰ চিঠি পাই কিয় ব্যাকুলিত নহম ?

শ্বশুৰ মহাশয়ৰ চিঠি পাই একোবাৰ ভাবোঁ যে মোক বঞ্চিত কৰিবৰ অভিপ্ৰায়ে মোক এনে দুঃসময়ত বিয়া পাতিব ধৰিছে। সকলো ঈশ্বৰৰ ইচ্ছা বুলি ভাবিলোঁ। তেওঁক পুনঃ মোৰ বিপদৰ কথা অবগত কৰিব চিঠি লেখি মহী বাপুক পঠিয়ালোঁ। দুৰ্ভাগ্য বশতঃ গুৱাহাটীত তেওঁক নাপাই মহীবাপু ফিৰি আহিল। পিচে ২৮ মাঘত তেওঁ বিজলী ঘাটত উপস্থিত হোৱা শুনি মই নিজে সাক্ষাৎ কৰিলোঁ। মোৰ লগত দেখা হবৰ পিচ দিনা তেওঁ আমাৰ ঘৰলৈ আহিব বুলি কোৱাত বিয়াৰ কথা উত্থাপন নকৰিলোঁ। ঘৰলৈ আহিলে মাতাঠাকুৰাণীয়ে কথাবাৰ্ত্তা হব পাৰিব বুলি ভাবিলোঁ। তেওঁৰ সন্তোষজনক ব্যৱহাৰৰ পৰা বোধ হল যে মই বিপন্ন বুলি বিবাহোপযোগী খৰচ-পত্ৰ তেওঁ দিব। ঈশ্বৰৰ যি অভিপ্ৰায় সেয়ে হব বুলি নিশ্চিত কৰি ঘৰলৈ উভতি আহিলোঁ।

পিচ দিনাখন শ্বশুৰ মহাশয় আমাৰ ঘৰত উপস্থিত হৈ মাতাঠাকুৰাণীৰ ওচৰত প্ৰতিশ্ৰুত হল যে অলঙ্কাৰৰ বাবে দেৰপোৱা সোণ আৰু অন্য খৰচ-পত্ৰৰ বাবে ৫০০৲ টকা দিব। মই দেখিলোঁ যে ৫০০৲ টকাৰে মোৰ বিয়াৰ খৰচৰ একোয়ে নহব যদিও, বিয়া যেতিয়া কৰাবলৈ বাধ্য হৈছোঁ, তেতিয়া আপত্তি কৰা অযুক্ত। ঈশ্বৰৰ যি ইচ্ছা সেয়ে হব বুলি নিশ্চয় কৰি জানি বিয়া পাতিব আৰু আপত্তি নকৰিলোঁ। বন্ধু-বান্ধৱেও উৎসাহ দিবলৈ ধৰিলে। দুৰ্গাৰাম মজুমদাৰ প্ৰভৃতি পৰামৰ্শ দিলে যে বিবাহোপলক্ষে উপৰ ৰবভাগ মৌজাৰ বাসিন্দা সকলৰ ওচৰত মাগন (সহায় ভিক্ষা) কৰা উচিত। নিতান্ত অনিচ্ছা স্বত্বেও মই সম্মত হলোঁ—কিয়নো ৫০০৲ টকাৰে

মই বিয়াৰ কাৰ্য্য সুচাৰুৰূপে সম্পন্ন কৰিব নোৱাৰিম। মোৰ হাতত কিয়ৎ পৰিমাণ টকা থকা হলেও মাগন নকৰাকৈ চলিব হয়। কিন্তু মোৰ হাত একেবাৰে শুদা। শ্বশুৰ মহাশয়ে দিব খোজা ৫০০৲ টকাৰেও বিয়াৰ খৰচ সঙ্কুলান নহয়। গতিকে মৰণান্তিক কষ্ট পাইও বাইজৰ ওচৰত হাত পাতিলোঁ। ঈশ্বৰৰ ইচ্ছাত দুঃখ কৰি কি লাভ।

মই হিচাব-পত্ৰ কৰি দেখিলোঁ যে অন্ততঃ ২৫০০৲ টকাৰ কমে বিয়াৰ খৰচ নুকুলাব। আমি যদিও আজি পথৰ ভিক্ষাৰী, তথাপি এই অঞ্চলত আমি প্ৰতিপত্তিশালী বুলি পৰিচিত। বহু কষ্ট কৰি বাহ্যিক সম্মানৰ উপকৰণ সংগ্ৰহ কৰিছোঁ। নিৰতিশয় কষ্ট ভোগ কৰিলেও নিঃকিন ভাবে সাধাৰণ শ্ৰেণীভুক্ত হৈ কমাবকুছিত বাস কৰিবৰ কল্পনা কস্মিন্ কালেও মনত স্থান দিয়া নাই। গতিকে নিতান্ত সাধাৰণ ভাবে বিয়া পাতিবৰ প্ৰবৃত্তি নহল। বিয়াৰ আনুমানিক খচৰৰ নকল এটা শ্বশুৰ মহাশয়ৰ ওচৰলৈ পঠালোঁ। হিচাব দেখি তেওঁ সন্তোষ পোৱা নাই আৰু চিঠিৰ প্ৰত্যুত্তৰত লেখিলে যে মোৰ বৰ্ত্তমান অৱস্থাত এনে ব্যয়-বাহুল্য পছন্দ নকৰে —তেওঁৰ বন্ধু বৰ্গৰো সেইমত। তেওঁৰ অন্য পুত্ৰকন্যাও আছে। এতেকে প্ৰতিশ্ৰুত সোণ৷ কাপোৰৰ বাহিৰে অন্য সাহায্য তেওঁ একো কৰিব নোৱাৰে। ইয়াতেই তেওঁৰ হাজাৰ টকা ব্যয় হব, ইত্যাদি। পূৰ্ব্বেই দিব খোজা ৫০০৲ টকাও এতিয়া দিব নোৱাৰে বুলি স্পষ্ট জবাব দিলে। চিঠি পাই মই অবাক হলোঁ। কিন্তু ভাবিলোঁ যে মোৰ ব্যয়-বাহুল্য এষ্টিমেট সঙ্কোচ কৰাৰ বাবে ভয় দেখুৱাইছে প্ৰতিশ্ৰুত ৫০০৲ টকা দিব নোৱাৰে বুলি কৈছে আৰু সময়মতে সেই টকা পঠাব বুলি নিশ্চিন্ত থলোঁ।

১৭ ফাগুণত দৌলযাত্ৰা শেষ হোৱাত ২০ ফাগুণৰ পৰা মই উপৰ বৰভাগৰ গ্ৰামবাসী সকলৰ ওচৰত বিবাহাৰ্থে মাগন কৰিব ওলালোঁ। যি যি গাওঁলৈ গৈছোঁ কিছু কিছু সহায় কৰিব বুলি

ভৰৰা দিছে। তেওঁলোকে মোক যথাযোগ্য অভ্যৰ্থনা কৰাবো ত্ৰুটি কৰা নাই। এই বছৰ আমাৰ অঞ্চলত প্ৰায় দুৰ্ভিক্ষৰ অৱস্থা হোৱা গতিকে যথাসম্ভৱ সহায় পাবৰ আশা কৰিব নোৱাৰি। ৰায়তে খাজানা দিবলৈকে অসমৰ্থ হৈছে। যি হওক, দেশৰ দুৰবস্থাৰ দিনতো যে মোক সহায় কৰিব বুলি সম্মতি জনাইছে সেয়ে মোৰ পৰম সৌভাগ্য। আচলতে মই ভাগ্যহীন, নহলে এনে দুঃসময়ত শ্বশুৰ মহাশয় বিয়া পাতিবলৈ ইমান ব্যগ্ৰ হব কিয়? ঈশ্বৰৰ কি ইচ্ছা তাকে চাবলৈ কাৰ্য্যক্ষেত্ৰত আগ বাঢ়িবৰ যত্নবান হলোঁ।

দুৰ্গাৰাম মজুমদাৰ, মহীবাপু আৰু খাগৰু হালগিৰী এই তিনি জনে মোৰ লগত গাৱেঁ গাৱেঁ ফুৰিছিল। মোৰ বিয়াৰ কামত সকলোৱে সহানুভূতি কৰিছে সঁচা, কিন্তু এই তিনি জনৰ সহানুভূতিৰ মাত্ৰা অধিকতৰ। সকলো সেই মঙ্গলময় বিধাতাৰ অনুগ্ৰহ। নাথ! তোমাৰ কৃপাদৃষ্টি নাথাকিলে মানুহে কোনো কাৰ্য্য সমাধা কৰিবৰ সমৰ্থবান নহয়। বিশেষতঃ মোৰ দৰে অৱস্থাহীনৰ এনেকুৱা কাৰ্য্য তোমাৰ কৃপা ব্যতিৰেকে কস্মিন্‌কালেও সমাধা নহল হয়।

মোৰ বিয়াত নথেতি গাওঁ নিবাসী কদোৰাম দাসে তেওঁৰ সাধ্য অনুসাৰে বিৰুদ্ধাচৰণ কৰিছে। ঈশ্বৰৰ অনুগ্ৰহত তেওঁৰ চেষ্টা অলপো ফলৱতী হোৱা নাই। তেওঁ আমাৰ আধিয়াৰৰ সন্তান। মই তেওঁক কোনোৰূপ হিংসা কৰা নাই। তথাপি তেওঁ কিয় মোৰ বিৰুদ্ধবাদী বুজি নাপাওঁ। তেওঁৰ ভায়েক-ভতিজাকে এতিয়াও আমাৰ ঘৰত খাটে আৰু তেওঁলোক আমাৰ অনুগতও। এই সকলোতকৈ তেওঁ বহুতো সভ্য আৰু ভদ্ৰশ্ৰেণীভুক্ত বুলিও ভাবে; মইও তেওঁক সেই হিচাবে মান দিওঁ। কিন্তু তেওঁৰ লগত একে আসনতে বহি পান ভোজন নকৰোঁ বুলিয়েই আমাৰ ওপৰত আক্ৰোশ। দুদিন পুলিছৰ চাকৰী কৰি খেদাখাই আহিছে— সমাজ-বন্ধন ছিন্ন কৰি তেওঁৰ লগত সমান ব্যৱহাৰ কেনেকৈ কৰোঁ?

তেওঁলোকৰ বস্তী-মাটি পৰ্য্যন্ত মোৰ স্বৰ্গগত পিতাই পইছা এটাও নোলোৱাকৈ তেওঁলোকক এনেদি মৰম-স্নেহ দেখুৱাইছিল। মইও সেই মৰম স্নেহহে দেখুৱাওঁ—সমনীয়া ব্যৱহাৰ কৰিবতো নোৱাৰোঁ। এই বিলাকৰ কাৰণেই সুবিধা পালেই তেওঁ মোৰ সৰ্ব্বপ্ৰকাৰ অনিষ্টৰ চেষ্টা কৰে, যদিও ঈশ্বৰৰ ইচ্ছাত তেওঁৰ তেনে চেষ্টা ফলৱতী হোৱা নাই। শ্ৰীযুত মাধাৰাম দাদা প্ৰভৃতি দুই একজন যদিও আমাৰ ঘৰৰ মঙ্গলাকাঙ্খী নহয়, তথাপি মোৰ বিয়াৰ সময়ত প্ৰকাশ্যে কোনো অনিষ্টৰ চেষ্টা কৰা নাই। সৰ্ব্বসাধাৰণৰ ভিতৰত তেওঁৰ কথা শুনি মোৰ বিৰুদ্ধাচৰণ কৰে এনে মানুহ সম্প্ৰতি কোনো নাই বুলিও তেনে চেষ্টা কৰা নাই।

ওচৰৰ গাওঁ সমূহৰ ব্ৰাহ্মণ আৰু অব্ৰাহ্মণ সকলৰ যি ঘৰুৱা মানুহ আছিল, সেই মানুহ বোৰে প্ৰায় সপ্তাহ কাল বন কৰি দি বিয়াত সহায় কৰিছিল। বন কাম কৰা মানুহ গোটোৱাত ৺মনু হালগিৰীৰ পৌত্ৰ খাগৰু হালগিৰী আৰু আঘনা সেখেই প্ৰধান ভাবে খাটিছে। শ্বশুৰ মহাশয়ৰ অঙ্গীকৃত ৫০০৲ টকা পাম বুলি ১৬ চৈতত গুৱাহাটীত উপস্থিত হলোঁ; কিন্তু তেওঁ নিৰাশ কৰিলে। ওপৰঞ্চি তেওঁ প্ৰস্তাব কৰিলে যে কমাৰকুছিৰ পৰা বৰপেটা ৩৩ মাইল নিলগ, গতিকে বিয়াৰ আগ দিনাই বৰযাত্ৰীৰে সৈতে বৰপেটাৰ ওচৰৰ কোনো ঠাইত গৈ থাকিব লাগে। কিয়নো বৈহাগ মাহত বৰষুণ হোৱা স্বাভাবিক আৰু তেনে বতৰত কমাৰকুছিৰ পৰা বৰপেটাত গৈ বিয়া পাতা সম্ভৱ নহব। মইতো সদায় ভাবি আছোঁ যে একেদিনে কমাৰকুছিৰ পৰা গৈ বিয়াৰ কাৰ্য্য সম্পন্ন কৰিব পাৰিম—শ্বশুৰ মহাশয়েও এইটো অসম্ভৱ বুলি কোৱা নাছিল। এতিয়া তাৰ বিপৰীত কথা শুনি বৰ দুৰ্ভাবনাত পৰিলোঁ। অচিনাকী ঠাইত গৈ কেনেকৈ শ্ৰাদ্ধাদি সম্পন্ন কৰিম? তদুপৰি পানীতোলা আদি স্ত্ৰী-আচাৰৰ আমোদ-প্ৰমোদ কৰিব বুলি মহিলা সকলে একান্ত আশা কৰি আছে—তেওঁলোকক বা নিৰাশ

কৰোঁ কেনেকৈ? বাটত স্ত্ৰী-আচাৰ সম্পন্ন কৰিবলৈ জননী দেৱীকেই বা দুই বা এক সহচৰীৰ লগত লৈ গৈ খৰচ বঢ়াওঁ কেনেকৈ? সাধাৰণ খৰচ-পত্ৰৰে যোগাৰ নাই।

ভাবি-চিন্তি চাই এইটোও বুজিলোঁ যে বৈহাগ মাহৰ বৰষুণ বতৰত একেদিনে ৩৩ মাইল বাট অতিক্ৰম কৰি বৰযাত্ৰী যোৱাও মুখৰ কথা নহয়। দুই এক জন মানুহৰ কথা বেলেগ। শ্বশুৰ মহাশয় বিয়াৰ আগদিনাই ৰওনা হবৰ কাৰণে বাট-খৰচ বাবদ মাত্ৰ ১০০৲ টকা দিলে। এই টকা লৰ লগীয়া হোৱাৰ বাবে অদৃষ্টক ধিক্কাৰ দি ঈশ্বৰৰ আৰু কি ইচ্ছা আছে তাকে চাবলৈ চৈতৰ ২৩ তাৰিখে ঘৰলৈ উভতিলোঁ।

গুৱাহাটীৰ বৃত্তান্ত শুনি আত্মীয়-স্বজন সকলো দুঃখিত হল। মই ভাবি আছিছিলোঁ যে উজনিৰ দস্তুৰ অনুযায়ী আগদিনাই স্ত্ৰী-আচাৰ সম্পন্ন কৰি বৰযাত্ৰী যাত্ৰা কৰা যাব আৰু বাটত কেৱল শ্ৰাদ্ধৰ কামেই বাকী থাকিব। এইদৰে কৰিলে স্ত্ৰীলোক সকলৰ আমোদো নষ্ট নহব, কামৰো সুবিধা হব। কিন্তু দয়াময়ৰ কি করুণা! আমাৰ গৃহ-পণ্ডিত শ্ৰীযুত শম্ভুদত্ত উপাধ্যায় আৰু শ্ৰীযুত ৰমাকান্ত উপাধ্যায়ৰ ব্যৱস্থা শুনি মোৰ সঙ্কল্পতকৈও সুবিধা পালোঁ। তেওঁলোকৰ ব্যৱস্থামতে বিয়াৰ আগদিনাই অধিবাস কৰি স্ত্ৰী-আচাৰ সমাপন কৰি বৰ ও বৰযাত্ৰী ৰাওনা হব পাৰিব আৰু বাটত শ্ৰাদ্ধ কৰিবৰো আৱশ্যক নহব। বিয়াৰ দিনা ঘৰতে অগ্ৰজ মহাশয় শ্ৰাদ্ধ কৰিলেই হব। এই ব্যৱস্থাত বাটলৈ কোনো কাম নাথাকিব জানি ৰক্ষা পৰিলোঁ। মাতাঠাকুৰাণী আৰু অন্যান্য বন্ধু-বান্ধৱ সকলো এই ব্যৱস্থাৰ কথা শুনি আনন্দিত হল। দয়াময়! তুমি যে কি ভাবে জীৱৰ কল্যাণ সাধন কৰা, ক্ষুদ্ৰমতি মানুহে তাক কি বুজিম? তুমি সৃষ্টি বিস্তাৰ কৰি জীৱ সকলক ক্ৰমোন্নতিৰ ফালে চালিত কৰিছা, এতেকে তুমি যি ঘটাইছা আমি

তাক বুজিব নোৱাৰিলেও সেই সকলো যে মঙ্গলময় তাত অণুমাত্ৰও সন্দেহ নাই।

চাওঁতে চাওঁতে বিয়াৰ দিন ওচৰ চাপিল, আমাৰ কিন্তু একোৰে যোগাৰ হোৱা নাই। কইনাৰ গহনা খিনি মাত্ৰ হাতলৈ আহিছে। মাতাঠাকুৰাণীৰ পৰা ছুটি মোহৰ আৰু বৰভাগৰ সোণাৰী সকলৰ পৰা ৮ তোলা সোণ পাইছিলোঁ। শ্বশুৰ মহাশয়ে দিয়া সোণৰে সৈতে আধসেৰ সোণৰ গহনা হৈছে। কামৰূপী মানুহৰ ইয়াতকৈ বেছি গহনা হব নোৱাৰে। প্ৰায় ইচ্ছানুযায়ী গহনা সংগ্ৰহ হৈছে। বিয়াৰ ৮ দিন পূৰ্ব্বে ১৩০৩ চনৰ ১১ বৈহাগ তাৰিখে (ইং ১৮৯৬) গহনা বোৰ পঠালোঁ। গহনা নিয়া মানুহ ফিৰি আহি কইনাৰ জ্বৰ হোৱা বুলি খবৰ দিলে। শ্বশুৰ মহাশয়ৰ অগ্ৰজে চিঠি লেখিছে যে তেওঁলোকৰ পৰা নিমন্ত্ৰণ নোপোৱালৈকে আমি যেন বিয়াত আগ -নাবাঢ়ো। আমি সিদিনাতে মানুহ পঠাই পুনঃ খবৰ দিলোঁ যে আমি বিয়াৰ দিন পৰিবৰ্ত্তন কৰিব তেনেই অক্ষম, যিহেতু অতিকষ্টে সংগহ কৰা বস্তু-বাহানি তেনেই পয়মাল হব।

১৬ বৈহাগত আমাৰ ঘৰত বিয়াৰ উপলক্ষে গান-বাজানা হৈছিল। সিদিনা শ্বশুৰ মহাশয়ৰ চিঠি লৈ মানুহ ফিৰি আহিল— লেখিছে যে কইনাৰ জ্বৰ এৰিছে আৰু নিৰ্দ্ধাৰিত খাতিতে বিয়া হব। ঈশ্বৰৰ অনুগ্ৰহ দেখি পৰিতুষ্ট হলোঁ। বৈঠকী গান শুনিবলৈ আমাৰ ঘৰত অসংখ্য মানুহৰ সমাবেশ হৈছিল। বৰ পৰিপাটিৰে আমোদ-গৃহ সজোৱা হৈছিল। মফস্বলত এই ৰকমৰ গৃহ-সজ্জা চাবৰ কাৰণেহে ইমান মানুহৰ সমাগম। পুৰুষতকৈ স্ত্ৰীলোকৰ সংখ্যা বেচি আছিল। হাজোৱালী গানৰ দল আহি পোৱাত পলম হোৱাৰ বাবে সোণাৰী তোলাৰ ডেকাদলে পোনতে গান-বাজানা আৰম্ভ কৰিলে। কুটুম্বৰ ভিতৰত শ্ৰীযুত গৰ্গৰাম চৌধুৰী (নাজিৰ), শ্ৰীমান্ গোলাপৰাম চৌধুৰী উপস্থিত আছিল। বিয়াৰ কামত বিশেষ ব্যস্ত থাকিব লগাত এওঁলোক বৰযাত্ৰী হৈ বৰপেটালৈ

যাব নোৱাৰিলে। সেইবাবে মই বেয়া পাবও নোৱাৰোঁ। বৰ-যাত্ৰীৰ অতি আৱশ্যকীয় বাহন ৪টা নাজিৰে যোগাৰ কৰি নিদিলে ভাল বিপদতে পৰিলোঁ হয়।

অপৰাপৰ বন্ধুবৰ্গ কোনো উপস্থিত নহল। শ্ৰীযুক্ত উদয়বাবু বিজলীঘাটত থাকিও আমাৰ ঘৰত এবাৰ উপস্থিত নহল, অথচ মোৰ বিয়াত সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দি এতিয়া এবাৰ ঘৰত পদাৰ্পণকে নকৰিলে। ....বোধহয় তেওঁৰ সহায় নোহোৱাকৈ বিয়া-ঘৰৰ জাক-জমকৰ কথা শুনি লাজ পাই, আহিবৰ ইচ্ছা নকৰিলে। বিদেশী বন্ধুবৰ্গৰ ভিতৰত পুলিছ ইন্‌স্‌পেক্টৰ শ্ৰীযুত বীৰেশ্বৰ সেন আৰু হেড্ কনেষ্টবল শ্ৰীযুত দিগম্বৰ চন্দ্ৰ লস্কৰ আমাৰ ঘৰত উপস্থিত হব নোৱাৰিলেও যথাৰীতি লৌকিকতা আদি পঠিয়াইছিল। দিগম্বৰবাবুৰ মাৰফতে পাতিদৰং অঞ্চলৰ ৮টা হাতীৰ বাইনা দিয়া হৈছিল; কিন্তু মোৰ দুৰ্ভাগ্যৰ বাবে এটি হাতীও নাহিল। হাতীৰ অভাৱত বহু আত্মীয়-স্বজন বৰযাত্ৰী হবৰ কাৰণে অপাৰগ হল। ১৮ বৈহাগৰ দিনা নলবাৰীৰ তহছিলদাৰ বংশীধৰ শৰ্ম্মাৰ বিয়াৰ দিন ধাৰ্য্য হোৱা বাবে আমি এটি হাতীও নাপালোঁ। শোৱালকুছি আদি অন্যান্য ঠাইৰ হাতী এতিয়াও চিকাৰৰ পৰা ফিৰি অহা নাই। মোৰ বৰ্ত্তমান দুৰবস্থাৰ সময়ত উপযুক্ত সংখ্যক বাহনৰ বাহিৰে অন্য সকলো আশানুৰূপ ভাবে ঈশ্বৰৰ ইচ্ছাত দিহা হৈছে।

১৬ বৈহাগ অৰ্থাৎ গানৰ দিনা ৰাতি ৪ টাৰ পৰা অলপ অলপ বৰষুণ হব ধৰা দেখি সকলোৰে নিৰানন্দ মিলিল। পিচদিনা ৯টা বজালৈ বৰষুণ হৈয়ে আছিল। কেনেকৈ যাত্ৰা কৰা যাব, ভাবি-চিন্তি আকুল হলোঁ। দয়াময়ৰ অশেষ দয়া দেখা গল। দুপৰীয়াৰ আগৰে পৰা বৰষুণ এৰিলে। বিধিপূৰ্ব্বক অধিবাস আৰু স্ত্ৰী-আচাৰ সম্পন্ন কৰি ১৭ বৈহাগৰ দুপৰীয়া বৰযাত্ৰী বাওনা হব পাৰিলোঁ। ভদ্ৰলোকৰ ভিতৰত হাতীত উঠি কেৱল ১। শ্ৰীযুত

দেহিচন্দ্ৰ বৰুৱা, ২। শ্ৰীমান্ দুৰ্গাৰাম মজুমদাৰ, ৩। শ্ৰীযুত দৈবমল্ল বৰুৱা (মামা), ৪। শ্ৰীমান যমুনাচন্দ্ৰ বৰুৱা, ৫। শ্ৰীমান কালীৰাম মজুমদাৰ, ৬। শ্ৰীমান মহীচন্দ্ৰ বৰুৱা, ৭। শ্ৰীমান মহেশ্চন্দ্ৰ বৰুৱা, ৮। শ্ৰীমান দমনচন্দ্ৰ বৰুৱা, ৯। শ্ৰীমান কালীৰাম চৌধুৰী (ভাগিন) এই নওজন গৈছিল। শ্ৰীমান্ জিনাৰাম বাপুৰ জ্বৰ হৈ বৰযাত্ৰী হব নোৱাৰিলে। হাতীৰ অভাৱত খোজ কাঢ়ি যোৱা বৰযাত্ৰী হৈছিল :—মুকুন্দ চন্দ্ৰ বৰুৱা, ভৈৰৱচন্দ্ৰ বৰুৱা, ভেবলুৰাম চৌধুৰী, ৰাজিৰাম মজুমদাৰ, দত্তৰাম ডেকা, কানুমল ডেকা, আনন্দৰাম ডেকা, আদিতৰাম ডেকা, বিদিতৰাম ডেকা, গৰ্গৰাম ডেকা (মবোৱা), শৰৎচন্দ্ৰ বৰুৱা। চান্দকুছিৰ পৰা শ্ৰীযুত ভৃগুমল্ল বৰুৱা (মামা) আৰু শ্ৰীযুত ভাগ্যমল্ল বৰুৱা হাতীত উঠি বিয়াৰ দিনা বিবাহ মণ্ডপত উপস্থিত হৈছিল। ভদ্ৰেতৰ আৰু ৰায়তন ভদ্ৰলোক মিলি প্ৰায় ৪০০ জন বৰযাত্ৰী হৈছিল। নাগাৰকুছিৰ পথাৰত যেতিয়া বৰযাত্ৰী থোপ লাগে তেতিয়া লোকে লোকাৰণ্য। কালাগৰ ভথেলী চোৱা মানুহতকৈও বেচি মানুহ জমা হৈছিল বুলি অনুমান হয়।

বিয়াৰ আগদিনা ৰাওনা হৈ সৰ্থেবাৰিত ৰাতি থপিম বুলি সেই আড্ডালৈ ১৩ বৈহাগ তাৰিখে নাৰেৰে ৪০০ মানুহৰ তিনি বেলাৰ খোৰাক পঠিয়াইছিলোঁ। ১৫ বৈহাগ ৰবিবাৰে বাহৰৰ তত্ত্বাৱধায়ক ৰূপে মধুৰাম মজুমদাৰ আৰু তেওঁৰ সহায়কৰূপে শ্ৰীধৰচন্দ্ৰ বৰুৱাক পঠিয়াইছিলোঁ। ঈশ্বৰৰ কৃপাত আমি সদলবলে জিৰণিৰ ঠাই পালোঁ ৰাতি ৯টাত। সৰ্থেবাৰীৰ এক মাইল মান পুবে পাল্লা গাওঁত সোমাওঁতে এজাক বৰষুণ আহিছিল। সৌভাগ্যক্ৰমে তাতে এখন শূন্য পঢ়াশালী আৰু ছাত্ৰাবাস পোৱাত কেৱে নিতিজিল। পাঁচ মিনিট মানৰ পিচতে বৰষুণ এৰাত পুনঃ যাত্ৰা কৰিছিলোঁ। ই কি ঈশ্বৰৰ কম অনুগ্ৰহ! কিন্তু সৰ্থেবাৰীৰ নিৰ্দ্দিষ্ট ঘৰত আমি সোমোৱা মাত্ৰে মুষলধাৰে বৰষুণ আৰম্ভ হল। এই বৰষুণ পিচদিনা

দুটা বজাত হে থামিল। এই বৰষুণে আমাক বাটত পোৱা হলে কেনেকুৱা কষ্ট হল হয় সেই কথা ভাবিলেও গা শিয়ঁৰি উঠে। যি হওক, খোৱা-লোৱাত কাৰো অসুবিধা নহল।

সৰ্থেবাৰীৰ ৰাইজে আমাক যথোচিত অভ্যৰ্থনা কৰিছিল। আমি থাকিবলৈ এটি প্ৰকাণ্ড নামঘৰ নিৰ্দ্দিষ্ট কৰিছিল। চন্দ্ৰাতপ, সতৰঞ্চি আৰু পোহৰৰ ব্যৱস্থাও কৰিছিল। পৰৰ কাৰণে যে ইমান কষ্ট স্বীকাৰ কৰিছে ই কম কথা নহয়। সঁচাকৈ তেওঁলোক ধন্যবাদৰ পাত্ৰ। ১৮ বৈহাগত বিয়াৰ দিন ধাৰ্য্য হৈছিল। আগবেলা বৰষুণৰ ভিতৰতে বৰযাত্ৰী খাই-বৈ ললে। কিন্তু সেই বৰষুণত বৰপেটালৈ কেনেকৈ যোৱা যাব তাকে সকলোৱে ভাবি অস্থিৰ। ঈশ্বৰৰ অনুগ্ৰহত দুটা বজাৰ পৰা আকাশ নিৰ্ম্মল হৈ বৰষুণ এৰিলে। আমিও যাত্ৰা কৰিবৰ যোগাৰ কৰিলোঁ। সৰ্থেবাৰীৰ ৰাইজ থোপ লাগি বৰযাত্ৰী চালে আৰু বৰক এযোৰ কঁাহৰ বাচন উপঢৌকন দিলে। তেওঁলোককো যথাযোগ্য ধন্যবাদ দি আমি আগ বাঢ়িলোঁ। অলপ দূৰ গৈয়ে কইনা-ঘৰৰ পৰা পঠোৱা নিমন্ত্ৰণপত্ৰ পালোঁ।

সন্ধ্যাৰ ঠিক আগতে আমি বৰপেটাৰ নথান্দাৰ ঘাটত উপস্থিত হলোঁ। ঘাটোৱাল কিন্তু বৰ উতঙ্গৰ—৪০৲ টকা নাপালে বোলে আমাক পাৰকে নকৰে। তাৰ কথা শুনি আমি আচৰিত হলোঁ। বহু বাদানুবাদ কৰি চৰকাৰী নিৰিখ মতে মানুহ গন্তি কৰি এক অনা হিচাবে পইছা দি পাৰ হলোঁ। বৰযাত্ৰীৰ পৰা থোপতে পইছা লোৱা ৰীতি এই দেশত আছে। কিন্তু ই এনেদৰে অদ্ভুত কথা কোৱাৰ অৰ্থ নুবুজিলোঁ। ঘাটোৱালৰ অভংকথা শুনি জোৰ কৰি পাৰ হবৰ ইচ্ছা হৈছিল, কিন্তু শুভকাৰ্য্যত বাদ-বিসম্বাদ শ্ৰেয় নহয় বুলি ভাবি আৰু বন্ধু-বান্ধবেো সেয়ে ইচ্ছা জানি তেনে নকৰিলোঁ। কিন্তু তাৰ অভংকথাৰ উত্তৰ স্বৰূপে ফিৰিবৰ সময়ত জোৰ কৰি পাৰ হৈ যাবৰ মনস্থ কৰিলোঁ।

ঘাট পাৰ হোৱা অবধি বেগেৰে বতাহ ববলৈ ধৰিলে। ববষুণ হব বুলি বৰ ভয় লাগিল। কিন্তু ঈশ্বৰৰ ইচ্ছাত তেতিয়া কিয়, গোটেই ৰাতিৰ ভিতৰতেই ববষুণ নাহিল। বৰপেটাত যে কিমান মানুহ জমা হৈছিল তাক স্থিৰ কৰা টান। অতি কষ্টেৰেহে বৰযাত্ৰী আগবাঢ়িবলৈ সক্ষম হৈছিল। সকলোৱে বৰ চাবৰ বাবে উৎসুক, কিন্তু খাৰ-বাৰুদৰ শব্দ আৰু সমবেত লোকৰ হেঁচা-ঠেলাত তেতিয়া মহা কোলাহলৰ সৃষ্টি হৈছে। আকাশত চন্দ্ৰোদয় হৈছে, ইফালে বৰযাত্ৰীৰ হাতে হাতে মহলা—এই সকলো মিলি খুব মনোৰম দৃশ্যই হৈছিল।

আমি নিৰাপদে বিয়া মণ্ডপত উপস্থিত হলোঁ। মণ্ডপ সুদৃশ্য ভাবে সজোৱা হৈছিল। ববষুণ হবৰ আশঙ্কাত শ্বশুৰ মহাশয়ে খৰধৰ কৰি বৰ বৰণ কৰি কন্যা সম্প্ৰদানৰ উদ্যোগ কৰিলে। বৰযাত্ৰী ভদ্ৰলোকৰ কাৰণে অন্য এটি ঘৰ সজাই থৈছিল আৰু তাৰ তত্ত্বাবধান কৰিবলৈ শ্বশুৰ মহাশয়ৰ অগ্ৰজে ভাৰ লৈছিল। কিন্তু তেওঁৰ অমনোযোগিতাৰ বাবে আগন্তুক বৰযাত্ৰী সকলৰ যথাৰীতি সমাদৰ নহল। আনকি তেওঁলোক কোন ফালে বহিব তাকে বুজিব পাৰা নাছিল। শেষত শ্ৰীমান্ কালীৰাম মজুমদাৰে মিঃ নেথান চন্দ্ৰ ৰায়ক সুধিহে নিৰ্দ্দিষ্ট স্থান ঠিক কৰিব পাৰিছিল। আচলতে শ্বশুৰ মহাশয়ৰ অগ্ৰজ শ্ৰীযুক্ত পৰমানন্দ চৌধুৰী (তহছিলদাৰ) মোক বৰৰূপে পছন্দ কৰা নাছিল। আৰু তেওঁৰ ভ্ৰাতৃষ্পুত্ৰীক মোলৈ সম্প্ৰদান কৰাত তেওঁ নাৰাজো আছিল; অথচ মুখ ফুটাই কোনো কথা কবও নোৱাৰিলে। বোধকৰো নিম্নোক্ত কাৰণে এই সম্বন্ধ তেওঁৰ মনঃপুত হোৱা নাছিল—(১) প্ৰায় ১৫।১৬ বছৰ পূৰ্ব্বে তেওঁৰ কন্যা এটি মোলৈ দিবৰ মন কৰি মাতৃদেৱীলৈ চিঠি লেখিছিল। তেতিয়া মই পথৰ ভিখাৰী। গতিকে তেতিয়া মাতৃদেৱীয়ে মোৰ বিয়াৰ কথা ভাবিবই নোৱাৰিছিল দেখি সেই প্ৰস্তাৱত সম্মতি দিব নোৱাৰিলে;

(২) মই বৰ্ত্তমানেও গৰীব। তদুপৰি দুৰৈৰ পৰা হয়তো শুনিছে যে মই এজন চৰিত্ৰহীন ডকাইত। মোৰ বৰ্ত্তমানেও কোনো সম্পত্তি নাই। (৩) মই বিদ্যাহীন, কাটক খালাচী। (৪) যিহেতু মই নিঃসম্বল, সেই হেতু তেওঁৰ কনিষ্ঠ সহোদৰে মিছাতে খৰচ-পত্ৰ কৰি কন্যা বিয়া দি ভৱিষ্যতলৈও এটা গলগ্ৰহহে চপাই লব, ইত্যাদি।

মই কি প্ৰকাৰৰ লোক, মোৰ বৰ্ত্তমান অৱস্থা কেনে, অথবা মই যে প্ৰতিপত্তিৰে সৈতে স্বস্থানত বাস কৰিবলৈ সমৰ্থ হৈছোঁ এই বিলাক কথা নিলগৰ পৰা তেওঁ কেনেকৈ জানিব? গতিকে এই সম্বন্ধত তেওঁ নাৰাজ হোৱা স্বাভাৱিক। তেওঁৰ ভ্ৰাতুষ্পুত্ৰীক দুখীয়া হলেও কামৰূপৰ এঘৰ উচ্চতম প্ৰাচীন বংশৰ সন্তানত সম্প্ৰদান কৰাত অলপ ঈৰ্ষাও হব পাৰে। * * *

মই কেনেকুৱা মানুহ সেই কথা শ্বশুৰ মহাশয়ে হলে ভালদৰে জানে। ১৮৮৯ খৃষ্টাব্দৰ (১২৯৬ চন) জুন মাহত বৰমা থানাত তেওঁৰ লগত মোৰ প্ৰথম পৰিচয় হয়। তদবধি মোৰ সমস্ত বৃত্তান্ত তেওঁ পুঙ্খানুপুঙ্খ ৰূপে জানে। তেওঁৰ কৰ্ম্মস্থল নলবাৰীতে তেওঁ প্ৰায় থাকে। তাতে বহুবাৰ একেলগে থাকি তেওঁৰ ব্যৱহাৰত মই মুগ্ধ হৈছোঁ। তেতিয়াৰে পৰা তেওঁ মোক স্নেহ-চকুৰে চাইছে আৰু মোৰ বুদ্ধি-বৃত্তিৰো পৰিচয় পাইছে। সেই সময়ৰে পৰা তেওঁ আমাৰ ঘৰত যাতায়াতো কৰিছে আৰু আমাৰ ঘৰ খনৰো সম্যক পৰিচয় পাইছে। তেওঁ ভালদৰে বুজিছিল যে সম্প্ৰতি দুখত পৰিলেও এই অঞ্চলত আমাৰ মান-মৰ্য্যাদা আৰু প্ৰতিপত্তি যথেষ্ট ৰকমে আছে। দৈব-দুৰ্বিপাকত মই যদিও বিদ্যা শিক্ষা কৰিব নোৱাৰিলোঁ সেইটো মোৰ দোষত ঘটা নাই বুলিও বুজিছে। যি হওক, মই কোনো প্ৰকাৰৰ অৱলম্বন পালে যে সংসাৰত ভদ্ৰভাৱে জীৱন যাপন কৰিব পাৰিম এইটো তেওঁৰ দৃঢ় বিশ্বাস আৰু এনেকুৱা বিশ্বাসৰ বশৱৰ্ত্তী হৈহে মোক কন্যা সম্প্ৰদান কৰিবলৈ

ইতৰতঃ কথা নাই বোধ হয়। তেওঁ এইটোক জন্মিব পাৰে যে তেওঁৰ দুহিতা অৰ্পণ কৰি কামৰূপৰ প্ৰাচীন উচ্চ বংশজাত—ইদানীং অধঃপতিত ভদ্ৰসন্তান এটিৰ যদি অলপো উন্নতি সাধন কৰিব পাৰে তেন্তে তেওঁ নিশ্চয় যশস্বী হব; বিশেষতঃ আমি পূৰ্ব্বৰ কুটুম (শ্বশুৰ মহাশয়ৰ পেহীয়েক মোৰ বিমাতা)। তেওঁ যেনে উচ্চ মেজাজৰ লোক তেওঁৰ কল্পনাও তদনুৰূপ। মুঠতে আমি পৰস্পৰে শ্বশুৰ আৰু জামাতৃ লাভ কৰি সুখী হৈছিলোঁ। ধনবান বুলি মই তেওঁক প্ৰশংসা কৰা নাই—তেওঁৰ দৰে মেজাজ বিশিষ্ট লোক মই কামৰূপবাসীৰ ভিতৰত দেখা নাই। দয়াময়! তোমাৰ ইচ্ছাতেই সকলো ঘটিছে।

মঙ্গলময় ঈশ্বৰৰ ইচ্ছাত নিৰ্ব্বিঘ্নে বিয়া হৈ গল। ভদ্ৰাভদ্ৰ সকলো বৰযাত্ৰী ৰাতি আহাৰ নিদ্ৰা কৰিবৰ সুবিধা পাইছিল। পিচদিনা (১৯ বৈহাগ) বৰযাত্ৰী সকলক জলপান কৰিবলৈ অনুৰোধ কৰিলে। ভদ্ৰলোক কেইজনৰ বাহিৰে আন সকলোৱে তৃপ্তিৰে সৈতে জলপান কৰিলে। বাটৰ বাবে সকলো বৰযাত্ৰীৰ যোথাৰে খাদ্যদ্ৰব্য লগত দিলে। উৎকৃষ্ট দৈ, গুৰ, ক্ষীৰ আদি পাই বৰযাত্ৰী সকলে খাদ্য-সামগ্ৰীৰ প্ৰশংসা কৰিলে। ৰাতি-পুৱাৰ পৰা বৰষুণ আৰম্ভ হ'ল। আমি সেই বতৰতে ফিৰিবৰ আয়োজন কৰিলোঁ। শ্বশুৰ-গৃহৰ ভিতৰলৈ গৈ সন্মানযোগ্য সকলোকে যথাযোগ্য সন্মান কৰি নিঃসঙ্কোচে শ্বশুৰ মহাশয়ৰ মাতৃদেবীৰ লগত কথা পাতি তেওঁৰ আশীৰ্ব্বাদ লৈ ১০টা বজাত ৰাওনা হলোঁ। যৌতুকৰ বস্ত্ৰ-বাহানি নাৱেৰে ঘৰলৈ পঠালোঁ। প্ৰথমতে নথান্দা বাটৰ খাটুঁৱৈৰ গল নিশাৰ অসৎ আচৰণৰ বাবে পইছা নিদিয়াকৈ বল কৰি পাৰ হলোঁ। ম'ৰধুলিৰ ৰাতিত সকলোৱে স্নানাহাৰ কৰিলোঁ। আমি যাত্ৰা কৰাৰ ১৫ মিনিট পিচতে বৰষুণ এৰা দেখি আজিয়ে কমাৰকুছি পাবহি বুলি মন কৰিলোঁ। এনেকুৱা কৰি আমি কিন্তু ভয়ানক কষ্ট ভুগিলোঁ।

আকাশ পৰিষ্কাৰ দেখি সৰ্ব্বেবাৰীৰ ৰাজ্যাত গোবাকীৰ যোগাৰ থকা স্বত্বেও এইৰূপ অসহ্য কৰিলোঁ। সৰ্ব্বেবাৰী এৰি ২।৩ মাইল মান আহোঁতেই খাবাসাৰে বৰষুণ আহিল। বৰযাত্ৰী হ'তে ত'তে সোমাই সেই ৰাতি কটালে। আমি ভদ্ৰলোক খিনি কইনাৰে সৈতে এখন গাওঁ সোমাই তাৰে নামঘৰত আশ্ৰয় ললোঁ। ৰাতিটো আমাৰ উপবাসে কাটিল। পাকীৰ ভিতৰত জলপানৰ যোগাৰ আছিল বুলি কইনা লঘোন নপৰিল। কইনা অসুস্থকায়া হলেও নিৰাপদে থাকিবৰ সুবিধা হল।

পিচ দিনা (২০ বৈহাগ শুক্ৰবাৰ) সকলোৱে বৰষুণত তিতি-বুৰি ১১টা বজাত ঘৰ পালোঁ। বৰষুণ তেতিয়াও এৰা নাছিল। যি হওক, এনেকুৱা নিঃস্ব অবস্থাতো যে কন্যা গ্ৰহণ কৰি নিৰাপদে ঘৰ পালোঁহি সেই বাবে মঙ্গলময় পৰমেশ্বৰক শত সহস্ৰ ধন্যবাদ জনালোঁ। সঁচাকৈ তেওঁৰ ইচ্ছাতেহে মোৰ বিয়াৰ কাৰ্য্য সুচাৰুৰূপে সম্পন্ন হৈছে। ভগৱন্তৰ কৃপাদৃষ্টি দেখি অতিকৈ আনন্দিত হলোঁ। মোৰ এই দুৰৱস্থাত যে বিয়া পাতিব পাৰিম ই স্বপ্নৰো অগোচৰ। দয়াময়! তোমাৰ ইচ্ছা বা উদ্দেশ্য আমি ক্ষুদ্ৰমতি মানুহে কি বুজিম?

বিয়াৰ নদিনৰ দিনা (২৬ বৈহাগ বৃহস্পতিবাৰ) কইনাক পিতৃগৃহলৈ পঠিওৱা হল। পাকীত অসুবিধা বুলি নৌকাযোগে পঠিয়ালোঁ। আমাৰ ঘৰত থকা কেইদিনত কইনা-চোৱা মানুহৰ সংখ্যা নিৰ্দ্ধাৰিত কৰা দুৰূহ। মানুহক দিনে ৰাতি কইনা দেখুৱাই ভত পোৱা নাছিল।

কইনাৰ ৰূপ মোৰ ৰুচিবিৰুদ্ধ নহয়। উজ্জ্বল গৌৰবৰ্ণ, অঙ্গ-প্ৰত্যঙ্গ ভদ্ৰলোকৰ অনুৰূপ, আকৃতিও খৰ্ব্ব নহয়। বয়সৰ তুলনাত কিছু ডাঙৰ আকৃতি বিশিষ্টা—স্বৰ কোমল। চুলিৰ আগডাল ঈষৎ পিঙ্গলবৰ্ণ—এইটোৱেই মোৰ অপছন্দ। দয়াময়! মোক ৰূপ নালাগে, লাগে গুণ। ৰূপৰ মোহ ক্ষণেকীয়া, কিন্তু

গুণজ্ঞ ভালপোৱা স্বামী! কৰুণাময়! আমি যেন তোমাৰ পৰিচৰ্য্যা কৰি অনন্ত ধামত মিলিত হব পাৰোঁ।

মই মোৰ সহধৰ্ম্মিণীৰ লগত দুইদিন সাক্ষাৎ কৰি প্ৰায় দুইদণ্ড সময় কথাবাৰ্ত্তা পাতিছিলোঁ। মোৰ প্ৰশ্ন বোৰৰ যথাযথ উত্তৰ দিব পৰা দেখি সন্তোষ পাইছিলোঁ। প্ৰথমতে বৰকৈ লাজ কৰিলেও মোৰ উপদেশ অনুযায়ী অযথা লজ্জা পৰিত্যাগ কৰিবলৈ যত্নবতী হৈছিল। চিঠিপত্ৰ লেখিব নোৱাৰে শুনি দুঃখ পাইছিলোঁ। মিছা লাজ এৰি কথাবাৰ্ত্তা হৈ যি বুজিছিলোঁ, ঈশ্বৰে বঞ্চিৎ নকৰিলে মোৰ আশানুৰূপ গৃহিণী হব বুলি আশা কৰোঁ। বিয়াৰ কইনাই এইদৰে নিঃসঙ্কোচে মোৰ লগত কথাবাৰ্ত্তা কৰ পাৰিব বুলি ভৰষা হোৱা নাছিল। তেওঁৰ ব্যৱহাৰত সেই ধাৰণা গুচিল আৰু তেওঁক উপযুক্তা বুদ্ধিমতী বুলি বোধ হৈ পৰিতৃপ্ত হলোঁ।

এইদৰে স্বাধীন ভাবে আলাপ আলোচনা কৰা দেখি সৰ্ব্বসাধাৰণে মোক নিতান্ত লজ্জাহীন বুলি স্থিৰ কৰিছে আৰু মোৰ অসাক্ষাতে অকৰণীয় কাৰ্য্য কৰা বুলি নিন্দা কৰিবও এৰা নাই। মই তেওঁবিলাকৰ কুসংস্কাৰপূৰ্ণ আলোচনাত কিন্তু ভ্ৰূক্ষেপ কৰা নাই। মই চিন্তা কৰি চাই বুজিছোঁ যে মোৰ ধৰ্ম্মপত্নীৰ লগত কথা পাতা, নিশ্চয় ধৰ্ম্ম-বিৰুদ্ধ কাৰ্য্য হয় নাই। মই কুপ্ৰবৃত্তি চৰিতাৰ্থ কৰিবলৈ তেওঁৰ লগত দেখা সাক্ষাৎ কৰা নাই। অন্য মানুহক দেখুৱাবৰ সময়ত মই তেওঁক দেখিলেও তেওঁ মোক দেখিবৰ সুবিধা পোৱা নাছিল—তদুপৰি মোৰ বিবাহিতা স্ত্ৰীক ধৰ্ম্ম-কৰ্ম্মৰ উপদেশ দিয়া মোৰ পক্ষে সৰ্ব্বতোভাবে কৰ্ত্তব্য বুলি ভাবোঁ। তেওঁলো কাৰ হাতত পৰিছে—সেই মানুহ জন কেনে বিধৰ—যাৰে সৈতে আজীৱন কাটাব লাগিব—যাক আৰাধ্য দেৱতা জানে চিৰকাল বন্দিব লাগিব, সেইজন মানুহক এবাৰ চকু তুলি চোৱাও কি পাপ? সেই জনৰ প্ৰিয় সম্ভাষণ শুনি তেওঁৰ কথাৰ উত্তৰ দিয়াতো

লজ্জাহীনতা ? মই অন্ততঃ এই কথা মানিব নোৱাৰোঁ। দেশৰ প্ৰচলিত নিয়মৰ অধীন হৈ স্ত্ৰীৰ লগত ব্যৱহাৰ কৰিব মই তেনেই অনিচ্ছুক। নিজৰ বিবেকৰ দ্বাৰা পৰিচালিত হৈ যথাযথ ব্যৱহাৰ কৰিম, তাতে ইচ্ছাময়ৰ যি ইচ্ছা সেয়ে হব।

মই তেওঁক কেইটিমান সাৰুৱা কথা কৈছিলোঁ :— (১) তেওঁ পিতা-মাতাৰ আজ্ঞানুবৰ্ত্তিনী হলেও, এতিয়া তেওঁলোকৰ দ্বাৰাই মোত সমৰ্পিত হৈছে, গতিকে এতিয়া তেওঁ সম্পূৰ্ণৰূপে মোৰহে অধীনা। এতিয়া মোৰ পৰিতোষ সাধনহে তেওঁৰ জীৱনৰ ব্ৰত হোৱা উচিত। মই যেতিয়া মোৰ মাতৃৰ আজ্ঞাধীন আৰু ধৰ্ম্মতঃ তেওঁৰ শুশ্ৰূষাই মোৰ প্ৰধান কৰ্ত্তব্য, তেতিয়া তেওঁও মোৰ মাতৃদেৱীৰ প্ৰতি সেই ভাবযুক্তা হোৱা আৱশ্যক।

(২) ঈশ্বৰ যে আমাৰ নিত্য উপাস্য বস্তু সেই কথাও মই সহজ সৰল ভাবে বুজাবৰ চেষ্টা কৰিছোঁ। দেশ-প্ৰচলিত নিয়মে গুৰু সমীপ নহলেও লোক-লজ্জা এৰি প্ৰত্যহ অন্ততঃ এবাৰ ঈশ্বৰৰ নাম জপ কৰা উচিত। দিনটোৰ ভিতৰত যাতে এবাৰো ঈশ্বৰক স্মৰণ কৰে এয়ে মোৰ অনুৰোধ।

(৩) বিদ্যাশিক্ষা নকৰিলে জ্ঞানাৰ্জ্জন কৰা সুকঠিন। জ্ঞান নহলে ভগৱন্তক জানিব নোৱাৰি আৰু ভগৱন্তক জানিব নোৱাৰিলে ব্যৱহাৰিক কোনো কাৰ্য্যই সুসম্পন্ন নহয়। অতএব কি স্ত্ৰী, কি পুৰুষ সকলোৱে বিদ্যা শিক্ষাৰ প্ৰতি অমনোযোগী নহৈ জাগ্ৰত সময়ৰ এক-তৃতীয়াংশ বিদ্যা শিক্ষাত লগাব লাগে। এয়ে মোৰ অপৰ অনুৰোধ।

তেওঁ মোৰ আটাইকেইটি অনুৰোধ ৰাখিবলৈ যত্নৱতী হব বুলি প্ৰতিশ্ৰুতা হোৱাত নথৈ সুখ পাইছিলোঁ। ইয়াৰ বাহিৰেও অন্যান্য বহু বিষয়ক সদুপদেশ দিছিলোঁ। তেওঁও সেই সকল উপদেশ যথাসাধ্য পালিব বুলি কথা দিছিল। ভগবান! তুমি তেওঁৰ হৃদয়ত প্ৰবেশ কৰি, যাতে তেওঁ তোমাক জানিব পাৰে তাৰ উপায়

কৰা যেন—এয়ে প্ৰাৰ্থনা। তুমি জীৱক সৎপথত নচলালে কোনেও নিজৰ ইচ্ছাত বা চেষ্টাত সৎ হব নোৱাৰে। তুমি তেওঁৰ অন্তৰত বিবেক জ্ঞান প্ৰজ্জ্বলিত কৰি দয়াৱতী, পৰোপকাৰিণী প্ৰভৃতি গুণেৰে ভূষিতা কৰি মোৰ লগত মিলিত কৰা। সংসাৰত অশেষ যন্ত্ৰণা ভোগ কৰিছোঁ, কিন্তু দীননাথ! ভাৰ্য্যাক যেন 'মনোবৃত্তানুসাৰিণী' কৰা। অন্য আশা পূৰণ নকৰিলেও ইয়াৰ পৰা যেন বঞ্চিত নকৰা। জয় জগদীশ, তোমাৰ ইচ্ছা পূৰ্ণ হওক। ওঁ শান্তিঃ।

বিয়াৰ মুঠ খৰচ আন্তোপান্তে ৩১৮৫॥৶

খৃষ্টাব্দ ১৮৯৬, চন ১৩০৩ বৈহাগ।

মঙ্গলময় পৰম-পিতা ঈশ্বৰৰ কি কৰুণা অথবা কি ইচ্ছা আমি ক্ষুদ্ৰমতি মানৱে কি বুজিম! মোৰ সহধৰ্ম্মিণীৰ বয়স এতিয়া (১৩০৩ চনৰ আহিন) ১০ বছৰ ৯ মাহ মাত্ৰ। যোৰা দুই বছৰে নৰিয়া পৰি শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ সকল পুষ্ট হব পাৰা নাই; কিন্তু এই সময়তে তেওঁৰ কন্যাকাল উপস্থিত হল। বৰ অভাবনীয় সংবাদ। দুই তিনি বছৰ পিচত হে তেওঁ ঋতুমতী হব বুলি ভাবিছিলোঁ। দয়াময়! তুমি জীৱৰ কল্যাণৰ হকে হে সকলো কাৰ্য্য সংঘটন কৰা। তোমাৰ সকলো তত্ত্ব হৃদয়ঙ্গম নহলেও বৰ্ত্তমান ঘটনা যে মোৰ দৰে নৰাধমৰ মঙ্গলৰ নিমিত্তে সাধিত হৈছে ই নিশ্চয়। হতভাগাৰ চিত্ত নিতান্ত চঞ্চল। কিজানি পুনঃ কুপথে ধাবমান হওঁ এই ভাবিয়ে বোধ হয় শীঘ্ৰে সহধৰ্ম্মিণীৰে সৈতে মিলন কৰিবৰ উদ্দেশ্যে বোধ হয় পৰমেশ্বৰৰ এই ব্যৱস্থা। অন্যথায় ধৰ্ম্ম পথত অৱস্থান কৰা অতীব কঠিন।

বৰ্ত্তমান ১৩০৩ চনৰ ১৮ আহিন শনিবাৰে সহধৰ্ম্মিণীৰ কন্যাকাল উপস্থিত হৈছে। আক অহা কাতি মাহত হাইকোৰ্টৰ মোকৰ্দ্দমাৰ নিমিত্তে কলিকতাকৈ যাম বুলি স্থিৰ কৰিছোঁ।

মাতাসকুৰাণীয়ো ইচ্ছা দেয়ে। কিন্তু আমাৰ ইচ্ছা হলে হব কি? ইচ্ছাময়ৰ ইচ্ছা যে সৰ্ব্বপ্ৰধান, গতিকে তেওঁৰ ইচ্ছা হে পূৰ্ণ হল।

৺শাৰদীয় পূজাৰ ভিতৰতে শ্বশুৰ মহাশয়ৰ পত্ৰ পাই অৱগত হলোঁ। যে মই কলিকতালৈ যোৱাৰ পূৰ্ব্বেই শান্তি লোৱাৰ আৱশ্যক। তেওঁবিলাকৰ দস্তুৰ অনুযায়ী কন্যা ঋতুমতী হৈ শান্তি বিবাহ সমাধা নোহোৱা পৰ্য্যন্ত হবিষ্যান্ন খাই দিন নিয়াব লাগে। আমাৰ স্থানীয় পণ্ডিতসবক সুধিও জানিব পাৰিলোঁ। যে ই শাস্ত্ৰীয় নিয়ম। এতেকে মিছাতে তিকতাক কষ্ট দিয়া নিষ্প্ৰয়োজন বোধে বাধ্য হৈ আগামী কাতি মাহৰ ২২ তাৰিখ শুক্ৰবাৰে শান্তি বিয়াৰ দিন স্থিৰ কৰিলোঁ। বিশেষকৈ শ্বশুৰ মহাশয়েও অনুনয় কৰি পত্ৰ লেখিছে যে তেওঁলোকে মাছে-ভাতে খাই থাকিব অথচ তেওঁৰ কুমলীয়া কন্যাই হবিষ্যান্ন খাই থাকিব লাগিব, এই দৃশ্য তেওঁলোকৰ অসহনীয়। খৰচৰ নাটনি হলেও কোনোৰূপে ২০০৲ টকা ব্যয় কৰি শান্তি বিয়া সমাধা কৰা হল।

দুৰ্ভাগ্যবশতঃ শান্তি বিয়াৰ দিনা সহধৰ্ম্মিণীৰ চন্দ্ৰহাৰৰ ধুক-ধুকীটি (৪০৲ টকা মূল্যৰ) মানুহৰ ঠেলাঠেলিত হেৰাই গল। শ্ৰীমন্ত চন্দ্ৰই সেইটি পাইও প্ৰত্যৰ্পণ নকৰিলে। সহধৰ্ম্মিণীৰ লগত সাক্ষাৎ কৰি জানিলোঁ। যে তেওঁ ইতিমধ্যে কিছু লেখাপঢ়া শিকিছে। বোধোদয় প্ৰভৃতি সহজ পুস্তক পঢ়িব আৰু কোনো গতিকে চিঠিও লেখিব পৰা হৈছে।

দয়াময়, তোমাৰ ওচৰত এইমাত্ৰ ভিক্ষা যেন তেওঁ দয়াৱতী আৰু জ্ঞানৱতী হয়। অসূয়া, হিংসা, স্বাৰ্থপৰতা প্ৰভৃতি কুপ্ৰবৃত্তিৰ বশীভূতা নহয় যেন। উভয়ে যেন সংসাৰ আশ্ৰমত উপযুক্ত সংসাৰী হৈ দিন যাপন কৰিব পাৰোঁ। আৰু সকলো সময়তে যেন তোমাৰ সেৱাত বিমুখ নহওঁ। নাথ। তুমি সকলোৰে নিয়ন্তা, পালিপালন কৰ্ত্তা আৰু সংহাৰ কৰ্ত্তা। সৰ্ব্বতিকালে যেন তোমাক বিস্মৰণ নহওঁ। উভয়ে এক প্ৰাণ, এক মন হৈ যেন তোমাৰ

আজ্ঞা পালন কৰিবলৈ সমৰ্থবান হওঁ, এই মাত্ৰ কামনা। তোমাৰ কৃপা হলে মোৰ স্ত্ৰী অৱশ্যে মোৰ অনুগামিনী হব। তোমাৰ যি অভিপ্ৰায় সেয়ে হওক। জয় দয়াময়ৰ ইচ্ছা। "ত্বয়া হৃষীকেশ হৃদিস্থিতেন, যথা নিযুক্তোঽস্মি তথা কৰোমি।"

পুখুৰী খান্দাৰ নিমিত্তে লোকেল বোৰ্ডৰ পৰা ৪০০৲ টকা মঞ্জুৰ হোৱা শুনি আনন্দিত হলোঁ। পানীবিলাক এতিয়া কাতি মাহতে উলিয়াই মাঘ মাহত মাটি কটা কামৰ সুবিধা হব বুলি কলিকাতা যাত্ৰা কিছুদিনলৈ স্থগিত কৰিলোঁ। আঘোন মাহৰ ৮ তাৰিখে পুখুৰীৰ পানী বাহিৰ কৰা শেষ হল। জান খান্দি পানী বাহিৰ কৰাৰ লগতে নাওৰ দাবাটিও মুকলি হ'ল। আৰু গো-বাটটিও পৰিষ্কাৰ হল। যদি মাঘ মাহত কলিকাতাৰ পৰা ঘূৰি আহিব পাৰোঁ তেন্তে আলিটোও ভাল কৰিবৰ ইচ্ছা থাকিল।

১৩০৩ চনৰ ২৪ আঘোন মঙ্গলবাৰে শ্ৰীযুত উদয়বাবু, শ্ৰীযুত সন্ধা দাদা আৰু শ্ৰীমান গোলোকচন্দ্ৰ বৰুৱাৰ লগত কলিকাতা বুলি যাত্ৰা কৰিলোঁ। আজি গুৱাহাটী ত্যাগ কৰিলোঁ। শহুৰ মহাশয় মাত্ৰ ২০০৲ টকা দিলে আৰু টকা দিব নোৱাৰে বুলি স্পষ্টকৈ কৈ দিলে। কলিকাতাৰ যাবতীয় খৰচ তেওঁ বহন কৰিব বুলি পূৰ্ব্বে ভৰসা দিয়া বাবে মই অন্তৰূপে টকাৰ সংগ্ৰহ কৰা নাছিলোঁ। এতিয়া তেওঁৰ ব্যৱহাৰত আশ্চৰ্য্যান্বিত আৰু দুঃখিত হলোঁ। কিন্তু বাধ্য হৈ সেই টকা লৈয়ে যাত্ৰা কৰিলোঁ। দয়াময়! তুমি একমাত্ৰ অৱলম্বন। তোমাৰ ইচ্ছা পূৰ্ণ হওক।

২৮ আষোলত কলিকাতাত উপস্থিত হলোঁ। উদয়বাবুৰ লগত একেলগে বাঁহা কৰি থাকিলোঁ। শ্ৰীযুত হৰেকৃষ্ণ দাসৰ সহায়ত সন্ধ্যা দাদাক কোনো মতে মেডিকেল কলেজ হাচপাতালত ভৰ্ত্তি কৰি দিলোঁ। ৺শ্যামৰায় ঠাকুৰৰ গহনা বন্ধক দি শ্ৰীযুত কালীচৰণবাবুই ২০০৲ পঠাইছে। জিনাৰাম বাপুইও মোৰ কথা মতে বুৰিনগৰৰ খাজানা আদায় কৰি ১০০৲ পঠাইছে। বৃন্দানাথেও ৪০৲ পঠাইছে।

গুৱাহাটীৰ উকীল ৰামদাসবাবুৰ কুটুম শ্ৰীযুত ৰামনাথ মুক্তিৰ সহায়ত কলিকাতাৰ খ্যাতনামা উকীল শ্ৰীযুত শ্ৰীনাথবাবুক আমাৰ পক্ষে উকীল নিযুক্ত কৰিলোঁ। ২০০৲ টকা বায়না দিয়া হল আৰু মহৰাৰ গুৰুচৰণবাবুক ২০৲ টকা ঘুষ দিয়া হল।

১৫ ফাগুন বৃহস্পতিবাৰ পৰ্য্যন্ত কলিকাতাত অপেক্ষা কৰিলোঁ. তথাপি মোকদ্দমাৰ নিষ্পত্তি নহল। ৺দোলোৎসৱৰ বাবে দিন ছুটি হৈ আহা দেখি আৰু খৰচো নাইকিয়া হোৱা দেখি উক্ত দিনা গধুলি কলিকাতা ত্যাগ কৰিলোঁ। সন্ধ্যা দাদাক মাঘৰ দোমাহীৰ পূৰ্ব্বেই ঘৰলৈ পঠাইছোঁ। আমি ১৯ ফাগুন সোমবাৰে গৌহাটীত উপস্থিত হলোঁ।

অসমীয়া ভাষা স্বতন্ত্ৰভাবে চলাবৰ মোৰ ইচ্ছা নাছিল। কলিকাতাত শ্ৰীযুত জয়কৃষ্ণ দাসেও মোৰ মতত মত দিছিল। কিন্তু তেওঁৰ কনিষ্ঠ ভায়েক শ্ৰীযুত হৰেকৃষ্ণ দাসেৰে সৈতে তৰ্ক-বিতৰ্ক কৰি পূৰ্ব্বৰ মত পৰিবৰ্ত্তন কৰিলোঁ। অসমীয়া ভাষা স্বতন্ত্ৰভাবে চলিব লাগে বুলি ধাৰণা কৰিব পাৰিলোঁ। কলিকাতাবাসী সকলৰ কথা-বাৰ্ত্তা আচাৰ-ব্যৱহাৰ আদি দেখিও হৃদয়ঙ্গম হল যে অসমীয়া ভাষা পৃথকভাবে বলবৎ হোৱা উচিত।

ঘৰত উপস্থিত হৈ দেখিলোঁ যে পুথুৰীৰ কাৰ্য্য অলপ আৰম্ভ হৈছে। শ্ৰীযুত শহুৰ মহাশয়ৰ মুখে শুনিলোঁ যে ৩১ মাৰ্চ্চৰ

ভিতৰত যি কাম কৰা হয় তাৰে টকাহে পোৱা যাব। যদি টকাৰ কাম বাকী থাকে সেই টকা দুৰ্ভিক্ষ 'ফাণ্ড' জমা হব বুলি আসাম গৱৰ্ণমেণ্টে চাৰ্কুলাৰ দিছে। দৌলৰ উহল-মুহলতে আৰু যেটি কাম কৰাব নোৱাৰিলোঁ। ৮দৌলৰ পিচত বৰষুণ আৰম্ভ হোৱাত মাটি কটা কাম বন্ধ হৈ গল। প্ৰায় ২০,০০০ ঘন ফুট মাত্ৰ মাটি কাটোৱা হল আৰু তাৰে হে টকা পালোঁ। বাকী টকা এনেয়ে বৰবাদ গল।

২৫ ফাগুন ৰবিবাৰে গুৱাহাটীৰ পত্ৰ পাই জানিলোঁ যে শ্ৰীযুক্তা পদ্মাৱতী বৰুৱানীৰ উপৰত্ত কৰা মোকদ্দমা ভিন্ন আন সকলো মোকদ্দমাতে জয়লাভ কৰিছোঁ। উপস্বত্বও ডিক্ৰি হৈছে। কেৱল কি পৰিমাণে উপস্বত্ব পাম সেইটো মীমাংসা কৰিবৰ বাবে হাইকোৰ্টে নিম্ন আদালতক আদেশ দিছে। ঈশ্বৰৰ ইচ্ছাৰ তত্ত্ব একোকে বুজিব নোৱাৰি। মই ক্ৰমাগত তিনি মাহ কলিকাতাত অপেক্ষা কৰিও মোকদ্দমাৰ নিষ্পত্তি দেখি সুখ মনে কলিকাতাৰ পাৰা আছিৰ পাৰা নাছিলোঁ; অথচ ঘৰপোৱা মাত্ৰেই মোকদ্দমাত জয়যুক্ত হোৱা সংবাদ পালোঁ। আমি কলিকাতা ত্যাগ কৰাৰ ৩।৪ দিন পিচতেই অৰ্থাৎ গুৱাহাটী পাবৰ দিনাই মোকদ্দমা নিষ্পত্তি হৈছে। ইচ্ছাময়ৰ ইচ্ছা এনেহে যে আমি পিচ দিওঁতেই মোকদ্দমাৰ শুভ ফল হল।



উত্তমচন্দ্ৰ বৰুৱাৰ অন্তিম শয্যা

To

H. C. Barnes, Esquire, B.A., I.C.S.,
Settlement Officer, Kamrup.

The humble petition of Uttam Chandra Barooah, a land-holder and resident of village Kamarkuchi, Mauza Upper Barbhag in the district of Kamrup:—

Dated Uzan Bazar, Gauhati, the 31st August, 1903.

Most respectfully sheweth:—

That, emboldened by the presence of a generous and sympathetic officer such as your august person, at the head of a Department which has in its hand for decision the fate of the rayots, either for good or evil petitioner ventures to respectfully lay before you a narration, necessarily brief, of the past and present condition of his unfortunate family, with an earnest hope that you would be graciously pleased to see if anything can be done for its betterment.

2. That, your petitioner humbly begs to premise that he comes of a line of men who held high administrative posts under the Assam Rajahs, being next in official position to the Bar-Phukan (equivalent to Viceroy); but, who, through dire irony of fate, has now come to occupy a position in which he finds it hard to live and have his being even as a rayot of moderate means.

3. That, ever since the acquisition of the Province by the British Government, your petitioner's ancestors down to his late elder brother Gopal Chandra Boroonah, severally held the Mauzadarship of Mauza Upper Barbhag; and that your petitioner's late father left at his death, a property consisting of 16,000 bighas of Khiraj and Nisf-khiraj lands with a proportionately large number of tenants, 40 grannaries full of paddy, 50 pairs of bullocks, 50 bond slaves, gold ornaments in no less than a dozen seers, not to speak of countless cows, horses and buffaloes.

4. But, it grieves your petitioner to state that all this immense property was reduced to almost nothing in a few short years. There occurred times of scarcity during the late Gopal Chandra Barooah's Mauzadarship, who, being by nature of a charitable turn of mind, considered it cruel to wring out money from the impoverished rayots, and therefore raised large sums of money either by selling a portion of the property or mortgaging another at considerably high interests, from year to year, to meet the Government demand. These debts in a few years accumulated to fearful proportions, and eventually, on his demise the creditors sought the help of the Civil Court, and the result was that your petitioner who then though a minor with a large family at its back for maintenance, was placed, as it were, on the very verge of beggary. As a concommitment fact thereof, the education of your petitioner as also of the other male boys of the family was hopelessly neglected. And, they are to-day in the light of the present idea of education in the province so many nonentities in that direction.

5. That, on coming of age, however, your petitioner sought the advices of Babu Kali Charan Sen, the local Government pleader, and, on the ground of being a member of a joint family, succeeded, in the long run, in recovering through his generous instrumentality legally and pecuniarily—some of the lost property. But as ill-luck would have it, close after the receipt of the favourable orders of the High Courts, the memorable Earthquake of 1897 shattered all hopes of being able to liquidate the debts he was involved in, in the aforesaid litigation; and a necessary consequence accruing thereof is that your petitioner is now indebted to the said pleader to the extent of four thousand rupees.

6. That, the said disastrous earthquake caused serious damage to 3,000 bighas of your petitioner's lands, rendering them absolutely unfit for cultivation.

7. It needs no mentioning that your poor petitioner felt it extremely difficult to continue paying the Govenrment revenue thereof which he did till last year even by the sale of the personal property of his wife. And, for this, it pains your petitioner to state, he got the reward of being reported as "a notorious defaulter" by the late Tahsildar of Hajo Moulavi Abdur Rahman.

8. That, ever since, inspite of repeated prayers your petitioner has been invariably denied leases of lands which have partially become fit for agricultural purposes—nay even of lands which have been improved by your humble petitioner, by reopening the silted up *Jans.*

The Earthquake destroyed large tracts of lands belonging to your petitioner in villages Hablokha, Bejkuchi, Dokoha, Katpuha, Kamarkuchi, Khat-katra etc. And, now that these and the adjoining lands have been rendered fit for cultivation to a degree under your intelligent and successful supervision, and that as amongst several others, one Jamuna Chandra Borooah not owning lands previously in any of the said villages, has applied for leases for lands under the condition that the said lands be assessed as they come under cultivation.

9. That the main reason of your petitioner's praying for a large area and under special consideration, is, that the said destroyed lands are only beginning to improve, and that it will be years before they become wholly serviceable.

10. In conclusion your petitioner humbly begs to state that none of his unfortunate family being in Government service land has been the only source to depend upon for their maintenance. But the cruel hand of fate has very nearly torn to pieces the pivot of their existence. Your generosity, however, can restore it to its former condition. Your sympathetic heart will mark that it is not often, that an officer of your stamp and power goes into the remotest village and knows the cultivating rayots at his very hearth and home; nor is it every year that a settlement of lands is made. Your petitioner, therefore, avails himself of the opportunity and begs humbly to pray that you would be generously inclined to order for a granting of the lease, else, perhaps it has been ordained by the Almighty, that your petitioner's family, old and once highly respectable in the Province, must inevitably, under the pressure of daily-increasingly debts and hundred and one wants, meet with other ruination.

And, as in duty bound, your humble petitioner, will ever pray.

UTTAM CHANDRA BARUAH.

To

The Commissioner of the Assam Valley Districts.

Sir,

I beg most humbly and respectfully to submit the following note for your perusal and for such orders from you as it may deem necessary under the circumstances:—

ভক্ত রাখে মমত্ব তাহারে পূর্ব পুরুষ হরি চন্দ্র মেধিকে ব্রহ্মত্তর দেওঁয় ৫ সাওয়াই—
দেবা আদি কোন দলিলাত নাথাকা উভয় বিবাদি ইনকমটেক্স দাবিত মৌজাত দেবা

তহকিক করাতে কবালা মোতাবেক বিক্রী দেও দেখি যায় ১২। লোট ওকরেও ৫ কবালামতে
হরিচন্দ্র দেখি যায় ৪॥ লোট ওকরে ৫ কবালা মোতাবেক ৭৫ পুরা জমি ধর্ম্মতারের মধ্যে
বহু থাকা হেতুতে হরি চন্দ্রের দেখির তারিখ মার্চ মাহের মধ্যে কোন বেক্তি হয়ে তাহাকে
তহকিকাতে হেতু উক্ত বেক্তির পাশ সাক্ষী তাবে রাখিবা ২ খানি মাটি দীঘা করিলে
সরকারের কিস্তাবন্দীর প্রতি হুকুম সাদের করিলে ঐ মজকুরের করার দাখ বিস্তারিত
সাক্ষীর জবানী বন্দীতে হরিচন্দ্রের পক্ষ কায়দ্ত লোক বনীরাম প্রভৃতি —
তাহার বৃদ্ধ বৃদ্ধ প্রাচীন ইহারা ধনকালীর ৫ জনুরা সাক্ষীর জবানী হরি—
চন্দ্রের পক্ষ উক্ত অন্য পক্ষ ঐ জাতের রতন চন্দ্র মুন্সীর করার দাখ হরকান্ত
৫ গোকুলকালীর ৫ জগন্নারায়ণ ভেক সাক্ষীর জবানী মুন্সী পিতা মহ গোবিন্দ
চন্দ্রের বাপ হরিচন্দ্র সাবুদ জমিদার মুন্সীর দাখিলী পত্তনীতে কাগজাতের—
তারিখের দীঘাতে পক্ষ ৫ কসবাতে মুদ্রা পর্য্যন্ত বাদ তাহার পৌত্র মজকুর পত্তনী
ইত্তলা নীচে ওয়াসীল করবানাই রামেশ্বর মজমাদারের বড়ুয়া ৫ পাঁচিতত কত কাটক—
৫ প্রাণনাথ পর্য্যন্ত ঠিকানা মৃত্যু লোক পত্তনীদার জমি ২ বাদ রতন চন্দ্র মুন্সী—
ইর দাখিলী প্রিয়নাথ পর্য্যন্ত ঠিকানা পত্তনী পত্তনীদার তাহার ১৭৫৫ সালের
লিখিত তারিখের দীঘাতে পাবের মতামুতে ধরাতে বড় খাতিরে লেখার নাথে
মোতাবেক সাবের ওকরে মুন্সীর মজকুরের হক নাখিয়া বেহ। ওকরে। লোভা
তে পাবের বাত দত্ত ঐ মজকুরের দাখ তাহারে পর রতন চন্দ্র মজকুরের বেজান—
দাবি দাখিলা লোক বিশেষ সত্য বাদ চৌধুরীর দাখিলী নিয়মী কাগজে কবালা
মোতাবেক এক্ষণে ১২০১৮ সাল এবিস্ক্রতি ৭॥ পুরা বরি ১৮ কাঠা বস্তি ৫৭১৩ সাল
এক্ষণে ১২০২৪ সাল তাহার মজকুরের জিম্মাতে খরচ প্রকাশ জোরে ঐ—
মজকুর করার দাখ সাক্ষীর জবানী হরিচন্দ্রের তারিখ হওয়ার কোন প্রমাণ
লোকের বেলায় ২ খুব সাক্ষী ঐ ভাতে বয়ান কার রতন চন্দ্র মজকুরের সাক্ষী
সাক্ষী থাকার সাথে দিতে হরিচন্দ্র মজকুরের মুন্সীর মুখ পিতা মহ সাবের সাবুদ
কাগজের দুইবারে বিচার পত্তনী তাহার বাদ বিশেষ বেলি —

হুকুম হইল =

পত্তনীদারের বাদ মঞ্জুর পর্য্যন্ত লেখার নাথিমতানুসারে দখলে থাকা সাকী কাগজ—
বস জমি কবালা মোতাবেক ৭৫ পুরা জমি ৫ ম১। লোট ওকরের তাহার ৫ বাবা
হাবিলত ৪॥ লোট ওকরে তাহার মজকুরের দখলে থাকা তাহার মজকুরের ৫ বেজ ওকরে। লোট
ঐ মজকুরের হরে সন সাহেবের সাবে হুকুম না হইলে এক ধর্ম্মতের—
বহুতে / বাখিয়া বাকি মুদ্রা মোতাবেক এক্ষণে ৪৫০ সাল এবিস্ক্রতি ৭॥ পুরা—
বরি ১৮ পুরা কাঠা বস্তি ৭৫ সাল এক্ষণে ১১৫ দখল৪ সাল ৫ বাবা হাবিলত—
বস্তি ২॥ পুরা মোতাবেক কবিলা জাহার দখলে থাকা তাহার জিম্মা বাবার ব্রহ্মোত্তর—
বেবাকাবির পক্ষের ক্ষেত মজকুরের খাতা কোনক ঐ সাহেবের দুইবারে পাইয়া এক্ষণে
করার দোসরা কিতে পক্ষ পত্তনীবিশেষ কমিশনর সাহেবের মোহমতে পাঠান হইয়া
মজকুর ইত্তিবার হেতো এক্ষণে সাক্ষীর দাখিলী দীঘাতে পক্ষ তাহার দরবারকে—
ইতি =

Sd. Mathew
S. P. Power

৺উত্তমচন্দ্ৰ বৰুৱাৰ পূৰ্ব্বপুৰুষ সকলক স্বৰ্গদেও আসাম ৰজা-সকলে যি ভূমি-বৃত্তি দান কৰিছিল সেইবিলাক বৃটিছ চৰকাৰে ৺উত্তমচন্দ্ৰ বৰুৱাৰ পিতৃদেৱ ৺ৰজৎ চন্দ্ৰ বৰুৱাৰ নামে বাহাল ৰাখে। গুৱাহাটীৰ শগুণঠুটিৰ বালিত স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ লগত সন্ধি কৰি কামৰূপ জিলা বৃটিছৰ অধীনলৈ আনাৰ পিচত জেম্‌ছ্‌ মেথি নামে ইংৰাজ বিষয়া এজনে বিচাৰ কৰি আহোম ৰজাই দান কৰা মাটি-বাৰী যি সকলৰ নামত বৃটিছ চৰকাৰে বন্দোবস্তী কৰিছিল ৺ৰজত চন্দ্ৰ বৰুৱা সেই সকলৰ ভিতৰৰ এজন। এনে দৰে বন্দোবস্ত কৰা ৰেভিনিউ মোকদ্দমাৰ চৰকাৰী নকলক পেৰা-কাকত বোলে। ইয়াৰ লগত এখন পেৰা-কাকতৰ ফটোগ্ৰাফ আৰু আন কিছুমানৰ নকল ছাপাই দিয়া হল।

রোবকারী কাচারী লাখেরাজী এজলাশ শ্রীযুত জেমষ মেথী সাহেব ডিপুটী কমীশনার ইস্পেচীএল ডুটী মুলুকে আশাম জেলা কামরূপ সাং ১৮৩৯ ইং।২২ নওম্বর মোঃ সন ১২৪৬।৮ অগ্রায়ন নকল খোদ নং ১৬।২০।২৩ বহী ইংরেজী ২১নং কেঃ

রজত চন্দ্র ডেকাবরুয়া সাকিন কামারকুছি কম্পানী বাহাদুর	দাবী সাবেক পরগনে নাম বড় ভাগ হাল পরগনে পকওার নিজ পকওা সুদ্দাই মৌজাএ ৬৬॥০ পুরা সালেপারাত ৪॥০ পুরা ও শোন্দালিত ৬৩৷০ পুরা জমীন বাবত নানকার ইতি—

অদ্যকার এজলাশে মকদ্দমার কাগজাত মোলা হেজারোএ জানা গেল যে হকিয়াতর দাবী পৌছানার্থে ইস্তাহার জারী হওা সবব মজহর সাবেক শ্রীযুত ইস্পেসীএল ডুটী সাহেবের হুজুরে হাজির হইয়া দরখাস্ত দাখিলপূর্ব্বক ইস্তাফা ছারীতে লক্ষীসিংহ রাজা মজহরের পিতামহ গৌরীচন্দ্র বরুয়াকে পূণ্যার্থে দাবীর জমীন নানকার দেওাতে কাল্দাবধী অবিরোধে দখল ভোগ করিয়া আচিতেছে যে দলীল ছিল তাহা মানের আমলে খোওা গিয়াছে,

দলীল থাকা ওাক্ত দেখা ও মাটি দখল ভোগ করার প্রমাণ হেতু সাক্ষী করার দেওাতে সাক্ষীয়াল তলবে এতলা নামাজারী করিয়া দখলী মাটি পিয়াল করেন পরগণার জিম্বাদার প্রতি হুকুম কাদের করা গিয়াছিল মজহরের করার দাদ কমলা কান্ত ও হরিদেব ও ধনেশ্বর সাক্ষীর জবানবন্দীর করাইলে সালেপারা ও পকওৱা ও সোন্দালী মৌজাএ মজহরের নানকার মাটি থাকা ও বরাবর মজহরকে দখল করিতে দেখা এবং লক্ষ্মীসিংহ রাজা মজহরের পিতামহ গৌরীচন্দ্র বরুৱাকে নানকার করিযা দেওা পরশপর লোকের জবানিতে খনিয়া জ্ঞাত থাকা বিশেষ ঐ সকল মাটির বাবত যে দলীল মজহরের পাছ ছিল তাহা খোৱা যাএ কালতিকে খোৱা গিয়াছে তাহা ও কোন মৌজাএ কত মাটি নিদৃষ্ট করিয়া দিয়াছে কহিতে পারে না জিম্বাদারের দাখিনা পিয়ানা কাগজে পকোৱা মৌজাএ রুপীত ৩৬৷৷১৫ নেছা ফরিঙ্গতী ৪৷/৫ নেছা বড়ী ৫৵১৬ নেছা বস্তী ১০৷৷৵৩ নেছা একুণে ৫৬৷৷/১৯ নেছা মজহরের ও সোন্দালী মৌজাএ রুপীত ৩৬⁄/১৮ নেছা ফরিঙ্গতী ৷৷⁄১ নেছা বড়ী ৩৲১৩ নেছা বস্তী ১৷⁄/১ নেছা ও জার বস্তী ৫⁄১২ নেছা একুনে ৪৬৷৷/১৬ নেছা ও সালে পারাতে রুপীত ৪৷৵১০ নেছা জমীন মজহরের নানকার খরিদদার গোবিন্দরাম ডেকা বরুৱার জিম্বা থাকা প্রকাশ তদপর সাকিন মজকুরের রিসভচন্দ্র কেতে দরখাস্ত সম্বলীত লক্ষ্মীসিংহ রাজার আমলের দিহিঙ্গা বড় ফুকনের দওা ১৬৯৫ সকের লিখিত কেতে নকল মজহর দাখিল করিয়া ইস্তফা ছারিতে ওপরের লিখিত পকোৱা ও সোন্দালী দুই মৌজা ও যে আদাপানি গাওঁ ও নরদি মৌজাএ নানকার মাটি ও পাইকের দাবী রাখিয়া রজতচন্দ্র মজকুরকে ঐ সকল মাটিব সরিক করার দেওাতে মজহর মজকুরা পাট করনে পানী গাওঁতে রুপীত ২০ পুরা সোন্দালিতে রুপীত দলনী দুনির কাট ১৫ পুরা সালেপারাএ রুপীত ১৫ পুরা পকোৱা নদ্দিতে রুপীত ৫০ পুরা বড়ী ১০ পুরা ও উপর বড় ভাগ পরগণার ও বাব মানুহ ২৷০ গোট গৌরীচন্দ্রের ভতিজা জএবল্লভ নামে পুত্রপৌত্রাদীক্রমে দখল ভোগ করার কারণ নানকার দেওার মন্দরজ থাকাতে কোন মৌজাতে কত মাটি রিসভ মজকুর দখল করে তাহা জানার নিমিত্তক জিম্বাদারকে লেখা মাত্র জিম্বাদারের কৈফিয়তে মৌজা মজকুরানে খেরাজী কি লাখেরাজ মাটি তাহার দখলে নাথাকা এবং সরকারের আমলের কোন পিয়াল আদিতে তাহার নামে মাটি বাড়ী কিছু লেখা নাজাওা ছাঁক জাহের তথাপী মজহরের লিখিত ঐ ব্যাক্তীদিগের

ওয়ারিশ কোন ব্যক্তি হএ তাহা জানার নিমিত্তক বিসব মজকুরের পাছ সাক্ষী তলব করাতে ভকত দাষ ও রামধনেকে সাক্ষী করার দিযা হাজির করা সবব তাহারা জবনাবন্দীতে সোন্দালী ও পকোয়া ও পানীগাওঁ মৌজাএ মজহরের মোট ১১০ পুরা মাটি ও ২।০ গোট পাইক নানকার চামিল দখল থাকা ও লক্ষ্মীসিংহ রাজা মজহরের পিতামহ জএবল্লভকে নানকার দেওা লেখাএ কিন্তু ঐ নকল দলীলের আসল দলীল যাহাএ জেলার কালেক্টরী হৈতে আইলে তাহা এহি নথির চামিল করিয়া রাএতলাব নথি মজকুরা পঞ্চাইতান নিকট সৌফদ্দ করাতে বানেশ্বর মজুমদার বরুয়া ও প্রিযনাথ পর্ব্বতীযা ফুকন ও লক্ষ্মীদত্ত বড় কটকী মোনছুফ পঞ্চাইতান হাজিরা দলীল মজকুরা দিহিঙ্গা বড় ফুকনের দওা জজার্থ লেখে যেহেতু কাগজাতের হমাতীয়া পর গৌব করাতে জানা যাএ যে রজতচন্দ্র বিসবের মাটিত সাক্ষীর দ্বারাএ গৌরীচন্দ্র ও জয়বল্লভের ওয়ারিশ উভয় ব্যক্তি প্রমাণ উপরান্ত পঞ্চাইতান দলী" মজকুরা মঞ্জুব লেখে এ"ং হুজুরের দ্রষ্টমানেহ ফুকনের দওা জথার্থ বেতীত বাক্তীম জানা জাএনা কিন্তু রজতচন্দ্র মজকুর জবরদস্ত বিসবের সরিকা হকপত্র মান করার এবাদাএ জমীন আপন দখল কাবেজে রাখিয়া হাজিরা দলিলের কোন জেকের নকরীয়া লক্ষ্মীসিংহ রাজার দণ্ড জাহের করিয়া দলীল খোয়া জাওার প্রমাণ পৌছাএ জত্তপী দুই এহি মাটির হকিয়তদার নাহৈবেক তবে দুইজনের পূর্ব্বপুরুষের নামে কখনহ হাজিরা দলীলে লেখা থাকার সম্ভব ছিলনা এহি সকল হালতে মহজরের লিখিত দখলী মাটি দুই ব্যক্তির হক প্রমাণ জানীয়া

হুকুম হৈল যে :—

দলীল মজকুরা মঞ্জুর করিযা দলীল মোতাবেক হালপিয়ানী কাগজের লিখিত সোন্দালী মৌজাএ রুপীত ৩০ পুরা ও সালে পারাতে রুপীত ৪।৵১০ নেছা ও পকোয়াতে উপরের লিখিত হর কসমে ৫৬৷৷/১৯ নেছা জমীন ও মজহরের লিখিত পাইকের আওলাদ যাহা দখলে আছে তাহা সদরের নাতক হুকুম না আইছাতক নানকার বহাল রাখিযা বাকী সোন্দালিতে রুপীত ৬৴/১৮ নেছা ফরিঙ্গতি ৷৷৴১ নেছা বড়ী ৩৻১৭ নেছা বস্তী ১।৴/১২ নেছা উজার বস্তী ৫৴/১২ লেছাএকুনে ১৬৷৷/১৬ লেছা খেরাজ করিয়া রজত ও বিসব মজকুরের জিম্বা রাখা ও অচল দলীল রেজিষ্টরী করিয়া এহি রোবকারির নকল

সম্বলিত জেলা মজকুরের শ্রীযুত কালেক্টর সাহেবের হুজুরে পাঠান যাএ যে যে ব্যক্তি তথাতে দলীল দাখিল করিয়াছিল তাহাকে ওয়াপোষ দেওার অনুমতি প্রদান করেন আর এতলা কারণ দোসরা কেতে নকল শ্রীশ্রীরবিনিউ কমিসনার সাহেবের খেদমতে পাঠান যাএ সকল মহজর মজকুরা বিসব মজহ্বর এ আদালতে দাখিল করা সর্ব্ব ফইচালা সহকারে তাহাক ওয়াপোষ দেওা যাএ মজহর হাজির হৈলে দোসরা ফএসালা দেওা জাবেক ইতি—

আঠ আনা

কোর্ট ফি

রোবকারী কাচারী মোতালকে লাখেরাজি এজলাচ শ্রীযুত জেমষ মেথী সাহেব ডিপটী কমিশনার ইস্পেশিএল ডুটী মুলুকে আসাম জেলা কামরূপ সন ১৮৩৯ ইং। ১৯ আষাবেল মোতাবেক সন ১২৪৬ সন ৭ বৈসাখ।

নং ২ বহী ইংরেজী	নকল সোদ	নং ৪৪৪ বহী রেজেষ্টরী	
নং ৩৯৯ বহী নম্বর	পরওনা সোদ	নং ৯ কেঃ	মুদ্দাএ

রজত চন্দ্র চৌধুরী সাকীন কামারকুছি কম্পানী বাহাদুর	দাবী সাবেক পরগণে ডেহরহাল পরগণে বালাই কুছির বুড়ীনগর মৌজাএ ৯ পুরা খরিদা ব্রহ্মত্তর জমীনের বাবত ইতি— মুদ্দাএলেহে

অদ্যকার এজলাশে মোকর্দ্দমার কাগজাত মোলাহেজা রোএ জানা গেল যে হকিয়তের দাবী পৌছানার্থে ইস্তাহার জারী হওা সব্ব মজহর সাবেক শ্রীযুত ইস্পেশীএল ডুটী সাহেবের হুজুরে হাজির হৈয়া ইস্তফাছারিতে আসাম রাজা সাকিন আঠঘরীয়ার খর্গেশ্বর শর্ম্মার পূর্ব্ব পুরুষকে দাবীর জমীন ব্রহ্মত্তর দিয়াছে কোন রাজা কাহাকে দিয়াছে কহিতে পারে না ঐ জমীন খর্গেশ্বর ও তদর্থ সরিক গৌরী দলইর পাছ মজহরের ভ্রাতা বাধা চন্দ্র চৌধুরী ১৩।১৪ বৎসর জাবত খরিদ করা প্রেম্মক্ত দখল করিয়া আসিতেছে পেরাতে খর্গেশ্বরের উর্দ্ধ পুরুষের নামে মন্দরজ ও মজহরের পাছ খরিদা দলীল আছে এমত নেথানে সাহেব মমদু দাবীর জমীনের আছল দলীল খর্গেশ্বর মজকুরের পাছ লইয়া ১ একমাষ মধ্যে দাখিল করার নিমিত্তক মজহরের প্রতি এতলা সামা জারী করাতে দলীলাদী কিছু দাখিল করিতে নাপারিয়া বিক্রী কোলেন্দা ব্যাক্তীর পূর্ব্ব পুরুষ বিকা নিবাস নামে পেরাতে দরজ থাকা কৈফিয়ত লেখাতে

পুলুরাম মজহরের মারফত খর্গেশ্বর মজন্দরকে হাজির আনিয়া জবানবন্দী লঞা জাএ তাহাতে লেখাইয়া দেএ জে মজহরের দাবীর মাটির যে মজহর শর্ম্মা মজকুরের পাছ ছিল তাহা. সটা মৌজায় ব্রহ্মত্তর মোকর্দ্দমার চামিল দাখিল করিয়াছে কিন্তু পেরাতে বিদ্যা নিবাস নামে জেকের এমত জাহের করে বিধাএ ঐ ব্যক্তির ওয়ারিশ যে শর্ম্মা মজকুর হএ তাহার প্রমাণত লব রামচন্দ্র ও অনিরুদ্ধ শর্ম্মাক হাজির করাতেই তাহারদিগের বাহালক জবান বন্দীর মোল সাএ খর্গেশ্বরের পিতার নাম সম্ভুনাথ পিতামহ তর্কবাগীষ প্রপিতামহ বিদ্যা নিবাস প্রকাশ হওাতে মজহরের দখলী মাটি পেয়াল করার জন্যে পরগণার জিম্বাদার প্রতি হুকুম সাদের কবা জাএ জিম্বাদার মজকুর যে পিয়ালী কাগজ দাখিল করে তদৃষ্টে মৌজা মজকুরে রুপীত ৮।/০ কঠা বস্তী ২।০ পুরা একুনে ১০॥/০ কঠা মজহরের দখলে লেখে যেহেতু মজহরের খরিদা খত দাখিল করে তাহাতে খর্গেশ্বর মজকুর মৌজা মজন্দার রুপীত ১০ পুরা বড়ী ২ পুরা ঐ রাধাচন্দ্র নিকট সক ১৭৪৪ সকের ২৪ আগ্রানে বিক্রী করা ও পেরাতে ২ তথা মৌজাএ বিদ্যা নিবাস নামে ব্রহ্মত্তরের জেকে থাকা জাহের এবং খগেশ্বর মজন্দার আপন জওাবে বিক্রী করা একরার কিন্তু মজহর ছেরক রুপীত মাটি দখলে পাওা জাএ ৯ পুরার দাবী রাখে বড়ী বাড়ীর কোন দাবী রাখেনা তহকিক আন্দরে ৮।/০ কঠা রুপীত মাটি দখলে পাওা জাএ বোতত জেয়াদা দখলে নাহী এবং পেরা তহকিকাতেই মজা মজন্দার বিদ্যা নিবাস নামে ১০ পুরা ব্রহ্মত্তর মাটির জেকের আছে এহি সকল হালতে

হুকুম হৈল যে :—

জিম্বাদারের দাখিলী পিয়ালী কাগজের লিখিত মজহরের দাবী গুরত দখলে থাকা উক্ত রুপীত ৮।/০ জমি সদরের নাটক হুকুম নাআই সাতক খরিদা ব্রহ্মত্তর বহাল রাখিয়া বাকী বস্তি ২।০ পুরা খেরাজ করিয়া মজহরের জেমবা রাখার জন্যে জিমবাদার ও কাননগোকে লিখিয়া মোকর্দ্দমা নিষ্পত্য করা গেল মজহর হাজির হৈলে ফয়সালা সম্বলিত খরিদা খত ওাপোষ দেওা জাবেক আর এতেলা কারণ এহি রোবকারীর নকল শ্রীশ্রীরিবহু কমিশনার সাহেবের খেদমতে পাঠান জাএ ইতি—

মোকাবিলা—

নং ২০৭ সেহা উপর বড় ভাগ

মহাফেজ।

নকলের নকল শ্রীদীন নাথ

মহাফেজ।

নং ৭০৪ আপীল

রোবকারী কাছারী কমীসনরি এজলাস শ্রীযুত মেজর ফ্রানসীষ জিস্কিঞ্চ সাহেব কমীসনার স্পেসিওল এলাকে মুলুকে আসাম ও গয়রহ সন ১৮৪৫ ইংরাজি তারিখ ১৯ জুলাই মোতাবেক সন ১২৫২ বাঙ্গালা তারিখ ৫ শ্রাবণ মোকাম গৌহাটী

মোতাকে

জেলা কামরুপ

গজমেধি ও হরিপদ ও বিজপ ও চানা আপা
ও সনপতি ও রামহরি ও বগা মণী সাকীসন — আপীলান্টিয়াল
পরগনে উপর বড়ভাগ

সরকার বাহাদুর ও রজতচন্দ্র বরুয়া — রেস্পণ্ডেন্টিয়াল
সাকিন কামারকুছি

মোকর্দ্দমা দাবী শিবসিংহ রাজার দত্ত
কামারকুছি মৌজার ১৷৷০ পুরা জমী
ও ৪৷৷০ গোট ভকত,

অদ্য এহি মোকর্দ্দমা আপীলন্টিয়ালের মোক্তার নিলকণ্ঠ চক্রবর্ত্তী ও সরকারের পক্ষর উকীল মনশী জগন্নাথ দাসের সম্বক্ষে ও রজত চন্দ্র রেস্পণ্ডেন্ট স্বয়ং ঐ মোক্তার দ্বারা হাজির নাহি বিধায় তাহার অসাক্ষাতে উপস্থিত হৈয়া তপশিলের লিখা কাগজাত পাঠ করা গেল

পেসীস

নং ১	নং ২
আপীল দরখাস্ত সত্র নকল ফএছালা ও মোক্তার নামা ৩	রোবকারী কমিশনার ১

নং ৩
রোবকারী হুজুর স্পেসিওল ডিউটী সাহেব

নং ৪
রোবকারী কমিশনার

নং ৫
রোবকারী আদালত দেওানী মএ এনাম ও তাহা জারীর কৈফিয়তাদী ৬

নং ৬
দরখাস্ত আপীলান্টিয়াল বাবত সাক্ষীর ইসীমনবীসী ১

নং ৭
মোক্তার নামা আপীলান্টিয়াল ১

নং ৮
দরখাস্ত ধজ মেধি আপীলাণ্ট বাবত সাক্ষীর ইসীমনবিসী ১

নং ৯
সরকারের পক্ষের জওাব ১

নং ১০
আপীলান্টিযালের মধ্যে ভোগরাম কলিতা ও কালাখাটুনীযা সাক্ষী দ্বযের জবানবন্দী ৪

নং ১১
আরজি রজতচন্দ্র রেস্পণ্ডেণ্ট ১

নং ১২
হুকুম ইবাদাস্ত ১

নং ১৩
কমলাকান্ত রায় মহারের এতলা ১

নং ১৪
স্পেচিযেল ডেউটী সাহেবের নিস্পত্তির নথি মোতাবেক কোদবেস্তা ৩১

জানা গেল যে লাখেরাজ তদন্ত করেন ইস্তহার প্রচার হওাতে রজতচন্দ্র রেস্পণ্ডেণ্ট স্পেসিওল ডিউটী সাহেবের হুজুর শিবসিংহ রাজাতস্ম খোলু পিতামহ হরিচন্দ্র মেধিকে সাবেক পরগণে উপর বড ভাগ হাল পরগণে খাতার কটরা মৌজাএ ১৫০ পুরা জমীও ৩।০ গোট ভকত ও বানা কুছি মৌজাএ ২০ ঘর ভকত ধর্ম্মোত্তর দেওাতে তৎকালাবধি সরিকান সহ দখিলকার থকা ও ধজকলিতা আপীলাণ্ট বানাকুছি মৌজাএ ১৫০ পুরা জমী ও ২ গোট ভকত তস্ত পূর্ব্বপুরুষ হরিচন্দ্র মেধিকে রাজা মৌবুক ধম্মোত্তর দেওা প্রকাষ করণে সাহেব মৌবুক আসাম রাজার আমোলের পেরা কাগজে কটরা মৌজাত্র

বিষ্ণুদেব মেধির নামে ১২॥০ গোট ভকত ও বানাকুছি মৌজাএ হরিচন্দ্র ৪॥০ গোট ভকত ও কটখে মৌজাএ ৭৫ পুরা জমী ধর্ম্মোত্তরের দরজ থাকা ও সাক্ষীগণের সাক্ষ ও পঞ্চাইত আদালতের সিদ্ধান্ত পত্র দৃষ্টে হরিচন্দ্র মজকুরের ওারিয রজতচন্দ্র রেস্পণ্ডেণ্ট হওা প্রমাণ পৌছা হেতু জেম্মাদারের পেয়ান সুরত কটরা মৌজাএ ৭৫ পুরা জমী ও ১২।০ গোট ভকত ও বানাকুছি মৌজাএ ৪॥০ গোট ভকত রজতচন্দ্র রেস্পণ্ডেণ্টর ও বেজ ভকত ।০ পওাধজ আপীলাণ্টের হকে বহাল রাখিয়া বক্রি বাজে আপ্ত করনে আপীলাণ্টিয়ান তাহা অস্বিকারে উহার দিগের মৌরসকে রজতচন্দ্র মজকুর খোলু পিতামহ করার দিয়া সাহেব মৌষুকের হুজুর দাবীদার হওাতে সাহেব মৌষুক উহার দিগের প্রমাণের পর মন খুচি নাহইয়া উহার দিগের মৌরশ হরিচন্দ্র মেধির নামের জমীও ভকতের মধ্যে ।০ পওা ভকত ও মাটি উহার হকে ডিক্রী দিয়া বাকী রজতচন্দ্র রেস্পণ্ডেণ্টকে দেওা ইত্যাদী বিবরণে আপীল করনে আচল কাগজাত তলব হৈয়া এলাবাদী জারী ও সরকারের তরফ সাহেব মৌষুকের হুকুমের পনকতাতে জওাব দাখিল হওার পর আপীলাণ্টিআনের মানিত ভোগরাম ও কলা খাটুনিয়া সাক্ষীদ্বয়ের জবান বন্দী হওনে রজতচন্দ্র রেস্পণ্ডেণ্ট ধজ মেধি আপীলাণ্ট তাহার ভকত ভিন্ন ধম্মোত্তরের—

আঠ আনা

মেধি নাথাকা ইত্যাদী বাহুলু বিবরণে জওাবের ন্যায় আরজি দাখিল করনে পর ১৮৪৪ সনের ৮ বথ মোকর্দ্দমার মিছিন উপস্থিত হৈয়া রজতচন্দ্র রেস্পণ্ডেণ্টের দাখিলী ১৭৫৫ সকের লিখা প্রিয়নাথ পর্ব্বতীয়া ফুকন ও বিনাই কটকী ও দিগাম্বর ডেকাবরুয়া পঞ্চাইতানের সিদ্ধান্ত পত্র ও বানেশ্বর মজুমদার ও লক্ষ্মী দত্তশর্ম্মা ও প্রিয়নাথ শর্মা পঞ্চাইতানের রাত্র রজতচন্দ্র রেস্পণ্ডেণ্টর হকে বহাল হওা ভকত তাহার সত্য জানাগীয়া সাহেব মৌষুকের হুকুম বহানিতে আপীল ডিষমিষ হয় পর এখানকার মহরির কমলাকান্ত রাত্রর রেপুট অনুসারে ॥ মোকর্দ্দমা মজকুর পুনরাএ অন্য পেছ হএ জেহেতু সাহেব মৌষুক পেরারে লিখিত বিষ্টুদেব নামের ১২। গোট ভকত রজতচন্দ্র রেস্পণ্ডেণ্টের হকে যে ডিক্রী দিয়াছেন এহা যথার্থবোধ হএনা কেননা ঐ বিষ্টুদেব নামের ১২। গোট ভকতের বিষএ রজতচন্দ্র রেস্পণ্ডেণ্ট অথবা ধজ আপীলাণ্টে

স্পেসিওন ডিউটী সাহেবের হুজুর এখানে দাবী রাখা জানা জাএনা এবং ঐ বিষ্টুদেবের ওয়ারিশ যে রজতচন্দ্র মজকুর হএ এমত কোন প্রমাণহ পোয়া যায় না এইঁানে ঐ ১২। গোট তকত রজতচন্দ্র মজকুর পাওা কোন প্রকারেই শ্রেয় বোধ হএনা অতএব সাহেব মমদুর ১৮৩৯ সনের ২০ আগষ্টর লিখা ফইচালা ও এখানকার্র সাবেক হুকুম তরসীম পূর্ব্বক

আজ্ঞা হৈল যে :—

আপীলান্টিয়ানের আপীল ডিষমিষ হএ পেরার লিখিত বিষ্টুদেব নামের উক্ত ১২। গোট তকত বাজে আপ্ত ও এখনকার সাবেক হুকুমর তৈয়ারী রোব-কারী চাফ করা যাএ ও আপীলান্টিয়ানের উকিলের বেতন দাবির পরিমান ।/০ আনা আপীলান্টিয়ান পাছ পাইবেক ইতি—

মোকাবিল।

শ্রীরুদ্রনাথ চক্রবর্ত্তী

মহাফেজ

মোকাবিলা

শ্রীজএরাম মহরার

শ্রীমুসন্দারাম

কমাৰকুছিয়া বা বৰভাগীয়া বৰুৱাৰ বংশাৱলী

মিথিলাবাসী (চন্দ্রবংশী) প্ৰথমতে নবাৰী বা ডিঙডিঙি তাৰ পিছত কমাৰকুছি—

পুৰুষ	নাম	নিবাস	কন্যা
১ম পুৰুষ	ধনঞ্জয়ধ্বজ		
২য় পুৰুষ	থানেশ্বৰধ্বজ		
৩য় পুৰুষ	বৈতানন্দ		
৪ৰ্থ পুৰুষ	বলভদ্ৰ (১) দামোদৰ (২) দমন (৩) কমন	দমনৰ বংশধৰ গোৱালপাৰা জিলাৰ যোগী-ঘোপাৰ ওচৰত দোৰো গাঁওত	
৫ম পুৰুষ	দামোদৰ (১) অপ্ৰাজিত (২) মকৰধ্বজ (৩) প্ৰাণনাথ	ডিঙডিঙি আৰু কমাৰকুছি ক্ষুদ্ৰ ঝুবিকেলো বা কৰ্দ্দৈতোলা	

পুৰুষ	নাম	নিবাস	কন্যা
৬ষ্ঠ পুৰুষ	অপ্ৰাজিত (১) পুৰুষোত্তম (২) মাধবানন্দ (৩) মনোহৰ	কমাৰকুছি, বঙা-ববৰী, বাকেৰ কুছি (উখুৰা) নবাৰী বালা আৰু ক্ষুদ্ৰ ডিঙডিঙি ববাদিয়া বাৰী (বৰ্ত্তমান মৌৰা)	
৭ম পুৰুষ	মাধৱানন্দ (১) মধুসূদন পত্নী—১মা ২য়া সুকন্যা (২) জানকীবল্লভ	নখেতি আৰু বালা	
৮ম পুৰুষ	মধুসূদন—স্ত্ৰী—সুকন্যা এই বংশত প্ৰথম বুজৰবকন্যা (১) ৰামচন্দ্ৰ (৫) চক্ৰপানী (২) হৰিশ্চন্দ্ৰ (৬) দয়াৰাম (৩) কৃষ্ণচন্দ্ৰ (৭) গোৰীচন্দ্ৰ (৪) শিৱচন্দ্ৰ	(.) কোটাকুছি (৫) বনাকুছি ২, ৩, ৪, ৬ আৰু ৭ কমাৰকুছি কমাৰকুছি	

পুৰুষ	নাম	নিবাস	কন্যা
৯ম পুৰুষ	গৌৰীচন্দ্ৰ (খড়্গধ্বজ) স্ত্ৰী চিত্ৰলেখা এই বংশত ২য় বুজৰ বৰুৱা। এওঁৰ দিনতে ৰজা ঘৰৰপৰা দেৱোত্তৰ, ধৰ্ম্মোত্তৰ আৰু নিজাকৈ নিষ্কিখেৰাজ চমুৱা ভূসম্পত্তি অৰ্জ্জন কৰে। (১) বিজয়চন্দ্ৰ—স্ত্ৰী—ধৰ্ম্মেশ্বৰী (২) পুষ্পচন্দ্ৰ (হংসধ্বজ) স্ত্ৰী—সুগন্ধিকা (৩) শম্ভুচন্দ্ৰ (জয়ধ্বজ) স্ত্ৰী—ভবপ্ৰিয়া	কমাৰকুছি	
১০ম পুৰুষ	বিজয়চন্দ্ৰ (দেবীধ্বজ) বৰকায়স্থ বা বৰকাথ বিজয়চন্দ্ৰৰ অগ্ৰজ হৰদত্ত বিদ্ৰোহত চেছামুখৰ যুজত পৰে। (দন্দুৱাদ্ৰোহ চাওক)। (১) উমাচন্দ্ৰ (শ্ৰীধ্বজ) (২) ৰাধাচন্দ্ৰ (৩) ৰজতচন্দ্ৰ (৩) ৰজতচন্দ্ৰ বৰুৱা, জন্ম—১৮১৩ খৃঃ মৃত্যু—১৮৭০ ভাৰ্য্যা—১মা দময়ন্তী, ২য়া কালীপ্ৰিয়া (থানেশ্বৰী)। মৃত্যু—১৯১৬ খৃঃ।		
১১শ পুৰুষ	ৰজতচন্দ্ৰ ১মা স্ত্ৰী—দময়ন্তী, জন্ম—১৮১৩ খৃঃ, মৃত্যু—১৮৭০ খৃঃ। ১। শেষ ভোটান যুদ্ধত সহায় কৰে। ২। হাজোৰ হৰিমতি নামে দেৱদাসীৰ পৰা কমাৰকুছিত আজিও	কমাৰকুছি	১ম পক্ষৰ (১) পদ্মাৱতী—নিঃ চান্দকুছি (২) চণ্ডীকা স্বামী—মধুৰাম চৌধাৰী নিঃ হাবদিয়া বংশৰ মৌজাৰ মৌজাদাৰ।

পুৰুষ	নাম	নিবাস	কন্যা
১১শ পুৰুষ	চলিত প্ৰসঙ্গীয়া ও থিয়নাম আৰু বড়গীত আদি, ৰামায়ণ গোৱা ওজাপালি আৰু পছতিৰ নামৰ তাল-সুৰ উদ্ধাৰ কৰে। ৩। কমাৰকুছিৰ পৰা বৰবাৰীৰ থানেদি নলবাৰীলৈ আলিবাট বন্ধায়। (১) অমৃতচন্দ্ৰ (গড়ুৰধ্বজ) স্ত্ৰী কমলপ্ৰিয়া (২) গোপালচন্দ্ৰ (চন্দ্ৰধ্বজ) স্ত্ৰী লক্ষ্মীপ্ৰিয়া (৩) ললিতচন্দ্ৰ (অবিবাহিত) ৰজতচন্দ্ৰ ২য়া স্ত্ৰী কালীপ্ৰিয়া। (৪) উত্তমচন্দ্ৰ বৰুৱা।	কমাৰকুছি	(৬) বৃন্দা—নিঃ চান্দকুছি। ২য় পক্ষৰ (৪) তিলোত্তমা (নিঃসন্তান) স্বামী—যাদৱচন্দ্ৰ চৌধাৰী নিঃ হাৰদিয়া।
১২শ পুৰুষ	গোপালচন্দ্ৰ বৰুৱা (১) মহেশচন্দ্ৰ বৰুৱা (নিঃসন্তান) চাপৰমুখত পোঃ মাষ্টৰ আৰু জাহাজৰ চাব-এজেণ্ট আছিল। (২) বলাইচন্দ্ৰ বৰুৱা (অবিবাহিত) (৩) শ্ৰীদমনচন্দ্ৰ বৰুৱা		(১) শৰৎকুমাৰী—স্বামী—গোলাপ চন্দ্ৰ চৌধাৰী নিঃ সানেকুছি। (২) সুন্দৰী—স্বামী দৈৱমল্ল বৰুৱা সাং চান্দকুছি।
১২শ পুৰুষ	উত্তমচন্দ্ৰ বৰুৱা (গিৰিধ্বজ) জন্ম—১৮৬৯ মৃত্যু—১৯১৫। স্ত্ৰী কনকলতা (ছায়ালতা) জন্ম—১৮৮৬ খৃঃ (৭ মাঘ) মৃত্যু—১৯৪৫ খৃঃ (অঘোন)	কমাৰকুছি	(১) সতী সুদক্ষিণা, জন্ম—১৯০২ খৃঃ, মৃত্যু—১৯৩৯ খৃঃ, স্বামী জলতি ৰাম লহকৰ। স্বামীৰ মৃত্যুৰ ছমাহৰ মূৰত নিজৰ শৰীৰ ভিতৰতে চিতাত উঠি সতীযায়।

পুৰুষ	নাম	নিবাস	কন্যা
১২শ পুৰুষ	(১) প্ৰফুল্ল চন্দ্ৰ বৰুৱা (২) খনীন্দ্ৰ চন্দ্ৰ বৰুৱা	কমাৰকুছি	(২) প্ৰিয়ম্বদা চৌধুৰী, স্বামী গিৰিশ চন্দ্ৰ চৌধুৰী, প্ৰাক্তন D.F.O. নিঃ ভৰলুমুখ, গুৱাহাটী (৩) বিজয়া, স্বামী দুলাল চন্দ্ৰ চৌধুৰী, Excise Inspector, নিঃ উজানবজাৰ, গুৱাহাটী।
১৩শ পুৰুষ	শ্ৰীদমন চন্দ্ৰ বৰুৱা (১) শ্ৰীশৈলেশ চন্দ্ৰ বৰুৱা (২) যোগেশচন্দ্ৰ বৰুৱা (৩)		(১) দয়াময়ী হাজৰিকা, স্বামী—নৰেন হাজৰিকা। (২) স্বামী—কালীনাথ দত্ত
১৩শ পুৰুষ	শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা, লিখক :—(জন্ম ১৮৯৯ খৃঃ) (১) কৰ্ত্তব্য আৰু অকৰ্ত্তব্য (২) হেৰোৱা ছবিৰ টুকুৰা (৩) Assamese Proverbs. স্ত্ৰী—নিৰ্ম্মলা (মোহিনী) জন্ম—১৯০৪ খৃঃ মৃত্যু—১৯৪৭ জুলাই (১) ৰণেন্দ্ৰচন্দ্ৰ বৰুৱা, M.S. (Notredame, U.S.A.) Makum Namdang Tea Co. Assam.	ৰিহাবাৰী গুৱাহাটী	(১) কৰবী মহন্ত স্বামী—দেবীচৰণ মহন্ত, অধ্যাপক কটন কলেজ। (২) নীলিমা বৰুৱা। (৩) অঞ্জলী বৰুৱা, B.A.

পুৰুষ	নাম	নিবাস	কন্যা
	(২) সুধীন্দ্র চন্দ্র বৰুৱা, A.C.S. (Senior) (৩) জ্যোতিন্দ্র চন্দ্র বৰুৱা, B.A. (৪) দীপেন্দ্র চন্দ্র বৰুৱা, M.B.B.S.		
১৩শ পুৰুষ	শ্ৰীখনীন্দ্র চন্দ্র বৰুৱা, আই, এ, এছ প্ৰাক্তন কমিছনাৰ, পাৰ্ব্বত্য বিভাগ। স্ত্ৰী—পূৰ্ণিমা (কেশৱবল্লভা) জন্ম—২৫।১২।১২, মৃত্যু—১৯৫২ ডিচেম্বৰ (১) ৰবীন্দ্র চন্দ্র বৰুৱা, I.R.A.S. (২) নীতিন্দ্র চন্দ্র বৰুৱা (৩) ৰথীন্দ্র চন্দ্র বৰুৱা	লাচামিয়াৰ শ্বিলং	(১) অপৰ্ণা দাস, B.Sc. স্বামী—ধীৰেন্দ্রনাৰায়ণ দাস, আই, আৰ, এছ (২) কল্পনা বৰুৱা, B.A. স্বামী—ক্ষীৰদাকান্ত বৰুৱা, ৰিফাইনেৰী কেমিষ্ট, ডিগবই। (৩) গায়ত্ৰী বৰুৱা, B.A. (৪) মৈত্ৰেয়ী বৰুৱা।
১৪শ পুৰুষ	শ্ৰীৰণেন্দ্র চন্দ্র বৰুৱা ভাৰ্য্যা—উষা		(১) ৰশ্মি

মধুসূদন বুজৰবৰুৱাৰ বংশধৰ সকলৰ শ্ৰাদ্ধৰ তিথি

পুৰুষ	ব্যক্তনাম	গুপ্তনাম	মাহ	তিথি
১ম	মধুসূদন বুজৰ বৰুৱা		জেঠ	কৃষ্ণা পঞ্চমী
	স্ত্ৰী সুকন্যা			
২য়	৭ম পুত্ৰ গৌৰীচন্দ্ৰ বুজৰবৰুৱা	খড়্গধ্বজ	চৈত	কৃষ্ণা প্ৰতিপদ
	স্ত্ৰী চিত্ৰলেখা		চৈত	কৃষ্ণা চতুৰ্থী
৩য়	গৌৰীচন্দ্ৰৰ পুত্ৰ :—			
	১। বিজয়চন্দ্ৰ বৰকাথ*	দেবীধ্বজ	আহিন	কৃষ্ণা তৃতীয়া
	স্ত্ৰী ধৰ্ম্মেশ্বৰী		কাতি	অমাৱস্যা
	২। পুষ্পচন্দ্ৰ	হংসধ্বজ	কাতি	শুক্লা দ্বাদশী
	স্ত্ৰী সুগন্ধিকা		ভাদ	কৃষ্ণা চতুৰ্থী
	৩। শম্ভুচন্দ্ৰ	জয়ধ্বজ	আহিন	কৃষ্ণা তৃতীয়া
	স্ত্ৰী ভৱপ্ৰিয়া			
৪ৰ্থ	বিজয়চন্দ্ৰৰ পুত্ৰ :—			
	১। উমাচন্দ্ৰ	শ্ৰীধ্বজ	আহিন	কৃষ্ণা প্ৰতিপদ
	স্ত্ৰী জয়প্ৰিয়া		জেঠ	কৃষ্ণা চতুৰ্থী
	২। ৰাধাচন্দ্ৰ		জেঠ	
	৩। ৰজতচন্দ্ৰ*	তাম্ৰধ্বজ	আহাৰ	কৃষ্ণাষ্টমী
	১মা স্ত্ৰী দময়ন্তী		পুহ	শুক্লা চতুৰ্দ্দশী
	২য়া স্ত্ৰী কালীপ্ৰিয়া	থানেশ্বৰী	আহিন	শুক্লা চতুৰ্থী
৫ম	ৰজতচন্দ্ৰৰ ১মা স্ত্ৰী দময়ন্তীৰ পুত্ৰ :—			
	১। অমৃতচন্দ্ৰ	গড়ুৰধ্বজ	আঘোণ	অমাৱস্যা
	স্ত্ৰী কমলপ্ৰিয়া			
	২। গোপালচন্দ্ৰ	চন্দ্ৰধ্বজ	ফাগুন	পূৰ্ণিমা
	স্ত্ৰী লক্ষ্মীপ্ৰিয়া		ফাগুন	কৃষ্ণা চতুৰ্দ্দশী

পুৰুষ	ব্যক্তনাম	গুপ্তনাম	মাহ	তিথি
৫ম	ৰজতচন্দ্ৰৰ			
	২য়া স্ত্ৰী কালীপ্ৰিয়াৰ পুত্ৰ			
	১। উত্তমচন্দ্ৰ*	গিৰিধ্বজ	শাওন	শুক্লা ষষ্ঠী
	স্ত্ৰী কনকলতা	ছায়ালতা	আঘোণ	কৃষ্ণা তৃতীয়া
৬ষ্ঠ	গোপালচন্দ্ৰৰ পুত্ৰ :—			
	১। মহেশচন্দ্ৰ			
	স্ত্ৰী ভাগ্যপ্ৰিয়া			
	২। দমনচন্দ্ৰ			
	স্ত্ৰী			
৬ষ্ঠ	উত্তমচন্দ্ৰৰ পুত্ৰ :—			
	১। প্ৰফুল্লচন্দ্ৰ			
	স্ত্ৰী নিৰ্ম্মলা	মোহিনী	আহাৰ	শুক্লা ষষ্ঠী
	২। খগীন্দ্ৰচন্দ্ৰ			
	স্ত্ৰী পূৰ্ণিমা	কেশৱবল্লভা	আঘোণ	কৃষ্ণা সপ্তমী

উত্তমচন্দ্ৰ বৰুৱাৰ পদ্যৰ চানেকী :—

দুৰ্গোৎসবৰ গীত।

আই ঠাকুৰাণী আই তোমাৰ নীলাচলে ৰতি।
দুখানি চৰণে প্ৰাৰ্থনা কৰিছোঁ ৰক্ষা কৰা ভগবতী ॥
তুমি আদ্যা শক্তি পৰমা প্ৰকৃতি
মূলাধাৰে কৰা স্থিতি ;
জগত জননী ব্ৰহ্মাণ্ড ৰূপিনী
হৰজায়া হৈমৱতী। ১।
ব্ৰহ্মা বিষ্ণু শিৱ মূৰ্ত্তিধৰি তুমি
স্ৰজা পালা সংহাৰাহা ;
কাল ৰুদ্ৰ বক্ষে নৃত্য কৰা সুখে
তব তত্ত্ব জানে কেবা। ২।
আমি মা অজ্ঞানী ভৱ কূপে মজি
হৰুৱাইছো তত্ত্ব জ্ঞান ;
বিষয় সম্ভোগে মত্ত অনুক্ষণে
কেনে পাইবো পৰিত্ৰান। ৩।
দিনে টুটে আয়ু ইটো প্ৰাণ বায়ু
কৈত কেতিক্ষণে যায় ;
সংসাৰ তৰনী তযু পাদ পদ্ম
বিনে অন্য গতি নাই। ৪।
তুমি মা কাণ্ডাৰী ভব দুঃখ হাৰী
ত্ৰান কৰা নিজ গুণে ;
দিয়া শুদ্ধ মতি তোমাতেসে ৰতি
হৌক মাৰ ৰাত্ৰি দিনে। ৫।

আমি নৰ নাৰী কি দিয়া পূজিব
কি আৰ আছে সম্বল ;
ব্ৰহ্মাণ্ড ভিতৰে যিবা বস্তু আছে
তোমাতে আছে সকল। ৬।

৮ ভাদ ১৩২১

আই ঠাকুৰাণী আই তুমি জগতৰ গতি।
ভজন বিহীন আমি নৰ নাৰী চৰণে কৰোঁ প্ৰণতি ॥
আমি ভক্তি হীনা সদাচাৰ শূন্যা
লোভে মোহে মত্ত অতি ;
বিষয়ে আসক্তি কৰি দিবা ৰাত্ৰি
নাপাওঁ তিলেক শান্তি। ১।
মহা বলৱন্ত পশু কাম ক্ৰোধে
দুয়ো কৰে আক্ৰমন ;
হাতে ধৰি খাণ্ডা কাটি তাৰ মুণ্ডা
কৰা মাও পৰিত্ৰান। ২।
দশ ভুজে তুমি ধৰি দশ অস্ত্ৰ
দানব দলন কৰা ;
দশ ইন্দ্ৰিয়ৰ তৃষ্ণা উপভোগ
সমূলঞ্চে নাশ কৰা।
পতি পুত্ৰ বিত্ত ভাই বন্ধু মিত্ৰ
কেউ নাযাইব সঙ্গে ;
সপ্নৰ সময় সুখ ভোগ জ্ঞান
মিছা যেন নিদ্ৰাভঙ্গে। ৪।
তুমি মাত্ৰ সঞ্চা সবে মায়া ময়
জল বুদবুদ প্ৰায় ;

অথিৰ জীৱন ক্ষণে হয় লয়
এই আছে এই নাই। ৫।
আমি মূঢ় মতি নাজানোহোঁ স্তুতি
নাজানোঁ সেৱা তোমাৰ;
নিজ গুণে মাৰ দিয়া পদ ছায়া
পতিতে কৰা উদ্ধাৰ। ৬।
তুমি নিস্তাৰিণী পতিত পাৱনী
ভক্তি মুক্তি প্ৰদায়িনী;
সংসাৰ সাগৰে পৰি তল গৈলোঁ
নিস্তাৰা জগ জননী। ৭।
তুমি নতাৰিলে কোনে তৰিবন্ত
তৰাইতে শকতি কাৰ;
হেন জানি আমি শৰণ পশিলোঁ
কৰা ভৱ নদী পাৰ। ৮।

১০ ভাদ ১৩২১

কিনো অপৰূপ মূৰতি মধুৰ
উজলিছে দশোদিশ;
মাথে জটাজুট ভালে অৰ্দ্ধচন্দ্ৰ
দেখন্তে লাগে হৰিষ্। ১।
পূৰ্ণ চন্দ্ৰ সম বদন মণ্ডল
তপ্ত সুবৰ্ণৰ কান্তি;
চাৰু সুশোভন ত্ৰিগোট লোচন
দন্ত মুকুতাৰ পান্তি। ২।

ত্ৰিভঙ্গ সুঠাম পীনোন্নত স্তন
নৱ যৌৱনৰ আভা ;
সৰ্ব্ব বস্ত্ৰ ময় ত্ৰিপদে লম্বিত
কৰস্ত হাৰৰ শোভা । ৩ ।
নানা অলঙ্কাৰে বিভূষিত অঙ্গ
শোভে অস্ত্ৰ দশ ভুজে ;
কিৰিটী কুণ্ডল কৰে ঝলমল
কটিত মেখলা বজ্ৰে । ৪ ।
বলয়া কঙ্কনে বাজু হেমটাৰে
সুমণ্ডিত বাহু অতি ;
ৰক্ত পদ্ম সম যুগল চৰণ
নেপুৰৰ কৰে জ্যোতি । ৫ ।
হীৰকে খচিত অঙ্গুষ্ঠি অঙ্গুলে
যেন চম্পকৰ কলি ;
নাসা তিলফুল অধৰ বাতুল
নাভিত শোভে ত্ৰিবলী । ৬ ।
চড়্গৰ্গ চক্ৰ বান ত্ৰিশূল শকতি
ধৰা আগ পঞ্চ কৰে ;
খেটক অঙ্কুশ ঘন্টা ধূম্ৰ পাশ
বাম কৰে দিপ্তী কৰে । ৭ ।
মহিষ অসুৰে বান্ধি নাগ পাশে
বিদাৰিছা হিয়া মূলে ;
সিংহৰ উপৰ মূৰ্ত্তি ভয়ঙ্কৰ
দেখি দেৱে স্তুতি কৰে । ৮ ।
প্ৰসন্ন বদনী কৰ্ম্মফল দাতৃ
দৈত্য দৰ্প বিনাশিনী ;
উগ্ৰচণ্ড আদি অষ্ট শক্তি যুতা
ধৰ্ম্মাৰ্থ কাম দায়িনী ৯ ।

মধুৰ শৰতে বৰিষ অন্তৰে
দিয়া দেখা নৰলোকে ;
কৰা তাপ দূৰ চিত্ত হৌক স্থিৰ
দিয়া দৰিশন মোকে। ১০।

১৩ ভাদ্ৰ ১৮২১

(ঘোষা) দুৰ্গতি নাশিনী অসুৰ ঘাতিনী
জয় দুৰ্গা দেবী ভৱানী॥

তুমি কালী তাৰা তুমি মহাবিদ্যা
ষোড়শী ভুবনেশ্বৰী ;
তুমি মা ভৈৰবী তুমি ছিন্ন মুণ্ডা
ধূম্ৰাৱতী শুভঙ্কৰী। ১।
বগলা মাতঙ্গী সিদ্ধ বিদ্যামতি
কমল দল বাসিনী ;
দশ মহা বিদ্যা ৰূপ ধৰি মাৱ
তুষিলাহা শূলপানি। ২।
নাজানোঁ ভকতি মিনতি প্ৰণতি
নাজানোঁ স্তুতি তোমাৰ ;
কেৱল তোমাৰ চৰণ পঙ্কজে
শৰণ কৰিলোঁ সাৰ। ৩।
পাপী অহঙ্কাৰী বুলি নেঠেলিবা
চৰণত দিয়া ঠায় ;
আমি কুসন্তান তুমিতো জননী
নেৰিবা নেৰিবা আই। ৪।
কাম ক্ৰোধ আদি দৈত্য ৰিপুগনে
আক্ৰমিছে নিৰবধি ;

ৰাখি পদ দুৰ্গে খেদা ৰিপু বৰ্গে
উদ্ধাৰা ভৱ জলধি। ৫।
ঝুমুৰী। দুৰ্গে-দুৰ্গে তাৰিণী দুৰ্গে,
অধম দুৰ্ব্বল নৰে
ৰাখিও চৰণে দুৰ্গে।
খেদি দিয়া কাম ক্ৰোধ
লোভ আদি ৰিপু বৰ্গে॥
তুৱা নাম বিনে গতি
নাই আৰ কলি যুগে।
সদা নছাৰোক মোৰ
মতি তুৱা পদ যুগে॥

১৪ ভাদ ১৩২১

বন্দনা

আমি কোন ভাগ্যে ভজিব চণ্ডিকা চৰণ॥
আমি হীন দুৰাচাৰ পাষণ্ড বৰ্ব্বৰ।
অনিত্য সুখৰ লোভে চিত্ত নোহে স্থিৰ॥
ভজন ভকতি হীন কিবা আছে আৰ।
নিজ দয়া গুণে পূজা লোৱা মাৱ আমাৰ॥
তুমি মাতা পিতা ধাতা সুহৃদ সোদৰ।
তুমি বিনে কিঞ্চিতেকো নাই ব্ৰহ্মাণ্ডৰ॥
তুমি ভাৰ্য্যা পুত্ৰ কন্যা শত্ৰু মিত্ৰ যত।
তোমাৰ মূৰুতি মাৱ ই বিশ্ব জগত॥
তুমি আদি অন্ত মধ্য স্থাৱৰ জঙ্গম।
তুমি নৰ পশু পক্ষী কীট পতঙ্গম॥

তৰু তৃণ লতা তুমি ওষধি সকল।
তোমাৰেসে ৰূপ মাৰ সকলো কেৱল॥
তুমি ব্ৰহ্মা তুমি বিষ্ণু তুমি মহেশ্বৰ।
দেৱ ঋষি দানব মানব পুৰন্দৰ॥
তুমি যক্ষ ৰক্ষ তুমি গন্ধৰ্ব্ব কিন্নৰ।
ভুচৰ খেচৰ সৰিসৃপ জলচৰ॥
তুমি সত্ত্ব ৰজ তম বুদ্ধি অহঙ্কাৰ।
মন প্ৰাণেন্দ্ৰিয় তুমি কাৰণ সবাৰ॥
তুমি ব্যোম্ মৰুৎ তপন জল স্থল।
চন্দ্ৰমা তাৰকা গ্ৰহ তুমিহে সকল॥
তুমি অগ্নি বিদ্যুৎ ইথাৰ নিহাৰিকা।
নিদ্ৰা জাগৰণ স্বপ্ন তুমি চেতনিকা॥
তুমি আদি প্ৰকৃতি পুৰুষ সনাতন।
জীৱ শিৱ নিত্য সত্য ব্ৰহ্মা নিৰঞ্জন॥
জগতৰ বীজ তুমি কাল-মায়া শক্তি।
সম দম ক্ষমা দয়া তুমি প্ৰীতি ভক্তি॥
কাম ক্ৰোধ ভয় লোভ ঘৃণা হিংসা দ্বেষ।
কুমতি সুমতি জ্ঞান অজ্ঞান বিশেষ॥
কোনে বৰ্ণাইব পাৰে বিভূতি তোমাৰ।
বিশ্বজুৰি এক অংশে থাকা নিৰন্তৰ॥
উৎপত্তি পালন লয় তোমাৰ বিকাৰ।
তুমিহে কেৱলি সত্য সকলি অসাৰ॥
মায়া পাশে বদ্ধ হুয়া ভ্ৰমো মিছা আশে।
নাই শক্তি কিমতে যাইব তুৱা পাশে॥
দীন দয়ামী তুমি কৰা শক্তি দান।
মত্ত হয় মন যেন কৰিতে পূজন॥
ভব ভয় নিবাৰণ তোমাৰ চৰণ।
বিনে গতি নাই এৰে পশিলো শৰণ॥

'১৯ ভাদ ১৩২১

ৰাস পূজাৰ গীত

শৰত কালৰ পূৰ্ণিমা ৰজনী
বিকশিত বৃন্দাবন।
ৰাস কেলি ঘন পূৰ্ণ ভগৱান
কৰন্ত বংশী বাদন॥
নানা বিধ ফুল ফুলিছে চৌভিতি
বহে মলয়া পবন;
মত্ত মৈৰা গনে ধৰন্ত পেখন
ভ্ৰমৰা কৰে গুঞ্জন।১।
শুভ্ৰ ৰক্ত নীল উৎপল কমল
প্ৰস্ফুটিত সৰোবৰে;
ৰাজহংস বক কোণা চক্ৰবাক
তাৰ মাজে ক্ৰীড়া কৰে।২।
এহেন সময়ে শুনি বংশী ৰাৱ
উত্ৰাৱল গোপ নাৰী;
হুয়া উনমত্ত এৰি গৃহ কৰ্ম্ম
কৃষ্ণ পাশে গৈল লৰি।৩।
পতি পুত্ৰ কাৰো বাধা মুগুনিলা
কথাতো নিদিলা কাণ;
নিষ্কাম ভকতে নবাঞ্ছয় যেন
কৃষ্ণ বিনে অন্য ধন।৪।
কিনো ভাগ্যৱতী গোপীকা যুৱতী
কিনো তপস্যাৰ ফল;
যোগী জনে যাক ধ্যানেও নলভে
লভিলা প্ৰেমে কেৱল।৫।

হে ৰাধা ৰমন জগত বন্দন
তুমি সবাহাৰ স্বামী ;
কৰা মায়া দূৰ দিয়া পদ ছায়া
কৰোহোঁ কাকূতি আমি। ৬।
পৰম ৰহস্য বৃন্দাৱন লীলা
ভাগৱত তত্ত্বসাৰ ;
কাম জয় মন্ত্ৰ ইটো কথামৃত
নৰনাৰী সমস্তৰ। ৭।
শুনা এক মনে কিবা ৰাত্ৰি দিনে
নকৰিবা অতি হেলা ;
নেৰিবা নেৰিবা কৃষ্ণৰ চৰণ
মৰণ কালৰ ভেলা। ৮।
পতি পুত্ৰ ধন ভাই বন্ধু জন
কৃষ্ণ বিনে অন্য নাই ;
জানি এই তত্ত্ব কৃষ্ণৰ চৰিত্ৰ
নিৰন্তৰে ফুৰা গায়।

১৫ আহিন ১৩২১

ই ঘোৰ অৰণ্যে সুন্দৰী গোপীকা
কিয় আহিলা নিশা ভাগে।
সাধিবোহোঁ কাজ নকৰিবা লাজ
কোৱা মোত কিবা লাগে॥
কদম্বৰ তলে ত্ৰিভঙ্গ মূৰুতি
বনমালা শোভে গলে ;
মাথে মৈৰাচক অধৰে মুৰুলি
হিয়াত কৌস্তুভ জ্বলে। ১।

কৰ্ণে ঝলমল মকৰ কুণ্ডল
কঁকালত পীত বাস ;
গোপী সকলৰ চিত্ত মোহ গৈলা
কৃষ্ণৰ দেখি বিলাস। ২।
মধুৰ সম্ভাষে বুলিলা কৌতুকে
হেৰা ব্ৰজ বিলসিনী ;
বাঘ ভালুকৰ প্ৰেত পিশাচৰ
ক্ৰীড়াৰ কাল ৰজনী। ৩।
তুমি কুলবধু নাথাকিবা ঐত
ফিৰা গৃহে ত্বৰা কৰি ;
শাশুৰী জননী ভাই পতি পুত্ৰ
ফুৰিছে কত বিচাৰি। ৪।
নেদেখি তোমাক হুয়াছে আকুল
ভাই বন্ধু পৰিজন ;
ব্ৰজে উলাটয়া গুছোৱা সংশয়
শীঘ্ৰে তাসম্বাৰ মন। ৫।
গৃহতে থাকিয়া পালা গৃহধৰ্ম্ম
কৰা স্বামী সেৱা কৰ্ম্ম,
বেদ সমাচাৰ সমস্তে কহয়
কুল স্ত্ৰীৰ এহি ধৰ্ম্ম। ৬।
কলা কণা কুজা হয় যদি পতি
কদাপি তাক নেৰিবা ;
পৰপুৰুষৰ সহ সম্ভাষণ
গৰ্হিত নিষ্ঠে জানিবা। ৭।
এৰি নিজ স্বামী ভজে অন্য জন
অকল্যাণী সিটো জনী ;
ইহ পৰ কালে ভুঞ্জে নানা দুঃখ
ইটো সত্য শাস্ত্ৰ বাণী। ৮।

স্নেহ কৰি মোক আইলা সখীসব
কওঁ সত্য সমিধান ;
গৃহত থাকিয়া চিন্তিলে একান্তে
পাবা মোক দৰশন । ৯ ।
থাকি বিদূৰতে মোকেহে চিন্তিলে
বাঢ়িব ভকতি মোত ;
হব শুদ্ধ মন তাপ বিমোচন
খণ্ডিব দুৰ্গতি যত । ১০ ।

১৭ আশ্বিন

কিনো নিদাৰুন মুৰাৰি বান্ধব
কিনো কপটিৰ স্বামী ।
অন্তৰ্য্যামী হৈও সুধিছা দুনাই
কিয়বা আহিলোঁ আমি ॥
মোহন বংশীৰ ৰৱ শুনি মৰোঁ
ধৈৰ্য্য নহৰে হিয়া ;
তুমি কল্পতৰু নকৰা নৈৰাশ
পদ তলে ঠাই দিয়া । ১ ।
পতি পুত্ৰ ধন মায়াৰ বন্ধন
নাই তাত আৰ ৰতি ;
পাহৰিছো সব মোহ গৈছে চিত্ত
মোহন তযু মূৰতি । ২ ।
স্বামী সেৱা কৰ্ম্ম কুল স্ত্ৰীৰ ধৰ্ম্ম
যিটো কলা উপদেশ ;
জগতৰ আত্মা তোমাৰ সেৱাত
পাইবো ধৰ্ম্ম অশেষ । ৩ ।

কাত্যায়নী ব্ৰত কৰি আৰাধিলোঁ
মাগিলোহোঁ যিবা বৰ;
কদম্বৰ তলে তুষ্ট হৈয়া নাথ
দিলা মতি ইষ্ট বৰ। ৪।
সেই দিন হন্তে উদাস হৈলোঁ
গৃহ বাসে নাই মন;
শয়নে সপোনে তোমাকেহে দেখোঁ
কলোঁ সত্য ই বচন। ৫।
ত্যজি নিন্দা লাজ হলোঁ গৃহ বাজ
নাযাওঁ ব্ৰজে উভতি;
তোমাৰ কিঙ্কৰী আমি গোপনাৰী
নেৰিবা হেৰা কপটি। ৬।
মুৰলীৰ গীত শুনি পুলকিত
পশুপক্ষী বৃক্ষ' যত;
আমি নাৰী জাতি ভুলিবো কিমতে
পুৰুষৰো ভোলে চিত। ৭।
তুমি প্ৰাণ মন জীৱৰ জীৱন
সবাবো পতিৰ পতি;
নেৰিবা ইবাৰ হেৰা গোপীনাথ
চৰণে কৰোঁ কাকুতি।

২০ ভাদ্ৰ ১৩২১

ঘোষা॥ জগতৰ স্বামী কৃষ্ণ কৃষ্ণ বৃন্দাবন ধন।
ভকতিত বশ্য কৰিলাহা গোপীগণ॥
পদ॥ মোহন কটাক্ষে গোপীকাক সম্ভাষিলা,
সিদ্ধি হল মনোৰথ সম্ভাবে বুজিলা। ১।

পুলকে অৱশ হিয়া নেত্ৰে বহে পানী,
ৰোমাঞ্চিত তনু মুখে নুফুটয় বাণী। ২।
ধৈৰ্য্য নাই কাৰো নাচে চৌপাশ বেঢ়িয়া;
বংশী ধ্বনি কৰি নাচে মাজত কলীয়া। ৩।
উজলে গগনে চন্দ্ৰ তাৰকাৰ মাজে;
গোপীকাৰ মাজে কৃষ্ণ ততোধিক ৰঙ্গে। ৪।
ফুলে নানা ফুল সুৰভিত সমীৰণ;
মধুলোভে ফুৰে অলি কৰি গুন্‌জন। ৫।
কোকিলৰ কুহু কুহু ঝিল্লীৰ আৰাৱ;
বৃন্দাৱন প্ৰমোদিত প্ৰেমে মত্তভাৱ। ৬।
দেখি ৰাসকেলী দেৱ সিদ্ধ বিদ্যাধৰ;
বৰিষন্ত পুষ্প উল্লসিত হৈ বৰ। ৭।
ক্ৰীড়ি কৃষ্ণ সমে দম্ভ হৈলা গোপীকাৰ;
ভাৱে কোন আমাসম সুভাগিনী আৰ। ৮।
নসহন্ত দৰ্প কাৰো কৃষ্ণ ভগবান;
সন্তাপিয়া গোপীকাক হৈলা অন্তৰ্দ্ধান। ৯।
উচ্চস্বৰে কান্দে সৱে নেদেখি কৃষ্ণক;
কৈক গৈল প্ৰাণনাথ বুলি পাৰে ডাক। ১০।
উনমত্ত হৈ পুছিলন্ত সৱাহাক;
পশুপক্ষী তৰুলতা দেখিলন্ত যাক। ১১।
বোলে কিনো অভাগিনী গৰ্ব্বে মত্ত হৈলোঁ;
হাতে নিধি পাই অহঙ্কাৰে হৰুৱাইলোঁ। ১২।
এৰি গৃহ পতি পুত্ৰ ধন লজ্জা মান;
বিকি আছোঁ তোমাৰ চৰণে দেহ মন। ১৩।
স্বভাৱে চঞ্চলা নাৰী কিঙ্কৰী তোমাৰ;
ক্ষমিয়োক দোষ নকৰিবা পৰিহাৰ। ১৪।
কৰন্ত বিলাপ বিনাই কৃষ্ণ গুণ;
উপজিল মহাভাৱ পাহৰে আপোন। ১৫।

মিলি সবে নমিলন্ত কালিন্দীৰ বালি;
হৈ বিহ্বল নানা কৰে কৃষ্ণ কেলি। ১৬।
বাহিৰে ভিতৰে কৃষ্ণ আছে সৰ্ব্বাহাৰ;
বিচাৰে তথাপি গোপী কৰি হাহাকাৰ। ১৭।
কৰে উত্ৰাৱল চিত্তে নানা কৃষ্ণগীত;
দেখা দিয়া প্ৰাণ বন্ধু জুৰোওৱা চিত। ১৮।
দেখি দুঃখ গোপীকাৰ প্ৰেম ভাৱ অতি;
দিলা দৰিশন প্ৰেমময় জগপতি। ১৯।
জীলোঁ জীলোঁ বুলি কত ধৰন্ত সাৱটি;
কত জনী চৰণত পৰিলন্ত লুটি। ২০।
কৃষ্ণ দৰশনে যেন অমৃত সিঞ্চিলা;
সুমাল বিৰহ তাপ পূৰ্ণকাম হৈলা। ২১।
মণ্ডল আকাৰে গোপী বেৰিলা চৌপাশ;
মধ্যে বংশী বায় কৃষ্ণ কৰন্ত প্ৰকাশ। ২২।
বিদ্যুত মেঘৰ মাজে যেন জিলিকয়;
গোপীমাজে কৃষ্ণ ততোধিক উজ্জলয়। ২৩।
এই মতে গোপীনাথ কৰি ৰাসক্ৰীড়া;
গুচাইলা গোপী সকলৰ কামপীড়া। ২৪।
শুনা নৰনাৰী ইটো কৃষ্ণৰ চৰিত্ৰ;
মহাভাগৱত সাৰ পৰম পৱিত্ৰ। ২৫।
আতপৰে নাহি ধৰ্ম্ম জানিবা কলিত;
মধুৰৰো সুমধুৰ শুনন্তে অমৃত। ২৬।
ৰক্ষা নাই কাৰো যমে আছে চুলি ধৰি;
সময় থাকোঁতে নাম লোৱা মুখ ভৰি।

২২ আহিন ১৩২১

আচাৰ্য্য শ্ৰীমৎ শঙ্কৰ ও শ্ৰীমৎ ৰামানুজ

উপৰোক্ত মহাপুৰুষ দুইও জনেই জগতৰ শিক্ষিত সমাজৰ ওচৰত বিশেষৰূপে সুপৰিচিত। তাৰাসকলৰ সংক্ষিপ্ত ধৰ্ম্মমত ও জীৱনকাহিনী বান্ধৱৰ সহৃদয় পাঠকসকলৰ মনোৰঞ্জন হব আশা-কৰি আমাৰ ক্ষুদ্ৰ লিখনি এই প্ৰবন্ধ লিখিব দুঃসাহস কৰিছে। পাঠকসকলে নিজ দয়াগুণে লিখনি ধাৰকৰ ধৃষ্টতা উপেক্ষা কৰি সাধুচৰিত্ৰ পাঠ কৰা বুলি মনক প্ৰবোধ দিব বুলি ভৰসা।

সনাতন হিন্দুধৰ্ম্মৰ যিমান সম্প্ৰদায় বা মত আছে সকলোৰে মূল ভিত্তি "বেদান্তদৰ্শন" শাস্ত্ৰ। এই শাস্ত্ৰ প্ৰদৰ্শিত সুখ অক্ষয় ও অনন্ত; এই সুখ লভিব পাৰিলে পুনৰায় দুখৰ মুখ দেখিব নালাগে। স্মৰণাতীত কালৰপৰা আমালোকৰ পুৰ্ব্বপুৰুষ সকলে এই শাস্ত্ৰোক্ত পথে চলি কৃতাৰ্থ হৈ গৈছে। আচাৰ্য্য শঙ্কৰ ও ৰামানুজ এই বেদান্তশাস্ত্ৰ অবলম্বন কৰি মনুষ্য জীৱনৰ চৰমলক্ষ্য সম্বন্ধে প্ৰাচীন নানা মতবাদৰ মীমাংসা কৰি জগতত প্ৰতিষ্ঠান্বিত হৈছে।

উভয় মহাপুৰুষ বেদান্তশাস্ত্ৰৰ অনুবৰ্ত্তী হইও একজন অদ্বৈত-বাদী অপৰজন বিশিষ্টাদ্বৈতবাদী। আচাৰ্য্য শঙ্কৰে কয়, একমাত্ৰ নিৰ্ব্বিশেষ ব্ৰহ্মই সত্য অপৰ সমস্তই অসত্য; আচাৰ্য্য ৰামানুজে কয়,—জীৱ ও জগৎ-বিশিষ্ট ব্ৰহ্মই সত্য, জীৱ ও জগত্ অসত্য নহে। একজনে কয়,—ধাৰণা ধ্যান সমাধিদ্বাৰা ব্ৰহ্মত প্ৰাণ মন ঢালি দি তাতেই গলি যোৱা তাতেই মিহল হৈ যোৱা; অপৰজনে কয়,—ভগবানৰ অসীম দয়াৰ কথা স্মৰণ কৰি তেওঁৰ সেৱা কৰি তেওঁৰ দাসত্ব কৰি জীৱন ধন্য কৰা। শঙ্কৰে কয়,—অভিন্নভাবে

ব্ৰহ্মতত্ত্বৰ স্বৰূপতা লাভেই মুক্তি; ৰামানুজে কয়,—ভগবানৰ চিৰ কিঙ্কৰ্য্যই মুক্তি। একজনে কয়,—জ্ঞানেই মুক্তিৰ সাধন, কৰ্ম্ম চিত্তশুদ্ধিৰ কাৰণ, সুতৰাং কৰ্ম্ম জ্ঞানৰ সহায়; অপৰজনে কয়,— জ্ঞান ও কৰ্ম্ম উভয়েই মুক্তিৰ সাধন। এইদৰে বেদান্তদৰ্শনৰ ব্যাখ্যা উক্ত মহাপুৰুষ দুইজনৰ দ্বাৰা দুই প্ৰকাৰে প্ৰচাৰিত হৈ ভাৰতবৰ্ষত জ্ঞানবাদী (অদ্বৈতবাদী) আৰু ভক্তিবাদী (বিশিষ্টা-দ্বৈতবাদী) নামে দুটা প্ৰবল সম্প্ৰদায়ৰ প্ৰতিষ্ঠা হৈছে। উভয় সম্প্ৰদায়তে মহাত্মা অনেক মুক্ত পুৰুষৰ অভাব নাই। সনাতন হিন্দু ধৰ্ম্মাবলম্বি লোকসকল উক্ত দুই সম্প্ৰদায়ৰ কোনো সম্প্ৰদায়ৰ অন্তৰ্ভূক্ত।

যি বেদান্তদৰ্শন হিন্দুধৰ্ম্মৰ মূল ভিত্তি, যাৰ আশ্ৰয়ত লক্ষ লক্ষ নৰ-নাৰী সংসাৰৰ দুখতাপৰ পৰা মুক্ত হব আশা কৰে সেই মহান শাস্ত্ৰৰ ব্যাখ্যা যদি এইদৰে দুই বিভিন্ন প্ৰকাৰৰ হয় তেনেহলে সংসাৰ তাপক্লিষ্ট মানুহে কোন পথক আশ্ৰয় কৰি নিৰাপদ হয়? স্থূলদৃষ্টিত এই আশঙ্কা মনত উদয় হলেও তত্ত্বতঃ এই আশঙ্কা সম্পূৰ্ণ নিৰৰ্থক। আদাবেপাৰীয়ে জাহাজৰ সংবাদ লোৱাৰ দৰে উক্ত বিভিন্ন মতৰ সমালোচনা কৰা মাদৃশ ক্ষুদ্ৰজনৰ পক্ষে অবশ্য একান্ত হাস্যাস্পদ। কাৰ মত সত্য কাৰ মত সত্য নহয় অৰ্থাৎ কাৰ মতৰ অনুবৰ্ত্তী হলে সংসাৰৰ দুখ তাপ বিমোচন হয় আৰু পৰম সুখ লাভ কৰি চলা হয় এই কথাৰ সমালোচনা এই প্ৰবন্ধৰ উদ্দেশ্য নহয় এবং এই প্ৰবন্ধত ইয়াৰ ঠাইও নাই। সংক্ষেপতঃ শ্ৰীমদ্ভগবদগীতাৰ উক্তি উল্লেখ কৰি এই কথা কোৱা বোধকৰো অনুচিত নহব যে উক্ত দ্বিপ্ৰকাৰ মত ব্যাখ্যাই ভ্ৰান্ত এবং অসত্য নহয়। যেহেতু উক্ত কোন প্ৰকাৰ মতৰ সম্যকৰূপে অনুবৰ্ত্তীকাৰীৰ পক্ষে পৰম সুখ লভি কৃতাৰ্থ হোৱাত কোনো বিপত্তি নাই। অদ্বৈত বা জ্ঞানবাদী মতৰ অনুবৰ্ত্তী কত মুক্ত পুৰুষ যি বৰ্ত্তমান কালতো বিচৰণ

কৰি আছে তাক অস্বীকাৰ কৰিবৰ যো নাই। অন্যপক্ষেও বিশিষ্টাদ্বৈত বা ভক্তিবাদী দলৰ অনুবৰ্ত্তী মহাপ্ৰভু ৺চৈতন্য আৰু অন্য মহাত্মাৰ কথা সকলৰে জানা আছে। এতেকে উভয় মতক স্থূলদৃষ্টিত পাৰ্থক্য উপলব্ধি কৰিলেও মূলতঃ উভয়েই এক আৰু অভ্ৰান্ত এবং সত্য।

মনুষ্যসকলৰ আকৃতি একপ্ৰকাৰ হোৱা বাবে সকলৰে প্ৰকৃতি বা শক্তি একপ্ৰকাৰৰ নহয় গতিকে ব্যবস্থাও সকলৰে পক্ষে একপ্ৰকাৰৰ হোৱা স্বাভাৱিক হব নোৱাৰে। প্ৰাণধাৰণৰ নিমিত্তে সকলোৰে খাদ্যৰ আৱশ্যক। খাদ্য কিন্তু নানা প্ৰকাৰৰ। অৱস্থা-বিশেষে কাৰো খাদ্য মাংস, কাৰো ৰুটী, কাৰো ভাত, কাৰো চাগুদানা ইত্যাদি। অৱস্থাবিশেষে একজনৰ পক্ষে ই কেতিয়াবা প্ৰাণধাৰক কেতিয়াবা প্ৰাণনাশক। জ্বৰাক্ৰান্ত ৰোগী "জ্বৰাদৌ লংঘনংপথ্যং" ব্যৱস্থাৰ অধিন হৈও জ্বৰমুক্ত হব পাৰে এবং ডবল মাত্ৰাই 'কেষ্টাৰ অইল' সেবন কৰি পেটৰ সঞ্চিত ধন ব্যয়ক্ৰমে লংঘন ব্যবস্থাৰ অধিন নোহোৱাকৈও জ্বৰ মুক্ত হব পাৰে। কলিকতাক যাব লাগিলে ৰেইলতো যাব পাৰি জাহাজতো যাব পাৰি, খোজ কাঢ়িও যাব পাৰি, চাইকেল বা গো-অশ্ব যানতো যাব পাৰি। অৰ্থহীন জনে ইচ্ছা কৰিলেও ৰেইল জাহাজাদিত যাব সক্ষম নহয় এবং ৰোগী বা দুৰ্ব্বল অৱস্থাযুক্ত হলে খোজকাঢ়ি যাবও সক্ষম নহয় কিন্তু কলিকতাক যোৱা নিতান্তই আৱশ্যক হলে খুজি মাগি ধাৰ কৰি কোন উপায়ে ৰেইল জাহাজৰ ভাড়া সংগ্ৰহ কৰিব লাগিব অথবা সবল হবলৈ অপেক্ষা কৰিব লাগিব। যি অৱস্থা যাৰ পক্ষে অনুকূল সি সেই সেই অৱস্থাৰ অনুবৰ্ত্তী হৈ গন্তব্য ঠাইক যাব লাগিব। পথসম্বল অৱস্থাৰ ভিন্নতা থাকিলেও সকলোৰে লক্ষ্যস্থল এক হেতুকে সকলো পথেই কাৰো না কাৰোৰ পক্ষে আশ্ৰয়নীয়।

এইদৰে বিচাৰ কৰিলে অৱস্থা বিশেষে সকলো খাদ্যই

প্ৰাণধাৰক, সকলো ঔষধ বা ব্যৱস্থা ৰোগ নিবাৰক আৰু সকলো যান বাহনেই গন্তব্যস্থান প্ৰাপক কেৱল অনুকূল অৱস্থাৰ অনুবৰ্ত্তন কৰিব পাৰিলেই অভিষ্টলাভে কৃতকাৰ্য্য হ'ব পাৰা যায়।

হিন্দু ধৰ্ম্মশাস্ত্ৰৰো স্থূল দৃষ্টিত নানা মতবাদ এবং সম্প্ৰদায় বিভাগ থাকিলেও লক্ষ্যস্থল সকলোৰে এক। সংসাৰৰ দুখ তাপাদি ক্লেশ অতিক্ৰম কৰি পৰম সুখ লাভ কৰাই সকলোৰে আকাঙ্ক্ষা। সেই সুখ লাভ কৰাৰ উপায় বা ব্যৱস্থা দৃশ্যতঃ বিভিন্ন প্ৰকাৰৰ হলেও তত্ত্বতঃ ভিন্ন প্ৰকাৰ নহয় কেৱল ভিন্ন ভিন্ন অৱস্থাৰ উপযোগী মাত্ৰ। মনুষ্য মাত্ৰেই এক অৱস্থা বিশিষ্ট নহয় দেখিয়েই ব্যৱস্থাও এক প্ৰকাৰৰ হোৱা নাই। নিজ অৱস্থাৰ অনুকূল ব্যৱস্থাৰ অনুবৰ্ত্তন কৰিব পাৰিলে কাৰো পক্ষে অভীষ্ট লাভে প্ৰতিবন্ধকতা নাই। সেই নিমিত্তেই শ্ৰীভগবান ভগবদ্গীতাত ঘোষণা কৰিছে :—

সাংখ্য যোগৌ পৃথগ্বালাঃ প্ৰবদন্ত্যবিপণ্ডিতাঃ
একমপ্যাস্থিতঃ সম্যগুভয়োৰ্ব্বিন্দতে ফলম্।
যৎ সাংখ্যৈঃ প্ৰাপ্যতে স্থানং তদ্যোগৈৰপি গম্যতে
একং সাংখ্যঞ্চ যোগঞ্চ যঃ পশ্যতি স পশ্যতি।

অজ্ঞসকলেহে সাংখ্যযোগ (জ্ঞানযোগ) কৰ্ম্ম বা ভক্তিযোগক পৃথক বুলি কয় কিন্তু সম্যকৰূপে এটা যোগক আশ্ৰয় কৰিব পাৰিলে উভয়ৰ যোগৰ ফল (মোক্ষ) লাভ হয়।

"সাংখ্যযোগী (জ্ঞানযোগী) যি ঠাই (মোক্ষ) লাভ কৰে কৰ্ম্মযোগীও (ভক্ত) সেই মোক্ষকে পায়। যোনে সাংখ্য (জ্ঞানযোগ) আৰু কৰ্ম্মযোগক অভিন্নৰূপে জানে তেওঁয়েই আচল প্ৰকৃত তত্বক জানে।"

অতএব দেখা যায় জ্ঞানী বা ভক্তৰ লব্ধব্য ফল ভিন্ন নহয়; সম্যকৰূপে কোন এটা পন্থাক আশ্ৰয় কৰিব পাৰিলে মনুষ্য জনমৰ আকাঙ্ক্ষা পূৰ্ণ হয়। সুতৰাং বেদান্তদৰ্শনৰ ব্যাখ্যা উভয়

আচাৰ্য্যৰ তত্বতঃ অভিন্ন। উভয়ৰে কথিত মতক অবলম্বন কৰি অনুকুল অবস্থানুসাৰে অবলম্বনকাৰী বিভিন্ন সম্প্ৰদায়ৰ প্ৰবৰ্ত্তনা হলেও উভয় মতৰ অনুবৰ্ত্তীজনৰ পক্ষে পৰম সুখ লাভ কৰাত কোন বিপত্তি বা প্ৰতিবন্ধক নাই।

ইমানতে আচাৰ্য্যদ্বয়ৰ ধৰ্ম্মমতৰ সামৰণি কৰি তাৰাসকলৰ সংক্ষীপ্ত জীবনী লিখিব আৰম্ভ কৰিলোঁ।

আচাৰ্য্য শ্ৰীমৎ শঙ্কৰৰ জীবনী

ভাৰতবৰ্ষৰ দক্ষিণ পশ্চিম সমুদ্ৰতীৰত কেৰল নামে এখন দেশ আছে। সেই দেশৰ কালাভি নামে গাওঁত বৈদিক শিক্ষানুৰাগী সদাচাৰ সম্পন্ন নিষ্ঠাবান নম্‌বুৰী ব্ৰাহ্মণ কুলত ৬০৮ শকাব্দৰ ১২ বৈহাগ শুক্লা তৃতীয়া তিথীত আচাৰ্য্য শ্ৰীমৎ শঙ্কৰৰ আবিৰ্ভাব হয়।* ভাৰতবৰ্ষৰ ভিতৰত অদ্যাবধি এই শ্ৰেণীৰ ব্ৰাহ্মণেই প্ৰাচীন ৰীতি অনুসাৰে চলি আহিছে। পঞ্চম বছৰৰ বালকক উপনয়ন দি গুৰুগৃহক পঠোৱা আৰু সমগ্ৰ বেদ অভ্যাস কৰোৱা নিয়ম বৰ্ত্তমান কালত কেবল এই কেৰল দেশতেই প্ৰচলিত আছে।

৺আচাৰ্য্য শঙ্কৰৰ পিতা শিবগুৰু পুত্ৰলাভ কামনায় বুঢ়া কালত সস্ত্ৰীক বৃষভ পৰ্ব্বতত বাস কৰি দেবাদিদেব মহাদেবৰ আৰাধনা কৰিছিল। সংবৎসৰ কাল শিবাৰাধনাৰ পিছত অভীষ্ট সিদ্ধি হব বুলি স্বপ্নাদেশ হোৱাত প্ৰহৃষ্ট মনে পুনৰায় নিজ গৃহক ফিৰি আহিল। তাৰ পিছত যথাসময়তে শঙ্কৰৰ জন্মলাভ হয়।

---

* ৺আচাৰ্য্য শঙ্কৰৰ জন্মকাল সম্বন্ধে নানা মুনিৰ নানা মত আছে। সুপণ্ডিত শ্ৰীযুত ৰাজেন্দ্ৰনাথ ঘোষ মহাশয় নানা গ্ৰন্থ আলোচনা কৰি আৰু নিজে সমগ্ৰ ভাৰতবৰ্ষ পৰিভ্ৰমণ কৰি আচাৰ্য্যৰ জন্মকাল যিৰূপে নিৰূপণ কৰিছে তদৱলম্বনে তেওঁৰ জন্মকাল এবং অন্যান্য জীবন কাহিনী লিখা হল।

আচাৰ্য্য শঙ্কৰ আশৈশৱ অতিশয় তীক্ষ্ণ বুদ্ধি সম্পন্ন আৰু শ্ৰুতিধৰ আছিল। শিৱগুৰুৰ ইচ্ছা আছিল যে শঙ্কৰক পঞ্চম বছৰতেই উপনয়ন দি বেদাভ্যাসত নিৰত দেখে। কিন্তু নিয়তীৰ ইচ্ছা অন্যৰূপ হোৱাই শঙ্কৰৰ তৃতীয় বছৰ অতীত হওতেই শিৱগুৰুৰ কালপ্ৰাপ্ত হয়। শঙ্কৰ জননী পুত্ৰ সমন্বিতে কিছুদিন পিতৃগৃহত বাস কৰি পঞ্চম বছৰৰ পিছত পুনৰায় স্বগৃহক আহি শুভ দিন দেখি শঙ্কৰৰ উপনয়ন দিয়ে। উপনয়নৰ পিছত শঙ্কৰ গুৰুগৃহক আহি পাঠাভ্যাসত নিযুক্ত থাকে।

অত্যন্ত তীক্ষ্ণ বুদ্ধি আৰু শ্ৰুতিধৰ বুলিয়েই দুই বছৰতে যাৱতীয় শাস্ত্ৰ অধ্যয়ন কৰি পাঠ সমাপন কৰে গতিকেই গুৰুৰ আদেশক্ৰমে পুনৰায় ঘৰলৈ ফিৰি আহি মাতৃ সেৱাত নিযুক্ত হয়।

বালক শঙ্কৰৰ অসামান্য প্ৰতিভা দেখি ক্ৰমে দেশৰ ৰজা পৰ্য্যন্ত তেওঁৰ অনুৰাগী হৈছিল। শঙ্কৰৰ অগাধ পাণ্ডিত্য দেখি যেনেকৈ কিছুমানে তেওঁক স্নেহ কৰিছিল তেনেকৈ কিছুমান লোকে তেওঁৰ পৰম শত্ৰু হৈ উঠিছিল।

একদিন দধীচি, ত্ৰিতল, গৌতম, অগস্ত্য প্ৰভৃতি ঋষিকল্প ব্ৰাহ্মণ কেইজনমান শঙ্কৰৰ ঘৰলৈগি আহি শঙ্কৰৰ জন্ম পত্ৰিকা দেখিব ইচ্ছা কৰাত শঙ্কৰ জননী সাগ্ৰহে শঙ্কৰৰ কোষ্ঠী দেখুৱাই আগন্তুক ব্ৰাহ্মণসকলে কোষ্ঠী বিচাৰ কৰি যুগপৎ হৰ্ষ আৰু বিষাদত অভিভূত হৈছিল। শঙ্কৰৰ অলোকসামান্য চৰিত্ৰ আৰু বিদ্যাবুদ্ধি অথচ অল্পায়ু দেখি তেওঁলোক নিৰ্ব্বাক হৈ থাকিল। শঙ্কৰ জননী সন্তানৰ ভৱিষ্যত বিষয় জানিবৰ কাৰণে পুনঃ পুনঃ পীড়া-পীড়ি কৰাত ব্ৰাহ্মণসকলে অসত্যাসত্য গোপন নকৰি আচাৰ্য্যৰ দেৱকল্প ভৱিষ্যৎ বৰ্ণনা কৰি জননীৰ হৃদয় বিদাৰক সংবাদটিও প্ৰকাশ কৰিছিল।

ব্ৰাহ্মণসকল বিদায় হোৱাৰ পিছত শঙ্কৰে জননীৰ শোক নিবাৰণৰ নিমিত্তে বিশেষ যত্ন কৰিছিল। কিন্তু মনে মনে অন্যৰূপ

চিন্তাত আকুল হৈছিল। নিজৰ মুক্তিৰ নিমিত্তেই হওক বা পৰৰ হিতৰ নিমিত্তেই হওক আচাৰ্য্যৰ হৃদয়ত সন্ন্যাসৰ বাসনা বলৱতী হৈছিল। নানাৰূপ প্ৰবোধ বাক্যত শঙ্কৰ জননী কথঞ্চিৎ সান্ত্বনা পাইছিল হয় কিন্তু শঙ্কৰৰ সন্ন্যাস গ্ৰহণৰ প্ৰস্তাব আৰু অনুমতিৰ প্ৰাৰ্থনা শুনি তেওঁ অত্যন্ত ব্যাকুলা হৈছিল। শঙ্কৰৰ পুনঃ পুনঃ অনুমতিৰ প্ৰাৰ্থনা শুনিও সন্ন্যাস গ্ৰহণ কৰিব অনুমতি নিদিলে। শঙ্কৰে মাকৰ দৃঢ়তা দেখি অত্যন্ত চিন্তাকুল হৈছিল আৰু সন্ন্যাসৰ নিমিত্তে তেওঁৰ প্ৰাণ দিনক দিনে ব্যাকুল হৈছিল। মাতৃভক্ত শঙ্কৰে মাতৃআজ্ঞা লঙ্ঘন কৰা অনুচিত ভাবি বিধাতাৰ ইচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰি কালাতিপাত কৰিব ধৰিলে। মাজে সময়ে মাকক নিজৰ অল্পায়ুৰ কথা স্মৰণ কৰাই দি নানাৰূপ জ্ঞানগৰ্ভ কথা বুজাই কোৱাতো তেওঁ কোনোমতে সন্ন্যাস গ্ৰহণত সম্মতি নিদিলে।

কিছুদিনৰ পাছত কোন কাৰ্য্যোপলক্ষে ঘৰৰ ওচৰত থাকা নদী পাৰ হব ধৰোঁতে এটা কুম্ভীৰে শঙ্কৰক আক্ৰমণ কৰি টানি লৈ যোৱাত শঙ্কৰে আটাহ পাৰি মাকক মাতিছিল আৰু কুম্ভীৰে আক্ৰমণ কৰাৰ কথা জনাইছিল। বৃদ্ধ জননী কুম্ভীৰাক্ৰান্ত পুত্ৰক দেখি আৰ্ত্তৱালী হৈ প্ৰতিবাসীসকলক মাতি সাহায্য খোজাতো কোনেও শঙ্কৰক উদ্ধাৰ কৰিব অগ্ৰসৰ নহল। তেতিয়া শঙ্কৰে পূৰ্ব্বোক্ত কোষ্ঠীফলৰ কথা স্মৰণ কৰাই মাকক কৈছিল যে আজি মোৰ আয়ু কুম্ভীৰৰ দ্বাৰা সমাপন হৈ কোষ্ঠীৰ ফল ফলিল, এই মুহূৰ্ত্তেও যদি আপুনি অনুমতি দিয়ে তেনেহলেও দেহত্যাগৰ পূৰ্ব্বে অন্ত্য সন্ন্যাস গ্ৰহণ কৰি জীবন সাৰ্থক কৰিব পাৰো। শাস্ত্ৰত আছে যে মৰণৰ পূৰ্ব্বে মুমূৰ্ষ দশাতও সন্ন্যাস গ্ৰহণ কৰি জীবন ত্যাগ কৰিব পাৰিলে জীৱৰ ভাগ্যত মুক্তি ঘটিব পাৰে, অসন্ন্যাসীৰ মুক্তি নাই।

শঙ্কৰ জননী অনিচ্ছা সত্বেও শঙ্কৰৰ প্ৰাৰ্থনা অনুমোদন কৰি মূৰ্চ্ছিত হৈ মাটীত পৰি গল। জননীৰ অনুমতি পাই শঙ্কৰে মনে মনে সন্ন্যাস গ্ৰহণ কৰিলে। আশ্চৰ্য্যৰ বিষয় যে কুম্ভীৰে তেওঁক কিছু

দূৰক লেগি টানি নি হঠাৎ এৰি দিলে। শঙ্কৰে নিজক গ্ৰাহমুক্ত দেখি শীঘ্ৰেই পাৰত উঠিল। তেতিয়াহে উপস্থিত লোকসকলে শঙ্কৰক সাহায্য কৰিবৰ নিমিত্তে ব্যস্ত হল। শঙ্কৰে মানুহৰ মাজত সুমাই ধূলা বিলুণ্ঠিতা সংজ্ঞাহীনা জননীক তুলি আনি তেওঁৰ চৈতন্য সম্পাদন কৰি সুস্থ কৰিলে।

সন্যাসীৰ গৃহবাস নিষিদ্ধ। সত্যনিষ্ঠজনৰ পক্ষে সঙ্কল্প ত্যাগ অতি গৰ্হিত কাৰ্য্য। সুতৰাং সন্ধ্যাৰ পূৰ্ব্বেই গৃহত্যাগৰ নিমিত্তে শঙ্কৰে মাকৰ অনুমতি প্ৰাৰ্থনা কৰিলে আৰু জ্ঞাতিসকলক আহ্বান কৰি বৃদ্ধা জননীৰ সেবাৰ নিমিত্তে সমুদায় পৈত্ৰিক সম্পত্তি তেওঁ-লোকক অৰ্পণ কৰিলে। জ্ঞাতিসকলে সম্পত্তিৰ লোভত শঙ্কৰ-জননীক নানাৰূপে বুজাই শঙ্কৰক গৃহত্যাগৰ নিমিত্তে অনুমতি দিব অনুৰোধ কৰিলে। কিন্তু শঙ্কৰৰ সান্ত্বনা বাক্য আৰু জ্ঞাতিসকলৰ অনুৰোধ সকলো শঙ্কৰজননীৰ অশ্ৰুনীৰত ভাহি গল। তেতিয়া তেওঁ "ন যযৌ ন তস্থৌৰ" অবস্থাত আছিল। "মৃত্যু সময়ত পুত্ৰৰ অদৰ্শন"—পুত্ৰ সত্বে জ্ঞাতিদ্বাৰা সৎকাৰ এই চিন্তাই তেওঁক মৰ্ম্মান্তিক দুখ দিছিল।

শঙ্কৰে ভাবিছিল যে জননীক এতাদৃশ দুঃখ সাগৰত নিমগ্ন কৰি সন্যাস গ্ৰহণৰ আবশ্যকতা নাই; কিন্তু পৰক্ষণেই মনে হল যে যদি সন্যাসৰ নিয়ম কিঞ্চিৎ লঙ্ঘন কৰিও মৃত্যুকালত মাতৃসমীপত উপস্থিত হও আৰু জ্ঞাতিসকলৰ পৰিবৰ্ত্তে নিজেই জননীৰ অন্তিম সৎকাৰ কৰো আৰু জীৱ মাত্ৰৰেই বাঞ্ছনীয় বিপদবাৰণ ভগবানৰ দৰ্শন কৰাৰ পাৰো তেনেহলে জননী হয়তো গৃহত্যাগৰ অনুমতি দিবও পাবে। এই সকল কাৰ্য্য সম্পাদন তেওঁৰ পক্ষে সম্ভৱ নে অসম্ভৱ তাক একবাৰও চিন্তা নকৰি দৃঢ়ভাবে উক্ত তিনটী প্ৰতিজ্ঞা কৰি কাতৰ ভাবে মাতৃ সমীপত গৃহত্যাগৰ অনুমতি খুজিছিল। শঙ্কৰজননীও ক্ৰমে প্ৰকৃতিস্থা হৈ শঙ্কৰৰ আগ্ৰহাতিশৰ্য্য বুজিব পাৰি আৰু শঙ্কৰৰ প্ৰতিজ্ঞা বাক্যৰ উপৰ নিৰ্ভৰ কৰি অগত্যা শঙ্কৰক

ঈশ্বৰৰ চৰণত বিসৰ্জ্জন কৰি গৃহত্যাগৰ অনুমতি দি কৈছিল,—বৎস। এই মুহূৰ্ত্তেই গৃহত্যাগ কৰা আৰু তোমাৰ মহৎ উদ্দেশ্য সিদ্ধ কৰা।

ঘৰৰ কাষতেই শঙ্কৰৰ কুলদেৱতা ভগবান শ্রীকৃষ্ণৰ মন্দিৰ। শঙ্কৰ মাকৰ ওচৰত বিদায় লই প্রথমেই ভগবদ্দর্শন কৰিব গল। শ্রীকৃষ্ণৰ বিগ্রহ দর্শন কৰি তেওঁৰ হৃদয় ভক্তি ভাবে আপ্লুত হল। শ্রীমূর্ত্তিৰ সমুখত পৰি কৰযোৰে স্তব কৰিব ধৰিলে। দেশীয় প্রথানুসাৰে প্রত্যহ তেওঁ এই কাৰ্য্য কৰিছিল কিন্তু আজি হৃদয়ৰ ভাব অন্যৰূপ। তেওঁৰ অন্তৰ্কাৰ ভাব দেখি অৰ্চ্চক সকলে অশ্রু সম্বৰণ কৰিব সমর্থ নহল। তেওঁলোক সকলোৱে শঙ্কৰৰ অভীষ্ট সিদ্ধিৰ নিমিত্তে আশীৰ্ব্বচন কৰিলে। অনন্তৰ শঙ্কৰে মন্দিৰৰ ফালে দৃষ্টি কৰি জানিলে যে নদীৰ গতি পৰিবৰ্ত্তন হোৱাই মন্দিৰটী ভগ্নোন্মুখ হৈছে আৰু শ্রীবিগ্রহক যদি অচিৰে নিৰাপদ ঠাইত স্থাপন কৰা নাযায় তেন্তে কোন দিন তেওঁ নিশ্চয় জলশায়ী হব। এই কথা ভাবি শঙ্কৰে স্বহস্তে অতি যত্নপূৰ্ব্বক শ্রীবিগ্রহক লই মন্দিৰ প্রাঙ্গনৰ কোন দূৰবৰ্ত্তী কক্ষত স্থাপন কৰিলে আৰু তাতে এটী মন্দিৰ নিৰ্ম্মাণ কৰিবৰ নিমিত্তে জ্ঞাতিবৰ্গক অনুৰোধ কৰিলে।

পিছে জননী আৰু জ্ঞাতিবৰ্গক অভিবাদন কৰি স্বকীয় গ্রাম ত্যাগ কৰি উত্তৰাভিমুখে যাত্রা কৰিলে। নৰ্ম্মদা নদীৰ তীৰস্থ মহাযোগী গুৰু গোবিন্দপাদৰ শৰণ লোৱাই মনৰ আকাঙ্খ্যা।

আচাৰ্য্য শঙ্কৰ গুৰুগৃহত পাতঞ্জলি মহাভাষ্য অধ্যয়ন কৰোঁতে গুৰুৰ মুখে শুনিব পাইছিল যে স্বয়ং পাতঞ্জলি দেব নৰ্ম্মদা নদীৰ তীৰত "গোবিন্দ যোগী" নাম ধাৰণ কৰি তেতিয়াও সমাধিত হৈ আছে। তদবধি ছদ্মবেশধাৰী পাতঞ্জলি দেবত শৰণ লবৰ নিমিত্তে শঙ্কৰৰ প্রবল ইচ্ছা জাগৰুক হৈছিল। এই নিমিত্তেই সম্ভবতঃ গৃহত্যাগ কৰিয়েই প্রথমে গোবিন্দপাদ যোগীৰ উদ্দেশ্যে নৰ্ম্মদা তীৰ বুলি উত্তৰ মুখে যাত্রা কৰিলে।

কালাডিগ্রামৰ পৰা নৰ্ম্মদা তীৰক লাগি প্রায় এক মাহৰ

পথ। ৮ম বৰ্ষীয় বালক শঙ্কৰ আজি অনন্য মনে কতো অপৰিচিত ঠাই কতো অভূতপূৰ্ব্ব বাধা বিঘ্ন অতিক্ৰম কৰি গুৰু পাদপদ্মৰ উদ্দেশ্যে ধাবমান হৈছে। কতো তীৰ্থ কতো দেশ কতো সাধু মহাত্মাৰ কথা দেখি শুনিও কেবল সেই গুৰু গোবিন্দপাদৰ পদপ্ৰান্ত হে শঙ্কৰৰ একমাত্ৰ লক্ষ্য আছিল। নানাজনক সুধি সুধি ক্ৰমে শঙ্কৰ গুৰুৰ সন্নিধানত উপস্থিত হব পাৰিছিল। এটী ক্ষুদ্ৰ দ্বাৰ বিশিষ্ট গুহাৰ ভিতৰত গুৰু গোবিন্দপাদ কতকাল যাবৎ সমাধিস্থ হই আছে। শঙ্কৰে গুহা প্ৰদেশ তিনবাৰ প্ৰদক্ষিণ কৰি গুৰুৰ উদ্দেশ্যে স্তব আৰম্ভ কৰাত গোবিন্দপাদৰ সমাধি ভঙ্গ হয়। কিমান দিন পৰে যে তেওঁৰ সমাধি ভঙ্গ হল তাৰ কোন ইয়ত্তা নাই। কেইজনমান সংসাৰত্যাগী পুৰুষ বহুদিন যাবৎ তেওঁৰ সমাধি ভঙ্গৰ আশায় গুহাদ্বাৰত বহি আছিল তেওঁলোক আজি অত্যন্ত চমকিত হল। গুৰু গোবিন্দপাদে শঙ্কৰৰ পৰিচয় সোধাত শঙ্কৰে সাষ্টাঙ্গে প্ৰণিপাত কৰি আত্ম-পৰিচয় জনোৱাত শঙ্কৰৰ অতি জ্ঞানগৰ্ভ কথা শুনি গোবিন্দপাদে জানিলে যে আগন্তুক সামান্য মানব নহয়। "সমাধি-সম্পাদিত অপৰোক্ষানভূতি" বাদে তেওঁক শিক্ষা দিবৰ একো বাকী নাই। এওঁৰ শব্দ ব্ৰহ্ম অতিক্ৰম হৈছে বাকী কেবল পৰব্ৰহ্ম সাক্ষাৎকাৰ।

অনন্তৰ গোবিন্দপাদ গুহাদ্বাৰত স্বকীয় চৰণ যুগল মেলি দিয়াত শঙ্কৰেও সুযোগ বুজি গুৰু পাদপদ্ম হৃদয়ত ধাৰণ কৰি অশ্ৰু জলে চৰণ কমল পূজা কৰিলে। গোবিন্দপাদ এইবাৰ শিষ্যৰ হৃদয় সম্যকৰূপে বুজিব পাৰিলে, তেওঁৰ যি সামান্য সংশয় আছিল সিও বিদূৰিত হল। তেওঁ নিঃসন্দেহে জানিব পাৰিলে যে যাৰ নিমিত্তে তেওঁ ইমান দিন মৰ্ত্ত্যধামত আছে তেওঁয়েই এই আগন্তুক শঙ্কৰ। অতঃপৰ তেওঁ ক্ৰমে ক্ৰমে শঙ্কৰক সমুদায় তত্ত্ব কথা উপদেশ দিব ধৰিলে। শঙ্কৰেও তাতে কিছুদিন থাকি গুৰুৰ উপদেশ অনুসাৰে যোগাভ্যাসত নিযুক্ত হল।

কিছুদিন পৰে বৰ্ষাকাল সমাগত হল। এই সময় পঞ্চদিন ব্যাপি বৰ্ষণ হোৱাত নৰ্ম্মদাৰ জল অত্যন্ত বৃদ্ধি হই তীৰবাসী লোক সকলৰ গৃহাদি উটাই নিলে। ক্ৰমে গোবিন্দপাদৰ গুহাৰ ভিতৰত জল প্ৰবেশৰ উপক্ৰম হল। গোবিন্দপাদ সেই সময়ত সমাধিস্থ আছিল। গুৰুদেৱৰ সমাধিৰ বিঘ্ন উপস্থিত জানি শঙ্কৰে তাতা ভূক্তাকৈ এটা কলহ আনি জলস্ৰোতৰ সমুখত স্থাপন কৰিলে। আশ্চৰ্য্যৰ বিষয় যে সমুদায় জলস্ৰোত যেন কলহৰ ভিতৰত সুমাই অন্তৰ্হিত হল। গুহাৰ ভিতৰত এক বিন্দু পানীও সুসুমাল। গোবিন্দপাদে সমাধি ভঙ্গৰ পৰে এই কাহিনী শুনিব পালে আৰু 'শঙ্কৰৰ যোগ সিদ্ধ হোৱা' বুজিব পাৰিলে। এই ঘটনাৰ পিছত গোবিন্দপাদে গুৰু পৰম্পৰা প্ৰাপ্ত জ্ঞান ও যোগ মাৰ্গৰ চৰম উপদেশ শঙ্কৰক প্ৰদান কৰি পৰমহংস পৰিব্ৰাজক সকলৰ আচাৰ অবলম্বন ক্ৰমে লোকহিতকৰ কৰ্ম্মত প্ৰবৃত্ত হবলৈ শঙ্কৰক অনুমতি দিলে। উপদেশ প্ৰদানান্তে শঙ্কৰক সম্বোধন কৰি কলে—"বৎস! তুমি প্ৰথমেই কাশী নগৰীক যায় মহামুনি ব্যাসকৃত ব্ৰহ্মসূত্ৰৰ বেদান্ত দৰ্শন ভাষ্য প্ৰণয়ন কৰি জগতত পুনৰায় বৈদিক ধৰ্ম্মৰ প্ৰতিষ্ঠা কৰা। এই কাৰ্য্যত একমাত্ৰ তুমিয়েই উপযুক্ত। সহস্ৰধাৰা নৰ্ম্মদাক যেনেকৈ তুমি কুম্ভৰ ভিতৰত নিবদ্ধ কৰিছিলা সেইৰূপে সহস্ৰধাৰ ধৰ্ম্মমতক ব্ৰহ্মসূত্ৰৰ অন্তৰ্গত কৰি তাৰ অৰ্থ প্ৰচাৰ ক্ৰমে ধৰ্ম্ম সংস্থাপন কৰা আৰু জগতৰ পৰম কল্যান সাধনে দৃঢ় ব্ৰতী হোৱা। সন্ন্যাসীৰ সিদ্ধিলাভৰ পৰে পৰোপকাৰ অপেক্ষা আৰ উৎকৃষ্ট ধৰ্ম্ম একো নাই। যোৱা বৎস! তোমাৰ কৰ্ত্তব্য অন্তঃপৰ বিশ্বেশ্বৰেই নিৰ্দ্দেশ কৰি দিব।

অনন্তৰ গুৰুৰ ওচৰত বিদায় লই ৺আচাৰ্য্য শঙ্কৰ বাৰানসী অভিমুখে যাত্ৰা কৰিলে। গুৰু গোবিন্দপাদেও তেওঁৰ অভীপ্সিত কাৰ্য্য সম্পনঃ হোৱা জানি সমাধি যোগাবলম্বন ক্ৰমে পৰম পদ প্ৰাপ্ত হল। ৺আচাৰ্য্য শঙ্কৰ কাশীধামত উপস্থিত হই যথাবিধি

গঙ্গাস্নান কৰি ৺বিশ্বেশ্বৰৰ পূজা ধ্যান আৰু শাস্ত্ৰালোচনাত দিনাতিপাত কৰিব ধৰিলে। এই সময়তে পদ্মপাদ প্ৰভৃতি একে একে শিষ্যত্ব গ্ৰহণ কৰিব আৰম্ভ কৰিলে।

গুৰু গোবিন্দপাদৰ আদেশ মতে ৺আচাৰ্য্য শঙ্কৰে শিষ্য-সকলক মনোযোগ সহকাৰে বেদান্ত শিক্ষা দিব ধৰিলে। এই শিক্ষাদান উপলক্ষে ব্ৰহ্মসূত্ৰ ভাষ্যৰ এখান আৰ্হি (Draft) মনে মনে প্ৰস্তুত কৰিলে আৰু তাকেই শিষ্যসকলক পঢ়াব ধৰিলে। ক্ৰমে আচাৰ্য্যৰ যশ চাৰিওপিনে বিস্তাৰ হোৱাত কাশীবাসী অনেকে তেওঁৰ উপদেশ শুনিবৰ নিমিত্তে নিত্যস্তে তেওঁৰ সমীপক আহিব ধৰিলে।

আচাৰ্য্য শঙ্কৰৰ আজন্মকাল অভ্যস্ত সংস্কাৰ গুচা নাছিল গুণে চণ্ডালাদি নীচ জাতিক তেওঁ তেতিয়াও অস্পৃশ্য জ্ঞান কৰিছিল। কোন একদিন তেওঁ মনিকৰ্ণিকাৰ ঘাটক স্নান কৰিব যোৱাত বিপৰীত ফালৰ পৰা একজন চণ্ডাল চাৰিটা কুকুৰ সমন্বিতে বাট আগুৰি অহা দেখি আচাৰ্য্যে চণ্ডালক বাট এৰি দিব অনুৰোধ কৰিছিল। চণ্ডালে কিন্তু আচাৰ্য্যৰ কথাক গেগুেস নকৰি তেওঁৰ ফালেই ক্ৰমে গৈ আছিল। আচাৰ্য্যে পুনঃ পুনঃ বাট এৰি দিব অনুৰোধ কৰাত চণ্ডালে আত্মাৰ নিষ্ক্ৰিয়তাৰ প্ৰতি লক্ষ্য কৰি অতি সুযুক্তিপূৰ্ণ কথায় আচাৰ্য্যক বিদ্ৰুপ কৰিছিল। চণ্ডালৰ মুখত বেদান্তৰ কথা শুনি তেওঁ ক্ষণকাল স্তম্ভিত হই পৰক্ষণে নিজ দোষ বুজিব পাৰি ভূমীষ্ঠ হই প্ৰাৰ্থনা পূৰ্ব্বক চণ্ডালক গুৰু বুলি স্তুতি কৰিছিল। আচাৰ্য্যৰ নিৰহঙ্কাৰ ভাব দেখি ছদ্মবেশী চণ্ডালে পৰম প্ৰীত হই চণ্ডালবেশ পৰিত্যাগ পূৰ্ব্বক আচাৰ্য্যক স্বৰূপ প্ৰদৰ্শন কৰিছিল। আচাৰ্য্যে ভগবান ভবানীপতিৰ অমিয় মূৰ্ত্তি দেখি বাহ্যজ্ঞান শূন্য অবস্থাতে থিয় হই আছিল। অতঃপৰ ভগবানৰ কৃপায় আচাৰ্য্যৰ হৃদয়গ্ৰন্থি বিনষ্ট হোৱাত সৰ্ব্বপ্ৰকাৰ বাসনা বিদূৰীত হৈছিল আৰু মনত জ্ঞানৰ নিৰ্ম্মল জ্যোতিঃ প্ৰকাশিত হোৱাত জীৱনৰ চৰম সাৰ্থকতা

লাভ হৈছিল। তেওঁ বাষ্পাকুলিত লোচনে ভক্তি গদ্গদ কণ্ঠে ভগবান কাশীশ্বৰৰ স্তব কৰি পুনঃ পুনঃ প্ৰণাম কৰিছিল।

অনন্তৰ বিশ্বপতি বিশ্বেশ্বৰ আচাৰ্য্যক গোবিন্দপাদৰ অনুজ্ঞা স্মৰণ কৰি দি যাতে তেওঁৰ কাৰ্য্য সিদ্ধ হয় সেই নিমিত্তে আশীৰ্ব্বাদ কৰি অন্তৰ্হিত হল। শিষ্যসকলে চণ্ডালৰ হঠাৎ অদৰ্শন আৰু আচাৰ্য্যৰ ভাবান্তৰ দেখি চিত্ৰৰ পুতলিৰ দৰে নিস্পন্দভাবে থিয় হৈ আছিল। তেওঁলোকে ভিতৰৰ ব্যাপাৰ একোৱেই বুজ নাপালে। আচাৰ্য্যৰ বাহ্যজ্ঞান লাভ হোৱাত শিষ্যসমন্বিতে গঙ্গাতীৰত উপস্থিত হই স্নান আহ্নিক নিত্যকৰ্ম্ম সমাপন পূৰ্ব্বক ভাষ্য লিপিবদ্ধ কৰিবৰ নিমিত্তে চিন্তা কৰিছিল আৰু এই নিমিত্তে বদৰিকাশ্ৰমক যাব সঙ্কল্প কৰিছিল।

কিয়নো এইদৰে কাশীত অবস্থান কৰিলে ব্ৰহ্মসূত্ৰ ভাষ্য লিপিবদ্ধ কৰা সুযোগ নঘটিব অনন্তৰ আচাৰ্য্য কাশীবাস স্থগিত কৰি বদৰিকাশ্ৰমক লাগি আহি তত্ৰস্থ ব্ৰহ্মৰ্ষিকল্প মহাত্মা সকলৰ লগত শাস্ত্ৰাৰ্থ বিচাৰে প্ৰবৃত্ত হৈছিল; আৰু সমাধি যোগদ্বাৰা সমুদায় তত্ত্ব পুনঃ পুনঃ প্ৰত্যক্ষ কৰিছিল। ফলতঃ অনতিবিলম্বে তেওঁ ব্ৰহ্মসূত্ৰ এখান অদ্বিতীয় ভাষ্য প্ৰনয়ন কৰিব সক্ষম হৈছিল। এই সময় তেওঁৰ বয়স দ্বাদশ বৎসৰ হৈছিল। ইয়াৰ পিছত তেওঁ শিষ্যসকলক উক্ত ভাষ্যকে পঢ়াইছিল আৰু অবকাশমতে একে একে প্ৰধান দশ উপনিষৎ, গীতা, সনৎসুজাতীয় ও নৃসিংহতাপনীয় প্ৰভৃতি গ্ৰন্থৰ ভাষ্য ৰচনা কৰিছিল।

আচাৰ্য্যৰ শিষ্যবৰ্গৰ ভিতৰত সনন্দনেই প্ৰথম। তেওঁ অন্যান্য শিষ্যতকৈ আচাৰ্য্যক বেচিকৈ ভক্তি কৰিছিল আৰু সদায় আচাৰ্য্য সেৱাত তৎপৰ আছিল। আচাৰ্য্যৰ ওচৰত সৰ্ব্বদা অবস্থান কৰাৰ নিমিত্তে সূত্ৰ ভাষ্যখানি অপৰাপৰ শিষ্যতকৈ দুইবাৰ অধিক পাঠ কৰিব সুবিধা পাইছিল। এই কাৰণে কোন কোন জনে সনন্দনৰ উপৰ ঈৰ্ষান্বিত হোৱাত আচাৰ্য্যে এই কথা টেৰ পাই সনন্দনৰ

গুৰুভক্তিয়ে এই সুবিধাৰ মূল এই কথা সকলোকে বুজাব ইচ্ছা কৰি একদিনাখন সনন্দন কাৰ্য্যোপলক্ষে নদীৰ অপৰ পাৰে থাকোতে আচাৰ্য্যে অতি ব্যস্ত ভাবে তেওঁক সমিপক লাগি আহিব আহ্বান কৰিছিল। সনন্দনে গুৰুদেৱৰ আহ্বান শুনি নদীৰ ব্যবধান লক্ষ্য নকৰিয়ে ই গুৰু সন্নিধানে ধাবমান হৈছিল। গুৰুভক্তিৰ কি অনন্ত প্ৰভাব! সনন্দনৰ প্ৰতি পদবিক্ষেপে একোটি পদ্ম উৎপন্ন হোৱাত আৰু তাৰে উপৰ ভৰ দি নদী পাৰ হই আচাৰ্য্যৰ সমীপত উপস্থিত হোৱা দেখি শিষ্যমণ্ডলী বিস্ময় মানি তেওঁলোকৰ স্বকীয় ক্ষুদ্ৰতা উপলব্ধি কৰিছিল। আচাৰ্য্যে এবম্প্ৰকাৰে সনন্দনৰ মান বঢ়াই পাদপদ্ম নামে তেওঁক অভিহিত কৰিছিল।

এই সময় একদল পাশুপত মতাবলম্বীলোকৰ লগত আচাৰ্য্য শঙ্কৰৰ প্ৰবল তৰ্কযুদ্ধ হয় এবং তেওঁলোক পৰিনামত পদানত হয়। এইৰূপে বদৰিকাশ্ৰমত ৪ বছৰ কাল অতিবাহিত কৰি আচাৰ্য্য শঙ্কৰ পুনৰায় কাশীধামক ফিৰি আহি শিষ্যমণ্ডলীক শিক্ষাদান আৰু শাস্ত্ৰাৰ্থ-প্ৰকাশ কাৰ্য্যত নিৰত থাকে।

একদিনাখন একজন বৃদ্ধ ব্ৰাহ্মণৰ লগত আচাৰ্য্য শঙ্কৰৰ শাস্ত্ৰাৰ্থ বিচাৰ হয়। বৃদ্ধ ব্ৰাহ্মণ বেদান্ত বিৰোধী নাছিল বৰঞ্চ আচাৰ্য্যৰ ব্যাখ্যা সঙ্গত হয়নে নহয় এইয়ে তেওঁৰ বিচাৰ্য্য বিষয় আছিল। ব্ৰহ্মসূত্ৰৰ ৩ অঃ ১ পাঃ ১ম সূত্ৰৰ অৰ্থ লইয়েই আচাৰ্য্যৰ লগত অষ্টাহ কাল তুমুল তৰ্ক হোৱাৰ পৰে পদ্মপাদে বৃদ্ধ ব্ৰাহ্মণক ছদ্মবেশী স্বয়ং সূত্ৰকাৰ ব্যাসদেব বুলি অনুমান কৰে আৰু বিচাৰৰ পৰা নিবৃত্ত হবলৈ উভয়কে অনুৰোধ কৰে। পূৰ্ব্বাবধি আচাৰ্য্য শঙ্কৰৰ এই সন্দেহ হৈছিল কিন্তু ইমানপৰ বৃদ্ধ ব্ৰাহ্মণৰ কোন পৰিচয় সোধা নাছিল। উদাসীনৰ দৰে কেবল যথাৰীতি তৰ্কই কৰিছিল। পদ্মপাদৰ কথা শুনি আচাৰ্য্যৰ সেই সন্দেহ আৰুও দৃঢ় হৈ সসম্ভ্ৰমে বৃদ্ধ ব্ৰাহ্মণৰ পৰিচয় সোধাত তেওঁ আত্মগোপন নকৰি নিজ পৰিচয় দি কলে যে তোমালোকৰ অনুমান অমূলক

নহে। ব্যাসৰ বাক্য শুনি আচাৰ্য্য শঙ্কৰৰ আনন্দৰ পৰিসীমা নাইকিয়া হল। তেতিয়া তেওঁ মিনতি পূৰ্ব্বক স্তবস্তুতি কৰি ব্যাসদেবৰ তুষ্টি সাধনে সমুৎসুক হল। অনন্তৰ ব্যাসদেবৰ প্ৰসন্ন ভাব দেখি নিজ ভাষ্যখান নিৰ্দ্দোষ কৰিবৰ মানসে একবাৰ দেখি দিবলৈ অনুৰোধ কৰাত ব্যাসদেব সন্তুষ্ট হই আগ্ৰহসহকাৰে ভাষ্যগ্ৰন্থ পৰিদৰ্শন কৰিব ধৰিলে। তেওঁ দেখি অত্যন্ত আনন্দিত হল যে ভাষ্যত আচাৰ্য্য শঙ্কৰে তেওঁৰ (ব্যাসদেবৰ) অন্তৰতম আশয় পৰ্য্যন্ত বিবৃত কৰিছে আৰু স্থানে স্থানে নতুন ভাবালোক দি সূত্ৰ গ্ৰন্থকেই উজ্জ্বলতৰ কৰিছে। ব্যাসদেবে বুজিব পাৰিলে যে আচাৰ্য্য শঙ্কৰ স্বয়ং শঙ্কৰৰ অংশে জন্মগ্ৰহণ কৰিছে অন্যথা এইৰূপ ভাষ্য ৰচনা অপৰৰ শক্তিত অসম্ভব।

অনন্তৰ ব্ৰহ্মসূত্ৰৰ উপজীব্য শ্ৰুতিসকলৰ ভাষ্যও ৰচনা কৰিবলৈ ব্যাসদেবে আচাৰ্য্য শঙ্কৰক অনুৰোধ কৰাত আচাৰ্য্যে ইতিপূৰ্ব্বেই ৰচনা কৰি ৰাখা সেই সকল শ্ৰুতি ভাষ্য ব্যাসদেবৰ সম্মুখত স্থাপন কৰাত ব্যাসদেব অত্যন্ত প্ৰহৃষ্ট হই ভাষ্যসকলৰ স্থল বিশেষ দেখিব ধৰিলে।

ইপিনে কিন্তু আচাৰ্য্যৰ মনত অন্য চিন্তা উদয় হল। তেওঁ ভাবিলে যে যি স্থলে গুৰু গোবিন্দপাদৰ আজ্ঞা, ভগবান বিশ্বেশ্বৰৰ আদেশ আৰু ব্যাস নিৰ্দ্দিষ্ট কৰ্ত্তব্য সমস্তে শেষ হল আৰু তেওঁৰ আয়ুষ্কাল যোড়শবৰ্ষ পূৰ্ণ হল, এনে স্থলত সমাধিযোগে ব্যাসৰ সমুখেই দেহ ত্যাগ কৰাই শ্ৰেয়ঃ। এইৰূপ ভাবি আচাৰ্য্যে ব্যাসদেবক সম্বোধন কৰি কলে, "ভগবান, মোৰ আয়ুষ্কাল শেষ হৈছে; আপোনাৰ সমক্ষে এই নশ্বৰ দেহ ত্যাগ কৰিব পাৰিলে সহজে পৰম গতি লাভ হব। এতেকে কৃপা কৰি ক্ষণকাল অপেক্ষা কৰক"। ব্যাসদেবে এই প্ৰাৰ্থনা শুনি আচাৰ্য্যক কলে, বৎস! তুমি মোৰ আশীৰ্ব্বাদে আৰু ষোড়শ বৎসৰ জগতত থাকি বেদান্ত মত প্ৰচাৰ কৰা। ধৰ্ম্মৰ আবৰণত ঘোৰ অত্যাচাৰ ও ব্যাভিচাৰে

সংসাৰ বিয়পি গৈছে। তুমি ভিন্ন ইয়াৰ গতিবোধ কৰা অন্যৰ সাধ্যায়ত্ব নহে। তুমি সাক্ষাৎ শিবাবতাৰ; পৰমগতি লাভে তোমাৰ কি বিঘ্ন হব পাৰে? তুমি সৰ্ব্বাগ্রে দ্বিগ্বিজয়ী ভট্টপাদ কুমাৰিলক জয় কৰি ভাৰতৰ অপৰাপৰ মত প্ৰবৰ্ত্তক পণ্ডিতসকলক স্বমতলৈ আনা। তেহে তোমাৰ জীবনৰ প্ৰকৃত কৰ্ত্তব্য সমাপন হব। আচাৰ্য্যে ব্যাসদেবৰ আজ্ঞা পালনে সম্মত হোৱাত ব্যাসদেব শঙ্কৰভাষ্যৰ প্ৰশংসা কৰি অন্তৰ্ধান হল।

এতিয়াহে শঙ্কৰৰ হৃদয়ত দ্বিগ্বিজয়ৰ বাসনা জাগি উঠিল। ব্যাসদেবৰ অনুজ্ঞা ক্রমে ভট্টপাদ কুমাৰিলৰ উদ্দেশ্যে প্ৰথমে প্ৰয়াগ তীৰ্থত গৈ উপস্থিত হল। ভট্টপাদ কুমাৰিল একজন অসাধাৰণ লোক। এওঁৰ ক্রিয়া-কলাপ জগতত অতুলনীয়। এওঁৰ ধৰ্ম্মানুৰাগ, স্বাৰ্থত্যাগ, বিদ্যাবুদ্ধি উদ্যম অধিক কি এওঁৰ সমগ্ৰ জীবনেই এক অত্যাশ্চৰ্য্য ব্যাপাৰ। বাস্তবতে এওঁ ক্ষেত্ৰ প্ৰস্তুত কৰিছিল বুলিয়েই শঙ্কৰে বেদান্ত বীজ ৰোপণ কৰিব সক্ষম হৈছিল।

আচাৰ্য্য শঙ্কৰ প্ৰয়াগত উপস্থিত হৈ প্ৰথমে তীৰ্থকৃত্য ও যমুনাৰ স্তব কৰি পিছত মহাপুৰুষ কুমাৰিলৰ সমীপক গৈ দেখিলে যে তেওঁ তুষানলত দেহত্যাগ কৰিবৰ মানসে অগ্নি সংযুক্ত তুহৰ দামৰ ওপৰত উপবিষ্ট আছে। তথাপি আচাৰ্য্য শঙ্কৰক দেখি অভ্যৰ্থনা কৰিলে। আচাৰ্য্য শঙ্কৰেও প্ৰত্যাভিবাদন কৰি তেওঁৰ লগত বিচাৰৰ ইচ্ছা প্ৰকাশ কৰিলে। শঙ্কৰৰ ইচ্ছা আছিল যে ভট্টপাদ কুমাৰিলক স্বমতক আনি তেওঁৰ দ্বাৰা নিজ ভাষ্যৰ বাৰ্ত্তিল ৰচনা কৰাই। কুমাৰিলে শঙ্কৰৰ নাম পূৰ্ব্বে শুনিছিল আৰু তেওঁৰ কৃত ভাষ্যও দেখিছিল। তথাপি কৰ্ম্মীৰ সঙ্কল্প ত্যাগ অতি গৰ্হিত কাৰ্য্য জানি তেওঁ বিনীত ভাবে আচাৰ্য্যক জনালে,—“মহাভাগ। আপুনি মোৰ শিষ্য মণ্ডলৰ লগত বিচাৰ কৰি তেওঁক পৰাজয় কৰক। মণ্ডল পৰাজিত হলে মই স্বয়ং পৰাজিত আৰু আপনি সমস্ত ভাৰত বিজয়ী হোৱা বুলি নিঃসন্দেহ হব। মণ্ডলৰ পাণ্ডিত্য আৰু বিচাৰ-পটুতা

মোতকৈ অধিকতৰ বুলি জানিব। আপোনাৰ কৰ্ম্মক্ষেত্ৰত মণ্ডল সহায়কাৰী হলে আপনাৰ পথ অতি সুগম হব। আচাৰ্য্য শঙ্কৰে কুমাৰিলৰ আলোকসামান্য চৰিত্ৰত বাধা দিয়া অযুগুত ভাবি তেওঁক আৰ পীড়া-পীড়ি নকৰিলে।

অনন্তৰ আচাৰ্য্য শঙ্কৰক গমনোদ্যত দেখি ভট্টপাদ কুমাৰিলে পুনৰায় কব ধৰিলে,—"যতিৰাজ মণ্ডল আৰু আপনাৰ বিচাৰৰ সময়ত মধ্যস্থৰ আৱশ্যক হব কিন্তু এই বিচাৰত মধ্যস্থ হবৰ সক্ষম কাকো দেখা নাপাওঁ। আপনি যদি মণ্ডলৰ ভাৰ্য্যা উভয়ভাৰতীক মধ্যস্থ মানে তেনেহলে সুবিচাৰ হব। উভয়ভাৰতী সাক্ষাৎ সৰস্বতী, তেওঁৰ বিদ্যা বুদ্ধিৰ পৰিচয় মই যথেষ্টৰূপে পাইছোঁ; তেওঁক মধ্যস্থ মানাই আপনাৰ পক্ষে উচিত বুলি মোৰ বিশ্বাস।" কুমাৰিল ভট্টৰ কথা শুনি আচাৰ্য্য প্ৰীত হল আৰু তেওঁৰ পাৰলৌকিক মঙ্গল কামনা কৰি তেওঁৰ সমীপত বিদায় ললে।

আচাৰ্য্য শঙ্কৰ মণ্ডল মিশ্ৰৰ উদ্দেশ্যে মহিষ্মতী নগৰৰ অভিমুখে যাত্ৰা কৰি আকাশ মাৰ্গে তাত উপস্থিত হই জানিব পাৰিলে যে মণ্ডল পিতৃশ্ৰাদ্ধত নিযুক্ত। শ্ৰাদ্ধকালত তেওঁ সন্ন্যাসীৰ মুখ দৰ্শন নকৰিব সুতৰাং শীঘ্ৰে তেওঁৰ সাক্ষাৎ লাভ সম্ভৱ নহে। বাস্তৱিকতে মণ্ডলে শঙ্কৰৰ আগমন শুনিও গৃহদ্বাৰ বন্ধ কৰি শ্ৰাদ্ধ কাৰ্য্যত ব্যাপৃত থাকিল। শঙ্কৰে এই তত্ত্ব জানি তাতাভূক্তাকৈ লঘিমা সিদ্ধি বলে বায়ুমাৰ্গ অবলম্বন ক্ৰমে মণ্ডলৰ ঘৰৰ ভিতৰত উপস্থিত হই দেখিলে যে ব্যাস ও জৈমিনীকল্প দুইজন ব্ৰাহ্মণ সেই ঠাইতে উপবিষ্ট আছে। মণ্ডলে শঙ্কৰক দেখি অত্যন্ত ক্ৰুদ্ধ হৈ তিৰস্কাৰ কৰিলে কিন্তু শঙ্কৰে মণ্ডলৰ তিৰস্কাৰ উপেক্ষা কৰি উপহাস পূৰ্ব্বক এনে উত্তৰ দিব ধৰিলে যে সেই উত্তৰত মণ্ডলেই তিৰস্কৃত হল। উপস্থিত পুৰোহিতদ্বয়ৰ একজনে মণ্ডলক বুজাই নিবৃত্ত কৰিলত মণ্ডলে ক্ৰোধ সম্বৰণ কৰি আচাৰ্য্য শঙ্কৰক অভ্যৰ্থনা ক্ৰমে বহিবলৈ আসন দিলে।

অনন্তৰ অষ্টাদশ দিন যাবৎ মণ্ডলৰ লগত শঙ্কৰৰ তৰ্কবিতৰ্ক

হয়। কুমাৰিলৰ প্ৰস্তাব অনুসাৰেই মণ্ডলৰ সহধৰ্ম্মিনী উভয়-ভাৰতীক বিচাৰ ক্ষেত্ৰত মধ্যস্থ ৰাখা হয়। একদিন বিচাৰ আৰম্ভৰ সময় উভয়ভাৰতীয়ে মণ্ডল আৰু শঙ্কৰৰ গলত দুইধাৰ মালা পিন্ধাই দিয়ে। অভিপ্ৰায় এই যে যিজনৰ বুদ্ধি বিকল হব সেইজনৰ শৰীৰত উৎকণ্ঠা ও ক্ৰোধৰ নিমিত্তে উত্তাপাধিক্য ঘটিব তাৰ ফলত তেওঁৰ গলৰ মালা শীঘ্ৰে ম্লান হৈ যাব। অবশেষত মণ্ডলেই পৰাজয় স্বীকাৰ কৰি বিচাৰৰ স্বৰ্ত্তানুসাৰে তেওঁ সন্যাস গ্ৰহণে উদ্যত হয়।

এইবাৰ উভয়ভাৰতী আপত্তি উত্থাপন কৰি কলে যে স্ত্ৰী স্বামীৰ অৰ্দ্ধাঙ্গ সুতৰাং স্ত্ৰী পৰাজয় নোহোৱাকৈ স্বামী পূৰ্ণ পৰাজয় হোৱা নাই। এই বুলি উভয়ভাৰতী আচাৰ্য্যৰ লগত বাদ কৰিব প্ৰবৃত্তা হৈ তত্ত্ব বিষয়ক প্ৰশ্নৰ পৰিবৰ্ত্তে কাম শাস্ত্ৰীয় প্ৰশ্ন উত্থাপন কৰিলে; যেনেতেনে শঙ্কৰক বাদত পৰাজয় কৰাই উভয়ভাৰতীৰ উদ্দেশ্য।

আচাৰ্য্য শঙ্কৰ আকুমাৰ সন্যাসী, তেওঁ কামশাস্ত্ৰৰ আলোচনা কৰা নাই। যদি বুদ্ধিবলে উত্তৰ দিয়ে তেনেহলেও কাম চিন্তা কৰিব লাগিব এবং তজ্জন্য ব্ৰহ্মচৰ্য্যৰ হানি হব। এই নিমিত্তে কৌশল অবলম্বন কৰা আবশ্যক মনে কৰিলে। শঙ্কৰে ভাবিলে যে যোগবলে অন্য শৰীৰত সুমাই কামশাস্ত্ৰ ৰচনাক্ৰমে পুনৰাই নিজ শৰীৰক লাগি আহি উভয়ভাৰতীৰ লগত বিচাৰ কৰিলে বৰ্ত্তমান শৰীৰ কৃত ব্ৰহ্মচৰ্য্যৰ হানি নহব। এই কথা স্থিৰ কৰি উভয়-ভাৰতীৰ নিকট বিচাৰ স্থগিতৰ কাৰণ একমাহৰ সময় খোজাত উভয়ভাৰতী সম্মত হল।

আচাৰ্য্য শঙ্কৰ অন্তৰঙ্গ প্ৰধান শিষ্য কেইজনমানৰ লগত আকাশ মাৰ্গ অবলম্বন কৰি সদ্যোমৃত মনুষ্য শৰীৰ অন্বেষণক্ৰমে "অমৰক" নামে একজন ৰাজাৰ সদ্যোমৃত শৰীৰ দেখিলত অভীষ্ট সিদ্ধিৰ সুযোগ বুজিব পাৰিলে। তেওঁ শিষ্য কেইজনক আদেশ দি কলে

যে—"মই একমাহৰ ভিতৰত ফিৰি আহিম। তোমালোকে মোৰ শৰীৰটো নিকটস্থ গুহাৰ ভিতৰত সুকলমে ৰক্ষা কৰা।" এই বুলি আচাৰ্য্য গুহাৰ ভিতৰত সুমাই যোগবলে নিজ শৰীৰ ত্যাগ ক্ৰমে মৃত ৰাজ-শৰীৰত প্ৰবেশ কৰা মাত্ৰে তাত জীৱন সঞ্চাৰৰ লক্ষণ প্ৰকাশ হ'ল। পতিহাৰা পতিপ্ৰাণা ৰাজমহিষীসকলৰ কোলাত ৰাজাৰ পুনৰ্জ্জীৱন লাভ হোৱা দেখি পাত্ৰমন্ত্ৰীসকলৰ বিস্ময় আৰু আনন্দৰ পৰিসীমা নাথাকিল। এই প্ৰকাৰে আচাৰ্য্য শঙ্কৰে কামশাস্ত্ৰ অনুশীলন কৰি "অমৰুশতক" নামে এখান গ্ৰন্থ ৰচনা কৰিছিল।

ইপিনে পুনৰ্জীৱিত ৰাজাৰ আচৰণ দৃষ্টে ৰাজ্ঞীসকলৰ মনত ক্ৰমে ক্ৰমে এক ৰকম সন্দেহ উপস্থিত হ'ল। তেওঁলোকে ৰাজাৰ বৰ্ত্তমান আৰু পূৰ্ব্ব আচৰণৰ কোনো সামঞ্জস্য নেদেখি ৰাজ-শৰীৰত কোনো যোগী মহাপুৰুষৰ আবিৰ্ভাব হোৱা বুলি বুজিব পাৰি কি উপায়ে ৰাজ-শৰীৰত মহাপুৰুষৰ আত্মা আবদ্ধ থাকে এই বিষয় অমাত্য সকলৰ লগত গোপনে পৰামৰ্শ স্থিৰ হ'ল যে ৰাজ্যৰ ভিতৰত য'তে য'তে যিমান মৃতদেহ আছে তাৰ অনুসন্ধান কৰি সৎকাৰৰ ব্যৱস্থা কৰিব পাৰিলে যোগীৰাজৰ পূৰ্ব্বদেহ নিশ্চয় নষ্ট হব আৰু যোগীৰাজ অগত্যা ৰাজ-শৰীৰত অৱস্থান কৰিব বাধ্য হব। সৰ্ব্বগুণসম্পন্ন নৰপতি যি দেশত থাকে সেই দেশৰ অশেষ কল্যাণ সাধন হয়। এই নিমিত্তে ৰাজ্ঞী আৰু অমাত্যসকলে যোগীৰাজৰ আত্মাক ৰাজ-শৰীৰত আবদ্ধ ৰাখা আৱশ্যক বিবেচনা কৰি যাবতীয় মৃতদেহ অচিৰেই সৎকাৰ কৰিবলৈ বিশেষ ৰাজ-কৰ্ম্মচাৰী নিযুক্ত কৰি ৰাজ্যৰ ভিতৰত ঘোষণা প্ৰচাৰ কৰিলে। ক্ৰমে ক্ৰমে আচাৰ্য্য শঙ্কৰৰ দেহও আবিস্কৃত হ'ল এবং সৎকাৰ কৰিবৰ নিমিত্তে ৰাজকৰ্ম্মচাৰী সকল আগমন কৰাৰ কথা আচাৰ্য্যৰ শিষ্যসকলে শুনিব পাই অত্যন্ত শঙ্কাকুল হৈ পৰামৰ্শ কৰি স্থিৰ কৰিলে যে অনতিবিলম্বে ৰাজসভাত উপস্থিত হৈ সুকৌশলে

আচাৰ্য্যক প্ৰবুদ্ধ কৰা ভিন্ন আচাৰ্য্যৰ দেহ ৰাজকৰ্ম্মচাৰী সকলৰ হাতৰ পৰা ৰক্ষা কৰাৰ উপায়ান্তৰ নাই। ইপিনে এক মাহ সময়ও অতীত প্ৰায়। পদ্মপাদ প্ৰভৃতি কেইজনমান শিষ্য গায়ক বেশে ৰাজসভাত উপস্থিত হৈ ৰাজাক সঙ্গীত শুনাব উপলক্ষ্য কৰি বেদ-সাৰ সিদ্ধান্ত পূৰ্ণ এটি সঙ্গীত গোৱাত আচাৰ্য্যে শিষ্যসকলৰ ইঙ্গিত বুজিব পাৰি মুহূৰ্ত্ত মধ্যে স্বীয় শৰীৰত গৈ প্ৰবৃষ্ট হল। কিন্তু ৰাজকৰ্ম্মচাৰীসকলে ইতিমধ্যে আচাৰ্য্যৰ দেহ প্ৰজ্বলিত চিতাত তুলি দিছে। আচাৰ্য্যে স্বকীয় দেহ দগ্ধোন্মুখ দেখি দাহ শান্তিৰ নিমিত্তে ৺নৃসিংহদেবৰ স্তৱ কৰাত অগ্নি নিৰ্ব্বাপিত হল। ৰাজ-কৰ্ম্মচাৰী সকলে মৃতদেহত জীৱন সঞ্চাৰ হোৱা দেখি ভয় পায় পলাই গল। আচাৰ্য্যেও শিষ্যসকলৰ আনন্দ বৰ্দ্ধন কৰি ধীৰে ধীৰে চিতাৰপৰা অবতৰণ কৰিলে।

অনন্তৰ আচাৰ্য্যে কালবিলম্ব নকৰি আকাশ পথ আশ্ৰয় ক্ৰমে পুনৰায় মণ্ডল গৃহত গৈ উপস্থিত হল। উভয়ভাৰতী স্বামীসহ শঙ্কৰক অভ্যৰ্থনা কৰিলে। কিন্তু আচাৰ্য্যৰ কৌশল জানিব পাৰি স্বতঃপ্ৰবৃত্ত হৈ নিজ পৰাজয় স্বীকাৰ কৰি সকলোৰে অনুমতিক্ৰমে সভাস্থল পৰিত্যাগ পূৰ্ব্বক কক্ষান্তৰত সুমাল। আচাৰ্য্যে উভয়-ভাৰতীক সাক্ষাৎ স্বৰস্বতী দেবীৰ অবতাৰ বুলি জানিছিল। এতিয়া কক্ষান্তৰত সুমাই স্বধামক লাগি প্ৰস্থান কৰা জানি মনে মনে স্তৱ কৰি দেবীক আহ্বান কৰিছিল। আচাৰ্য্যৰ প্ৰতিস্থিত শৃঙ্গেৰি মঠত যাতে দেবী অচলা থাকে তন্নিমিত্ত বৰ ভিক্ষা কৰাই আহ্বানৰ উদ্দেশ্য। দেবী স্বৰস্বতী শঙ্কৰৰ স্তৱত তুষ্ট হৈ স্বকীয় দিব্যৰূপ ধাৰণ কৰি সকলোৰে প্ৰত্যক্ষীভূত হৈ "তথাস্তু" বুলি পুনৰায় অন্তৰ্হিতা হল। মণ্ডলে পূৰ্ব্বে জনা নাছিল যে কোনে তেওঁৰ গৃহিণীৰূপে ইমান দিন তেওঁক অনুগৃহিত কৰিছিল। তেওঁ সন্ন্যাস গ্ৰহণ কৰিলে পত্নীয়ে কেনেকৈ কঠোৰ বৈধব্য ব্ৰত পালনত সমৰ্থ হব এই চিন্তা কৰিছিল। এতিয়া আচাৰ্য্য আৰু উভয়ভাৰতীৰ

এই অদ্ভুত ঘটনা দেখি একেবাৰে বিস্ময়ত বিহ্বল হল। পত্নীৰ বৈধব্য মোচন আৰু দিব্যৰূপ দৰ্শনে আনন্দিত চিত্তে সন্ন্যাস গ্ৰহণ পূৰ্ব্বক আচাৰ্য্যৰ ওচৰত ব্ৰহ্মবিদ্যা শিক্ষা কৰিছিল। আৰু সন্ন্যাসীৰ ৰীতি অনুসাৰে পূৰ্ব্বনাম পৰিবৰ্ত্তন কৰি "সৰেশ্বৰ" নামে প্ৰখ্যাত হয়। নৰ্ম্মদাৰ তীৰত মগধ ভূমিত এটি আশ্ৰম নিৰ্ম্মাণ কৰাই আচাৰ্য্যৰ লগত দিগ্বিজয় কৰিব গৈছিল। অনন্তৰ আচাৰ্য্য মণ্ডল সহিতে মাহিষ্মতী নগৰ পৰিত্যাগ কৰি মহাৰাষ্ট্ৰ দেশৰ নানা স্থানত ভ্ৰমন কৰি পৰমত খণ্ডন ক্ৰমে স্বকীয় মত প্ৰচাৰ পূৰ্ব্বক শ্ৰীশৈল নামে ঠাইত উপস্থিত হৈ পাতাল গামিনী গঙ্গাস্নান কৰি "মল্লিকাৰ্জ্জুন" শিবলিঙ্গ আৰু ভ্ৰমৰাদেবীক দৰ্শন কৰিছিল। উক্ত পাতাল গামিনী নদীৰ তীৰত থাকি সমাগত পাশুপত, বৈষ্ণব, বীৰাচাৰী, শৈব, বৌদ্ধ ও মাহেশ্বৰ প্ৰভৃতি যাবতীয় মতবাদী সকলে সহিতে কিছুদিন বিচাৰ কৰি নিজ মত প্ৰতিষ্ঠা কৰিছিল। এই ঠাইতে এটি অত্যদ্ভুত ঘটনা ঘটে। উগ্ৰভৈৰৱ নামে একজন দুষ্ট কাপালিক নিজ কদাচাৰ গোপন কৰি আচাৰ্য্যৰ আনুগত্য স্বীকাৰ ক্ৰমে ভৈৰৱৰ নিকট আচাৰ্য্যক বলি দি সিদ্ধিলাভ কৰাৰ উদ্দেশ্যে একদিন গোপনে নিজ প্ৰাৰ্থনা আচাৰ্য্যক জ্ঞাপন কৰাত উদাৰ হৃদয় আচাৰ্য্য কাপালিকৰ অভীষ্ট পূৰণে সন্মত হৈ শিষ্যসকলৰ অগোচৰে অৰণ্যৰ মাজত দুষ্ট কাপালিকৰ সন্নিহিত হৈ কৈছিল, যেতিয়া মই সমাধিস্থ হৈ থাকিম তেতিয়াহে মোক বলি দিবা। ইতিমধ্যে তুমি তোমাৰ পূজাৰ আয়োজন কৰাগৈ। দুষ্ট কাপালিক অভীষ্ট সিদ্ধ হোৱা দেখি আনন্দে বিভোৰ হৈ "তথাস্তু" বুলি শীঘ্ৰে পূজাদি কৰ্ম্মত প্ৰবৃত্ত হল। ইপিনে আচাৰ্য্যৰ অকস্মাৎ অদৰ্শন দেখি শিষ্য সকলৰ মনত মহা আতঙ্ক মিলিল। পদ্মপাদ পূৰ্ব্বেই ছদ্মবেশী কাপালিকৰ আচৰণত সন্দেহযুক্ত হৈছিল। এতিয়া অকস্মাৎ আচাৰ্য্যৰ অদৰ্শনত অমঙ্গল আশঙ্কা কৰি তেওঁ শোকত মূৰ্চ্ছিত প্ৰায় হোৱাত পদ্মপাদৰ মনত ক্ষণেকতে এটি ভীষণ চিত্ৰ

সপোনৰ দৰে জাগি উঠিল। তেওঁ দুষ্ট কাপালিকৰ দুৰভিসন্ধি বুজিব পাৰি নিৰুপায় হৈ নৃসিংহদেবৰ শৰণ লৈছিল আৰু গুৰুদেবৰ ৰক্ষাৰ নিমিত্তে পুনঃ পুনঃ প্ৰাৰ্থনা কৰিছিল। ভক্তবৎসল ভগবান গুৰুভক্ত পদ্মপাদৰ ঐকান্তিক কাতৰতা দেখি পদ্মপাদৰ শৰীৰত আবিৰ্ভূত হৈ নক্ষত্ৰবেগে বলিস্থানত উপস্থিত হল ও তন্মুহূৰ্ত্তেই দৃশ্যপটৰ পৰিবৰ্ত্তন হৈছিল। কাপালিকৰ উত্তোলিত খড়্গ আচাৰ্য্য শঙ্কৰৰ শিৰত পতিত হোৱাৰ পূৰ্ব্বেই নৃসিংহদেব কৰ্ত্তৃক কাপালিকৰ মুণ্ড দেহৰপৰা বিচ্ছিন্ন হৈ ভূমিতলত বিলুণ্ঠিত হৈছিল আৰু নৃসিংহৰ হুঙ্কাৰত চতুৰ্দ্দিক প্ৰকম্পিত হৈছিল।

অনতিবিলম্বে আচাৰ্য্যৰ সমাধি ভঙ্গ হোৱাত দেখিব পালে যে সন্মুখত পদ্মপাদৰ শৰীৰত জ্যোতিৰ্ম্ময় ভয়ঙ্কৰ নৃসিংহ মূৰ্ত্তিৰ আবিৰ্ভাব। ব্যাপাৰ কি জানিব চেষ্টা নকৰিয়েই আচাৰ্য্যে তৎক্ষণাৎ নৃসিংহদেবৰ তুষ্টি বিধানাৰ্থে স্তব কৰিছিল। অনন্তৰ নৃসিংহদেব তিৰোহিত হলত পদ্মপাদ পুনৰায় মূৰ্চ্ছিত হৈ পৰিল। অন্যান্য শিষ্যে পদ্মপাদক অকস্মাত ধাবমান দেখি সকলোৱে তেওঁৰ পশ্চাদনুসৰণ কৰি বলিদানত অভাবনীয় দৃশ্য দেখি হতভম্ব হৈ চিত্ৰপুত্তলিকাবৎ দণ্ডায়মান আছিল। তাৰা সকলে এতিয়াহে কৰ্ত্তব্য অবধাৰণে সক্ষম হৈ পদ্মপাদৰ মূৰ্চ্ছা অপনোদনৰ চেষ্টা কৰিছিল।

আচাৰ্য্যে ঘটনাৰ ইতিবৃত্ত শুনি বুজিব পাৰিছিল যে পদ্মপাদে নৃসিংহ সিদ্ধবলে এই ঘটনা জানিব পাৰিছিল আৰু সেই সিদ্ধিবলে তেওঁ কাপালিকক বধ কৰিব সক্ষম হৈছিল। এইদৰে আচাৰ্য্যৰ জীবন ৰক্ষা হোৱাত সকলোৱে পদ্মপাদক ধন্য ধন্য কৰিছিল। এই ঘটনাৰ পিছত আচাৰ্য্য শিষ্যবৰ্গ সমন্বিতে গোকৰ্ণ প্ৰভৃতি স্থানাভিমুখে যাত্ৰা কৰিছিল। গোকৰ্ণত উপস্থিত হৈ সমুদ্ৰ স্নান পূৰ্ব্বক মহাদেবৰ দৰ্শন আৰু ভূজঙ্গ প্ৰয়াত ছন্দে তেওঁৰ স্তব কৰি শৈব মতাবলম্বী পণ্ডিত ধুৰন্ধৰ শ্ৰীকণ্ঠৰ সহিত মহা বিচাৰত প্ৰবৃত্ত

হৈছিল। পৰিশেষত শ্ৰীকণ্ঠে পৰাস্ত মানি ব্ৰহ্মসূত্ৰৰ নিজ কৃত "শিবতৎপৰ ভাষ্য" বিসৰ্জ্জন দি আচাৰ্য্যৰ শিষ্য হৈছিল। ইয়াৰ পিছত হৰি শঙ্কৰক লাগি আহি (বৰ্ত্তমান নাম হৰিহৰ) স্তৱ দ্বাৰা হৰিহৰৰ আৰাধনা কৰি সাধাৰণৰ ওচৰত এওঁৰ পূজা প্ৰচাৰ ক্ৰমে "মুকাম্বিকা" নামে ঠাইত উপস্থিত হৈছিল। আচাৰ্য্য এই ঠাইলৈ আহি মৃতপুত্ৰ ক্ৰোড়স্থিত কোন ৰমণীৰ কান্দোনত বিচলিত হৈ ভগবানৰ সমীপত প্ৰাৰ্থনা কৰিলত মৃত বালকৰ পুনৰ্জ্জীবন প্ৰাপ্ত হৈছিল। অতঃপৰ ভগবতী অম্বিকাদেবীৰ মন্দিৰক আহি অত্যুত্তম স্তৱ ৰচনাপূৰ্ব্বক দেবীৰ পূজা কৰি মনৰ আবেগ শান্ত কৰিছিল। ইয়াতো অনেক সাধকে আচাৰ্য্যৰ আনুগত্য স্বীকাৰ কৰিছিল। আচাৰ্য্য এইদৰে মুকাম্বিকাৰ কাম শেষ কৰি শ্ৰীবেনিত উপস্থিত হৈছিল।

শ্ৰীবেনি এখন বামুনীয়া গাওঁ। বেদ পাঠ আৰু অগ্নিহোত্ৰাদি কৰ্ম্মনিৰত দুই সহস্ৰ ব্ৰাহ্মণৰ তাতে বাস আছিল। ইয়াতো এটি অদ্ভুত ঘটনা ঘটিছিল। "প্ৰভাকৰ" নামে এজন শাস্ত্ৰবিৎ ব্ৰাহ্মণৰ এটি পুত্ৰ ত্ৰয়োদশ বৰ্ষ বয়স পৰ্য্যন্ত মূক আৰু জড়বৎ হৈ আছিল। আচাৰ্য্যৰ কৃপা লাভৰ আশাই প্ৰভাকৰে পুত্ৰটিক আনি শঙ্কৰৰ চৰণত সেৱা কৰাইছিল। পিছে বালকটি প্ৰণত অৱস্থাতেই শঙ্কৰৰ চৰণ লাগ হৈ থাকিলত আচাৰ্য্যে সস্নেহে বালকটিক নিজ হাতে তুলি পৰিচয় সোধাত বালকটিয়ে সুন্দৰ ভাষাত সৰ্ব্বজন সমাদৃত সেই "হুওমেলক" স্তোত্ৰ পাঠ কৰি আত্ম-পৰিচয় জনাইছিল। আচাৰ্য্য শঙ্কৰে বালকৰ সুমধুৰ আৰু সুযুক্তিপূৰ্ণ বচন বিন্যাস দেখি যাৰপৰনাই বিস্মিত হই প্ৰভাকৰক কৈছিল, "পণ্ডিতবৰ, এই বালকৰ বিনা উপদেশে ব্ৰহ্মজ্ঞান জন্মিছে এওঁ আপোনাৰ সহিত বাস কৰিবৰ যোগ্য নহে এতেকে আপুনি এওঁক মোক দান কৰক।" প্ৰভাকৰে এই প্ৰস্তাব অতি সঙ্গত জানি অব্যাকুলিতভাবে নিজ পুত্ৰক আচাৰ্য্যৰ হাতত সমৰ্পণ কৰিছিল।

যমুনাৰ তীৰত একজন সিদ্ধ পুৰুষ বাস কৰিছিল। এদিনাখন

কোন একজনী ব্ৰাহ্মণকন্যা দুই বছৰ বয়সৰ শিশু পুত্ৰটিক সিদ্ধ পুৰুষৰ জিম্মায় ৰাখি স্নান কৰিব যোৱাত শিশুটি খেলা কৰি থাকোতেই নদী গৰ্ভত নিপতিত হয়। জীৱনশূন্য শিশুটিক পানীৰ পৰা তুলি ব্ৰাহ্মণ-কন্যাই হৃদয় বিগলিত আৰ্ত্তনাদ কৰাত সিদ্ধ পুৰুষ ব্যথিত হৃদয় হৈ যোগবলে স্বকীয় শৰীৰ পৰিত্যাগ কৰি মৃত শিশুৰ শৰীৰত প্ৰবেশক্ৰমে শিশুটিক পুনৰ্জ্জীবিত কৰে। কিন্তু তদবধি শিশুটিয়ে বালকোচিত ক্ৰিয়া পৰিত্যাগ কৰি জড় আৰু মূকৰ দৰে হৈ দিন কাটাই। এই শিশুই উক্ত "হওমেলক"।

অনন্তৰ আচাৰ্য্য "শৃঙ্গেৰী" নামে ঠাইলৈ আহি তাতে এটি মঠ নিৰ্ম্মাণ কৰাই ভগৱতী শাৰদা দেৱীৰ প্ৰতিষ্ঠা কৰে। ইয়াতে "গিৰী" নামক একজন প্ৰধান শিষ্য লাভ হয়। তেওঁ আচাৰ্য্যৰ কৃপায় সৰ্ব্ব বিদ্যা লাভ কৰি অজ্ঞান মুক্ত হৈ তোটক ছন্দে গুৰু-দেৱৰ স্তৱ কৰাত তদবধি তেওঁ তোটকাচাৰ্য্য নামে প্ৰখ্যাত হয়। আচাৰ্য্যৰ সকলো শিষ্যৰ ভিতৰত পদ্মপাদ, সুৰেশ্বৰ, হওমেলক আৰু এই তোটকাচাৰ্য্যই প্ৰধান আছিল। শৃঙ্গেৰী মঠত অনেক দিন বাস কৰি শিষ্যবৰ্গৰ দ্বাৰা অনেক গ্ৰন্থ ৰচনা কৰাই প্ৰচাৰ কৰিছিল।

একদিন আচাৰ্য্যে অকস্মাৎ মাতৃ স্তনদুগ্ধ স্বাদ অনুভৱ কৰিলত জননীৰ আসন্নকাল উপস্থিত বুলি জানিব পাৰি শিষ্যমণ্ডলীক শৃঙ্গেৰীতে এৰি আকাশ মাৰ্গে নিজ জন্ম "কালাটি" গ্ৰামত উপস্থিত হৈছিল। কেইদিনমান মাত্ৰ জননীৰ শুশ্ৰূষা কৰি অন্তিম কালত পূৰ্ব্ব প্ৰতিশ্ৰুতি অনুসাৰে জননীক শিৱৰূপ প্ৰত্যক্ষ কৰাইছিল কিন্তু বিষ্ণুভক্তা জননী বিষ্ণুৰূপ দেখিব অভিলাষ কৰাত মাতৃভক্ত আচাৰ্য্যে পুনৰায় তেওঁক বিষ্ণুৰূপ দৰ্শন কৰোৱাত আচাৰ্য্য-জননী প্ৰশান্ত চিত্তে ইহ ধামৰ পৰা প্ৰস্থান কৰিছিল।

অনন্তৰ আচাৰ্য্যে জ্ঞাতি সকলক জননীৰ অন্ত্যেষ্টিক্ৰিয়া কৰিব অনুৰোধ কৰাতো তেওঁলোক অসম্মত হৈছিল। কাৰণ তেওঁলোকে ভাবিছিল যে আচাৰ্য্যে মাতৃৰ সৎকাৰ কৰি পুনৰায় তেওঁৰ গচ্ছিত

সম্পত্তি ফিৰাই লৈ গৃহবাসী হব। আচাৰ্য্যে তেওঁলোকক কাকুতি মিনতি কৰাতো তেওঁলোকে সংকাৰ কৰিব সম্মত নহৈছিল। অধিকন্তু আচাৰ্য্য-জননীৰ কুৎসা ৰটনা কৰিবও কুণ্ঠিত নহৈছিল। অতঃপৰ আচাৰ্য্য বাধ্য হৈ গৃহ প্ৰাঙ্গণৰ প্ৰান্ত ভাগত নিজেই জননীৰ অন্ত্যেষ্টিক্ৰিয়া সমাধা কৰিছিল। জ্ঞাতি সকলৰ প্ৰচাৰিত কুৎসাৰ প্ৰতিবাদ নকৰিলে কিজানি জনসমাজৰ ওচৰত জননীৰ চৰিত্ৰত কলঙ্ক থাকে এই ভাবি তেওঁ কৃত্ৰিম ক্ৰোধ প্ৰদৰ্শন পূৰ্ব্বক জ্ঞাতি সকলক নিম্নোক্ত তিনটি অভিশাপ প্ৰদান কৰিছিল। ১ম অভিশাপ—"জ্ঞাতি সকলৰ গৃহত কোন জাতিয়ে ভিক্ষা নলব।" ২য়—"জ্ঞাতিসকলে স্বকীয় আত্মীয় স্বজনক নিজ প্ৰাঙ্গণতে সংকাৰ কৰিব।" ৩য়—জ্ঞাতিগণ বেদ বহিৰ্ভূত হব যেহেতু তেওঁলোকে বেদৰ মৰ্ম্মাৰ্থ নুবুজি কেবল ক্ৰিয়া-কাণ্ডতেই পিণ্ড আৰু অৰ্থজ্ঞৰ প্ৰতি শত্ৰুতা সাধনে তৎপৰ।"

জন্মভূমিৰ দুৰবস্থা দেখি তৎ প্ৰতিকাৰ কল্পে আচাৰ্য্য কিছুদিন "কালাটি" গ্ৰামতে অবস্থান কৰিছিল। ইতিমধ্যে জ্ঞাতি সকলৰ আচৰণ তদ্দেশীয় ৰজাৰ কৰ্ণগোচৰ হোৱাত ৰজাই স্বয়ং বিচাৰ কৰি জানিব পাৰিলে যে জ্ঞাতিসকল যথাৰ্থই দোষী এই নিমিত্তে ৰজাই জ্ঞাতি সকলক দণ্ড দিব উদ্যত হোৱাত আচাৰ্য্যে ৰজাক নিবাৰণ কৰি কৈছিল যে "মহাৰাজ! মই এওঁলোকক যি অভিশাপ দিছো আপুনি তাক পালন কৰিব বাধ্য কৰিলেই যথেষ্ঠ হব। অন্য দণ্ডৰ প্ৰয়োজন নাই। জ্ঞাতি সকলে মহা বিপদ গণি আচাৰ্য্যৰ শৰণ মাগি বেদ বহিৰ্ভূত হোৱা শাপ মোচনৰ নিমিত্তে কাতৰ প্ৰাৰ্থনা কৰিলত আচাৰ্য্যে তেওঁলোকক বেদ পাঠত পুনৰায় অধিকাৰ প্ৰদান কৰিছিল। অনন্তৰ দেশৰ উন্নতিৰ নিমিত্তে কেটামান সদাচাৰৰ* প্ৰবৰ্ত্তন কৰি সমগ্ৰ কেৰল দেশত পৰিভ্ৰমণ কৰিছিল।

---

* এই সদাচাৰক এই দেশৰ মানুহে ৬৪ অনাচাৰ বোলে। আচাৰ্য্যে এই নিমিত্ত এখন স্মৃতি শাস্ত্ৰও ৰচনা কৰিছিল। বৰ্ত্তমানে শঙ্কৰ স্মৃতি নামে প্ৰসিদ্ধ আছে।

ইয়াৰ পিচত ৰামেশ্বৰৰ সন্নিকটত থাকা মাধ্যাৰ্জ্জুনলৈ আহি জ্ঞানোপচাৰে মহাদেৱৰ পূজা সমাপন কৰি অদ্বৈত মত প্ৰচাৰে বদ্ধপৰিকৰ হৈছিল। "কালী, তাৰা মহাবিদ্যায় শিৱৰ পাদপদ্ম পূজা কৰা" বিগ্ৰহ এই ঠাইত বিৰাজ কৰিছে। একদিন মাধ্যাৰ্জ্জুন শিৱৰ সমুখ প্ৰাঙ্গনত তদ্দেশীয় যাবতীয় পণ্ডিত মণ্ডলীৰ মাজত আচাৰ্য্যে অদ্বৈত তত্ত্ব ব্যাখ্যা কৰোতে একজন অতি বৃদ্ধ পণ্ডিতেও সভাৰ ভিতৰত থিয় হৈ কম্পিত কণ্ঠে কৈছিল "হে যতিৰাজ, আপুনি কোৱা সকলো কথা সত্য কিন্তু তৰ্ক দ্বাৰা বস্তুৰ নিৰ্ণয় কৰা অত্যন্ত দুৰূহ। তাৰ্কিক সকলৰ মাজত যি জনৰ বুদ্ধি প্ৰভাৱ যত অধিক সি জনেই তিমান পৰিমাণে সত্যক মিথ্যা বুলি কিম্বা মিথ্যাক সত্য বুলি প্ৰমাণ কৰিব সক্ষম হয়। আপোনাৰ কথা সম্পূৰ্ণ সত্য বুলি বোধ হলেও সম্পূৰ্ণ অভ্ৰান্ত হয়নে নহয় এই বিষয়ে আমি নিঃসন্দেহ হব পাৰা নাই। আপুনি মানৱ আৰু মানৱ চিৰকালেই ভ্ৰান্ত গতিকে আমালোকে পিতৃপুৰুষৰ আচৰিত মত লঙ্ঘন কৰো কেনেকৈ। যদি এই মন্দিৰৰপৰা ভগবান ভৱানীপতি সৰ্ব্ব সমক্ষে আবিৰ্ভূত হৈ কয় যে আপনাৰ কথিত অদ্বৈত মত সত্য তেনেহলে আমালোকে আপনাৰ মত গ্ৰহণ কৰিব পাৰো নচেৎ নহে"।

তেতিয়া সভাস্থ সকলোৱে বৃদ্ধ পণ্ডিতৰ বাক্য সমৰ্থন কৰাত আচাৰ্য্য মুহূৰ্ত্ত মাত্ৰ চিন্তা কৰি মেঘগম্ভীৰ স্বৰে সভাস্থ জনক সম্বোধন কৰি কৈছিল "হে পণ্ডিত মহোদয়গণ মোৰ নিজ কীৰ্ত্তি স্থাপনৰ নিমিত্তে এই মত প্ৰচাৰ কৰা নাই। সাক্ষাৎ বিশ্বপতি বিশ্বেশ্বৰ ও মহামুনি ব্যাসদেৱৰ আদেশক্ৰমে এই কাৰ্য্যত প্ৰবৃত্ত হৈছো যদি ভগবান ভৱানীপতিৰ ইচ্ছা হয় তেনেহলে আপনা সকলৰ প্ৰস্তাব মতে তেওঁ সৰ্ব্ব সমক্ষে নিশ্চয় আবিৰ্ভূত হৈ মোৰ মত সমৰ্থন কৰিব। এই কথা কৈয়েই আচাৰ্য্যে লিঙ্গৰ সমুখত যোড়হাত হৈ ভগবদ্ উদ্দেশ্যে এটি মনোহৰ স্তৱ পাঠক্ৰমে প্ৰাৰ্থনা

কৰিছিল, "ভগবান তুমি সভাস্থ জনৰ প্ৰত্যক্ষিভূত হৈ সকলোৰে সংশয় নিবাৰকৰনাৰ্থে "দ্বৈত সত্য কি অদ্বৈত সত্য" এই কথাৰ উত্তৰ দিয়া"। আশ্চৰ্য্যৰ বিষয় যে শঙ্কৰৰ বাক্য শেষ নহওতেই ভগবান লিঙ্গোপৰি আবিৰ্ভূত হৈ ঘনগম্ভীৰ ৰবে "অদ্বৈত সত্য" বুলি তিনবাৰ ঘোষণা কৰিছিল। এই অত্যদ্ভুত ঘটনা দেখি সেই দেশস্থ সকলোৱে বিস্মিত হৈ আচাৰ্য্যৰ শিষ্যত্ব গ্ৰহণ কৰিছিল আৰু পঞ্চদেবতা পূজা ও পঞ্চমহাযজ্ঞ পৰায়ণ হৈ আচাৰ্য্যৰ যশ কীৰ্ত্তন কৰিছিল।

এই ঘটনাৰ পৰে আচাৰ্য্য "ৰামেশ্বৰক" লাগি আহে। বাটতে "তুলাভবানী" নামে ঠাইত ভবানী উপাসক শাক্ত সকলৰ "মত" সমৰ্থন কৰি তাৰা সকলক উচ্চ অদ্বৈত জ্ঞানে দীক্ষিত কৰিছিল। সমাগত মহালক্ষ্মীৰ ভক্ত স্বৰস্বতী উপাসক আৰু ব্যোমচাৰী প্ৰভৃতি সম্প্ৰদায়ৰ মত প্ৰতিবাদক্ৰমে খণ্ডন কৰি তেওঁলোককো অদ্বৈত মাৰ্গক লাগি আনিছিল।

ৰামেশ্বৰক আহি গঙ্গাজল, বিল্বদল, পদ্ম প্ৰভৃতি পুষ্পদ্বাৰা ৰামেশ্বৰ দেবৰ অৰ্চ্চনা কৰি দুই মাহ তাতে বাসক্ৰমে শৈবাদি নানা মতাবলম্বীক নিজ মতলৈ আনিছিল।

ইয়াৰ পাছত "পাণ্ড্য দেশক" আহি অদ্বৈত মত প্ৰচাৰ কৰিছিল। ত্ৰিচিনপল্লীৰ পৰা কুমাৰিকা অন্তৰীপ পৰ্য্যন্ত পৰিব্যাপ্ত পূৰ্ব্ব সমুদ্ৰ তীৰবৰ্ত্তী প্ৰদেশৰ নাম পাণ্ড্যদেশ।

অনন্তৰ "অনন্ত শয়ন" আৰু "সুব্ৰহ্মণ্য" দেশলৈ ক্ৰমে আগমন কৰি তত্ৰস্থ অনেক মতাবলম্বীক শিষ্য কৰিছিল। এই সময় তিন সহস্ৰ শিষ্যে শঙ্খ ঘণ্টা বজাই আৰু চামৰ ব্যজনক্ৰমে আচাৰ্য্যক অৰ্চ্চনা কৰিছিল। এই ঐশ্চৰ্য্য মহিমা দেখি অনেকে আচাৰ্য্যৰ শিষ্য হৈছিল।

ইয়াৰ পিছত "শুভগনৰৰপুৰ" তদ্‌পৰ চোল ৰাজ্যৰ ৰাজধানী "কাঞ্চী" পৰে "তাম্ৰপনীতট" "বেঙ্কটাচল" আৰু "বিদৰ্ভ ৰাজধানীক"

লাগি আহি বিচাৰক্ৰমে স্বমতৰ প্ৰতিষ্ঠা কৰিছিল। অতঃপৰ "কৰ্ণাট উজ্জয়িনীক" লাগি আহি "ক্ৰকচ" নামে কাপালিক গুৰুক দলবল সমন্বিতে পৰাস্ত কৰি শিষ্য কৰিছিল। এই ঠাইতে একজন চাৰ্চ্চা আৰু বৌদ্ধক পৰাস্ত কৰি পুথক ও পাতুকা বাহক কাৰ্য্যত নিযুক্ত কৰিছিল। অনন্তৰ "মল্লপুৰ", "মৰুস্থ", "মাগধ", "যমপ্ৰস্থ-পুৰ", "প্ৰয়াগ", কাশী", প্ৰভৃতি স্থানক আগমন কৰি অপৰ মত খণ্ডন ক্ৰমে নিজ মত প্ৰচাৰ কৰিছিল।

ক্ৰমে "সৌৰাষ্ট্ৰ দেশত" নিজ ভাষ্য প্ৰচাৰ কৰি "দ্বাৰকা", "উজ্জয়িনী", "বহ্লিকদেশ", "নৈমিষ", "দৰদভৰত" ও "বুকপাঞ্চাল" দেশত পৰিভ্ৰমণ কৰি অদ্বৈত মত প্ৰচাৰ কৰিছিল।

অতঃপৰ "কামৰূপ" দেশত উপস্থিত হৈছিল। ইয়াত শাক্ত ভাষ্যপ্ৰণেতা অভিনবগুপ্তে আচাৰ্য্যৰ লগত বিচাৰ কৰি পৰাস্ত হৈ কপটতাপূৰ্ব্বক আচাৰ্য্যৰ শিষ্যত্ব স্বীকাৰ কৰি গোপনে অভিচাৰ কৰ্ম্মদ্বাৰা আচাৰ্য্যৰ শৰীৰত ভগন্দৰ ৰোগোৎপাদন পূৰ্ব্বক শঙ্কৰক বধ কৰিব চেষ্টা কৰিছিল। ফলতঃ কামৰূপৰপৰা প্ৰত্যাবৰ্ত্তন কৰাৰ পিছতে আচাৰ্য্য দুৰন্ত ভগন্দৰ ৰোগাক্ৰান্ত হলত তেওঁৰ শৰীৰ ক্ৰমশঃ শীৰ্ণ হৈছিল। শিষ্যসকলে আচাৰ্য্যক চিকিৎসাধীনে থাকিব বহু অনুবোধ কৰাত তেওঁ প্ৰথমতঃ কাৰো কথাত কৰ্ণপাত কৰা নাছিল। অবশেষত সকলোৰে অত্যন্ত পীড়াপীড়িত চিকিৎসক আনিবলৈ অনুমতি নিদিয়াকৈ নোৱাৰিছিল। শিষ্যসকলে অতি সত্বৰে দেশৰ সৰ্ব্বশ্ৰেষ্ঠ ৰাজবৈদ্য আনাই চিকিৎসা কৰোৱাতো কোনো ফলোদয় হোৱা নাছিল। ক্ৰমে যন্ত্ৰণাৰ মাত্ৰা চৰম সীমাত উঠাই আচাৰ্য্যে দেবাদিদেব মহাদেবক স্মৰণ কৰিছিল। কথিত আছে যে ভক্তবৎসল মহাদেবৰ আদেশে অশ্বিনীকুমাৰদ্বয় অচিৰে আবিৰ্ভূত হৈ যতিৰাজক দৰ্শন দি অভিনবগুপ্তৰ দুৰভি-সন্ধিৰ কথা প্ৰকাশ কৰিছিল আৰু জনাইছিল যে এই ৰোগ চিকিৎসাৰ অসাধ্য সুতৰাং ঔষধ প্ৰয়োগ বৃথা।

গুৰুভক্ত পদ্মপাদে এই কথা বিদিত হৈ আৰ স্থিৰ থাকিব পাৰা নাছিল। তেওঁ ক্ৰোধে অধীৰ হৈ অভিনবগুপ্তৰ বধমানসে তেতিয়াই মন্ত্ৰ জপে প্ৰবৃত্ত হৈছিল। আচাৰ্য্যে কিন্তু এইৰূপে প্ৰতিহিংসা কৰিব নিষেধ কৰা সত্বেও পদ্মপাদে সেই কথাত কৰ্ণপাত নকৰি মন্ত্ৰবলে অনতিবিলম্বে সেই ৰোগ আচাৰ্য্যৰ শৰীৰৰ পৰা অভিনবগুপ্তৰ শৰীৰত সঞ্চাৰিত কৰিছিল। আচাৰ্য্য ক্ৰমে আৰোগ্যলাভ কৰিছিল এবং অভিনবগুপ্ত ধীৰে ধীৰে উক্ত ৰোগাক্ৰান্ত হৈ শয্যাশায়ী হৈছিল। এই শয়নেই অভিনবগুপ্তৰ শেষ শয়ন হৈছিল।

আচাৰ্য্য এইৰূপে ভগন্দৰ ৰোগমুক্ত হৈ একদিন ৰাত্ৰি গঙ্গা-তীৰত বালুকাময় স্থানত ব্ৰহ্মধ্যানে নিমগ্ন থাকাত ভগবান গৌড়পাদ তাতে আবিৰ্ভূত হৈছিল। আচাৰ্য্যে গৌড়পাদক দেখিবামাত্ৰে তেওঁৰ চৰণ যুগলত পতিত হৈ নতশীৰে কৃতাঞ্জলি পূৰ্ব্বক সমুখত অবস্থান কৰিছিল। গৌড়পাদে আচাৰ্য্যৰ কুশল এবং গোবিন্দপাদৰপৰা তেওঁৰ শিক্ষা সম্বন্ধে নানান কথা সুধি-ছিল। আচাৰ্য্যে ভক্তি গদ্‌গদ্ চিত্তে সকলো কথাৰ যথাবৎ উত্তৰ দিলত গৌড়পাদ অত্যন্ত আহ্লাদিত হৈ কৈছিল "বৎস, তোমাৰ উপৰ মই পৰম প্ৰীত হৈছো। তোমাক কি বৰ লাগে কোৱা এতিয়াই দিম"।

পৰম গুৰু গৌড়পাদৰ অভিপ্ৰায় জানি আচাৰ্য্যে অতি বিনীত ভাবে জনাইছিল—"ভগবান আপোনাৰ কৃপায় এদাসৰ প্ৰাৰ্থনা কৰিবলৈ একো নাই তথাপি যদি কিবা দিব ইচ্ছা কৰে তেন্তে এই বৰ দিয়ক যেন এদাসৰ চিত্ত নিৰন্তৰ সেই চৈতন্যতত্বে বিলীন থাকিব পাৰে।" গৌড়পাদ "তথাস্তু" বুলি অদৃশ্য হল।

ইয়াৰ পিচত আচাৰ্য্য "মিথিলা" দেশক আহিছিল। তদ্দেশীয় পণ্ডিত সকলে আচাৰ্য্যৰ মত শুনি বিধি বিধানে তেওঁক পূজা কৰিছিল আৰু তেওঁৰ মতাবলম্বী হৈছিল। পৰে আচাৰ্য্য "অঙ্গ ও বঙ্গদেশক" আহি অতি সহজেই নিজ কিৰ্ত্তি পতাকা উড়াইছিল।

অতঃপৰ "গৌড়দেশক" লাগি আহি পণ্ডিত "মুৰাৰি মিশ্ৰ", উদয়নাচাৰ্য্য আৰু ধৰ্ম্মগুপ্তক জয় কৰিছিল। আচাৰ্য্যে গঙ্গাতীৰত অৱস্থান কৰাৰ সময় শুনিব পাইছিল যে কাশ্মীৰৰ "শাৰদাপীঠৰ" মন্দিৰৰ চাৰিখান দুৱাৰ আছে, প্ৰত্যেক দুৱাৰত একোটি মণ্ডপ আছে আৰু মন্দিৰৰ ভিতৰত সৰ্ব্বজ্ঞ পীঠ বিদ্যমান। উক্ত পীঠত আৰোহন কৰোতা জনে সৰ্ব্বজ্ঞ খ্যাতিলাভ কৰে।

পূৰ্ব্ব, পশ্চিম ও উত্তৰ দেশীয় পণ্ডিত সকলে সেই সকল দ্বাৰ উদ্‌ঘাটন কৰিব সমৰ্থ হৈছে কিন্তু দক্ষিণ দেশীয় পণ্ডিত সকলে সমৰ্থ হোৱা নাই, সেই দেখি দক্ষিণ দিকৰ দ্বাৰ বন্ধ আছে। আচাৰ্য্য কাশ্মীৰ দেশক লাগি আহি তত্ৰত্য প্ৰথানুসাৰে নিজ সৰ্ব্বজ্ঞতা জ্ঞাপন কৰি পৰিপন্থি সকলক বিচাৰ ক্ষেত্ৰক লাগি আহ্বান পূৰ্ব্বক দক্ষিণ দ্বাৰ উদ্‌ঘাটন কৰিব উদ্দ্যত হোৱাত পণ্ডিত সকলে আচাৰ্য্যক নিবাৰণ কৰিছিল। তেওঁলোকে ভাবিছিল যে আচাৰ্য্যে কেতিয়াও তত্ৰত্য পণ্ডিত সকলক নিৰুত্তৰ কৰিব সক্ষম নহব।

অলপ সময়ৰ ভিতৰতে বৈশেষিক ন্যায়, সাংখ্য সৌত্ৰান্তিক, বৈভাষিক-যোগাচাৰ ও মাধ্যমিক প্ৰভৃতি চাৰি প্ৰকাৰ বৌদ্ধ; দিগম্বৰ জৈন ও পূৰ্ব্ব-মিমাংসক মতাৱলম্বী বহু পণ্ডিত একত্ৰ হৈ মণ্ডপ গৃহত এটি সভাৰ অধিবেশন ক্ৰমে আচাৰ্য্যক নানা প্ৰকাৰ প্ৰশ্ন সুধিছিল। আচাৰ্য্যে একে একে সদুত্তৰ দি সকলোকে নিৰত কৰাত অৱশেষত পণ্ডিত সকলে নিজেই দক্ষিণ দ্বাৰ উদ্‌ঘাটন কৰি দিছিল।

কথিত আছে যে দেবী স্বৰস্বতী আচাৰ্য্যক পৰীক্ষা কৰিবৰ মানসে দৈববাণীৰ দ্বাৰা প্ৰকাশ কৰিছিল—হে শঙ্কৰ "তুমি সৰ্ব্বজ্ঞ প্ৰমাণিত হলেও তোমাৰ চিত্ত শুদ্ধ নহে কাৰণ তুমি যতী হৈ অঙ্গনা উপভোগ কৰিছা সুতৰাং এই পীঠত আৰোহন কৰিব যোগ্য নোহোৱা"। আচাৰ্য্যে দৈববাণী শুনি বিনয় বচনে কৈছিল—

"জননী এই দেহ কোন পাপ বা অপবিত্র কৰ্ম্মত লিপ্ত হোৱা নাই, অন্য দেহৰ পাপে বৰ্ত্তমান দেহ দুষিত বুলি পৰিগণিত হব নোৱাৰে। হে বিদ্যা স্বৰূপিনী ভগবতী আপোনাৰ একো অবিদিত নাই। সুতৰাং আপুনি কিয় নিবাৰণ কৰে ?"

পিছে ভগবতী প্ৰসন্না হৈ আচাৰ্য্যৰ প্ৰত্যক্ষ হৈ কৈছিল "বৎস তোমাৰ যশ ভাৰতৰ সৰ্ব্বত্ৰ বিশ্ৰুত হওক। তুমি সৰ্ব্বগুণাক্ৰান্ত আৰু সৰ্ব্বজ্ঞ বুলি সৰ্ব্বত্ৰ পুজিত হোৱা তুমিয়ে এই পীঠত বহিব প্ৰকৃত উপযুক্ত"।

অনন্তৰ আচাৰ্য্যে আনন্দমনে ধীৰে ধীৰে পীঠোপৰি আৰোহন কৰাত পণ্ডিত সকলে শিষ্যগণ সমন্বিতে মহা আনন্দে জয় জয় ধ্বনী কৰিছিল আৰু সকলোৱে সৰ্ব্ববিধ মৎসৰ পৰিত্যাগ কৰি দেবী বাক্য উচ্চৈস্বৰে ঘোষণা কৰি আচাৰ্য্যক বহু সন্মানে সন্মানিত কৰিছিল। আচাৰ্য্যেও অদ্বৈত মতৰ শ্ৰেষ্ঠতা দৃঢ় ৰূপে প্ৰতিপন্ন কৰিবৰ নিমিত্তে শাৰদা পীঠত কিছুদিন বাস কৰিছিল। এই সময় আচাৰ্য্যৰ আৰ কোনো পৰিপন্থি দল নাছিল।

আচাৰ্য্যে এইৰূপে দ্বিগ্বিজয় কাৰ্য্য সমাধা কৰি "সুৰেশ্বৰক" ঋষ্যশৃঙ্গাশ্ৰমত, পদ্মপাদক জগন্নাথ ক্ষেত্ৰত, হওমেলকক দ্বাৰকাত আৰু তোটকাচাৰ্য্যক বদৰী ক্ষেত্ৰত অবস্থান পূৰ্ব্বক ধৰ্ম্ম প্ৰচাৰ কৰিব আদেশ দি স্বয়ং কৈলাশক গমন কৰিব বুলি বদৰিকাশ্ৰমক যাত্ৰা কৰিব ইচ্ছা প্ৰকাশ কৰিছিল। শিষ্যগণ কিন্তু আচাৰ্য্য ত্যাগে অনিচ্ছুক হৈ আচাৰ্য্যৰ লগতে বদৰিকাশ্ৰমক লাগি অনুগমন কৰিব অনুমতি খুজিছিল। শিষ্য হৃদয়জ্ঞ আচাৰ্য্য অগত্যা সশিষ্যে বদৰিকাশ্ৰমত উপস্থিত হৈ পূৰ্ব্বজিত পাতঞ্জল মতৰ অনুগামী সকলক স্বভাষ্য শিক্ষাদান পূৰ্ব্বক কিছুদিন তাতে অতিবাহিত কৰিছিল। এই ঠাইতে তেওঁৰ দ্বাত্ৰিংশৎ বৰ্ষ পূৰ্ণ হৈছিল।

অনন্তৰ আচাৰ্য্য শিষ্য সমন্বিতে কেদাৰনাথ তীৰ্থক লাগি গৈছিল। তাত শিষ্য সকলৰ শীতৰ নিমিত্তে দাৰুণ কষ্ট দেখি

মহেশ্বৰৰ ওচৰত এটি উষ্ণ জলৰ প্ৰস্ৰৱণৰ নিমিত্তে প্ৰাৰ্থনা কৰাত অকস্মাৎ এটি তপ্ত জলপ্ৰবাহৰ আবিৰ্ভাৱ হৈ তেওঁৰ প্ৰাৰ্থনা পূৰ্ণ হৈছিল। এই তপ্ত জলকুণ্ডৰ সাহায্যে শিষ্য সকলে দাৰুণ শীত নিবাৰণে সমৰ্থ হৈ সাধন ভজনে মনোনিবেশ কৰিছিল। শুনা যায় তদবধি উক্ত কুণ্ড "তপ্ততোৱা" নামে প্ৰসিদ্ধ হৈছে। এইৰূপে আচাৰ্য্য শঙ্কৰ কেদাৰনাথ তীৰ্থত কিছুদিন বাস কৰি মানবলীলা সংবৰণ মানসে কৈলাসক লাগি গমন কৰি কৈলাসনাথ শঙ্কৰৰ সহিত মিলিত হৈছিল। আচাৰ্য্যে ভগবানক দেখিবা মাত্ৰ ছিন্ন তৰুৰ ন্যায় ভগবৎ চৰণত পতিত হৈ চৰণ স্পৰ্শমাত্ৰে তাতেই বিলিন হৈ গৈছিল। অনুচৰগণে এই ঘটনা দেখি যাৰ পৰনাই বিস্মিত হৈছিল। এইদৰে শঙ্কৰে মানবলীলা সম্বৰণ কৰি পৃথিবীৰ পৰা অন্তৰ্হিত হৈছিল।

আচাৰ্য্য শঙ্কৰৰ আবিৰ্ভাৱ হোৱাৰ সময় ভাৰতবৰ্ষত ম্লেচ্ছাধিকাৰ হোৱা নাছিল। তেওঁৰ তিৰোভাৱৰ ৪।৫ বছৰ পূৰ্ব্বে সুদূৰ পশ্চিম ভাৰতত প্ৰথম মুছলমানৰ আক্ৰমণ হয়। তেওঁৰ সময়ত ক্ষুদ্ৰ ক্ষুদ্ৰ স্ব, স্ব, প্ৰধান কিছুমান ৰাজ্যে ভাৰতবৰ্ষ বিভক্ত আছিল। ভাৰতৰ কোনো সাৰ্ব্বভৌমিক নৰপতি নাছিল। অমিয়মাখা বৌদ্ধ ধৰ্ম্ম বিকৃত হৈ ভীষণ তান্ত্ৰিক মতত পৰিণত হোৱাত মাৰণ, উচ্চতন, বশিকৰণ প্ৰভৃতি ক্ৰিয়াৰ দ্বাৰা ইহলোকৰ সুখভোগকেই পৰমপুৰুষাৰ্থ বুলি মানুহে জ্ঞান কৰিছিল।

বৌদ্ধ ধৰ্ম্মৰ অভ্যুদয়ৰ পূৰ্ব্বে যেনেকৈ বৈদিক ও পৌৰাণিক ধৰ্ম্ম বিকৃত হৈছিল, বৌদ্ধধৰ্ম্মও কালক্ৰমে বিকৃত হৈ ততোধিক অধিকতৰ পুতিগন্ধময় হৈ পৰিছিল। জৈন সকলৰ পবিত্ৰ উপদেশও কেবল অলৌকিক শক্তি লাভে পৰ্য্যবসিত হৈছিল। প্ৰাচীন পৌৰাণিক মত বিকৃত বৌদ্ধ তান্ত্ৰিকতাৰ সংস্পৰ্শে নানা সম্প্ৰদায়ে বিভক্ত হৈ ধৰ্ম্মৰ আভ্যন্তৰিক একতা সূত্ৰ ছিন্ন ভিন্ন হৈছিল। নামমাত্ৰ বেদমূল কটা থাকিলেও একেশ্বৰাধীনতা

প্ৰভৃতি এক প্ৰকাৰ বিলুপ্ত হৈছিল। উভয় পক্ষৰ সৈন্য-সামন্ত নিহতপ্ৰায় হলে যুদ্ধত একপক্ষ জয়লাভ কৰিলেও যেনেকৈ বিজেতাই নতুন সেনাপতিৰ সাহায্য নাপালে পৰাজিতক স্ববশক লাগি আনিব অসমৰ্থ হয় তেনেকৈ ন্যায়, সাংখ্য, কৰ্ম্ম-মিমাংসা প্ৰভৃতিয়ে বৌদ্ধ শত্ৰুক পৰাজিত কৰি স্বয়ং নিহত-প্ৰায় হৈ বৌদ্ধ সকলক স্ববশক লাগি আনিবৰ অসমৰ্থ হৈছিল। ঠিক এই সময়তে বেদান্ত শাস্ত্ৰৰূপ নববলে বলীয়ান হৈ শঙ্কৰাচাৰ্য্যৰ অভ্যুদয় হয়। নব সেনাপতি স্বৰূপ শঙ্কৰে বিজেতাৰ অবশিষ্ট সৈন্যদ্বাৰা পৰিপুষ্ট হৈ শত্ৰুৰ সমুদায় ঐশ্বৰ্য্য হৰণ কৰিও শত্ৰু সকলক অভয় দানে স্ববশক লাগি আনিছিল। বাস্তবিকতে শঙ্কৰে তেওঁৰ পূৰ্ব্ব-বৰ্ত্তী বৈদিক ও বৌদ্ধ সকলৰ দাৰ্শনিক মতৰ উৎকৃষ্ট অংশবিলাক গ্ৰহণ কৰি বেদান্তমত প্ৰচাৰ কৰিব সুযোগ পাইছিল। সেই সময়ত যি কিছু উৎকৃষ্ট আছিল তৎসমুদায়কে শঙ্কৰে স্বকীয় মতৰ অন্তৰ্নিবিষ্ট কৰি লৈছিল। আচাৰ্য্য শঙ্কৰৰ গুণে ভাৰতবাসী নিজ বৈদিক ধৰ্ম্মৰ একতা একেশ্বৰাধীনতা স্মৰণ কৰিব সক্ষম নোহোৱা হলে একেশ্বৰবাদী উন্মত্ত মুছলমান সকলৰ আগমনত ভাৰতৰ বৈদিক ধৰ্ম্ম ভবিষ্যতে একদিনও তিষ্ঠিব সক্ষম নহলহেঁ।

৺আচাৰ্য্য শঙ্কৰৰ সংক্ষিপ্ত জীৱনী ইমানতে পৰিসমাপ্তি কৰি বাৰান্তৰে ৺আচাৰ্য্য ৰামানুজৰ সংক্ষিপ্ত জীৱনী প্ৰকাশৰ আশা বুকুত বান্ধি সহৃদয় "বান্ধৱৰ" পাঠক সকলৰ সমীপত বিদায় মাগিলো। অযোগ্য লোকৰ ভুল ভ্ৰান্তিৰ নিমিত্তে পাঠক সকলে নিজ দয়া গুণে ক্ষমা কৰিব বুলি ভৰসা।

ইতি বাং ১৩২২ চন, ১০ বৈহাগ।

TRUE COPY

মান্যবৰ

শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা, বাঁহী সম্পাদক

ডাঙৰীয়াৰ সমীপেষু

আপোনাৰ গত সংখ্যা "বাঁহীত" "কামৰূপীয়া ভাষাৰে" লিখা গল্প খোজাৰ বিজ্ঞাপন দেখি বঁটাৰ লোভ সামৰিব নোৱাৰি দুই ফাঁকমান লিখিবলৈ আগ বাঢ়িলোঁ। আশাকৰোঁ মোৰ এই কথা খিনি আপোনাৰ সুবিখ্যাত "বাঁহীত" লৰচৰ নকৰাকৈ ঠাই দিব।

"কামৰূপীয়া ভাষাৰ" কেৱল এটি বা দুটি গল্প পঢ়ি আপোনাৰ অভিলাষ পূৰণ নহব যেন পাওঁ। সেই নিমিত্তে "কামৰূপীয়া ভাষাৰ" ভঁড়ালৰ সঞ্চাৰ পাটকে আপোনাক দিবলৈ ইচ্ছা কৰিছোঁ, সেই সঞ্চাৰ পেটি এই :—বৰ্ত্তমানত আমাৰ অসমীয়া ভাষাই যি আকৃতি ধাৰণ কৰিছে তাৰেই কিছুমান শব্দ অলপ পৰিবৰ্ত্তন কৰিলেই "কামৰূপীয়া ভাষা" ফটফটিয়াকৈ ওলাব। যথা :—

১। অধিকাংশ একাৰযুক্ত শব্দক অকাৰযুক্ত কৰিলেই কামৰূপীয়া ভাষা স্পষ্ট হব ; যেনে "নেলাগেৰ" ঠাইত "নালাগে" "নেৰায়ণৰ" ঠাইত "নাৰায়ণ", "ৰেধাকৃষ্ণৰ" ঠাইত "ৰাধাকৃষ্ণ", "কেছাৰিৰ" ঠাইত "কাছাৰি", "কেৰকেটুৱাৰ" ঠাইত "কৰকটুৱা", "খেজানাৰ" ঠাইত "খাজানা", "এহাৰ মাহৰ" ঠাইত "আহাৰ মাহ" "চেহাবৰ" ঠাইত "চাহাব", "এহাগুধিয়াৰ" ঠাইত "আশাগুধিয়া", "এদাৰ" ঠাইত "আদা", "একাৰৰ" ঠাইত "আকাৰ," "জেহেজৰ" ঠাইত "জাহাজ" ইত্যাদি।

২। সংস্কৃত মূলক কিছুমান যুক্তাক্ষৰ শব্দ স্বাভাৱিক অৱস্থাত ৰাখিলেই "কামৰূপীয়া ভাষা" হব; যেনে—"পদুম" নকৰি "পদ্ম", "লখিমী" নকৰি "লক্ষ্মী", "সইত" নকৰি "সত্য", "কাইছপ" নকৰি "কাশ্যপ", "কৰম" নকৰি "কৰ্ম্ম", "আইগা কৰা" নকৰি "আজ্ঞা কৰা", "সৰবজান" নকৰি "সৰ্ব্বজান", "পৰব" নকৰি "পৰ্ব্ব", "শইচ" নকৰি "শস্য", "শবদ" নকৰি "শব্দ", "কিৰিপা" নকৰি "কৃপা", "ধৰম" নকৰি "ধৰ্ম্ম", "শৰাধ" নকৰি "শ্ৰাদ্ধ", "আইধা" নকৰি "আধ্যা", "যইগঁ" নকৰি "যজ্ঞ", "মিতিৰ" নকৰি "মিত্ৰ", "ছাত্তৰ" নকৰি "ছাত্ৰ" ইত্যাদি।

৩। সংস্কৃতমূলক শব্দৰ পৰিবৰ্ত্তে নিৰৰ্থক শব্দৰ ব্যৱহাৰ নকৰিলেই "কামৰূপীয়া ভাষা" হয়; যেনে :—"সংস্কৰণৰ" ঠাইত "তাঙৰণ", "খশুৰ" ঠাইত "গজালি", "মাইৰ" ঠাইত "বৌ", "কবিৰাজৰ" ঠাইত "বেজ", "পুতেকৰ" ঠাইত "পিতেক", "মামীৰ" ঠাইত "মাই" ইত্যাদি।

৪। অৰ্থবাচক শব্দ থাকোঁতে অৰ্থহীন শব্দ ব্যৱহাৰ নকৰিলেই নিৰ্ভাজ "কামৰূপীয়া" ভাষা হয়; যেনে :—"মহৰিৰ" পৰিবৰ্ত্তে "আঠুৰা", "আগুৰানৰ" পৰিবৰ্ত্তে "ৰিহা", "ধনীৰ" পৰিবৰ্ত্তে "চহকী", "মেঘৰ" পৰিবৰ্ত্তে "ডাৱৰ", "দোমাহীৰ" পৰিবৰ্ত্তে "বিহু", "বৰৰ" পৰিবৰ্ত্তে "দৰা", "পৈকৰ" পৰিবৰ্ত্তে "বোকা", "সাতদিনাৰ" পৰিবৰ্ত্তে "সাদিনা" "ডিমাৰ" পৰিবৰ্ত্তে "কণী", "ভালৰ" পৰিবৰ্ত্তে "বাক", "গলৰ" পৰিবৰ্ত্তে "ডিঙি", "থাবলৈৰ" পৰিবৰ্ত্তে "সাবলৈ", "চাৰিটাৰ" পৰিবৰ্ত্তে "চাইটা", "বান্ধনীৰ" পৰিবৰ্ত্তে "চাংমাই" ইত্যাদি।

এই সঞ্চাৰপেটি হাতত লৈ আমাৰ অসমীয়া ভাষাৰ পেড়া মেলিলেই "কামৰূপীয়া ভাষা" উজ্জ্বলৰূপে দেখা পাব। আপোনাক কোৱা বাহুল্য যে বৰ্ত্তমানৰ "আসাম" নামটি আগৰ কামৰূপৰ ঠাইত ব্যৱহাৰ কৰা হৈছে, সেই কাৰণে "কামৰূপীয়া ভাষা" এতিয়া

"অসমীয়া ভাষা" নামে অভিহিত হৈছে। মহাপুৰুষ শঙ্কৰদেৱ কিম্বা তৎপূৰ্ব্বকালৰ কবিসকলৰ ৰচিত প্ৰাচীন গদ্যপদ্যময় গ্ৰন্থসকলৰ ভাষা "কামৰূপীয়া" বুলিয়েই জনাজাত আছিল আৰু এতিয়াও আছে। বৰ্ত্তমানৰ অসমীয়া ভাষাৰ ওজাসকলেও সেইসকল গ্ৰন্থকেই অসমীয়া ভাষাৰ মূল ভিত্তি বুলি ঘোষণা কৰিছে। বৰ্ত্তমান আকাৰৰ অসমীয়া ভাষা "কামৰূপী ভাষাৰ" দ্বিতীয় তাণ্ডৱণ মাত্ৰ। "মলকু" ভাঙ্গৰীয়াই নতুন সাজ পিন্ধি "মিষ্টাৰ মুলুক গুঁইন গুঁইন" বুলি পৰিচয় দিলেও তেওঁ "মলকু" ককাই ভিন্ন আন কোনো নহয়। মোৰ বিবেচনাত আপোনাৰ নিচিনা উচ্চ শিক্ষা প্ৰাপ্ত ভাষাজ্ঞ পণ্ডিত এজনে এইদৰে আমাৰ ভাষাক "অসমীয়া ভাষা" আৰু "কামৰূপীয়া ভাষা" নামে বেলেগকৈ নাম দিয়া উচিত যেন নালাগে। আসামৰ প্ৰত্যেক জিলাত আৰু অইন কি প্ৰত্যেক মৌজাতেই কথিত ভাষাৰ বহুতো লবচৰ আছে। এনে কি একে গাওঁতেই শ্ৰেণী আৰু জাতি বিশেষে ভিন্নৰূপ কথাৰ প্ৰচলন আছে। কিন্তু সেই বুলিয়েই লিখিত ভাষা কাৰো ভিন্ন নহয়। পৃথিবীৰ সকলো ভাষাই এই নিয়মৰ অন্তৰ্গত। মোৰ কথা কেইফাকি আপোনাৰ অভিলষিত "কামৰূপীয়া ভাষাৰ" গল্প নোহোৱাৰ বাবে আপোনাৰ স্বীকৃত পুৰস্কাৰ পোৱাৰ অধিকাৰী নহব পাৰোঁ, সেইবাবে মোৰ কবলগীয়া একো নাই, কাৰণ গল্পৰ ভাল বেয়া বিচাৰৰ ভাৰ আপোনাৰ ওপৰত। কিন্তু "কামৰূপীয়া ভাষাৰ" পেড়াৰ সঞ্চাৰ পাটৰ সন্ধান কৈ দিয়া বাবে বোধকৰোঁ আমাক বঁটাৰ পৰা একে বাবে কালেঞ্জিয়া নকৰিব পায়। আপোনাৰ "বাঁহীত" মোৰ কথা আষাৰ প্ৰকাশ কৰিলেই বঁটা পোৱাৰ তুল্য জ্ঞান কৰিম। ইতি—

লিখক

শ্ৰীউত্তম চন্দ্ৰ বৰুৱা

কামৰূপীয়া নিভাজ 'ধেকেৰী'

গুৱাহাটী
৭।৯।১৯১০

TRUE COPY

22 Rosemary Lane
Howrah 3. 10. 1910

শ্ৰীযুত উত্তমচন্দ্ৰ বৰুৱা

ডাঙৰীয়া,

আপোনাৰ ৯ তাৰিখৰ "কিবাকিবি" "(নাম কাঢ়িব নোখোজোঁ, ত্ৰুটী মাৰ্জ্জনা কৰিব) সম্বন্ধীয় চিঠিখন পাই বাধিত হলোঁ। কোৱা বাহুল্য যে আপুনি তাত যি মতামত প্ৰকাশ কৰিছে, আমি তাক সম্পূৰ্ণৰূপে সমৰ্থন কৰোঁ। আপোনাৰ চিঠিখন বাঁহীত প্ৰকাশ কৰিব পৰাহেঁতেন বৰ বং পালোঁহেঁতেন, কিন্তু দুৰ্ভাগ্যবশতঃ তেনে কাম কৰিবলৈ সম্প্ৰতি সাহ কৰিব নোৱাৰোঁ। গুৱাহাটীৰ অ, ভা, উ, সা, সভাত এই বিষয় লৈ যি তুমুল আন্দোলন চলিব লাগিছে, তাক বোধকৰোঁ আপুনি জানে। তাৰ উপৰিও বাহিৰৰ পৰা টান মাতেৰে আমাক সম্ভাষণ কৰি লিখা চিঠি এখন দুখনকৈ পাব লাগিছোঁ। এনে স্থলত বৰমূৰীয়াবিলাকৰ দ্বাৰা এই বিষয়ৰ এটা সিদ্ধান্ত নহয় মানে বাঁহীয়ে নিতাল মাৰি থকাই যুক্তিসঙ্গত বুলি বিবেচনা কৰোঁ। ইতি—

নিবেদক
(স্বাঃ) শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা
বাঁহীৰ সম্পাদক